
# মঙলদৈ মহাবিদ্যালয়

# আলোচনী


৫০ সংখ্যক প্ৰকাশ

২০১৮ চন





জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
শ্বহীদ বেদী




মঙলদৈ মহাবিদ্যালয়

# আলোচনী

৫০ সংখ্যক প্ৰকাশ

২০১৮ চন

তত্ত্বাৱধায়ক ঃ ড° আঙ্গিৰস

সম্পাদক ঃ ছালমান হুছেইন

**Mangaldai Mahavidyalaya Alochani** : The annual house journal of Mangaldai College, *Published* by Dr. Khagendra Kr. Nath, Principal, Mangaldai College on behalf of Mangaldai College Students' Union.

সম্পাদনা সমিতি ঃ

মঙলদৈ মহাবিদ্যালয় আলোচনী (২০১৭-১৮ চন)

সভাপতি ঃ ড° খগেন্দ্র কুমাৰ নাথ

উপদেষ্টা ঃ ড° বিজয় কুমাৰ শৰ্মা
শ্ৰীপৰেশ কুমাৰ শৰ্মা
ড° ৰুণজুন দেৱী

তত্ত্বাৱধায়ক ড° আঙ্গিৰস

সম্পাদক ঃ ছালমান হুছেইন

বিশেষ সদস্য ঃ ড° বৰ্ণালী কলিতা
শ্ৰীখঞ্জনা ডেকা
আব্দুল মজিদ

সদস্য ঃ শ্ৰীজিঞ্টুমণি চহৰীয়া
মাহমুদুল হাচান
শ্ৰীপ্ৰাণজিৎ বৈশ্য
শ্ৰীদেৱব্ৰত নাথ

বেটুপাত ঃ ড° আঙ্গিৰস

শেষ প্ৰচ্ছদ-পট ঃ ব্যাসৰ মুদ্ৰাৰ চিত্ৰ ( দৰঙী কলা-কৃষ্টি সংঘৰ ১৯৮৭ চনত আয়োজিত ৯ম অধিবেশনৰ স্মৃতিগ্ৰন্থ 'ব্যাস স্মৃতি'ৰ পৰা সংগৃহীত)

মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাইভেট লিমিটেড
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১ ০০৭

একাঁজলি শ্ৰদ্ধাঞ্জলি.........



সেই পূণ্যাত্মাসকললৈ,
যিসকলে জীয়াই থাকি নিজ কৃতকৰ্মৰাজিৰে অথবা
দেশ তথা মানৱতাৰ হকে মৃত্যু বৰণ কৰি আমাক এক
সুৰক্ষিত বৰ্তমান প্ৰদান কৰিলে,
জীৱনৰ ধ্যেয়ৰ বাবে মাৰ্গদৰ্শন কৰালে,
আদৰ্শ স্থাপন কৰিলে, প্ৰেৰণাৰ সঞ্চাৰ কৰিলে,
সেই সকল মহামানৱ, স্বতন্ত্ৰ সেনানী, দেশৰ শ্বহীদ সৈনিক সকল,
ভাষা আন্দোলন তথা অসম আন্দোলনৰ শ্বহীদসকল......
আৰু
যি সকলৰ [illegible]লস প্ৰচেষ্টাৰ ফলত আমাৰ এই জ্ঞানতীৰ্থ
মঙলদৈ মহাবিদ্যালয়ৰ জন্ম হৈছিল তথা নিৰন্তৰ শ্ৰীবৃদ্ধি প্ৰাপ্ত হৈছে
লগতে
[illegible] বৰ্ষটোত পৰলোক প্ৰাপ্তি হোৱা
বিশ্ববিশ্ৰুত পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিন্স, ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সচিব প্ৰধান কফি আন্নান,
ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া, সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত
মুখাশিল্পী সত্ৰাধিকাৰ কোষকান্ত দেৱ গোস্বামী আৰু জ্ঞাত-অজ্ঞাত সকলো
মহান ব্যক্তি, যিসকলে বিজ্ঞান, সাহিত্য, শিল্পকলা, ৰাজনীতি, প্ৰতিৰক্ষা আদিলৈ
অমূল্য বৰঙণি আগবঢ়াই গ'ল.......
তেওঁলোকৰ আত্মাৰ সদ্গতি কামনা কৰিলো।

—সম্পাদনা সমিতি

# অধ্যক্ষৰ একলম ...

"তমসো মা জ্যোতির্গময়"

১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে প্ৰতিষ্ঠা হোৱা মঙলদৈ মহাবিদ্যালয়ে ৬৭ বছৰৰ এটি সুদীৰ্ঘ প্ৰৰিক্ৰমা অতিক্ৰম কৰিলে। এই পৰিক্ৰমা আছিল বহু ঘাত-প্ৰতিঘাতৰ আৰু একে সময়তে বহু আশা-উদ্দীপনাৰ। সমগ্ৰ জিলাখনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয় এক অগ্ৰণী প্ৰতিষ্ঠান। কলা-সংস্কৃতি, ৰাজনৈতিক সক্ৰিয়তা আদি ক্ষেত্ৰত জিলাখনৰ যি এক সমৃদ্ধ ঐতিহ্য আছে তাৰ বিপৰীতে জিলাখন পশ্চিমীয়া শিক্ষাৰ প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত সফলতাৰ সেই উচ্ছসিত খতিয়ান দেখা নাযায়। আহোম শাসন কালছোৱাত অসমৰ ৰাজধানী আছিল চৰাইদেউ, গড়গাঁও, যোৰহাট আদি ঠাইত। শালস্তম্ভ বংশৰ সময়ত তেজপুৰ অসমৰ ৰাজধানী আছিল। আনহাতে প্ৰাচীন যুগৰ অধিকাংশ সময়তে অসমৰ ৰাজধানী আছিল গুৱাহাটীত। বৃটিছৰ শাসন কালত অসমৰ ৰাজধানী আছিল শ্বিলং। শাসনৰ কেন্দ্ৰস্থল হিচাপে উল্লিখিত স্থান সমূহত শিক্ষা-দীক্ষা, বাণিজ্য অৰ্থনৈতিক আদি ক্ষেত্ৰত বিশেষ উন্নতি সাধিত হৈছিল। মধ্যৱৰ্তী স্থান হিচাপে দৰং জিলাখনে বহুসময়ত সীমান্তৰ অন্ত্যস্থঃ অঞ্চল হিচাপে থাকিবলগীয়া হৈছিল, ফলত শিক্ষা, ব্যৱসায় বাণিজ্য আদি ক্ষেত্ৰত এই অঞ্চলটো শাসক শ্ৰেণীৰ উপেক্ষাৰ বলি হৈছিল আৰু এক অনগ্ৰসৰ অঞ্চল হিচাপে ৰৈ গৈছিল। প্ৰাচীন তথা মধ্যযুগত জ্ঞান চৰ্চাৰ এক পৰম্পৰাগত শৈলীৰ প্ৰভাৱত এই অঞ্চলটোত বিভিন্ন বিষয়ত ভালেমান পণ্ডিত ব্যক্তিৰ জন্ম হৈছিল। কিন্তু পৰৱৰ্তী সময়ত পশ্চিমীয়া শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটো বিভিন্ন কাৰণত পিছ পৰি ৰ'ল। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ উদ্দেশ্যে১৯৯৩/৯৪ চনত শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ দেশখনৰ ভিতৰতে দৰং জিলাকো এটা অনগ্ৰসৰ অঞ্চল হিচাপে চিনাক্ত কৰা হৈছিল। এই বিদ্যায়তনিক দৈন্যৰ প্ৰতিফলন আমাৰ মহাবিদ্যালয়খনৰ ক্ষেত্ৰতো ঘটা দেখা গৈছে। সমস্যাৰে জৰ্জৰিত এই মহাবিদ্যালয়খনক উচ্চ শিক্ষাৰ ক্ষেত্ৰত যুগসাপেক্ষ উৎকৰ্ষৰ এক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত, গতি দিয়াটো এক প্ৰত্যাহ্বানমূলক কাম। তৎস্বত্বেও চাৰিওফালৰ পৰা অনবৰতে প্ৰবেশ কৰিব বিচৰা অৱক্ষয়ৰ, অৱসাদৰ, বিঘিনিকাৰক প্ৰভাৱবোৰে আমাক হতাশ কৰিব পৰা নাই। এইবোৰৰ বিৰুদ্ধে আমি যুঁজ দি গৈছোঁ লগতে গঠনমূলক দিশবোৰক আগবঢ়াই লৈ যাবলৈ যত্নপৰ হৈ আছো।

বিগত বৰ্ষটো আছিল আমাৰ বাবে এক আশা-উদ্দীপনাৰ বৰ্ষ। আন্তঃগাঠনিমূলক তথা বিদ্যায়তনিক উৎকৰ্ষৰ বিভিন্ন কাৰ্যৰ লগতে সুদীৰ্ঘ ১৪ বছৰৰ অন্তত NAACৰ দ্বাৰা মহাবিদ্যালয়খনৰ মূল্যায়নৰ কাম বিভিন্ন বাধা-বিঘিনি অতিক্ৰম কৰি সম্পূৰ্ণ কৰা হ'ল।

অনাগত দিনত বিজ্ঞান শাখাৰ বিভিন্ন বিভাগৰ পৰীক্ষাগাৰ সমূহ অত্যাধুনিক কৰি তোলা, এটা ছাত্ৰাৱাস নিৰ্মাণ কৰা, খেলপথাৰখন উন্নত কৰা; শৰীৰ চৰ্চাৰ বাবে এটা উন্নত জিমনেচিয়াম, অৰ্ধনিৰ্মিত চুইমিংপুলটো সম্পূৰ্ণ কৰি তোলাৰ কথা ভবা হৈছে। আমাৰ সমুখলৈ অহা আঘাতবোৰে আমাক অধিক দৃঢ় কৰি তুলিছে। সংকল্পত আমি অটল হৈ আছো। সমগ্ৰ দৰং বাসী ৰাইজে আমাৰ মঙলদৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওপৰত, শিক্ষকসকলৰ ওপৰত, ছাত্ৰ-ছাত্ৰীৰ ওপৰত, যি বিদ্যায়তনিক তথা সাংস্কৃতিক দায়িত্ব অৰ্পণ কৰিছে, যি আশা স্থাপন কৰিছে; ৰাষ্ট্ৰই এই ক্ষেত্ৰত আমাৰ ওপৰত যি দায়িত্ব ন্যস্ত কৰিছে সেয়া আন্তৰিকতাৰে আমি মূৰ পাতি লৈছো আৰু তাৰ বাবে নিৰলস প্ৰচেষ্টাত ব্ৰতী আছো। কোনো নেতিবাচক চিন্তা, হতাশাক প্ৰশ্ৰয় আমি নিদিম। আমাৰ এই সংকল্প এক অমৃত সন্ধানী যাত্ৰাৰ, এক আলোক সন্ধানী যাত্ৰাৰ।

ধন্যবাদ—

ড° খগেন্দ্ৰ কুমাৰ নাথ
অধ্যক্ষ
মঙলদৈ মহাবিদ্যালয়





ড° খগেন্দ্ৰ কুমাৰ নাথ

অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়

# সম্পাদনা সমিতি


ড° খগেন্দ্ৰ কুমাৰ নাথ
সভাপতি



ড° বিজয় কুমাৰ শৰ্মা
উপদেষ্টা


শ্ৰীপৰেশ কুমাৰ শৰ্মা
উপদেষ্টা


ড° ৰুণজুন দেৱী
উপদেষ্টা


ড° বৰ্ণালী কলিতা
বিশেষ সদস্যা


শ্ৰীখঞ্জনা ডেকা
বিশেষ সদস্যা


আব্দুল মজিদ
বিশেষ সদস্য


ড° আঙ্গিৰস
তত্ত্বাৱধায়ক


ছালমান হুছেইন
সম্পাদক


শ্ৰীজিন্টুমণি চহৰীয়া
সদস্য


মঃ মাহমুদুল হাচান
সদস্য


শ্ৰীপ্ৰাণজিৎ বৈশ্য
সদস্য


শ্ৰীদেৱব্ৰত নাথ
সদস্য

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

<u>ৰচনা</u>

শ্ৰী প্ৰভাত চৌধুৰী

<u>সুৰ</u>

কুমাৰ আনন্দ নাৰায়ণ দেৱ

<u>তাল</u>

দাদ্‌ৰা

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।।১।।
অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী:
বিকশিত আজি শত শতদল
তোমাৰ চৰণ চুমি।।২।।
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।




মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একা সভা (২০১৭-১৮ বৰ্ষ)ৰ বিষয়ববীয়াসকল ঃ

বাওঁফালৰপৰা ক্ৰমে ঃ গগন জ্যোতি নাথ, চিন্ময়ী গোস্বামী, চয়নিকা নাথ, বিশ্বজিৎ বৰুৱা, কৌস্তুভমণি চহৰীয়া

অপুল ডেকা, ছালমান হুছেইন, প্ৰিয়ংকা বৈশ্য, হিমাশ্ৰী নাথ, নিশা ৰাণী মেধি

# সূচীপত্ৰ


- তত্ত্বাৱধায়কৰ চিন্তা — ড° আঙ্গিৰস
- সম্পাদকীয় — ছালমান হুছেইন


## প্ৰবন্ধ


| | | |
|---|---|---|
| অসম সাহিত্য সভাৰ সভাপতি পৰমানন্দ ৰাজবংশীদেৱৰ এটি সাক্ষাৎকাৰ | সম্পাদনা সমিতি | ১ |
| বৈদিক সাহিত্যত শিক্ষাৰ আদৰ্শ | গগেন কাকতি | ৪ |
| গুৰৱে নমঃ | ড° মঞ্জু কলিতা | ৭ |
| A Pseudo Interview with a Peace Pilgrim Dr. Satish Kumar | Dr. Pabitra Kr. Nath | ১১ |
| কৃষ্ণাংগ নাৰীবাদ (Black Feminism) | ড° বৰ্ণালী ডেকা | ১৬ |
| ফেৰ'মন— জীৱ-জন্তুৰ মাজত যোগাযোগৰ এক মাধ্যম | ড° লীনা শইকীয়া | ১৮ |
| উচ্চ শিক্ষা আৰু গুণগত বিকাশ | উষাৰাণী ডেকা | ২০ |
| ইতিহাস আৰু আধ্যাত্মিকতা | ড° আঙ্গিৰস | ২১ |
| Sattriya Nritya, The Heritage of Assam | Kishor Nath | ২৮ |
| দৰঙৰ অন্যতম সম্পদ 'ঢেপা ঢোল' | হিমাংশু শৰ্মা | ৩০ |
| দৰঙী খুলীয়া ভাউৰীয়া ঃ এক আপুৰুগীয়া কৃষ্টি সম্পদ | মৈত্ৰেয়ী মমী কলিতা | ৩৪ |
| খুলীয়া ভাউৰীয়াত 'বহুৱা'ৰ প্ৰভাৱ | নিত্য সুন্দৰ নাথ | ৩৭ |
| সাহিত্যৰ সংজ্ঞা বিচাৰি | প্ৰাঞ্জল ডেকা | ৩৮ |
| সংগীত আৰু যুৱ প্ৰজন্ম | ছালমান হুছেইন | ৪০ |
| নৱ ভাৰতৰ এগৰাকী ৰূপকাৰ ঃ অটল বিহাৰী বাজপেয়ী | প্ৰাঞ্জল কুমাৰ নাথ | ৪১ |
| Virat-The Run Machine Kohli | Jintumani Saharia | ৪৩ |
| মহাৰথীৰ মহাশতক আৰু কিছু আমোদজনক কাহিনী | হৰেকৃষ্ণ ডেকা | ৪৭ |
| Leo Messi -10 | Rijuwan Mustak | ৫০ |
| ভিলেজ ৰকষ্টাৰ্ছ- ৰীমা দাসৰ ৰূপোৱালী যাত্ৰা | প্ৰীতিস্মিতা কলিতা | ৫১ |
| Kashmir Conflict | Anindita Sahariah | ৫২ |
| পথৰুঘাটৰ ৰণ ঃ পৃষ্ঠভূমিত এটি অৱলোকন | নিশা ৰাণী নাথ | ৫৩ |
| নাৰী নিৰ্যাতন আৰু সমাজ ব্যৱস্থা | প্ৰণৱজ্যোতি নাথ | ৫৫ |
| যৌতুক প্ৰথা — এটি সামাজিক অভিশাপ | ইয়াছৰিণা ৰুবি চুলতানা | ৫৮ |
| নাৰীবাদ আৰু সাম্প্ৰতিক অসমীয়া সমাজত ইয়াৰ ভূমিকা | উৎপল কলিতা | ৬০ |
| Why is drug abuse a social problem? | Bhitali Kalita | ৬২ |
| ৰণুৱা নহবি তই বনুৱা হ | জ্যোতি প্ৰসাদ ডেকা | ৬৪ |
| Environmental Problems in India : Its Solution | Rizuwana Sultana | ৬৫ |
| A way to mental health : Psychological Counselling | Priyam Sarmah | ৬৯ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| ◆ মানুহ প্ৰমুখ্যে সকলো জীৱ-জন্তুৰ বাবে অনুকূল পৰিৱেশ বজাই ৰখাত গছ-গছনিৰ প্ৰয়োজনীতা | নীলাক্ষি কলিতা | ৭১ |
| ◆ অত্যাধুনিক নেটৱৰ্ক সংযোগ ব্যৱস্থা, ছ'চিয়েল মিডিয়া আৰু যুৱ সমাজ | বিকাশ শৰ্মা বৰুৱা | ৭৪ |
| ◆ অন্য এক দৃষ্টিকোণেৰে - সোণাৰু | সংগীতা তামুলী | ৭৮ |
| ◆ Live Physics : Machines know more about us than we do. | Rafiqul Islam | ৭৯ |
| ◆ স্মাইলী আৰু ইয়াৰ ইতিহাস | ৰাজা হাচিম আহমেদ | ৮০ |
| ◆ বাৰাণসীৰ ঘাটে ঘাটে... | জয়িতা শাণ্ডিল্য | ৮১ |
| ◆ সোঁৱৰণীৰ দিশে | নীহাৰিকা ডেকা | ৮৩ |


## গল্প


| | | |
|---|---|---|
| ◆ নীলাখামৰ চিঠি | সংগীতা তামুলী | ৮৪ |
| ◆ 'মা' | জিতু কুমাৰ মহন্ত | ৮৫ |
| ◆ পাহৰা গীতৰ সুৰে আহি .... | অঙ্কিতা কোঁৱৰ | ৮৬ |
| ◆ আংশিক | আৰলিন চিবলীনা | ৯০ |
| ◆ হৃদয়ত শৰতৰ জোন | জীমণি ডেকা | ৯৩ |
| ◆ অন্তিম সিদ্ধান্ত | অনামিকা সৰকাৰ | ৯৫ |
| ◆ নীলাঞ্জনাৰ অস্ত বেলি | চিন্ময়ী গোস্বামী | ৯৮ |
| ◆ চাকনৈয়া | কৰিশ্মা ডেকা | ৯৯ |
| ◆ পৰিচয়বিহীন | ভাবনা ডেকা | ১০১ |
| ◆ অভিশপ্ত এনিভাৰ্ছাৰী | নীলোৎপল বড়া | ১০৫ |
| ◆ হঠাৎ | ছালমা চুলতানা | ১০৭ |
| ◆ মোৰ আধৰুৱা প্ৰেম কাহিনী | প্ৰাণজিৎ বৈশ্য | ১০৯ |
| ◆ আচহুৱা | পৰাগ জ্যোতি কাশ্যপ | ১১২ |

# সূচীপত্ৰ

## কবিতা


| | | |
|---|---|---|
| কলম | ড° আঙ্গিৰস | ১১৬ |
| কবিতা | প্ৰতীম বৰুৱা | ১১৭ |
| আকৌ লগ পাম | হিমাংশু প্ৰসাদ দাস | ১১৮ |
| পৃষ্ঠা ঃ ১ | সাগৰিকা ডেকা | ১১৮ |
| প্ৰেম | নীলোৎপল বড়া | ১১৯ |
| আহিবানে তুমি .... | বাব্লি কলিতা | ১১৯ |
| বিভ্ৰান্ত বাস্তৱ | বনশ্ৰী ৰাজবংশী | ১২০ |
| Treasure | Shabnam Mokbina Elahi | ১২০ |
| পিতাই | অপূৰ্ব কুমাৰ ডেকা | ১২১ |
| উৰুলিৰ উচুপনি | নয়নজ্যোতি ডেকা | ১২২ |
| পিৰালি আৰু নিজানতাৰ দুটা স্তৱক | অভিজিৎ ডেকা | ১২২ |
| অগস্ত্য যাত্ৰা, জীৱন বৃত্ত আৰু সাগৰৰ চকুপানী | মাহমুদুল হাচান | ১২৩ |
| মেঘ | জয়ন্ত ৰাজবংশী | ১২৪ |
| সৰি পৰা সময় | কাবেৰী দাস | ১২৫ |
| সময় | জ্যোতিষ ডেকা | ১২৫ |
| তোমালৈ শেষ চিঠি | উদয় ডেকা | ১২৬ |
| The Silent Flame | Aditya Saha | ১২৬ |
| নিস্তব্ধতা | প্ৰাণজিৎ বৈশ্য | ১২৭ |

- ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়াসকলৰ প্ৰতিবেদন ১২৮
- Principals of Mangaldai College ১৪২
- ২০১৭-১৮ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ ১৪৩
- মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল ঃ ১৪৩

# তত্ত্বাৱধায়কৰ চিন্তা

১৩৩ কোটি জনসংখ্যাৰ এখন বিশাল দেশ। বিদেশী শাসন তথা উপনিৱেশিক শোষণৰ কবলৰপৰা মুক্ত হোৱা মাত্ৰ ৭২ বছৰ হৈছে। এখন দেশৰ আয়ুস হিচাপে এই সময় বহুত দীঘলীয়া নহয়। এই সময়ছোৱাৰ ভিতৰত এই দেশখনে এক কৃষি বিপ্লৱ সংঘটিত কৰি কৃষি ক্ষেত্ৰত আত্ম নিৰ্ভৰশীল দেশলৈ ৰূপান্তৰিত হ'ল। এক বিশাল পথপৰিৱহন ব্যৱস্থা, ৰেলপথ, বিমান সেৱা আমি গঢ়ি তুলিছো। বলিউদৰ বিনোদন উদ্যোগ এক চমৎকাৰ বুলি ক'ব লাগিব। এই সময় ছোৱাৰ ভিতৰতে ভাৰতবৰ্ষ পাৰমাণৱিক শক্তিধৰ ৰাষ্ট্ৰলৈ উদ্‌গতি কৰিলে। মহাকাশ গৱেষণাটো ভাৰতে ঈৰ্ষণীয় সফলতা লাভ কৰিছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত চিকিৎসা; প্ৰযুক্তি আৰু তথ্য-প্ৰযুক্তি ক্ষেত্ৰত ভাৰতীয় যুৱকসকলে গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াব সক্ষম হৈছে। পৃথিৱীৰ অন্য প্ৰান্তত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে ডাঙৰ বিপ্লৱ সংঘটিত হোৱা দেখা যায়। ভাৰতবৰ্ষই স্বাধীনতাৰ পিছতে প্ৰজাতন্ত্ৰ স্থাপন কৰিছিল- সাৰ্বজনীন ভোটাধিকাৰৰ ভিত্তিত। বৰ্তমান ভাৰতবৰ্ষ পৃথিৱীৰ সৰ্ববৃহৎ প্ৰজাতান্ত্ৰিক দেশ। দুৰ্নীতি, নিবনুৱা সমস্যা, প্ৰাকৃতিক দুৰ্যোগ, সামগ্ৰিকভাৱে অলস জাতীয় প্ৰবৃত্তি আদিৰ দৰে কিছুমান সমস্যা থকা সত্বেও এই দেশখনৰ প্ৰতিজন লোকে প্ৰতিটো মুহূৰ্ততে কম দিনৰ ভিতৰতে পৃথিৱীৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ দেশ হোৱাৰ সপোন দেখে। এই সপোনে প্ৰতিটো ক্ষণ প্ৰতিজন মানুহক কিবা এক ধৰণৰ জাগৃতি প্ৰদান কৰি ৰাখিছে। হতাশা আছে, কিন্তু এই হতাশাই বিশ্বত ত্ৰাস সৃষ্টি কৰিব পৰা সন্ত্ৰাসবাদী, ধ্বংসকাৰী প্ৰজন্ম এই দেশে সৃষ্টি কৰা নাই। এই দেশৰ যুৱকসকলক আশাহত কৰিব পৰা, সাধনাসাধ্য বিষয়বোৰৰ পৰা মনোযোগ বিভ্ৰান্তকাৰী বহু কথাই সহজলভ্য হৈ পৰিছে যদিও এই প্ৰজন্মটোৱেই ভাৰতৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্য সমূহ ধৰি ৰাখিছে; উজ্জীৱিত কৰি তুলিছে, গতিশীল কৰি তুলিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত দেখা দিয়া ভোগবাদী ব্যভিচাৰ; সেইবোৰৰ পৰা উদ্ভৱ হোৱা হত্যালীলাৰ নিদান হিচাপে ভাৰতীয় সাংস্কৃতিক প্ৰমূল্যসমূহ ডাঙি ধৰি সমগ্ৰ বিশ্বক বৌদ্ধিক, আধ্যাত্মিক, সাংস্কৃতিক নেতৃত্ব দিয়াৰ বাবে দেখুওৱা সাহস তথা উদ্যম এক আশাব্যঞ্জক কথা। এই উদ্যমত আমি যোগদান কৰিব লাগে। আমি নিজে আমাৰ অন্তৰ্নিহিত প্ৰতিভাসমূহ চিনাক্ত কৰি সেইবোৰৰ সাধনা কৰিব লাগে। জীৱনৰ সৌন্দৰ্য- উদ্যমত, গতিশীলতাত, বুদ্ধিৰ প্ৰয়োগত; প্ৰতিভাৰ প্ৰতিষ্ঠাত, ইয়াতেই জীৱনৰ সফলতা নিৰ্ণীত হয়।

বিগত ওঠৰ বছৰত মঙলদৈ মহাবিদ্যালয়ত মোৰ শিক্ষকতাৰ সময়ছোৱাত দেখিবলৈ পাইছো এমুঠিমান মুষ্টিমেয় ছাত্ৰই প্ৰতিটো বৰ্ষতে তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত নিজ নিজ ব্যক্তিত্বৰ গুণত জিলিকি থাকে। কোনোবাই গান গায়; কোনোবাই নাটক কৰে, কোনোবাই ভাল তৰ্ক প্ৰতিযোগিতা কৰে; খেলা-ধূলা কৰে। কোনোবাই কোনোবাই পৰীক্ষাত ভাল ফলাফল দেখুৱায়। কোনো কোনোৱে নিজৰ ভাল মাত-কথা আচৰণৰ জৰিয়তেই আনৰ মনত ছাপ পেলাই থৈ যায়। এই ছাত্ৰ-ছাত্ৰীসকলেই কলেজত বিভিন্ন অনুষ্ঠান, কাৰ্যসূচী সমূহ সফল কৰি তোলে; বাহিৰত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াই আনে। এই মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো যিমানেই ডাঙৰ হ'ব আৰু সেই গোটটোত নিজকে অন্তৰ্ভুক্ত কৰাৰ প্ৰেৰণা তথা উদ্যম সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত যিমানেই বৃদ্ধি পাব সিমানেই মঙ্গল।

মহাবিদ্যালয়ৰ এই আলোচনীখন আমাৰ বৌদ্ধিক/সাহিত্যিক চেতনা, সামৰ্থ তথা উদ্যমৰ প্ৰতিফলক, সূচক। এই আলোচনীখনে আমাৰ বৌদ্ধিক/সাহিত্যিক চেতনাৰ স্তৰ; সামৰ্থ, উদ্যম যিদৰে প্ৰতিফলিত কৰিব পাৰে এইবোৰৰ প্ৰতি আমাৰ উদাসীনতা, উদ্যমহীনতা, অক্ষমতাকো প্ৰতিফলিত কৰিব পাৰে, কৰে। আমি আটায়ে এই দিশটিৰ প্ৰতি সচেতন থকা ভাল।

ধন্যবাদ—

ড° আঙ্গিৰস

# সম্পাদকীয়



সম্পাদকীয় পৃষ্ঠাৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সোঁৱৰিছোঁ সেইসকল মহান ব্যক্তিক যিসকলৰ কষ্ট আৰু ত্যাগৰ ফলত প্ৰতিষ্ঠিত হৈছিল দৰং জিলাৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়। হাজাৰ হাজাৰ জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰ বিলাই সফলতাৰ বাট দেখুওৱা মঙলদৈ মহাবিদ্যালয় আমাৰ গৰ্ব। গতিকে এইখন মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে এখনি ভাল আলোচনী উপহাৰ দিয়াটো মোৰ কৰ্তব্য। ক'লা-নীলা চিয়াঁহীৰে লিখা বগা কাগজৰ সাহিত্যৰ টুকুৰাবোৰ বুটলি উন্নতমানৰ আলোচনীৰ ৰূপ দিবলৈ যত্ন কৰিছোঁ।

উচ্চ গুণগত মানসম্পন্ন কৰ্মৰ ধাৰাবোৰেই হ'ল শিল্প। লিখন শিল্পই হ'ল সাহিত্য, যাক সমাজৰ দাপোন স্বৰূপে গণ্য কৰা হয়। কাৰণ সমাজত ঘটি থকা আৱেগ-অনুভূতি, বিদ্ৰোহ-আকাংক্ষা, মৰম-অত্যাচাৰ আদি বিভিন্ন দিশক সাহিত্যৰ যোগেদি প্ৰকাশ কৰা হয়। 'সম' আৰু 'হিত' এই দুয়ো শব্দৰ সংমিশ্ৰণেই হ'ল সাহিত্য। অৰ্থাৎ যি শিল্পৰ দ্বাৰা ভাষা আৰু জাতিৰ সমানে হিত সাধন হয়, সেয়াই সাহিত্য।

অসমীয়া সাহিত্যত প্ৰাক- শংকৰী যুগৰ সাঁচিপতীয়া পুথিয়েই হওঁক নাইবা আজিৰ যুগৰ উন্নত ছপাশালত প্ৰস্তুত হোৱা পুথিয়েই হওঁক, এই সকলোবোৰ সাহিত্যৰ উন্নয়নৰ উপাদান। প্ৰাক বৈষ্ণৱ সাহিত্য, বৈষ্ণৱ সাহিত্য, পাচাঁলী সাহিত্য, আহোম যুগৰ সাহিত্য আদিৰে অসমীয়া ভাষা-সাহিত্য মেটমৰা। সেয়ে পুৰণি সাহিত্যৰ সৈতে ফেৰ মাৰিবলৈ আধুনিক সাহিত্যৰ প্ৰতিযোগিতাখনিহে আমাৰ বাবে প্ৰত্যাহ্বানজনক।

বৰ্তমান বিশ্বায়নৰ যুগ, গোলকীকৰণৰ যুগ। সেয়ে সময়ৰ লগে লগে সাহিত্যৰ পৰিসীমা প্ৰতিজন ব্যক্তিৰ হাতে হাতে বিয়পি পৰিছে। প্ৰতিখন অনুষ্ঠানে প্ৰতিষ্ঠানে প্ৰকাশ কৰিব লৈছে সাহিত্য বিষয়ক গ্ৰন্থ। কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰী বা লিখকসকলে তেওঁলোকৰ হাতবোৰ যেন ব্যৱহাৰ কৰিছে কলমৰ বিপৰীতে ম'বাইল অথবা কম্পিউটাৰ কী-বোৰ্ডত। লিখিছে ঠিকেই কিন্তু চিয়াহী অবিহনে। সেয়েহে লিখনি থাকিও অৱহেলিত হৈ পৰিছে প্ৰকাশ হ'বলগীয়া গ্ৰন্থবোৰ আৰু প্ৰভাৱ পৰিছে বৰ্তমান সাহিত্যত। আলোচনী সম্পদনা কৰোতে একে ধৰণৰ সমস্যাৰ সন্মুখীন মইও হৈছিলোঁ। আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বহুত আছে কিন্তু আশ্চৰ্যকৰ কথা যে আলোচনীৰ বাবে লিখনি দিবলৈ অলপ টান পায়। বহুতে ফেচবুকত নাইবা আন ইলেকট্ৰনিক মাধ্যমত লিখি ভাল পায়, সেইবাবে হয়তো আজিৰ যুৱ প্ৰজন্মৰ শব্দ আৰু বানানৰ স্তৰ উন্নত নহয়। এটা কথা নুই কৰিব নোৱাৰি যে উন্নত লিখনিৰ অভাৱ আমাৰ অসমীয়া সাহিত্য সমাজত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। অপ্ৰিয় হ'লেও সত্য যে সাম্প্ৰতিক সময়ত সাহিত্যৰ ভঁৰাল গ্ৰাস কৰি আছে সস্তীয়া গ্ৰন্থবোৰে। সস্তীয়া সাহিত্যৰ সৃষ্টিত আমিও বহু পৰিমাণে ইন্ধন যোগাই আছোঁ। সাহিত্যৰ দিশটোৰ উন্নয়নৰ বাবে যুৱ প্ৰজন্ম আগুৱাই আহিব লাগিব। সাহিত্য সভা আদি প্ৰতিষ্ঠানবোৰে এই ক্ষেত্ৰত যুৱ প্ৰজন্মক লগত লৈ বিভিন্ন পদক্ষেপ হাতত ল'লে সাহিত্য চৰ্চা বাঢ়িব, সাহিত্যৰ ভঁৰাল আৰু চহকী হ'ব।

দৰং জিলাৰ সাহিত্যৰ দিশত মঙলদৈ মহাবিদ্যালয়ৰ অৱদান লেখত লবলগীয়া। বহু সাহিত্যিকে এইখন মহাবিদ্যালয়ৰ পৰাই সাহিত্য চৰ্চাৰ যাত্ৰা পাতনি মেলিছিল। দৰং জিলাৰ গৰ্ব তথা অসম সাহিত্য সভাৰ বৰ্তমানৰ

*সভাপতি পৰমানন্দ* ৰাজবংশীদেৱ এই খন মহাবিদ্যালয়তে *শিক্ষা গ্ৰহণ* কৰাৰ লগতে এইখন মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে কাম কৰি গৈছে। মহাবিদ্যালয়ৰ ইতিহাসৰ পাত লুটিয়াই চালে বহুতো সাহিত্যিকৰ নাম ওলাই পৰিব। উল্লেখনীয় যে আমাৰ মহাবিদ্যালয়ত সাহিত্য সভাৰ শাখাটো সক্ৰিয় নহয়। আমাৰ আলোচনী সম্পাদনা সমিতিয়ে অসম সাহিত্য সভাৰ সভাপতিৰ সৈতে কথাটো আলোচনা কৰাৰ পিছত তেখেতে শাখাটো সক্ৰিয় কৰাৰ কথা উল্লেখ কৰিছে। এয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সুখবৰ।

মহাবিদ্যালয় আলোচনীখন সম্পাদনা কৰোঁতে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিলোঁ। বহুত দুখৰ কথা যে লিখনিৰ অভাৱত আলোচনী প্ৰকাশ পাওঁতে পলম হয়। এই সমস্যা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অনুমান কৰিলে অনাগত দিনত এই সমস্যাৰ সমাধান হ'ব বুলি মই আশাবাদী।

সদৌ শেষত এই আলোচনীখনৰ সম্পাদনা কাৰ্যত যিসকলে সহায় কৰিলে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ। আলোচনী তত্ত্বাৱধায়ক ড° আঙ্গিৰস চাৰে ব্যক্তিগতভাৱে যিখিনি কষ্ট কৰিছে তাৰ বাবে আন্তৰিক ধন্যবাদ যাছিলোঁ। প্ৰুফ চোৱাৰ লগতে আলোচনীৰ কামত সহায় কৰা সম্পাদনা সমিতিৰ সকলো সদস্যক মোৰ ধন্যবাদ। বন্ধু জিন্টুমনি চহৰীয়া, প্ৰাণজিৎ বৈশ্য, মাহমুদুল হাচান, দেৱব্ৰত নাথ এওঁলোকৰ সহায় সহযোগিতা নাপালে হয়তো আলোচনীৰ কাম বহুত পিছুৱাই ৰ'লহেতেন। তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ। জয়তু মঙলদৈ মহাবিদ্যালয়।

**ছালমান হুছেইন**
সম্পাদক,
সাহিত্য আৰু আলোচনী বিভাগ



# অসম সাহিত্য সভাৰ সভাপতি পৰমানন্দ ৰাজবংশীদেৱৰ এটি সাক্ষাৎকাৰ

(সাক্ষাৎ গ্ৰহণকাৰী দলটোৰ সদস্য সকল ক্ৰমে ঃ
ছালমান হুছেইন, মাহমুদুল হাচান, জিণ্টুমনি চহৰীয়া আৰু প্ৰাণজিৎ বৈশ্য)





**প্ৰশ্ন** ১) ছাৰ, আপুনি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ লগতে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক। আপুনি পঢ়ি থকা সময়ছোৱাৰ কিছু ভাল লগা মুহূৰ্ত?

**ড° পৰমানন্দ ৰাজবংশী ঃ** মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে মই এতিয়াও নিজকে গৌৰৱ কৰো। মহাবিদ্যালয়ত পঢ়ি থকাৰ অনেক তিতা-মিঠা অভিজ্ঞতা সুঁৱৰি নিজেই পৰিতৃপ্ত হওঁ— হওঁ আহ্লাদিত। এগৰাকী নিৰ্বাচিত ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে মোৰ যি অভিজ্ঞতা সেই অভিজ্ঞতাৰ বৰভেটিটোত ভৰ দিহে মই আগবাঢ়িছো। সাহিত্য সম্পাদক হিচাপে প্ৰাপ্ত অভিজ্ঞতাই মোক আজিও অনুপ্ৰেৰণা যোগাই আছে। মহাবিদ্যালয়ত এক বৌদ্ধিক পৰিৱেশ সৃষ্টিত মোৰ জ্যেষ্ঠ সতীৰ্থ তথা নাহাৰুণ নেচা বাইদেউ (আলোচনীৰ তত্ত্বাৱধায়ক) প্ৰমুখ্যে এচাম শিক্ষাগুৰুৰ আন্তৰিক সহযোগিতা মই কেতিয়াও পাহৰিব নোৱাৰো।

আলোচনীত প্ৰকাশিত মোৰ ক্ষুদ্ৰ উপন্যাসখন পঢ়ি আমাক ভাবুকি দিয়া সেই সময়ৰ বহু সতীৰ্থ আজি মোৰ পৰম শুভাকাংক্ষী। ভাবিলেই ভাল লাগে কথাবোৰ।

**প্ৰশ্ন** ২) মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ পৰা অসম সাহিত্য সভাৰ সভাপতি লৈকে এক অবিৰত বিৰল যাত্ৰা। এই যাত্ৰাৰ আৰম্ভণি ক'ৰ পৰা কেনেকৈ হৈছিল?

**ড° পৰমানন্দ ৰাজবংশী ঃ** আচলতে আলোচনীৰ সম্পাদক হোৱাৰ আগতে মই মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী আছিলো। মঙলদৈত তৰঙ্গ নামৰ এখন দুমহীয়া পাছত এমহীয়া আলোচনী আমি কেইজনমানে অশেষ কষ্টৰে প্ৰকাশ কৰি সমগ্ৰ অসমতে সম্প্ৰচাৰ আৰু বিপণনৰ বাবে প্ৰযত্ন কৰিছিলো প্ৰায় আঠ বছৰ ধৰি। একেদৰে গুৱাহাটী বিশ্ববিদ্যালয়তো শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী পাছত সাহিত্য বিভাগৰ সম্পাদক হৈ স্নাতকোত্তৰ ছাত্ৰসন্থাৰ আলোচনীখনিৰ সম্পাদনাই মোক বহু শিকাইছিল। মই সভাৰ প্ৰধান সম্পাদক, উপ-সভাপতি হ'ম বুলি ভাবিছিলো ঠিকেই, কিন্তু এই সভাপতি পদবীৰ বাবে মই মুঠেও লালায়িত নাছিলো। ভাবিছিলো যদি সভাৰ দায়িত্ব প্ৰধান সম্পাদকত ৰাইজে মোক ভৱিষ্যতে দিয়ে তেন্তে এক সুনিৰ্দিষ্ট লক্ষ্য উদ্দেশ্যৰে জাতীয় অনুষ্ঠানটিলৈ সেৱা আগবঢ়াই যাম। কেইবাৰো প্ৰধান সম্পাদক হিচাপে নাম বাছনিত উঠিলেও মূৰকত নিৰ্বাচনত জিকিব পৰা নাছিলো।

শেষত যেনিবা অভাৱনীয়ভাৱে মই প্ৰধান সম্পাদকত জিকিলো— দুটা বৰ্ষৰ দায়িত্ব লৈ উপ-সভাপতিও হ'বলগীয়া হ'ল।

নানা দুৰ্যোগৰ মাজেৰে আহি আজি সভাৰ অভাৱনীয়ভাৱে সভাপতিৰ দায়িত্ব ল'বলগীয়া হ'ল। আগতেই উল্লেখ কৰিছো সভাপতিৰ দায়িত্ব এইবেলি মই ল'ম বুলি মুঠেও ভবা নাছিলো। কিন্তু সেয়াও সম্ভৱ হ'ল। মোৰ যাত্ৰাৰ আংশিক চিত্ৰহে এয়া।

**প্ৰশ্ন** ৩) সাম্প্ৰতিক সময়ত দেখা যায় যে অসমৰ যুৱ সমাজৰ সাহিত্যৰ প্ৰতি আগ্ৰহ কমি আহিছে। যুৱ প্ৰজন্মক পুনৰ সাহিত্যৰ দিশলৈ ঘূৰাই আনিবলৈ সাহিত্য সভাৰ কৰণীয় কি বুলি ভাবে আৰু আপোনালোকৰ পৰিকল্পনা কি?

**ড° পৰমানন্দ ৰাজবংশী ঃ** যুৱ প্ৰজন্মৰ সাহিত্যৰ প্ৰতি আকৰ্ষণ কম দেখা গৈছে। এইহেন ইণ্টাৰনেট যুগত গ্ৰন্থৰ প্ৰভাৱ কমি গৈছে ঠিকেই কিন্তু গ্ৰন্থৰ কেতিয়াও মৃত্যু নাই। মানুহে পুনৰ এদিন গ্ৰন্থৰ বৰ্ণময় মনোৰম জগতলৈ ঘূৰি আহিবই লাগিব। এই গোলকীকৰণৰ যুগত মই সভাৰ এগৰাকী সেৱক হিচাপে যুৱ-প্ৰজন্মক সভাৰ প্ৰতি আকৰ্ষণ কৰাৰ বাবে যুৱ-সংসদ, ৰামধেনু আদি গঠন কৰিছিলো। কাৰণ যিসকলে প্ৰকৃত গ্ৰন্থপ্ৰেমী সেইসকলেহে বুজি পায় সাহিত্য সভা যে অসমৰ গ্ৰন্থ আন্দোলনৰ প্ৰবক্তা।

একমাত্ৰ অসম সাহিত্য সভাৰ প্ৰতিটো আঞ্চলিক আৰু জিলা, শাখাৰ কাৰ্যালয়ত একোটা পুথিভঁৰাল থকাটো বাঞ্ছনীয়। গ্ৰন্থ পঢ়ো আহক, গ্ৰন্থ পঢ়াৰ আনন্দ শীৰ্ষক এলানি কাৰ্যসূচীও সভাই সময়ে সময়ে অনুষ্ঠিত কৰি আহিছে। এইবাৰ বিভিন্ন প্ৰতিষ্ঠান, শিক্ষানুষ্ঠানত বাধ্যতামূলকভাৱে অসমীয়া গ্ৰন্থ পঢ়াৰ বাবেও সভাই কাৰ্যসূচী গ্ৰহণ কৰিব। আমি মনত ৰখা উচিত অসমত গ্ৰন্থ উৎসৱৰ জন্মদাতাই হৈছে অসম সাহিত্য সভা।

**প্ৰশ্ন** ৪) আমি প্ৰায়ে টিভি-বাতৰিকাকতত পাওঁ যে অসম সাহিত্য সভা ৰাজনীতিৰ ৰম্য ভূমি। সাহিত্য ভাল পোৱা মানুহ হিচাপে নাইবা সাহিত্যৰ প্ৰতি অনুৰাগ থকা মানুহ হিচাপে অসম সাহিত্য সভাত ৰাজনীতি আমি নিবিচাৰোঁ। অসম সাহিত্য সভা কেতিয়া ৰাজনীতিমুক্ত আৰু বিতৰ্কমুক্ত হ'ব?

**ড° পৰমানন্দ ৰাজবংশী ঃ** বিশ্বৰ সকলো মানুহেই ৰাজনৈতিক প্ৰাণী। ৰাজনীতি বাদ দি মানুহ জীয়াই থাকিব নোৱাৰে। পিছে সংকীৰ্ণ, ঠেক, সমাজৰ অহিত চিন্তাদৰ্শনৰ ৰাজনীতি গৰিহণাযোগ্য। অসম সাহিত্য সভা এনে ৰাজনৈতিক চিন্তা আদৰ্শৰ মুক্ত এটি জাতীয় অনুষ্ঠান। ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ পাছতেই অসমৰ মানুহে অসম সাহিত্য সভাৰ পতাকাক জাতীয় পতাকা হিচাপে সন্মান দি আহিছে। সভাৰ ঐতিহ্যমণ্ডিত পতাকাৰ তলত আৰু সভাৰ মঞ্চত অসমৰ সকলো মানুহ যেতিয়া সমবেত হয় তেতিয়া সকলোৱে পাহৰি যায় নিজৰ ধৰ্ম-বৰ্ণ ভাষা আৰু দলীয় ৰাজনৈতিক দৰ্শন। সকলোৱে জাতীয় চিন্তাতহে সভাৰ সেৱা কৰে।

যিয়ে সভাৰ এই মহৎ আদৰ্শ সম্পৰ্কে অজ্ঞাত, কেঁকোৰাৰ দৰে নেতিবাচক চিন্তা আচৰণৰ অধিকাৰী সেইসকলেহে সময়ে সময়ে সভা সম্পৰ্কে মনে সজা উদ্ভট মন্তব্য কৰি থাকে। মুষ্টিমেয় সাংবাদিক, বুদ্ধিজীৱীৰ উপৰিও হাতীতকৈ উচ্চ বুলি ভবা নীচ নিগনি এচামে এনেদৰে মন্তব্য কৰাটো মুদ্ৰাদোষৰ দৰে হৈছে। মেঘে সত্য-সূৰ্যক ঢাকি কিমান দিন থাকিব? সত্য সদায় সূৰ্যৰ দৰে। আজিৰ পৰা এশ এক বছৰ আগেয়ে জন্ম লাভ কৰা অসম সাহিত্য সভাক ৰাজনীতিৰ ৰম্যভূমি সেই সকলে ক'ব যিসকলে নিজেই এনে সংকীৰ্ণ ঠেক চিন্তাৰ অধিকাৰী। সংবাদ মাধ্যমত প্ৰচাৰিত সকলোবোৰ কথাই সঁচা বুলি ভাবিলে এদিন উজুটি খাব লাগিব। কোনটো সঁচা-মিছা সেয়া বিবেক-চিন্তাৰ দ্বাৰাহে সেয়া প্ৰতিপন্ন কৰাটোহে প্ৰকৃত বুদ্ধিমানৰ কাম। আপোন ভালে জগত ভাল নীতিৰে আগবাঢ়ি গ'লে ৰাজনীতি ক'তো দেখা নাপাব। ক'লা চশমা পিন্ধিলে জগতখনেই ক'লা দেখিব।

**প্ৰশ্ন** ৫) অসমীয়া জাতীয় জীৱন তথা সৰ্বসাধাৰণৰ হকে লগতে অসমীয়া ভাষাৰ উন্নতিৰ হকে সভাপতি হিচাপে আলোনাৰ পৰিকল্পনা কি?

**ড° পৰমানন্দ ৰাজবংশী ঃ** জন্মলগ্নৰে পৰা অসম সাহিত্য সভাই জাতীয় জীৱন গঢ়াৰ কামকেই কৰি আছে। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা তথা অসমৰ বহু ঠাইত বিভিন্ন শিক্ষানুষ্ঠান স্থাপনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল অসম সাহিত্য সভাই। অসমীয়া ভাষা আৰু অসমৰ খিলঞ্জীয়া

ভাষাৰ সংৰক্ষণ, সংবৰ্ধন আৰু সম্প্ৰচাৰৰ বাবে সভাই জন্মলগ্নৰে পৰা আত্মনিয়োগ কৰাৰ বাবেই আমি এটি শক্তিশালী অসমীয়া ভাষা পালোঁ— পালোঁ বৰ্ণাঢ্য সংস্কৃতি। আজি গোলকীকৰণে আমাৰ নিজস্ব ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰতি অনা ভাবুকিৰ বাবেই সংকটৰ গৰাহত অসমীয়া ভাষা-সংস্কৃতি তথা খিলঞ্জীয়া ভাষা। এই সংকট নিৰাময়ৰ বাবেই দিনে নিশাই অসম সাহিত্য সভাৰ কেন্দ্ৰীয়, জিলা, শাখা সভাই অসমৰ ৰাইজক লৈ ইতিবাচক কামত অৱতীৰ্ণ হৈছে। এচাম আলোক সন্ধানীয়ে আজিৰ পৰা এশ বছৰ আগেয়ে আমাৰ ভৱিষ্যতৰ বাবে বিভিন্ন দুৰ্যোগ বাধা অতিক্ৰম কৰি এশবছৰীয়া এক সু-সমৃদ্ধ জাতীয় জীৱন দান দিলে। আমিও এতিয়া তোমালোকৰ ভৱিষ্যত এশবছৰৰ বাবে এক সংহত জাতীয় জীৱন দিয়াৰ বাবে বিভিন্ন পৰিকল্পনা যুগুত কৰি কামত অৱতীৰ্ণ হৈছো। তোমালোক প্ৰত্যেকেই আমাৰ জাতীয় জীৱন গঢ়াত সভাৰ কামৰ অংশীদাৰ হ'লেহে আমি সাফল্যৰ দুৱাৰমুখ দেখিবলৈ পাম।

মই ব্যক্তিগতভাৱে সভাক আমাৰ মহামিলনৰ মহাতীৰ্থ হিচাপে গণ্য কৰি আহিছো। আজি পৰ্যন্ত আমি সভাৰ সেৱাহে কৰি আছো। মন্দিৰ-মছজিদ, গীৰ্জা, গুৰুদ্বাৰৰ সেৱকসকলে জানো তাৰ উপাৰ্জিত ধন গ্ৰহণ কৰে? নিজ জেপৰপৰা দিয়েহে। আমিও কেইগৰাকীমানে সভাৰ সেৱক হিচাপেহে সেৱা আগবঢ়াই আছো। তোমালোকো সেৱক হোৱা তেতিয়া ৰাজনীতিৰ ভূত দেখা নাপাবা। ঈশ্বৰ আল্লা তেৱে নামকহে দেখা পাবা।

*** এটি নোসোধা প্ৰশ্নৰ তথা প্ৰাসংগিক কথাৰ অৱতাৰণা কৰো?**

মই মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে অলপতে এটি খবৰে মোক মৰ্মাহত কৰিলে। সান্দীপনিৰ আশ্ৰম হিচাপে গণ্য কৰা আমাৰ মহাবিদ্যালয়ে বোলে 'নাক'ৰ পৰা আশাকৰা ধৰণে সন্তোষজনক মৰ্যাদা নাপালে। মোৰ ভ্ৰাতৃসম অধ্যক্ষ ড° খগেন্দ্ৰ নাথে মহাবিদ্যালয়ৰ সুন্দৰ আন্তঃগাঁঠনি সৃষ্টি কৰোঁতে মই ভাবিছিলো নিশ্চয় এইবেলি মহাবিদ্যালয়খনে প্ৰথম মৰ্যাদা পাবই। পিছে সেয়া সম্ভৱ নোহোৱাৰ এক ইংগিত মোক ড° নাথে এবাৰ প্ৰসংগক্ৰমে উল্লেখ কৰিছিল।

মই নিজে প্ৰায় দুবছৰ ধৰি গুৱাহাটীৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি 'নাক'ৰ নৱমূল্যায়ণৰ বাবে কামত অৱতীৰ্ণ হৈছিলো। মই নিশ্চিত যে মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰাত আমি শতকৰা সত্তৰ শতাংশ কৃতকাৰ্য হৈছো। কিন্তু যিখন মহাবিদ্যালয়ক সান্দীপনিৰ আশ্ৰম বুলি মই গণ্য কৰো সেই মহাবিদ্যালয়ত দৰং তথা অসমৰ ঐতিহ্য ওজাপালিৰ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰ পতাৰ বাবে মই নিজে প্ৰস্তাৱ দিছিলো। ইয়াৰ সিংহভাগ আৰ্থিক সহযোগিতা আমি সাহিত্য অকাডেমি, সংগীত নাটক একাডেমিৰ দ্বাৰা কৰা হ'ব বুলিও কৈছিলো। 'নাক' এ স্থানীয় মৃতপ্ৰায় ভাষা-কলা-সংস্কৃতিক পুনৰ্জীৱিত প্ৰকল্প ৰূপায়ণত অগ্ৰাধিকাৰ ভিত্তিক মূল্যাংকণ কৰে। মই সকলোকে এক দিনাংকও ঠিক কৰি দিছিলো।

পিছত মোৰ সাহিত্য সভাৰ সতীৰ্থসকলে খবৰ দিলে বোলে আমাৰ শিক্ষক-সতীৰ্থসকলৰ বিশেষ আগ্ৰহ নাই আৰু এনেধৰণৰ বৌদ্ধিক দায়িত্ব এৰাই চলাৰ কথা। সেয়ে 'নাক'ৰ দলটো অহাৰ দিনাখন মই নগ'লো।

এতিয়া তোমালোকৰ দৰে ছাত্ৰ-ছাত্ৰীসকলে যদি সহায় কৰা তেন্তে এনেধৰণৰ অনুষ্ঠান পতাত মই গুৰুত্ব দিম যাতে ভৱিষ্যতে আমাৰ মঙলদৈ মহাবিদ্যালয়ে 'নাক'ৰ মূল্যাংকন পাবলৈ সমৰ্থ হয়। আমাক মাথো অধ্যক্ষ আৰু স্বতঃস্ফূৰ্ত ভাৱে আগবাঢ়ি অহা জাতীয় ভাবাপন্ন শিক্ষক কেইগৰাকীমান হ'লেই হ'ল। আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা শিক্ষকসকলে জনা উচিত অসম সাহিত্য সভাৰ সৈতে বুজাবুজি চুক্তিৰ বাবে বহু অনুষ্ঠান প্ৰতিষ্ঠানে আগবাঢ়ি আহিছে। সকলোৰে সৈতে চুক্তি নকৰে। কেইখনমানৰ সৈতে কৰিছে। এনে চুক্তি আৰু কাৰ্যকাৰিতাৰ বিষয়টোত 'নাক'ৰ দলে নম্বৰ দিয়ে বুলি আমাৰ বহুতে নাজানে। কিমাধিকমিতি!

সবালৈকে শ্ৰদ্ধা আৰু শুভকামনা যাঁচিলো এই চেগতে—
।। চিৰ চেনেহী মোৰ ভাষা জননী।।

**ড° পৰমানন্দ ৰাজবংশী**
সভাপতি, অসম সাহিত্য সভা

প্ৰবন্ধ

# বৈদিক সাহিত্যত শিক্ষাৰ আদৰ্শ

গগেন কাকতি
সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ

মানুহৰ অন্তঃশক্তিক সমুচিত ৰূপত বিকশিত কৰি দিয়াই হৈছে শিক্ষাৰ প্ৰথম আৰু অন্তিম উদ্দেশ্য। এই আদৰ্শক হৃদয়ংগম কৰি বৈদিক ঋষিসকলে নিজৰ শক্তিক বিকশিত কৰাৰ কাৰণে পৰমাত্মাক ৰাতিপুৱা আৰু সন্ধ্যা কালত এইদৰে প্ৰাৰ্থনা কৰিছিল—"ধিয়ো যো নঃ প্ৰচোদয়াত্" অৰ্থাৎ হে ঈশ্বৰ, আমাৰ বুদ্ধিক সৎমাৰ্গত প্ৰেৰণ কৰা। এইদৰে "অগ্নে সুপথা ৰায়ে অস্মান্বিশ্বানি দেৱ বয়ুনানিবিদ্বান্ যুযোধ্যস্মজ্জুহৰাণমেনো ভূয়িষ্ঠাং তে নমঃ উক্তিং বিধেম।" অৰ্থাৎ হে অগ্নিদেৱ। আপুনি আমাক সৎমাৰ্গেৰে বিশ্বত লৈ যোৱা, লৈ যোৱাই নহয় আপুনি আমাৰ হৃদয়ৰ পাপ, দুৰ্গুণ আৰু মনৰ পৰা পাপৰ ভাবনা নিস্পাপ তথা শুদ্ধ, পবিত্ৰ বুদ্ধি প্ৰদান কৰা, ইয়াৰ বাবে আমি পুনৰ আপোনাক প্ৰাৰ্থনা কৰিছোঁ। বৈদিক ঋষিসকলে বুদ্ধিক মেধাবী কৰাৰ কাৰণে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল —

"যা মেধাং দেব্যাণাং পিতৰশ্চোপাসতে
তয়া মামদ্য মেধয়াগ্নে মেধাবিনং কুৰু।"

এইদৰে বুদ্ধিক মেধাবী কৰাৰ কাৰণেই প্ৰাৰ্থনা কৰা নাছিল, বুদ্ধিক পবিত্ৰ আৰু কলংকৰহিত কৰাৰ কাৰণেও—

"পুনন্তু মাং দেবজনা পুনন্তু মনাসাধিয়ঃ।
পুনন্তু বিশ্বা ভূতানি জাতবেদ পুনীহি মা।।

এইদৰে বৈদিক শিক্ষাৰ মূল আধাৰ আছিল মানুহৰ বুদ্ধি পৰিষ্কাৰ কৰি সুপথ দৰ্শন কৰোৱা। মূলতঃ এইটোৱে প্ৰাচীন শিক্ষাৰ উদ্দেশ্য আছিল। বৰ্ত্তমান শিক্ষা পদ্ধতিত ক'ৰবাত এনেকুৱা পাঠ্যক্ৰম আছেনে, যিয়ে বুদ্ধিক মানৱতাৰ মাৰ্গৰ পথিক বনাব পাৰে? যাৰ দ্বাৰা আমি উচ্চস্বৰেৰে আয়ুস, ধন, তেজ প্ৰাপ্ত কৰাৰ বাবে প্ৰাৰ্থনা কৰোতে নিজৰ বলৰ সৎপ্ৰয়োগ কৰোতে সহনশীলতাক লাভ কৰাৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ নাপাহৰো—

"তেজোহসি তেজোময়ি ধেহি।
বীৰ্যমসি বীৰ্যময়ি ধেহি।
বলমসি বলং ময়ি ধেহি।
সহোমসি সহোময়ি ধেহি।। (যজুঃ ১৯/৯)

প্ৰাচীন কালত "সত্যং শিৱং সুন্দৰম্'ৰ অনুসৰি বিশ্বৰ কল্যাণ কামনাই বৈদিক সংস্কৃতিৰ প্ৰয়োজন আছিল। তাৰ সিদ্ধিৰ কাৰণে ঐহিক আৰু পাৰলৌকিক উন্নতি কৰা ব্ৰহ্মাৰ স্বৰূপত ভাৰতীয় সকল নিমগ্ন হৈছিল। সেই ব্ৰহ্ম তপস্যাৰে প্ৰাপ্ত হৈছিল—

"ব্ৰহ্ম তল্লক্ষ্যমুচ্যতে", "তপসা চীয়তে ব্ৰহ্ম" তথা তপস্যাৰ পৰীক্ষাৰ ৰূপত যম, নিয়মৰ পালন কৰাৰ কাৰণে এটা নিৰ্দেশ প্ৰত্যেক বিদ্যাৰ্থীক দিয়া হৈছিল, লগতে প্ৰত্যেক মানুহেই এইটো পালন কৰাটো আৱশ্যক আছিল। যমৰ অন্তৰ্গত-

"তত্ৰাহিংসা সত্যাস্তেয় ব্ৰহ্মচৰ্যাপৰিগ্ৰহা যমঃ।"

তথা নিয়ম— "হশৌচ সন্তোষস্তপায়ং স্বাধ্যায়েশ্বৰ প্ৰাণিধানানি নিয়মাঃ" অৰ্থাৎ অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য, অপৰিগ্ৰহ তথা মন, বচন, কৰ্মত পবিত্ৰতা, শৌচ, সন্তোষ, তপ, স্বাধ্যায় আৰু ঈশ্বৰ প্ৰণিধান। এই যম আৰু নিয়মৰ উপযোগিতা, মহত্ব আৰু অনিবাৰ্যতাৰ বিষয়ত কিবা কোৱাটো উচিত নহ'ব। মূলতঃ এইবোৰ হৈছে মানুহ এজনক পূৰ্ণ মানৱ হিচাপে গঢ় দিয়াৰ সাধন। এইবোৰৰ আজিৰ ছাত্ৰ সমাজত পূৰ্ণ ৰূপত অভাৱ হোৱা দেখা যায়। যি ব্ৰহ্মচৰ্যৰ পালন কৰি দেৱতাসকলে ইচ্ছামৃত্যু প্ৰাপ্ত হৈছিল, তাৰো পবিত্ৰ যশস্যা বৈদিক সাহিত্যত পোৱা যায়-

"ব্ৰহ্মচৰ্যেণ তপসা দেৱা মৃত্যুপাধ্যনতঃ
মৰণং বিন্দু পাতেন জীৱনং বিন্দু ধাৰণাত"

চৰিত্ৰৰো প্ৰশংসা কৰি কৈছে যে চৰিত্ৰহীনজন মৃতপ্ৰায়হে। "অক্ষীণো বিত্ততঃ ক্ষীণো বৃত্তাত্তস্তু হতো হতঃ।" (মহা. ২৬- ৩০ উদ্যোগ)

এইদৰে প্ৰাচীন নিৰ্দেশানুসৰি আমি ক'ব পাৰো যে প্ৰাচীন ছাত্ৰ ব্ৰতী আৰু তপস্বী হৈ শিক্ষোপাৰ্জন কৰিছিল। প্ৰাচীন কালত শিক্ষাৰ মূলত শ্ৰদ্ধাৰ ভাৱনা আছিল, কিন্তু আজিৰ ছাত্ৰ সমাজত তাৰ পূৰ্ণ ৰূপত অভাৱ দেখা যায়। মূলতঃ মানৱ জীৱনৰ সফলতাৰ বাবে মনত তত্বৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগে। শ্ৰদ্ধাৰে সকলো কাৰ্য অনায়াসেই সম্পন্ন হৈ যায়। শ্ৰদ্ধাৰ ভাৱনাই নিজৰ গুৰুজনকো বশীভূত কৰাৰ সৰ্বোৎকৃষ্ট সুলভ মাধ্যম—

"শ্ৰদ্ধায়াগ্নিঃ সমিধ্যতে শ্ৰদ্ধয়া হূয়তে হবিঃ
শ্ৰদ্ধা ভগস্য মূৰ্ধান বচসাবেদয়ামসি।।

মূলতঃ শ্ৰদ্ধা হৈছে জ্ঞানাৰ্জনৰ মূল তত্ব। আজিৰ ছাত্ৰৰ মাতা, পিতা আৰু গুৰুজনৰ প্ৰতি কৰা অৱজ্ঞাৰ ভাৱনাৰ কাৰণেই তেওঁলোক সদায়েই তিৰস্কৃত হৈ আহিছে। এইটোৱেই কাৰণ যে তেওঁলোকক গুৰুজনৰদ্বাৰা প্ৰদত্ত শিক্ষা (ছাত্ৰৰ কাৰণে) অভিশাপ স্বৰূপ তথা দুঃখদায়কহে হৈছে। গতিকে ছাত্ৰক তপানুষ্ঠানৰ আচৰণ কৰি শ্ৰদ্ধাশীল কৰিব লাগে। বেদৰ ভাষাত সেইটো সম্ভৱ হয় একমাত্ৰ ব্ৰত পালনৰ দ্বাৰাইহে—

"ব্ৰতেন দীক্ষামাপ্নোতি দীক্ষামাপ্নোতি দক্ষিণাম্।
দক্ষিণাশ্ৰদ্ধামাপ্নোতি শ্ৰদ্ধয়া সত্যমাপ্যতে।।" (যজুৰ্বেদ)

অৰ্থাৎ ব্ৰতেৰে দীক্ষা, দীক্ষাৰে দক্ষিণা, দক্ষিণাৰে শ্ৰদ্ধা, শ্ৰদ্ধাৰে সত্য লাভ হয়। এইদৰে ক্ৰমশঃ মানুহক সুপথত লৈ যোৱাৰ বাবে এইটো পদ্ধতি বেদত আছে। ইয়াৰ পালন কল্যাণ কামনাকাৰীসকলৰ কাৰণে আৱশ্যক। বিদ্যা লাভ সেই সকলৰ নহয় যিসকলে গুৰুক আদৰ নকৰে-

"অধ্যাপিতা যে গুৰুং নাদ্ৰিয়ন্তে বিপ্ৰ বাচা মনসা কৰ্মণা
যথৈব তেন গুৰোৰ্ভোজতিয়াস্তথৈব তান্নমুনক্তি শৃতং তত্।"

বিদ্যাই পবিত্ৰ শুদ্ধাচৰণ কৰ্ত্তা মেধাবী ব্ৰহ্মচাৰীক নিজৰ কৃপাৰে অনুগৃহীত কৰে। ভগবান মনুৰ নিম্নোক্ত শ্লোকফাকি দৰ্শনীয়—

"উৎপাদক ব্ৰহ্ম দাত্ৰোগৰীন্ব্ৰহ্মদঃ পিতাঃ।
ব্ৰহ্মজন্ম হি বিপ্ৰস্য প্ৰেতৎ চেহ চ শাশ্বতস্।।"

অৰ্থাৎ জন্মদাতৃ পিতাতকৈ অধিক আচাৰ্য অধিক মহৎ কিয়নো জন্মদাতৃ পিতাকে কেৱল জন্মহে প্ৰদান কৰে কিন্তু এই ভৱসাগৰ পাৰ হোৱাৰ কাৰণে গুৰুৱেই মানুহৰ পূৰ্ণ আৰু পবিত্ৰ পথপ্ৰদৰ্শক।

গতিকে এইটো ক'ব পৰা যায় যে বৈদিক ভাৰতৰ নিৰ্মাণ ৰাজনৈতিক, আৰ্থিক নাইবা সামাজিক ক্ষেত্ৰত নহৈ ধৰ্মৰ ক্ষেত্ৰত হৈছিল। সৰ্বাংগীণ জীৱনত ধৰ্মৰ প্ৰধানতা আছিল, ধৰ্মই সেই সময়ৰ জনতাৰ জীৱনৰ শ্বাস-প্ৰশ্বাসৰ ৰূপত আছিল, ফলস্বৰূপে প্ৰাচীন ভাৰতীয় ৰীতি নীতি স্বাৰ্থমূলক নহৈ পৰমাৰ্থমূলক আছিল।

ঋগবেদৰ সময়ত গুৰুগৃহই আছিল বিদ্যালয়। উপনয়ন সংস্কাৰৰ বাহিৰেও শিক্ষা পূৰ্ণ হোৱালৈকে শিষ্যই গুৰুৰ ঘৰত আছিল। শিক্ষক পিতাৰ ৰূপত তাৰ সংৰক্ষক আছিল আৰু তাৰ ভোজনাদিৰো নিজেই ব্যৱস্থা কৰিছিল। গুৰুগৃহত বিদ্যাৰ্থীৰ প্ৰৱেশ কেৱল তাৰ নৈতিক বল আৰু সদাচাৰৰ আধাৰৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। গুৰুসেৱা বিদ্যাৰ্থীৰ পৰম কৰ্ত্তব্য আছিল। আশ্ৰমবাসী বিদ্যাৰ্থী সদায়েই গুৰুসেৱা পৰায়ণ আছিল। সেই শিষ্য মনেৰে, কথাৰে, কৰ্মেৰে গুৰু ভক্ত আছিল। গুৰুৱেই সৰ্বস্ব আছিল। গুৰুগৃহত থকা বিদ্যাৰ্থী সমাজৰ ওচৰ সংস্পৰ্শলৈ আহিছিল। গুৰুৰ কাৰণে সমিধ তথা পানী অনা তথা গৃহকাৰ্য কৰা শিষ্যৰ বাবে বাধ্যতামূলক আছিল। এইদৰে গৃহস্থধৰ্মৰ শিক্ষাৰ সৈতে শ্ৰম, বিদ্যা আৰু সেৱাৰ আদৰ্শ পাঠ পঢ়িছিল। গুৰুসেৱাৰ দ্বাৰা বিদ্যাৰ্থীৰ বিনয় তথা অনুশাসনৰ ভাৱ উৎপন্ন হৈছিল; এইকাৰণে আজিৰ দৰে সেই সময়ত শিক্ষাৰ ক্ষেত্ৰত অনুশাসনৰ সমস্যা ক'তো সৃষ্টি হোৱা নাছিল, ইয়াৰ লগে লগে বিদ্যাৰ্থী জীৱনোপযোগী উদ্যম, পশুপালন নাইবা কৃষি আদিতো সহজতে নিপুণ হৈছিল। সাধু জীৱন আৰু উচ্চ বিচাৰৰ ভাৱনাই সেইকালৰ শিক্ষাৰ মুখ্য ফল আছিল। গুৰুগৃহত থকা বিদ্যাৰ্থী নিজৰ আৰু গুৰুৰ ভোজনৰ কাৰণে ভিক্ষান্ন প্ৰাপ্তিৰ কাৰণে গৃহস্থীৰ ঘৰলৈ গৈছিল। এইটো প্ৰথাই বিদ্যাৰ্থীক পৰমুখাপেক্ষী হোৱাতকৈ ত্যাগ, দান তথা মানৱীয় গুণৰ বিকাশৰ কাৰণ হৈছিল। বিদ্যাৰ্থী অহংকাৰ আদি দুৰ্গুণৰ পৰা আঁতৰি থাকি বিনম্ৰ তথা সমাজৰ কল্যাণৰ ভাৱনাৰে

যুক্ত হৈছিল। সমাজৰ সম্পৰ্কলৈ অহাৰ পিছত তেওঁলোক বাস্তৱিক জীৱনতো পৰিচিত হৈছিল। এইদৰে প্ৰাচীন শিক্ষাই স্বাৱলম্বনৰ পাঠ শিকোৱাৰ লগতে সমাজৰ প্ৰতি কৰ্তব্যপৰায়ণতা তথা কৃতজ্ঞতাৰ পাঠো পঢ়াই দিছিল।

বৈদিক কালত শিক্ষাৰ লক্ষ্য আছিল চাৰিবেদৰ পূৰ্ণজ্ঞান তথা ধৰ্ম, দৰ্শন, পুৰোহিতৰ কাৰ্য-কলাপৰ জ্ঞান প্ৰদান কৰা। চতুৰ্থবেদ অথৰ্ববেদ ভাৰতীয় চিকিৎসা শাস্ত্ৰৰ প্ৰথম গ্ৰন্থ। ইয়াত বহুতো প্ৰকাৰৰ ৰোগ নিবাৰণৰ উপায় তথা ঔষধৰ প্ৰয়োগ সম্বন্ধে উল্লেখ আছে। চিকিৎসা শাস্ত্ৰৰ বহু গুৰুত্বপূৰ্ণ তথ্য ইয়াত উল্লেখ আছে। জ্যোতিষ বিদ্যাৰো বহু কথা ইয়াত উল্লেখ আছে। গৃহস্থ জীৱন সম্বন্ধে সংস্কাৰৰ বৰ্ণনা আছে। তন্ত্ৰশাস্ত্ৰৰো বিষয়বস্তু এই বেদত পোৱা যায়। ৰজা তথা ৰাজপৰিষদৰো আলোচনা আছে আৰু এইদৰে বেদত লৌকিক বিষয় সামগ্ৰীৰ উপন্যস্ত কৰা আছে।

বৈদিক ভাৰতত আজিৰ দৰে মুদ্ৰণ যন্ত্ৰ নাছিল, কিতাপ নাছিল, ডাঙৰ ডাঙৰ বিদ্যালয় নাছিল, কিন্তু তপস্যাৰ সাধনা আছিল। গুৰুৰ মুখ আৰু শিষ্যৰ কাণ আছিল। ঋষিসকলে তপস্যা তথা যোগৰদ্বাৰা জ্ঞান লাভ কৰিছিল তথা সেইবোৰ ছন্দ আৰু মন্ত্ৰৰ ৰূপত সংকলিত হৈছিল। ভৱিষ্যতৰ সন্ততিকো হস্তান্তৰিত কৰিব পৰা গৈছিল। ইয়াৰ দ্বাৰা বংশ-পৰম্পৰা তথা শিষ্য পৰম্পৰাৰ উদয় হৈছিল। বৈদিক শিক্ষা পদ্ধতিত (এই) পৰিবাৰ নাইবা কুল-শিক্ষা-সংস্কাৰ ইয়াৰ পৰাই উদয় হৈছিল। আচাৰ্যই নিজৰ শিষ্যক উচ্চাৰণ কৰাই কৰাই মন্ত্ৰবোৰ কণ্ঠস্থ কৰাইছিল। প্ৰত্যেক বিদ্যাৰ্থীয়ে যোগ্যতানুসৰি জ্ঞানাৰ্জন কৰিছিল। সায়ণাচাৰ্যই তিনিপ্ৰকাৰৰ বিদ্যাৰ্থীৰ উল্লেখ কৰিছে—(১) মহাপ্ৰজ্ঞ, (২) মধ্যমপ্ৰজ্ঞ আৰু (৩) অল্পপ্ৰজ্ঞ। সেই সময়ত শব্দ, পদ তথা অক্ষৰৰ শুদ্ধ উচ্চাৰণৰ ওপৰত ধ্যান দিয়া হৈছিল। ছন্দৰ ৰচনা পদৰ দ্বাৰা, পদৰ ৰচনা অক্ষৰৰ দ্বাৰা হৈছিল। সেই সময়ত উচ্চাৰণৰ শুদ্ধতাৰ ওপৰত অত্যধিক ধ্যান দিয়া হৈছিল। এই শিক্ষা মৌখিকহে আছিল, কিয়নো সেই সময়ত লেখন কলাৰ বিকাশ হোৱা নাছিল।

সংক্ষেপতে আমি ঋগবৈদিক শিক্ষা পদ্ধতিক এইদৰে চাব পাৰো যে গুৰু গৃহই আছিল বিদ্যালয়। উপনয়ন সংস্কাৰৰ পৰা আৰম্ভ কৰি শিক্ষা সম্পূৰ্ণ হোৱালৈকে শিষ্যই গুৰুৰ ওচৰত আছিল। শিক্ষক পিতৃৰ ৰূপত তেওঁলোকৰ ৰক্ষক আছিল আৰু তেওঁলোকৰ ভোজনাদিৰ নিজেই ব্যৱস্থা কৰিছিল। গুৰুগৃহত বিদ্যাৰ্থীৰ প্ৰৱেশ কেৱল তেওঁলোকৰ নৈতিক বল আৰু সদাচাৰৰ ওপৰতেই নিৰ্ভৰ হৈছিল। সদাচাৰ নজনা শিষ্যৰ কাৰণে গুৰুকুলত থকাটো নিষিদ্ধ আছিল। বিবাহিত যুৱকেও বিদ্যাধ্যয়ন কৰিছিল, কিন্তু তেওঁলোক আশ্ৰমত থাকিব নোৱাৰিছিল। গুৰুসেৱা বিদ্যাৰ্থীৰ গুৰু কৰ্ত্তব্য আছিল। আশ্ৰমবাসী বিদ্যাৰ্থী সদায়েই গুৰুসেৱা পৰায়ণ হৈ আছিল। শিষ্যসকল মনেৰে, কথাৰে, কৰ্মেৰে গুৰুভক্ত আছিল। গুৰুৱেই সৰ্বস্ব আছিল।

ঋগ্‌বেদৰ কালত বৰ্ণ-ব্যৱস্থাৰ সংকেত পোৱা যায় যদিও বহুত জটিল নাছিল। জ্ঞান কোনো কাৰণে সংৰক্ষিত নাছিল। অম্বৰীষ, ত্ৰসদস্যু, সিন্ধুদীপ, মান্ধাতা তথা শিবি আদি ক্ষত্ৰিয়ই নিজৰ অধ্যবসায়ৰদ্বাৰাই ঋষি পৰম্পৰাত আহিব পাৰিছিল। সেই সময়তেই স্ত্ৰীসকলেও জ্ঞানাৰ্জন পুৰুষৰ সমানেই কৰিছিল। তেওঁলোকে যজ্ঞত ভাগ লৈছিল। বিদুষী নাৰীয়ে আচাৰ্য, উপাধ্যায় বা গুৰ্ৱী পদত অধিষ্ঠিত হৈছিল। সেই সময়ত নাৰীয়ে ব্ৰহ্মচৰ্য পালন কৰাৰ উদাহৰণ পোৱা গৈছে। ৰোমশা, লোপামুদ্ৰা, ঘোষা, অপালা, কদ্ৰু শ্ৰদ্ধা, উৰ্বশী, দেবযানী ইত্যাদি ঋষিকাৰ নাম বিভিন্ন বেদত পোৱা যায়।

গতিকে ক'ব পৰা যায় যে বৈদিক শিক্ষা পদ্ধতিৰ উদ্দেশ্য মহান আছিল, ব্যক্তিৰ সৰ্বাংগীন বিকাশেই তাৰ আধাৰশিলা আছিল, গুৰুৰ ব্যক্তিগতভাৱেও শিষ্যৰ সৈতে পৰিচয় আছিল, গতিকে দৈনিক দিনলিপিৰ পৰিচয়ৰ সৈতে তেওঁলোকৰ মানসিক স্তৰৰ সৈতেও পৰিচিত আছিল। তাৰ ফলত বিদ্যাৰ্থীৰ সৰ্বাংগীণ বিকাশ হৈছিল। জীৱনৰ তিনিটা ঋণ- ঋষিঋণ, দেৱঋণ তথা পিতৃঋণ, যাৰ উল্লেখ যজুৰ্বেদত পোৱা যায়- ব্ৰহ্মচৰ্য, যজ্ঞ আৰু সন্তানোৎপত্তিৰ দ্বাৰা পৰিশোধ কৰা হৈছিল। গুৰুগৃহত বাস কৰা শিষ্য ব্ৰহ্মচৰ্য পালন কৰি শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক পূৰ্ণতা লাভ কৰিছিল। বৈদিক শিক্ষা পদ্ধতিয়ে চৰিত্ৰ, ব্যক্তিত্বৰ বিকাশ তথা সামাজিক সচেতনা বৃদ্ধি কৰাত পূৰ্ণ সফল হৈছিল।□□

প্ৰবন্ধ

# গুৰৱে নমঃ

ড° মঞ্জু কলিতা
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ

অতি প্ৰাচীন কালৰে পৰা গুৰু সকল শিষ্যসকলৰ দ্বাৰা পূজিত আৰু বন্দিত হৈ আহিছে। মানুহে জীৱনত হেনো দুটা ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰে। ইয়াৰে এটা হৈছে পিতৃ-মাতৃৰ ঋণ আৰু আনটো হৈছে শিক্ষাগুৰুৰ ঋণ। পিতৃ-মাতৃৰ পিচতে শিক্ষাগুৰু সকল হৈছে আমাৰ জীৱনৰ পথ প্ৰদৰ্শক। শাস্ত্ৰত সেয়ে কোৱা হৈছে-

"গুৰুৰ্ব্ৰহ্মা, গুৰুৰ্বিষ্ণু,
গুৰুৰ্দেৱ মহেশ্বৰ
গুৰুৰ্সাক্ষাৎ পৰব্ৰহ্ম
তস্মৈ শ্ৰীগুৰৱে নমঃ"

এই পৃথিৱীত অক্লান্ত পৰিশ্ৰমেৰে অজ্ঞানীজনক জ্ঞানৰ পোহৰ বিলোৱা স্বনামধন্য শিক্ষক সকল সঁচাই ব্ৰহ্মা, বিষ্ণু, মহশ্বেৰ তুল্য। তেখেতসকলৰ ত্যাগ অবিহনে হয়তো মহান দাৰ্শনিক, বৈজ্ঞানিক, শিল্পী, সাহিত্যিক, ৰাষ্ট্ৰনেতা, খেলুৱৈ, সংগীতজ্ঞ, চিকিৎসক, শিক্ষাবিদ, কোনোৱে প্ৰতিষ্ঠিত হ'ব নোৱাৰিলেহেঁতেন। সেয়ে শিক্ষা গুৰুসকল সদায় শ্ৰদ্ধাৰ পাত্ৰ আৰু যুগে যুগে তেখেতসকলে সন্মান আৰু সমাদৰ পাই আহিছে।

প্ৰাথমিক বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ আনুষ্ঠানিক শিক্ষাৰ এই সময়ছোৱাত আমি যি সকল শিক্ষাগুৰুৰ সান্নিধ্য লাভ কৰিলো তেখেতসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। আমাৰ জীৱনত এই সকল শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ আদৰ্শ আৰু ব্যক্তিত্ব সদায় অনুকৰণীয় হৈ ৰ'ব। আজিৰ এই লিখনিৰ জৰিয়তে তেওঁলোক সকলোলৈ মোৰ প্ৰণাম জনাইছো। আজিৰ এই চমু লিখনিৰ জৰিয়তে কেৱল মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ বিষয়েহে কিছু অনুভৱ সংক্ষেপে দাঙি ধৰাৰ প্ৰয়াস কৰিছো। অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা মাগিছো।

সেয়া আছিল ১৯৮৫ চন। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ তেতিয়াৰ দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙ্গলদৈ মহাবিদ্যালয় কলা শাখাত নামভৰ্ত্তি কৰিছো। বিষয় হিচাবে ইংৰাজী, অসমীয়া, ঐচ্ছিক অসমীয়া, ৰাজনীতি বিজ্ঞান আৰু তৰ্কবিজ্ঞান বিষয়কেইটি নিৰ্বাচন কৰি লৈছিলো। মোৰ স্বনামধন্য শিক্ষাগুৰু সকলে তেওঁলোকৰ অপৰিসীম ত্যাগ আৰু কষ্টেৰে আমাক যি শিক্ষা প্ৰদান কৰিছিল সেয়া আমাৰ জীৱনৰ পাথেয় হৈ ৰ'ব। এই লিখনিৰ জৰিয়তে তেখেতসকলক গভীৰ শ্ৰদ্ধা নিবেদন কৰিব বিচাৰিছো।

আমাৰ সময়ত ইংৰাজী বিভাগত কৰ্মৰত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আছিল ক্ৰমে- শ্ৰীযুত অমৃত সেন চাৰ, শ্ৰীযুত ভাৰত শৰ্মা চাৰ, শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী বাইদেউ, শ্ৰীযুত হৰিহৰ শৰ্মা চাৰ (অংশকালীন), ড° নিহাৰ ৰঞ্জন মিশ্ৰ চাৰ, শ্ৰীযুত মনিমুগ্ধ বৰঠাকুৰ চাৰ আৰু শ্ৰীমতী অৰুনাভা ভূঞা বাইদেউ (অংশকালীন)। সেন চাৰ সুদূৰ কলিকতাৰপৰা মঙ্গলদৈ মহাবিদ্যালয়লৈ অধ্যাপনা কৰিবলৈ আহিছিল। শুধ বগা ধূতি চাৰ্ট পৰিহিত চাৰে যেতিয়া ইংৰাজী পঢ়াইছিল সকলো ছাত্ৰ-ছাত্ৰীয়ে নীৰৱে তেওঁৰ পাঠ গ্ৰহণ কৰিছিল। পাঠত থকা চৰিত্ৰ এটা বুজাই থাকিলে তেখেত সেই চৰিত্ৰটোৰ লগত একাত্ম হৈ গৈছিল। - Bertrand Russell ৰ "The Scientific point of View"- নামৰ প্ৰবন্ধটো তেখেতে আমাক সুন্দৰকৈ বুজাইছিল। ছাত্ৰ-ছাত্ৰীসকলক তেখেতে- Simple Living and High Thinking - এই কথাষাৰ ভালকৈ উপলব্ধি কৰিবলৈ

অনুপ্ৰেৰণা দিছিল। এই বিভাগৰে শ্ৰদ্ধাৰ ভাৰত শৰ্মা চাৰে আমাক পাঠৰ - Line by line- ইংৰাজীৰ পৰা অসমীয়া অনুবাদ কৰি পঢ়াইছিল। William Shakeshpeare-ৰ Julius Caesar - নাটকখনি বহুত সাৱলীলভাৱে বুজাব পাৰিছিল। Failure is the pillar of success - এই বাণীটো চাৰে ছাত্ৰ-ছাত্ৰীসকলক অনুধাৱন কৰিবলৈ শিকাইছিল। চাৰৰ ইংৰাজী বিষয়ত গভীৰ পাণ্ডিত্য প্ৰকাশ পাইছিল। বিজয়া বাইদেউ খুউব আনন্দমুখৰ আছিল, তেখেতে William Wordsworth ৰ "Sonnet" কবিতাটি খুউব সুন্দৰকৈ বুজাইছিল। কোনোবা ছাত্ৰ-ছাত্ৰীয়ে পাঠদান চলি থকাৰ সময়ত কথাপাতি থাকিলে বাইদেউৰ বৰকৈ খং উঠিছিল। পাঠৰ মাজে মাজে বাইদেউ অলপ হাঁহি উঠা কথা কৈ ছাত্ৰ-ছাত্ৰী সকলক মনোৰঞ্জন দিছিল। সেইখিনি সময়তে অসম আন্দোলনে ভৰপক দিছিল। বিজয়া বাইদেউ গণসংগ্ৰাম পৰিষদৰ সক্ৰিয় সদস্যা আছিল। বৰ্তমান লোকসভাৰ সদস্যা বাইদেউৰ কণ্ঠত সদায় আমি এটা বিপ্লৱী সুৰ শুনিবলৈ পাইছিলো। সেই সময়ত হৰিহৰ শৰ্মা চাৰেও আমাক মাজে মাজে ইংৰাজী পঢ়াইছিল। তেখেত আচলতে আউলাচৌকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আছিল। আমাৰ মহাবিদ্যালয়ৰ শিক্ষক নাটনি হ'লে তেখেতক মাতি আনি ইংৰাজী পাঠ শিকাব দিছিল। চাৰেও সুন্দৰকৈ ইংৰাজী পঢ়াব পাৰিছিল। আমি যেতিয়া স্নাতক দ্বিতীয় বাৰ্ষিক পাইছিলো তেতিয়া এই বিভাগতে দুগৰাকী শিক্ষাগুৰুই নতুনকৈ যোগদান কৰিছিল। এই শিক্ষকদ্বয় আছিল আমাৰ সকলোৰে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। প্ৰথমগৰাকী ড° নিহাৰ ৰঞ্জন মিশ্ৰ চাৰ সুদূৰ উৰিষ্যাৰ পৰা আছিল। প্ৰথমতে তেওঁ অসমীয়া কোৱাত অসুবিধা পাইছিল যদিও খুব কম সময়ৰ ভিতৰতে অসমীয়া ভাষাটো তেওঁ আয়ত্ব কৰি ল'ব পাৰিছিল। মিশ্ৰচাৰে ইংৰাজী ব্যাকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। কাৰণ ব্যাকৰণ অবিহনে এটা ভাষা কেতিয়াও শুদ্ধকৈ ক'ব নোৱাৰি। চাৰৰ কথাখিনি বাৰুকৈ উপলব্ধি কৰিছো। বৰঠাকুৰ চাৰক আমি সকলোৰে মিঠুনচাৰ বুলি মাতিছিলো। চাৰ দেখিবলৈ চিনেমাৰ অভিনেতা মিঠুন চক্ৰৱৰ্তীৰ দৰে আছিল। "Far From The Madding Crowd" - Novel খন চাৰে সুন্দৰকৈ বুজাইছিল। চাৰৰ ক্লাচত গোটেই হলটো ছাত্ৰ-ছাত্ৰীৰে ভৰ্তি হৈছিল। চাৰে ছাত্ৰ-ছাত্ৰী সকলক দিয়া বাৰ্তাটো আছিল জীৱনটোক উপভোগ কৰিব লাগে, তেতিয়াহে জীৱনটো সাৰ্থক হয়। খুউব কম সময়ৰ ভিতৰতে চাৰে মঙ্গলদৈত এখন সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। এই বিভাগৰে আন এগৰাকী শ্ৰদ্ধাৰ অৰুনাভা ভূঞা বাইদেউক আমি কম দিনৰ বাবে পাইছিলো। বাইদেউ সুন্দৰকৈ গান গাব জানিছিল। দেখিবলৈ সু-গঢ়ী বাইদেউ আমাক "Candida" নাটকখন পঢ়ুৱাইছিল বাবে আমি তেখেতক Candida- বাইদেউ বুলি মাতিছিলো।

অসমীয়া বিষয়টিৰ কথা মনলৈ আহিলে ভাহি উঠে ড° উষা বৰা বাইদেউ, ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা চাৰ, নাহাৰুণ নেচা বাইদেউ, শ্ৰীযুত জীৱন শৰ্মা চাৰৰ কথা। জীৱন শৰ্মা চাৰ হেনো মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰথম বেট্‌ছৰ ছাত্ৰ আছিল। চাৰে অতি ভিতৰুৱা অঞ্চলৰ পৰা আহি কেনেকৈ পঢ়া-শুনা কৰি নিজকে প্ৰতিষ্ঠা কৰিছিল, সেইবোৰ মাজে মাজে আমাক কৈ শুনাইছিল। চেষ্টাৰ অসাধ্য যে একো নাই সেইটো আছিল চাৰৰ প্ৰধান বাৰ্তা। ড° উষা বৰা বাইদেউ আছিল এগৰাকী নিয়মানুৱৰ্তী অধ্যাপিকা। তেখেতে "গিৰিমল্লিকা" (ৰঘুনাথ চৌধাৰীৰ) কবিতাটি যেতিয়া পঢ়াইছিল এক বুজাব নোৱাৰা শিহৰণ জাগিছিল আমাৰ মাজত। বাইদেউৰ স্বামী ড° পূৰ্ণ চন্দ্ৰ বৰা চাৰ (দৰ্শন বিভাগৰ) সেই সময়ত মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। নগাঁও জিলাৰ এই দুগৰাকী শিক্ষাগুৰু সেই সময়ত মঙ্গলদৈত যথেষ্ট সমাদৃত আছিল। অসমীয়া বিভাগৰ আন এগৰাকী শিক্ষাগুৰু নাহাৰুণ নেচা বাইদেউ আমাক গণেশ গগৈৰ "শকুনিৰ প্ৰতিশোধ" নাটকখন পঢ়াওতে শ্ৰেণীৰ মাজৰে ছাত্ৰ-ছাত্ৰীক চৰিত্ৰবোৰ ভগাই দি অভিনয় কৰিব দিছিল। তেখেতৰ উচ্চাৰণবোৰ অতি স্পষ্ট আছিল আৰু কণ্ঠটো উচ্চস্বৰৰ আছিল যাৰবাবে অসমীয়াৰ ক্লাচত

বহুসংখ্যক ল'ৰা-ছোৱালীয়ে একেবাৰে পিচৰ বেঞ্চৰ পৰাও পাঠ শুনিব পাইছিল। ক্ষীণ চেহেৰাৰ বাইদেউজনী প্ৰায়ে হাপানী ৰোগত ভুগিছিল। ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা চাৰৰ গাত এক আভিজাত্য ফুটি উঠা দেখিছিলো। তেখেতে দুটা বিষয়ত (ইংৰাজী আৰু অসমীয়া) স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। চাৰে আমাক ৰগৰ কৰি মাজে মাজে কৈছিল- তেওঁ হেনো সদায় যুগ্ম বস্তু ভাল পায় আৰু সেয়ে তেওঁৰ দুটা ডিগ্ৰী, দুটা কলম (সদায় পকেটত থাকে) আৰু দুটা সন্তান আছিল। আমি শুনি বৰ ৰস পাইছিলো। অসমীয়া সাহিত্য বুজালে তেওঁ পাশ্চাত্য সাহিত্যৰ বহুত উদ্ধৃতি দিছিল। আমি স্নাতক দ্বিতীয় বাৰ্ষিক পাওতে অসমীয়া বিভাগত শ্ৰদ্ধাৰ ইদ্ৰিছ আলি চাৰে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ পৰা আহি মঙ্গলদৈ মহাবিদ্যালয়ত অসমীয়া বিভাগত যোগদান কৰিছিল। ইতিমধ্যে চাৰে অসমীয়া সাহিত্য জগতত এক সুখ্যাতি অৰ্জন কৰিববৈলে সক্ষম হৈছিল। বিশেষকৈ তেওঁৰ ৰচিত গীত সমূহে সংগীত জগতত যথেষ্ট সমাদৰ পাইছিল। চাৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰতিষ্ঠিত গীতিকাৰ। চাৰৰ ৰচিত "কৰবীৰে মালা নাগাথিবা, কৰবী মৰহি যাব সুৰভি হেৰাই যাব", গীতটি অৰুণাভা ভূঞা বাইদেউৱে অনাতাঁৰ কেন্দ্ৰৰ গীতিমালিকাত প্ৰাণ ঢালি গায়। চাৰৰ উপস্থিতিয়ে মহাবিদ্যালয়লৈ যথেষ্ট সন্মান কঢ়িয়াই আনিছিল। মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত তেখেত অসম সাহিত্য সভাৰ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল। চাৰৰ পাঠদানো আছিল অতি মনোগ্ৰাহী যাৰ বাবে আমি সকলোৱে তেখেতৰ শ্ৰেণীত উপস্থিত থাকিবলৈ খুউব আগ্ৰহী আছিলো।

ৰাজনীতি বিজ্ঞান বিষয়ৰ শিক্ষাগুৰু সকল আছিল ক্ৰমে- শ্ৰদ্ধাৰ ড° নগেন শৰ্মা চাৰ, ক্ষিতেশ্বৰ কোচ চাৰ, ৰাজেন বৰুৱা চাৰ আৰু ৰমনী চহৰীয়া চাৰ। ড° নগেন শৰ্মা চাৰে অতি স্পষ্ট উচ্চাৰণেৰে ৰাজনীতি বিজ্ঞানৰ শিক্ষা প্ৰদান কৰিছিল। তেখেতে বক্তৃতা দি থকা সময়ত আমি তেখেতৰ মুখৰফালে থৰ লাগি চাই আছিলো। পাঞ্জাৱী কুৰ্তা পৰিহিত চাৰ দেখিবলৈও বৰ শুৱনি। চাৰে ক্লাচত গোটেই বিশ্বৰ আগশাৰীৰ দেশবোৰৰ ৰাষ্ট্ৰনীতিৰ কথা সুন্দৰকৈ কব পাৰিছিল। অগাধ পাণ্ডিত্যৰ অধিকাৰী এই গৰাকী চাৰে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত জীৱনৰ খা-খবৰো লৈছিল আৰু পাৰ্য্যমানে সহায়ো কৰিছিল। চাৰে সেই সময়ত ৰাজনীতিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল আৰু কলাইগাঁও বিধানসভা সমষ্টিৰপৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। ৰাজনীতি বিভাগৰ আন এগৰাকী চাৰ শ্ৰদ্ধাৰ ক্ষীতেশ্বৰ কোচ চাৰে আমাক ভাৰতীয় সংবিধানৰ বিষয়ে বুজাইছিল। চাৰে আমাক হঠাতে প্ৰশ্ন-উত্তৰ লিখিব দিছিল যাৰ বাবে আমি তেখেতৰ শ্ৰেণীত সদায় সচেতন হৈ থাকিব লাগিছিল। এই বিভাগৰ আন এগৰাকী শ্ৰদ্ধাৰ চাৰ ৰাজেন বৰুৱাদেৱে সুন্দৰকৈ পাঠদান কৰাৰ উপৰিও ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনিৰ তত্বাৱধায়ক আছিল। সেই সময়ত মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সমাজ সেৱাৰ আঁচনি সমগ্ৰ ৰাজ্যৰ ভিতৰতে এক উচ্চ স্থান দখল কৰিছিল। চাৰৰ নেতৃত্বতে সমাজ সেৱাৰ ছাত্ৰসকলে মঙ্গলদৈ নদীৰ গতি সলনি কৰি এক ইতিহাস ৰচনা কৰিববৈলে সক্ষম হৈছিল। তেখেতে শিবিৰবোৰত উপস্থিত থাকি অতি ৰসাল কথাৰে ছাত্ৰ-ছাত্ৰী সকলক আমোদ দিয়াৰ লগতে কাম কৰিববৈলে উৎসাহিত কৰিছিল। ৰাজনীতি বিজ্ঞানৰ আন এগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰমনী চহৰীয়া চাৰে ৰাজনীতিৰ পাঠদান কৰাৰ উপৰিও তেখেত বিভিন্ন সামাজিক কামত জড়িত আছিল। চাৰ আমি পঢ়া সময়ত সদৌ অসম মহাবিদ্যালয় শিক্ষক সংস্থাৰ (ACTA) ৰ সম্পাদক আছিল। আমাৰ যিমানদূৰ মনত আছে চহৰীয়া চাৰে সেই সময়ত ৰাজনীতি বিজ্ঞান বিভাগত এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আহ্বান কৰিছিল। প্ৰাপ্ত বয়স্ক শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোচিত এখন National Seminar আছিল আমাৰ জীৱনৰ Seminar সম্বন্ধে প্ৰথম অভিজ্ঞতা। বিভিন্ন দায়িত্বত থকা এই গৰাকী চাৰে যিকেইটা ক্লাচ কৰিছিল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৰ উপযোগী আছিল।

শিক্ষা বিভাগত আমি মাত্ৰ দুগৰাকী শিক্ষাগুৰুকহে পাইছিলো। তেখেতসকল আছিল শ্ৰদ্ধাৰ জগন্নাথ শৰ্মা

চাৰ আৰু ড০ হৰিশ ডেকা চাৰ। শৰ্মা চাৰে আমাক শিক্ষামনোবিজ্ঞান পঢ়াইছিল। তেখেতৰ স্মৃতিশক্তি অতি প্ৰখৰ আছিল। বহুত সহজ সৰল চাৰে কেতিয়াও কাকো খং কৰা দেখা নাছিলো। ড০ হৰিশ ডেকা চাৰ আছিল আমাৰ সকলোৰে অতি প্ৰিয় শিক্ষাগুৰু। তেখেতৰ বাগ্মিতাৰ কাৰণে অকল শিক্ষা বিভাগৰে নহয় সকলো ছাত্ৰ-ছাত্ৰীয়ে তেখেতৰ বক্তৃতা শুনাৰ বাবে বৰ আগ্ৰহী আছিল। তেখেতৰ বক্তৃতা এবাৰ শুনিলে আৰু শুনি থাকিবৰ মন যায়। অতি মনোগ্ৰাহীকৈ আৰু বোধগম্য হোৱাকৈ তেখেতে পাঠদান কৰিছিল। শ্ৰদ্ধাৰ চাৰে সমগ্ৰ দৰং জিলাতে এজন শ্ৰেষ্ঠ বক্তাৰ স্থান লাভ কৰিছিল। তেখেতৰ ব্যক্তিত্ব আৰু বক্তৃতাৰ কৌশল সঁচাই আদৰণীয়। আমাৰ সময়ত শিক্ষা বিষয়ত মেজৰ নাছিল। সেয়ে শিক্ষা বিষয়ত ইচ্ছা থকা স্বত্বেও মেজৰ ল'ব নোৱাৰিলো। চাৰৰ জনপ্ৰিয়তা সমগ্ৰ ছাত্ৰ সকলৰ মাজত সদায় স্মৰণীয় হৈ থাকিব।

তৰ্কবিজ্ঞান বিষয়টি মোৰ ঐচ্ছিক বিষয় আছিল যদিও স্নাতক পৰ্যায়ত এই বিষয়টিকে মুখ্য বিষয় হিচাবে পঢ়িলো। উক্ত বিভাগৰ শিক্ষক দুগৰাকী আছিল ক্ৰমে- শ্ৰদ্ধাৰ দেৱী দাস নেওগ চাৰ আৰু শ্ৰদ্ধাৰ প্ৰবীন বৰুৱা চাৰ। নেওগ চাৰে অনবৰতে এযোৰ ডাঠ ক'লা চচ্‌মা পিন্ধি আহিছিল। তেখেত অতি চোকা বুদ্ধিৰ আছিল। দৰ্শন বিষয়ৰ জ্ঞানৰ উপৰিও চাৰে আনুসংগিক বহু বিষয়ত পাৰদৰ্শী আছিল। চাৰে শাস্ত্ৰীয় সংগীত সাধনা কৰিছিল আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নটি অংকণ কৰিছিল। নেওগ চাৰৰ "তৰ্কবিজ্ঞান, আগমন খণ্ড" কিতাপখন সেই সময়ত বহুলভাৱে প্ৰচাৰিত হৈছিল। এই বিভাগৰ আন এগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰু যিগৰাকীৰ অধীনত শিক্ষালাভ কৰাৰ উপৰিও প্ৰায় বিশ বছৰকাল একেলগে শিক্ষকতা কৰাৰ সৌভাগ্য ঘটিছিল সেই গৰাকী মাননীয় শিক্ষাগুৰু হ'ল শ্ৰদ্ধাৰ প্ৰবীন বৰুৱা চাৰ। চাৰক প্ৰথম দেখিবৰ দিনা এনেকুৱা লাগিছিল যেন তেওঁ আনবোৰ শিক্ষকতকৈ কিছু ব্যতিক্ৰমী স্বভাৱৰ। আমি পঢ়া সময়ত তেখেতৰ চুলিকোচা যথেষ্ট দীঘল আছিল আৰু এখন ডাঙৰ টাৱেল সদায় কান্ধত লৈ ফুৰিছিল। ঠাণ্ডাৰ দিনত চাৰে এটা ৰঙা কোট পৰিধান কৰিছিল যাৰ বাবে তেখেতক কিছু ব্যতিক্ৰম যেন লাগিছিল। দৰ্শনৰ দৰে এটা জটিল বিষয় খুউব সহজকৈ বুজাই দিছিল চাৰে। বিশেষকৈ ভাৰতীয় দৰ্শনৰ ওপৰত চাৰৰ অগাধ পাণ্ডিত্য আছে। দৰ্শন বিষয়টিত গুৰু পাঠ্যক্ৰম হিচাবে আৰম্ভ কৰাত চাৰৰ অৰিহণা আছিল অপৰিসীম। তেখেতৰ ইচ্ছাতেই আমি দৰ্শন বিষয়টি মুখ্য বিষয় হিচাবে পঢ়িছিলো আৰু হয়তো জীৱনৰ বাটত চাৰৰ অৰিহণা কেতিয়াও পাহৰিব নোৱাৰিম। চাৰ অতি স্পষ্ট আৰু নিৰ্ভীক স্বভাৱৰ আছিল। প্ৰথম পৰিচয়ত তেখেতক খুউব খঙাল যেন লাগিলেও চাৰৰ হৃদয়খন বহুত কোমল। চাৰে সহজতে কাৰোৰে লগত আপোচ নকৰে। উল্লেখনীয় যে বিভাগটোৰ উন্নতিৰ বাবে বৰুৱা চাৰে যথেষ্ট ত্যাগ আৰু পৰিশ্ৰম কৰিছে।

এনেদৰে মহান শিক্ষাগুৰু সকলৰ পৰা আমি শিক্ষা আহৰণ কৰিব পাই নিজকে ধন্য মানিছো। নিজে অধ্যয়ন কৰা মহাবিদ্যালয়খনতে জীৱিকা লাভ কৰা হেতুকে তেখেতসকলৰ লগত একেলগে বহাৰ সৌভাগ্য আমাৰ হৈছে। সকলো শিক্ষাগুৰুৰ পৰা প্ৰত্যক্ষভাৱে পাঠ আহৰণ নকৰিলেও প্ৰায় সকলো শিক্ষাগুৰুৱে আমাৰ জীৱনত যি প্ৰভাৱ পেলাইছে তেখেতসকলৰ ঋণ হয়তো কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম। বিগত দিনবোৰত জ্ঞাতে অজ্ঞাতে আমি তেখেতসকলৰ ওচৰত যিবোৰ ভুল কৰিছো তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি এই লিখনিৰ জৰিয়তে তেখেতসকলো শিক্ষাগুৰুলৈ শত সহস্ৰ প্ৰণাম জনালোঁ। শেষত মোৰ পূজনীয় শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা নিবেদন কৰিলো আৰু মই অধ্যয়ন কৰা তথা মোৰ জীৱিকাৰ পথ মুকলি কৰি দিয়া মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰিলো।□□

Article

# A Pseudo Interview with a Peace Pilgrim Dr. Satish Kumar

**Dr. Pabitra Kr. Nath**
**Assistant Prof., Dept. of Geography**

**Introduction :** Dr. Satish Kumar is a monk, ecologist, Philosopher, advocate of nuclear disarmament who has a deep sense of compassion towards nature. Satish Kumar, a person of Indian origin is the current editor of Resurgence magazine, the famous bimonthly magazine devoted to ecology and philosophy of sustainability. He is the founder of small school and Schumacher College in England. These are two educational institutions deviated from conventional method of teaching. His most notable accomplishment is a PEACE WALK with his companion E.P. Menon to the then four capitals of nuclear armed countries Moscow, Paris, London and Washington. **It was a journey on foot in 1962 from India to Newyork covering 13000 Km distance within $2^1/_2$ years .**

In 1973 Dr. Kumar settled in United Kingdom when he took up the post of editor of Resurgence Magazine, a position he has held ever since making him the UK's longest serving editor. In July 2000 he was awarded an honorary doctorate in Education from the University of Playmouth. In November, 2001, he was presented with the Jamunalal Bajaj International Award for promoting Gandhian Values abroad by Govt. of India. His autobiography, "No Destination" was first published by Green Books in 1978, has been sold over 50000 copies. He is an epitome of simplicity and wisdom who is a replica of Vinoba Bhabe and Gadhian idealogy. This is an hypothetical scene of an interview with Dr. Satish Kumar who I long to invite to Assam and spend a few precious moments with him.

**Interviewer :** Sir, Today, it's my great privileged and also I feel really blessed to have welcome you to my state Assam.

**Dr. Satish Kumar :** Thanks a lot for your exaggerated introduction in the beginning. Mind that I am, because you are! (smiling)

**Interviewer :** Well, Sir, to begin with let me know about your childhood in Rajasthan, India.

**Dr. Satish Kumar :** I am a Jain by faith. I was born in Sri Dungar Garh, Rajasthan in 1936. We had a religious upbringing. Our upbringing was tuned to the way our parents nurtured us. So, peace, compassion, kindness to all were instilled in our mind eversince. My father died when I was only four years. My mother was a pious lady. I have met so many people across the globe but no one could compare with my mother. She was illiterate in conventional terms, but highly educated and enlightened.

Our family we used to lead a simple and austere lifestyle, because when you go through difficulties you become mature and resilient. So struggles and hardships are not a bad things in that sense. Actually austerity or restrained life makes you more free and independent today.

**Interviewer :** When did your primary education start?

**Dr. Satish Kumar :** I did not have a formal education. In our childhood time there was no T.V. and other electronic media. Our minds were not clattered with information. So, we learnt from our parents, Jain Gurus, other senior members of our Jaint family Traditional Script and stories and from our self experience, being on farm and from natural surroundings. So, their was limited amount of information but the quality was very good and pure.

**Interviewer :** At the age of nine years, a little child like you decided to leave your mother, your home and family. What actually motivated you to do such a venture.

**Dr. Satish Kumar :** Yes, I decided to leave all my safety and comfort and take on the wandering life of a monk, where you have to walk barefoot, beg for food and sleep on a blanket. All that hardship I was ready to accept to find a way of spirit. Another thing was when I was only four years of age, my father died. Although I had a faint memory of my father. I clearly remember his day of death. Everybody was crying, my mother was taking off her jewellery. I asked her why she was crying and taking off her ornaments. She replied that my father was dead. Since then I longed for a way of living without dying. Our Jain Gurus told me that only a way to find an existence without death is to renounce the world and get liberated from the cycle of death and birth. So at the age of nine I left my family, So to say renounced the world to become a Jain monk.

**Interviewer :** Did not your mother come on you way and prohibit you from being a monk?

**Dr. Satish Kumar :** No she didn't. She believed that there must be some old soul continuing in me from previous lives, otherwise that can not come into my head at the age of nine. So she let me fly the way I wished.

**Interviewer :** When did you leave the path of monk and come back?

**Dr. Satish Kumar :** At the age of 18 after reading a book of Mahatma Gandhi, I ran away from monk life to become a student of Binoba Bhave, an eminent disciple of Gandhi and his nonviolence and land reform ideas. I had come to believe that spirituality should be available and accessible to everybody, but I realized that I actually gave up the monk robes only, did not give up the true spirit.

**Interviewer :** Now let me come to a point. There was an turning point in your life when you took up a "peace walk pilgrimage" at the age of 25. Please tell us how it happened?

**Dr. Satish Kumar :** The most important turning point in my life was in the year 1962

when me and my friend E.P. Menon were sitting in café in Bangalore and there I was reading a news paper and got to know that Bertrand Russell, a philosopher in England, at age 90 was put in Jail, because he protested against using nuclear weapon. I said to my friend an old man of 90 is going to jail for the peace of the world and what are we young men doing here? Let's do something. That was the inspiration to become a peace activist of international peace movement. So we decided to spread the news of nuclear disarmament to the nuclear capitals of the then world- Moscow, Paris, London and Washington on foot. Me and my friend E.P. Menon went to take the blessings of my Guru Vinobaji. He said "If you are going for peace, you must go without money, because wars begin in fear, peace begins in trust. If you have money, you need not trust anybody. So, going without money, you have to trust someone to feed you, give you shelter and all.

We stared our mission without money from the grave of Mahatma Gandhi in 1962 walking through Pakistan, Afganistan, Iran, Armenia, Georgia, the caucasus mountain, Khyber pass, Moscow, then from Moscow to Belarus, Poland, Germany, Belgium, Paris, then we took a ship to London and from London we sailed across Atlantic Ocean to Newyork. From Newyork to Washington D.C. We started from the grave of Mahatma Gandhi and ended at the grave of John F. Kennedy . That was almost 13000 km distance covered within $2^1/_2$ years without penny relying on others hospitality.

**Interviewer :** It was really mind boggling ! Bertrand Russel was your inspirator. Did you meet him in England?

**Dr. Satish Kumar :** Yes we did. Before we started our journey I wrote a letter to Bertrand Russel that we are going by walking to the four nuclear capitals of the world for peace movement. He replied soon, "Do come fast so that I can see you, as I am 90 years now." We visited him and that was great inspirational moment. He offered us money to go to Newyork, but we let him know that this is our vow not to take money, so he bought two tickets for us to sail to Newyork through Atlantic.

**Interviewer :** Could you share with us pleasant memories of this long peace pilgrimage?

**Dr. Satish Kumar :** In this journey we used to give leaflets to people about peace.In Armenia we gave our leaflets to two women. They were surprised to know that we came from India. They actually worked in a tea factory. These two women invited us for tea. After some time one of women came out with four packets of tea. She said, "please give these 4 packets, one each to the president of Russia, President of France, Prime Minister of England and President of U.S.A. Tell them that this is not a ordinary tea, this is a "peace tea", whenever they get a mad thought of pressing the nuclear button, they must have this fresh "peace tea" and reflect on not to use

nuclear weapon. Later we delivered the packets of peace tea in all the 4 capitals of nuclear centre.

Another memorable event took place on Khyber pass during our journey. When we were climbing up the pass (4000 m) a car passed by and suddenly stopped and the driver asked "Do you want a lift". I said, "No, thanks sir, we are walking". He asked "Where are you walking to?" "Sir as a matter of fact we are walking to U.S.A." I said. The gentleman was even more puzzled and came out of the car and said "Do you know where U.S.A. is?" he replied, " We have not been there but we want to discover it by walking!" He laughed and took out his card and said " I don't think you can make to U.S.A. but if you do, this is my card. Do call me, I would like to meet you there. After 2 years when we stepped in Newyork, we met him there. He was really surprised to see us physically there.

**Interviewer :** This is unbelievable ! How come a person can take up such a mission just by reading a news paper! Definitely one can who has a strong will power and determination. Sir when did you get settled in England?

**Dr. Satish Kumar :** Since 1973 I have served as the editor of Resurgence magazine, the famous bimonthly magazine devoted to ecology and philosophy of sustainability. Since then I have been settled in England.

**Interviewer :** you have established two important educational institutions deviated from conventional way of teaching. How these two institutions are different from others.

**Dr. Satish Kumar :** Actually these institutions reflect the ideology of Gandhi and Binoba Bhave. When I got settled in England, later I became a father of two children and I wondered where am I going to send them for education. I did not want to send my children simply to be conditioned in conventional school, So in a very natural way, without any big fun fair, I decided to start "the small school" and "Schumacher College" at Devon. But I must say the society of Devon has immense contributions behind these projects.

The small school (established 1982) is a co-educational independent school for children of 11- 16 years of age. The small school is known for its pupils growing, cooking and serving their own lunches.

Schumacher College, the internationally acclaimed adults' institutions. If you can come to this college for P.G. programme, short course or vocational training, you will be a part of our international learning community in a beautiful surroundings. All our courses are deeply grounded in a ecological and holistic world view. You will not be a passive receiver of knowledge here, All students and staff take part in daily activities of gardening, cooking, weeding, cleaning and so on which helps to foster a sense of community in the college.

**Interviewer :** Sir, you very often refer to "old and new stories", what are these exactly about?

**Dr. Satish Kumar :** In the last couple of 100 years we have come to believe that nature is separate from us and we can use it

whenever we like. We have cut down the forest, over fish the rivers and oceans, polluted the water, land and air. This is the "old story" of capitalism and consumerism. The new story is reunion and connection. We are inter being, interdependent and nothing is separate. Now large members of young people are walking up, they realize that we are here to live with meaning, not to make money, name and fame. In this emerging story some people are moving away from fossil fuel based economy to renewable economy.

That is called transition town movement. In Britain itself there are 300 towns making this transition. All this is a part of new story.

Modern old story education is deskilling our young generation when one comes out of University, he does not know how to grow food, cook, make clothes, make chair, or build house. I want new story education to be skilling our young people so that they can build their house and grow their food by themselves. So the educational institution like Schumacher College is promoting the new story education.

**Interviewer :** Sir, I am really enlightened through your precious vision and lived experience of your life. Hope your new story of life would materialize at every nook and corner of the world and will fade away the old story. Thank you sir ! for sharing your valuable time with us today.

**Dr. Satish Kumar :** It's my great pleasure! I am also very much overwhelmed by this visit to Assam. It's a land enriched with so much of diversity and richness of nature. This is your real treasure. Please, conserve and celebrate these and pay reverence to it, then only the world would become a place for worth living.

"Joi Ai Axom!" Dhanyabad.❑❑

## : Books Written by Dr. Satish Kumar :

- *No Destination: Autobiography of a Pilgrim.*
- *You Are, Therefore I Am : A Declaration of Dependence.*
- *The Buddha and the Terrorist: The Story of Angulimala.*
- *Spiritual Compass: The Three Qualities of Life.*
- *Soul, Soil, Society: a new trinity of our time.*

প্ৰবন্ধ

# কৃষ্ণাংগ নাৰীবাদ (Black Feminism)

ড° বৰ্ণালী ডেকা
সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত ১৯৬০ আৰু ১৯৭০ ৰ দশকত চলা নাগৰিক অধিকাৰ আৰু নাৰীবাদী আন্দোলন সমূহৰ সময়ত কৃষ্ণাংগ নাৰীসকলে সন্মুখীন হোৱা হতাশাৰ ফলস্বৰূপে এক সামাজিক আৰু ৰাজনৈতিক আন্দোলনৰূপে কৃষ্ণাংগ নাৰীবাদে গা-কৰি উঠে। Mary Ann Weathers ৰ গ্ৰন্থ "An Argument for Black Women's liberation as a Revolutionary Force (1969)" আৰু উগ্ৰ নাৰীবাদী আলোচনী "No More Fun and Games : A Journal fo Female Liberation" ত কৃষ্ণাংগ নাৰীবাদৰ প্ৰথম আভাষ পোৱা যায়। কৃষ্ণাংগ লোকসকলৰ অধিকাৰ সম্পৰ্কীয় বিভিন্ন সামাজিক আৰু ৰাজনৈতিক আন্দোলন (যেনে the Civil Rights Movement, Black Nationalism, the Black Panthers আদি) সমূহ কৃষ্ণাংগ বা ক'লা বৰ্ণৰ লোকসকলৰ অধিকাৰ সম্পৰ্কেহে সচেতন আছিল। ইয়াত ক'লা বৰ্ণৰ লোকৰ অধিকাৰক ক'লা পুৰুষৰ অধিকাৰ (Black masculinity or Black manhood) ৰ লগত সামঞ্জস্য স্থাপন কৰি তেওঁলোকৰ স্বাধীনতাৰ দাবী উত্থাপন কৰা হৈছিল। এনে আন্দোলনৰ সময়ত কৃষ্ণাংগ নাৰীসকলৰ লিংগ বৈষম্যবাদৰ স্বীকাৰ হৈছিল আৰু কৃষ্ণাংগ নাৰী সকলৰ অধিকাৰৰ ওপৰত কোনো গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। সেয়েহে এই সময়ছোৱাত গঢ়ি উঠা কৃষ্ণাংগ নাৰীবাদে কৃষ্ণাংগ অৰ্থাৎ ক'লা বৰ্ণৰ নাৰীসকলৰ ওপৰত চলা শোষণ আৰু নিৰ্যাতনৰ ঘোৰ বিৰোধিতা কৰি আহিছে। সকলো শ্ৰেণীৰ নাৰী আৰু নাৰীৰ প্ৰতি থকা বৈষম্যসমূহ যে একে নহয়, এই কথাষাৰকে কৃষ্ণাংগ নাৰীবাদে পোষকতা কৰে। পিতৃতান্ত্ৰিক সমাজত নাৰীসকলে সন্মুখীন হোৱা বিভিন্ন বঞ্চনাৰ লগতে কৃষ্ণাংগ নাৰীসকলে বিশেষভাৱে বৰ্ণ বৈষম্যবাদী নিৰ্য্যাতনো সহিবলগীয়া হয়। অৰ্থাৎ দেহৰ বৰ্ণৰ তাৰতম্যও লিংগ বৈষম্যৰ এটা কাৰণ আৰু ই পিতৃতান্ত্ৰিক ব্যৱস্থাক অধিক শক্তিশালী কৰাত অৰিহণা যোগাইছে। সেয়েহে কৃষ্ণাংগ নাৰীবাদে দেহৰ বৰ্ণৰ ভিত্তিত ক'লা বৰ্ণৰ নাৰীৰ ওপৰত চলা শোষণ আৰু অন্যায়ৰ বিৰুদ্ধে দাবী উত্থাপন কৰি আহিছে। এই শ্ৰেণীৰ নাৰীবাদীসকলে মত পোষণ কৰে যে যিহেতু কৃষ্ণাংগ নাৰীৰ অৱস্থা আৰু সমস্যা অন্যান্য নাৰীৰতুলনাত পৃথক, গতিকে নাৰীবাদী আন্দোলন সমূহে এই বিষয়টো পৃথকে গ্ৰহণ কৰিব লাগে।

১৯৭০ চনত "Third world Women's Alliance" নামৰ সংস্থাটোৱে "Black Women's Manifesto" বা "কৃষ্ণাংগ নাৰীৰ ইস্তাহাৰ" প্ৰকাশ কৰে। Gayle Linch, Eleanor Holmes Norton, Maxine Williams, Frances M Beale আৰু Linda La Rue এ স্বাক্ষৰ কৰা এই ইস্তাহাৰখনে বৰ্ণবাদ আৰু পুঁজিবাদ দুয়োৰে বিৰোধিতা কৰে আৰু লগতে কৃষ্ণাংগ নাৰীয়ে এক নতুন নাৰীৰ সংজ্ঞাৰে নিজকে পূৰ্ণ নাগৰিকৰূপে স্বীকৃতি বিচৰাৰ কথা প্ৰকাশ কৰে। কৃষ্ণাংগ নাৰীবাদৰ বিকাশৰ দ্বিতীয় পৰ্য্যায়ত সমাজত পুৰুষ আৰু বৰ্ণবাদৰ দমনৰ মাজত সাদৃশ্য স্থাপন কৰি লিখা Florence Kennedy ৰ (Co-authored) "Abortion Rap; Cellestine Ware" নামৰ গ্ৰন্থখনে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। তেওঁৰ এই লিখনিক আমেৰিকাৰ Anthony Brigade আৰু Patricia Robinson এও সমৰ্থন যোগায়। নাগৰিক অধিকাৰ আন্দোলন সমূহত নাগৰিকৰ স্বতন্ত্ৰতা বা পুৰুষৰ স্বতন্ত্ৰতা আৰু বগা বৰ্ণৰ মহিলাৰ স্বতন্ত্ৰতাক গুৰুত্ব প্ৰদান কৰা হৈছিল। এইক্ষেত্ৰত কৃষ্ণাংগ নাৰীসকলৰ সমস্যাসমূহ অৱহেলিত হৈ পৰিছিল। সেয়েহে কৃষ্ণাংগ নাৰীসকলে সন্মুখীন হোৱা সমস্যা সমূহ লিংগ,

বৰ্ণ বা শ্ৰেণী বৈষম্যৰ পৰা পৃথক নহয় বুলি গণ্য কৰি আমেৰিকাত কৃষ্ণাংগ নাৰীবাদৰ সূচনা হৈছিল। পূৰ্বৰ নাৰীবাদী আন্দোলনসমূহে এই দিশসমূহ আওকাও কৰিছিল আৰু কেৱল মাত্ৰ লিংগ বৈষম্যৰহে অৱসান বিচাৰিছিল। কিছুমান নাৰীবাদী লিখক আৰু সমাজকৰ্মী যেনে- Angela Davis, Andre Lorde, Bell Looks, Patricia Collins আদিয়ে বৰ্ণ বৈষম্যবাদৰ বিৰোধিতা কৰিছিল। Alice Walker এ "Womanism" নামৰ এক নতুন তত্বৰ জৰিয়তে মত পোষণ কৰিছিল যে কৃষ্ণাংগ নাৰীসকলে বগা বৰ্ণৰ নাৰীৰ তুলনাত অধিক আতিশয্য আৰু নিৰ্যাতনৰ সন্মুখীন হয়। Patricia Hill এ তেওঁৰ "Black Feminist Thought" নামৰ গ্ৰন্থত কৃষ্ণাংগ নাৰীবাদৰ বিষয়ে বিশদ আলোচনা আগবঢ়াই সাধাৰণ কৃষ্ণাংগ নাৰী এগৰাকীয়ে অভিজ্ঞতা লাভ কৰা বৰ্ণ বৈষম্য আৰু শ্ৰেণী বৈষম্যৰ ওপৰত আলোকপাত কৰে।

১৯৭০ ৰ দশকত বিভিন্ন কৃষ্ণাংগ নাৰীবাদী সংগঠনৰ সৃষ্টি হয়। এই সংগঠনসমূহে অন্য নাৰীবাদী আন্দোলনৰ (বিশেষকৈ যিবোৰে বগা বৰ্ণৰ নাৰীৰ অধিকাৰৰ দাবী কৰে) সমূহৰ দমন নীতিৰ বিৰোধিতা কৰে। ১৯৭৩ চনত "National Black Feminist Organisation" নিউইয়ৰ্কত গঠন কৰা হয়। এই সংগঠনটোৱে আফ্ৰিকান-আমেৰিকানমূলৰ নাৰীয়ে সন্মুখীন হোৱা পক্ষপাতিত্বমূলক আচৰণ যেনে বৰ্ণবাদ, শ্ৰেণীবাদ, যৌনবাদ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিন্তু ১৯৭৭ চনত এই সংগঠনটো বন্ধ হৈ পৰে। পৰৱৰ্তী সময়ত ১৯৭৪ চনত বষ্টনত "The Combahee River Collective" নামৰ আন এটা কৃষ্ণাংগ নাৰীবাদী সংগঠনৰ জন্ম হয়। এই সংগঠনটোৰ নামকৰণ কৰে এগৰাকী আফ্ৰিকান -আমেৰিকান মূলৰ সমকামী নাৰীবাদী চিন্তাবিদ Barbara Smith এ।

গতিকে দেখা যায় যে কৃষ্ণাংগ সকলৰ স্বাধীনতা আন্দোলন আৰু নাৰীবাদী আন্দোলনৰ সময়ত সন্মুখীন হোৱা বৈষম্য আৰু নিৰ্যাতনৰ বিৰোধিতা কৰি কৃষ্ণাংগ নাৰীবাদে গা-কৰি উঠিছিল। কৃষ্ণাংগ পুৰুষ আৰু কৃষ্ণাংগ নাৰীসকলে সন্মুখীন হোৱা পৃথক নিৰ্যাতন আৰু বৈষম্য বুজিবলৈ অসমৰ্থ হোৱা বাবেই তেওঁলোকৰ শোষণৰ অন্ত পেলাবলৈ কৃষ্ণাংগ নাৰীৰ অধিকাৰ সমূহৰ দাবী উত্থাপন কৰা হৈছিল।❑❑

## ঃ ব্লেক ফেমিনিষ্ট এঞ্জেলা ডেভিচ ঃ

কৃষ্ণাংগ নাৰীবাদী আন্দোলনকাৰী এঞ্জেলা ডেভিচ আমেৰিকাৰ ৰাজনীতিৰ লগত বিশেষভাৱে জড়িত আছিল। আমেৰিকাৰ কমিউনিষ্ট পাৰ্টীৰ সদস্যা হিচাপেও কাম কৰিছিল। তেখেত কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে নিয়োজিত আছিল। কৃষ্ণাংগ নাৰীবাদৰ ওপৰত তেখেতে কেইবাখনো গ্ৰন্থ লিখিছিল। নাৰীবাদৰ ওপৰত লিখা তেখেতৰ কেইখনমান বিখ্যাত গ্ৰন্থৰ নাম ঃ

- *Women, Culture & Politics, Vintage.*
- *Women, Race & Class.*
- *The Meaning of Freedom : And Other Difficult Dialogues.*

প্ৰবন্ধ

# ফেৰ'ম'ন— জীৱ-জন্তুৰ মাজত যোগাযোগৰ এক মাধ্যম

ড° (মেজৰ) লীনা শইকীয়া
সহকাৰী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ

জীৱ-জন্তুবোৰে বিভিন্ন উপায় বা কৌশলেৰে সিহঁতৰ মাজত যোগাযোগ স্থাপন কৰে যেনে- বাঘৰ গোজৰণি, চৰাইৰ সুললিত মাত, কুকুৰৰ ভুক-ভুকনি, পখিলা আৰু চৰাইৰ ৰং-বিৰঙৰ পাখি, মাছৰ আকাৰ আৰু নানা ৰঙৰ ফান, কুকুৰ-মেকুৰীৰ প্ৰস্ৰাৱৰ গোন্ধ আদি। এই যোগাযোগ বা ভাবৰ আদান-প্ৰদান একেটা প্ৰজাতিৰ ভিতৰৰে জীৱ-জন্তুৰ মাজত, দুটা ভিন্ন প্ৰজাতিৰ মাজত, এখন সমাজৰে বিভিন্ন দলৰ মাজত বা ওচৰা-ওচৰিকৈ থকা ভৌগোলিক অঞ্চলৰ বিভিন্ন সমাজৰ মাজত হ'ব পাৰে। কোনো প্ৰাণীয়ে দিয়া ইঙ্গিত যদি আনটোৱে গ্ৰহণ কৰে অৰ্থাৎ তাৰ আচৰণত পৰিবৰ্তন ঘটায় তেতিয়াহে এই যোগাযোগ সফল হয় অৰ্থাৎ ইঙ্গিত দিওঁতা আৰু লওঁতা দুয়োয়ে একেটা বিষয়ত গুৰুত্ব দিয়াটো দৰকাৰ। এনে যোগাযোগে প্ৰাণীবোৰক নানা ক্ষেত্ৰত সহায় কৰে। যেনে- বিপদৰ সময়ত বা অইন সময়ত একগোট হোৱাত, চিকাৰী জন্তুবোৰৰ মাজত সহযোগিতা হোৱাত, একেটা প্ৰজাতিৰ মতা আৰু মাইকী জন্তুৰ মাজত মিলন ঘটাত, কণী আৰু পোৱালিবোৰক মাক-বাপেকে যত্ন লোৱাত, প্ৰাণীবোৰে নিজৰ বাহ, ঘোং, ওচৰ-চুবুৰীয়াক চিনি পোৱাত ইত্যাদি।

প্ৰাণী বা এই জীৱ-জন্তুবোৰৰ মাজত ভাবৰ আদান-প্ৰদান অৰ্থাৎ এই যোগাযোগ চাক্ষুস (visual), শ্ৰৱণ (auditory), স্পৰ্শীয় (tactile) আদিৰ জৰিয়তে হোৱাৰ উপৰিও ৰাসায়নিক (Chemical) উপায়েৰেও সম্পাদিত হয়। এই ক্ষেত্ৰত প্ৰাণীৰ দেহৰ পৰা নিৰ্গত হোৱা ফেৰ'ম'ন নামৰ প্ৰ'টিন জাতীয় ৰাসায়নিক পদাৰ্থই মুখ্য ভূমিকা লয়। কিছুমান পোক-পতঙ্গ আৰু স্তন্যপায়ী প্ৰাণীৰ বিশেষ নলীযুক্ত গ্ৰন্থিত এই ফেৰ'ম'ন উৎপন্ন হয় আৰু ইয়াৰ অণু দেহৰ পৰা নিৰ্গত হৈ নতুবা ঘাম বা প্ৰস্ৰাৱত ওলাই বায়ু আৰু পানীৰ মাজেৰে আন প্ৰাণীলৈ আহে যাৰ ফলত সেই প্ৰাণীৰ আচৰণত প্ৰভাৱ পেলায়। ই বৰ শক্তিশালী আৰু বহু সময় পৰ্যন্ত সেই পৰিৱেশত ৰৈ যাব পাৰে। মেকুৰী প্ৰজাতিৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ। মাইকী মেকুৰীয়ে তাইৰ প্ৰজনন ক্ষমতাৰ কথা এই ফেৰ'মনৰ জৰিয়তে ইঙ্গিত দিয়ে। এই গোন্ধ বহু দেৰিলৈকে থাকে বাবে মেকুৰীজনী আঁতৰি গ'লেও জাননীটো মতা মেকুৰীলৈ এৰি থৈ যাব। অৱশ্যে এই যোগাযোগ বৰ লেহেমীয়া গতিত চলে। সেয়ে কিছুমান অসুবিধাও আছে যেনে- ফেৰ'মন সলনি কৰিব পৰা সংবাদ বা জটিল বাৰ্তা বা বৰ কামত অহা ধৰণৰ নহয়, ই পঠোৱাজনতকৈ বতাহ বা পানীৰ সোঁতৰ ওপৰতহে নিৰ্ভৰ কৰে। বৰষুণ আৰু বতাহে এই ফেৰ'মনৰ সক্ৰিয়তা বেছিকৈ দুৰ্বল কৰি তোলে।

জন্তুবোৰে নিজৰ সংৰক্ষিত এলেকাৰ (territorial boundary) সীমাৰ চিন ৰাখিবলৈও এই গোন্ধ ব্যৱহাৰ কৰে। এই সীমা প্ৰথমে যুঁজ-বাগৰৰ দ্বাৰা বুজোৱা হয় যে ইয়াৰ পিছত আৰু যুঁজ-বাগৰ কৰাৰ প্ৰয়োজন নাই। বহু সময়ত মতাটোৱে এই গোন্ধেৰে মাইকীজনীক চিন ৰাখে। মতা এন্দুৰে তাৰ দলৰ পোৱালিবোৰক এই নিঃসৰিত গোন্ধেৰে চিন ৰাখে। ভেৰা, কুকুৰ আদিয়ে ইটোৱে সিটোক শুঙে আৰু গোন্ধ লয়। তেনেকৈ ইহঁতে বিপৰীত লিঙ্গক চিনি পায় আৰু প্ৰজননৰ বাবে আগবাঢ়ে। এটা আমোদজনক উদাহৰণ হ'ল—স্তন্যপায়ী প্ৰাণী হিপ'প'টেমাচৰ মতাবোৰে সাধাৰণতে জলাশয়, জিৰণি লোৱা ঠাই আৰু খাদ্য গ্ৰহণ কৰা ঘাঁহনিডৰাৰ মাজত পায়খানা কৰে। ইহঁতে যেতিয়া খোজ কাঢ়ি পায়খানা কৰে তেতিয়া নেজডাল ইফালে-

সিফালে লৰাই থাকে যাতে পায়খানাখিনি ছিটিক ছিটিকি ঘাঁহনিৰ চাৰিওফালে জমা হৈ চকুত পৰা অৰ্থাৎ নাকৰ সমান উচ্চতা পায়গৈ। গঁড়ে আকৌ সিহঁতৰ অহা-যোৱা কৰাৰ পথ চিনিবলৈ কোনো নিৰ্দ্দিষ্ট ঠাইত পায়খানা কৰে যিবোৰ স্তৰে স্তৰে জমা হৈ গোন্ধ পোৱা আৰু দেখা দুয়োটাতে সহায় কৰে। চিকা, দাগ থকা হায়েনা, ক'লা নেজৰ হৰিণ আদিয়ে কোনো চাপত পৰি এই ফেৰ'ম'ন সৃষ্টি কৰে। বেছিভাগ স্তন্যপায়ী প্ৰাণীয়ে নিজৰ সংৰক্ষিত এলেকাৰ সীমা (boundary) বান্ধি ৰাখিবলৈ, নিজৰ সঙ্গী আৰু বাসস্থান নিৰ্ণয় কৰিবলৈ এই ফেৰ'ম'ন সৃষ্টি কৰি প্ৰস্ৰাৱ, পায়খানা, মুখৰ লালটি আদিৰ সৈতে নিৰ্গত কৰে।

কুকুৰ, শিয়াল আদিয়ে সিহঁতে দখল কৰা সংৰক্ষিত অঞ্চলত চিন ৰাখিবলৈ প্ৰস্ৰাৱ কৰে আৰু এই প্ৰস্ৰাৱৰ সৈতে এৰা ফেৰ'ম'নৰ গোন্ধে বৰ সৰু সৰু কথাৰো ইঙ্গিত দিয়ে। যেনে- জন্তুৰ চিনাকি, মতা নে মাইকী, প্ৰাপ্তবয়স্ক নে পোৱালি, পৰাক্ৰমী নে দুৰ্বল আৰু আনকি কিমান সময় আগেয়ে এই চিন দিয়া হৈছিল ইত্যাদি। কিছুমান লেমুৰে আকৌ চিন ৰাখিবলৈ গছৰ ডালত এনেকৈ ফেৰ'ম'ন ছটিয়াই দিয়ে যেন ঘৰৰ বেৰত এখন পেইন্টিংহে আঁকিছে। ভালুকে আকৌ দুই ধৰণে সিহঁতৰ অঞ্চলৰ চিন ৰাখে- গছত আঁচুৰি আৰু গা-গছ ডাল চোবাই আৰু লগতে তাত ঘনে ঘনে প্ৰস্ৰাৱ কৰি থাকে, যাতে চিনটো ঠিকে থাকে। আঁচ থকা, মুগা বৰণীয়া আৰু গাত দাগ থকা আটাইকেইটা হায়েনাৰ প্ৰজাতিয়ে সিহঁতে চলা-ফুৰা কৰা অঞ্চলটোৰ চিন প্ৰস্ৰাৱ আৰু পায়খানাৰে ৰাখে আৰু ফেৰ'মন সৃষ্টি কৰিবলৈ সিহঁতৰ বিশেষ ধৰণৰ পায়ুগ্ৰন্থি থাকে। মন'ট্ৰিম্‌চ, মাৰ্ছপিয়েল আদিৰ ক্ষেত্ৰত ইহঁতে যৌন অংগ দাং খুৱাই মাটিত বা চিন ৰাখিব বিচৰা বস্তুৰ ওপৰত ঘঁহাই ঘঁহাই এই গোন্ধ সৃষ্টি কৰে। মাইকী নিগনিবোৰে তাইৰ স্তনবোৰ চেলেকে যাতে সেই গোন্ধ পাই অন্ধ পোৱালিবোৰ তাইৰ ওচৰলৈ আহে। কোনোৱে আকৌ নিজৰ পোৱালিবোৰক চিনিবলৈ চেলেকে আৰু তেনেকৈ চিনি পায়।

স্পাইনি এণ্টইতাৰে তাৰ ক্ল'ৱেকাটো দাঙি ধৰি মাটিত ঘঁহি ঘঁহি গোন্ধযুক্ত দাগ থৈ যায়। হালধীয়া ৰঙৰ মাৰ্চুপিয়েল নিগনিয়ে ক্লৱেকাৰ নিঃসৰণেৰে সিহঁতৰ সৰু সংৰক্ষিত দখলত ৰখা অঞ্চলটোৰ চাৰিওফালে থকা গছৰ ডাল বা ঠানিবোৰত ঘঁহি ঘঁহি দিয়ে। ইউৰোপত থকা মুগা শহা (Brown hare) সাধাৰণতে অকলশৰীয়াকৈ থাকে আৰু ইয়াৰ দখলৰ সংৰক্ষিত অঞ্চল মুখৰ চাৰিওফালে থাকে। থুঁতৰিত থকা গ্ৰন্থিবোৰৰ পৰা নিঃসৰণ কৰা উগ্ৰ গোন্ধৰ জৰিয়তে ইহঁতে টেৰিটৰিৰ চিন ৰাখে। এই নিঃসৰণৰ বাবে প্ৰজনন ঋতুৰ সময়ত নিজৰ সঙ্গীক আকৰ্ষণ কৰিবলৈও সহজ হৈ পৰে।

মুঠতে জীৱ-জন্তুবোৰে দেখা আৰু শুনাৰ লগতে গোন্ধ লৈ বা শুঙিও ইটোৰ সিটোৰ মনৰ ভাব আদান-প্ৰদান কৰে আৰু এই ক্ষেত্ৰত জন্তু কিছুমানে বিশেষ গ্ৰন্থিৰপৰা ফেৰ'ম'ন নামৰ ৰাসায়নিক পদাৰ্থ নিঃসৰণ কৰাটো বেচ তাৎপৰ্যপূৰ্ণ।❑❑

প্ৰবন্ধ

# উচ্চ শিক্ষা আৰু গুণগত বিকাশ

উষাৰাণী ডেকা
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

উচ্চ শিক্ষা হৈছে এখন দেশৰ উন্নতিৰ আধাৰ স্বৰূপ। উচ্চ শিক্ষিত ব্যক্তিসকলে গৰিষ্ঠ সংখ্যক সৰ্ব্বসাধাৰণ লোকক সমাজৰ বিভিন্ন ক্ষেত্ৰত সঠিক পথ দেখুৱাই দিয়াত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে। সেয়ে ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ বাবে উচ্চ শিক্ষাৰ সংখ্যাগত বিকাশৰ তুলনাত গুণগত বিকাশৰ প্ৰতি অধিক গুৰুত্ব দিয়া উচিত। ১৮৫৭ চনত স্থাপিত হোৱা কলিকতা, বম্বে আৰু মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ জৰিয়তে ভাৰতীয় উচ্চ শিক্ষাৰ বিকাশৰ ধাৰাটো এক সুসংহত ৰূপত আগবাঢ়ি যোৱা বুলি ক'ব পাৰি। পৰৱৰ্তী পৰ্যায়ত ১৯১৭ চনত গঠিত হোৱা 'চেদলাৰ আয়োগৰ' পৰামৰ্শৰ ফলস্বৰূপে ভাৰতীয় উচ্চ শিক্ষাৰ সংখ্যাগত বিকাশ যথেষ্ট খিনি বৃদ্ধি পোৱা দেখা যায়। সংখ্যাগত বিকাশৰ ধাৰাটো বৰ্তমান সময়ত এনে এক পৰ্য্যায় পাইছে য'ত মাত্ৰ তিনিখন সংবদ্ধ (Affiliated University) বিশ্ববিদ্যালয় বৃটিছ চৰকাৰে ১৮৫৭ চনত স্থাপন কৰিছিল, স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ত ইয়াৰ সংখ্যা বাঢ়ি গৈ গৈ ২০১৪-১৫ চনত প্ৰায় ৭৮৬ খন হৈছেগৈ। (উৎস ঃ UGC Annual Reports)। এই ৭৮৬ খনৰ ভিতৰত ৭৫ খন হৈছে Institutes of National Importance । ইয়াৰ সংখ্যা অতি কম দিনৰ ভিতৰত আৰু অধিক হ'বগৈ। বিচাৰ্যৰ বিষয়টো হ'ল সংখ্যাগত বিকাশ ইমান বেছি হোৱাৰ পিছতো ভাৰতীয় উচ্চ শিক্ষাই নতুন সমাজ, নতুন চিন্তাধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছেনে? স্বাভাৱিকতেই বৰ্তমান প্ৰতিচ্ছবিয়ে এটি নেতিবাচক (Negative) ইংগিতহে দিব। কাৰণ ভাৰতীয় উচ্চ শিক্ষাই বেছিখিনি সময়তেই শিক্ষাৰ্থীসকলৰ সামাজিক যোগ্যতা বৃদ্ধি কৰি সমাজৰ জটিল সন্ধিক্ষণত উপযুক্ত নেতৃত্ব প্ৰদানৰ দ্বাৰা সঠিক পথৰ সন্ধান দিয়াত সফল হোৱা বুলি ক'ব নোৱাৰি। ঠিক সেইদৰে এই শিক্ষাই শিক্ষাৰ্থীসকলৰ মনত প্ৰাচ্য-পাশ্চাত্য দৰ্শনৰ দৃষ্টিভংগী শুদ্ধৰূপত গ্ৰহণ কৰাত সহায় কৰা বুলি ক'ব নোৱাৰি। ঠিক সেইদৰে শিক্ষাৰ্থীসকলৰ নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰাত, জ্ঞানৰ বিস্ফোৰণ কৰাত, মানৱতাবোধৰ বিকাশ সাধন কৰাত, অন্তৰ্নিহিত সুপ্ত শক্তি বিকাশ সাধন কৰাত, সুৰুচি পূৰ্ণ জীৱন-যাপন কৰাত, জাতীয় সভ্যতা-সংস্কৃতি ৰক্ষাকৰণত উচ্চশিক্ষাই সহায় কৰা বুলি ক'ব নোৱাৰি। কাৰণ সংখ্যাগত বিকাশৰ তুলনাত গুণগত বিকাশৰ গতি তেনেই স্থবিৰ বুলি ক'ব পাৰি।

গতিকে গুণগত বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিবলৈ হ'লে এই ক্ষেত্ৰত দেখা পোৱা বিভিন্ন প্ৰতিবন্ধকতা সমূহ আঁতৰাব লাগিব। ইয়াৰ বাবে ভাৰতীয় উচ্চ শিক্ষাৰ ক্ষেত্ৰত আন্তঃগাঁথনিৰ উন্নীতকৰণ, নতুন প্ৰজন্মৰ বাবে উপযোগী হোৱাকৈ পাঠ্যক্ৰম প্ৰস্তুতকৰণ, পৰীক্ষা পদ্ধতিৰ উন্নীতকৰণ, মূল্যায়ন পদ্ধতিৰ উন্নীতকৰণ, গুণগত মানসম্পন্ন গৱেষণাৰ পৰিৱেশ সৃষ্টিকৰণ, উন্নত শিক্ষা-শিকন পদ্ধতিৰ ব্যৱস্থা গ্ৰহণ, উন্নত ব্যৱস্থাপনা, উপযুক্ত আৰু দক্ষ শিক্ষকৰ ব্যৱস্থা, পৰ্যাপ্ত অৰ্থপুঁজি, চৰকাৰ আৰু সমাজৰ সচেতন নাগৰিকৰ সদিচ্ছা ইত্যাদিৰ প্ৰতি গুৰুত্ব দিয়া উচিত। কাৰণ ইয়াৰ দ্বাৰা কেৱল যে আমাৰ দেশৰ অৰ্থনৈতিক উন্নতিয়েই হ'ব এনে নহয়, ইয়াৰ দ্বাৰা সামাজিক সংহতি স্থাপনৰ লগতে আমাৰ দেশৰ যুৱ প্ৰজন্মক অধিক শক্তিশালী কৰিব পৰা যাব।□□

প্ৰবন্ধ

# ইতিহাস আৰু আধ্যাত্মিকতা

ড° আঙ্গিৰস
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ

অধ্যয়নৰ বিষয়বস্তু আৰু অধ্যয়ন প্ৰণালীৰ দিশৰ পৰা ইতিহাস আৰু আধ্যাত্মিকতা দুটা সম্পূৰ্ণ পৃথক প্ৰকৃতিৰ বিষয়। ইতিহাস হ'ল কোনো সংগঠিত জন সমষ্টিৰ অতীতৰ কৃতকৰ্মৰাজিৰ ইন্দ্ৰিয়গ্ৰাহ্য প্ৰমাণ (বা সমল) ৰ ভিত্তিত বস্তুনিষ্ঠ বিশ্লেষণ। ইতিহাসৰ প্ৰতিপাদ্য বিষয় হ'ল স্থূলজাগতিক। আনহাতে আধ্যাত্মিকতা হ'ল আত্মাৰ অনুসন্ধান, ইয়াৰ মূল প্ৰতিবাদ্য বিষয়টি হ'ল— আত্মা- যি সাধাৰণভাৱে এক ইন্দ্ৰিয়াতীত সত্তা- যাক ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতাৰ জৰিয়তে, যুক্তি বিচাৰৰ জৰিয়তে, স্থূলভৌতিক প্ৰমাণৰ জৰিয়তে বুজিব নোৱাৰি- যাৰ অস্তিত্ব আৰু যাৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰা হয় প্ৰত্যক্ষ অনুভূতি, মননশীলতাৰে, বোধশক্তিৰে। ইতিহাসৰ বিষয়বস্তু হ'ল বাহ্যজগতৰ, আধ্যাত্মিকতাৰ বিষয়বস্তু জ্ঞানময় তথা অন্তৰ্জগতৰ! ইতিহাস অধ্যয়নৰ জৰিয়তে সমাজ, ৰাষ্ট্ৰ আদি জনসমষ্টিৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, বিজ্ঞান প্ৰযুক্তি আদি ইত্যাদি দিশৰ বিৱৰ্তনৰ খতিয়ান দিব বিচৰা হয়। ইতিহাস অধ্যয়নত কোনো পূৰ্ব নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস নাথাকে- ই, অধ্যয়নৰ জৰিয়তে, পৰ্যবেক্ষণৰ জৰিয়তে, লাভ কৰা সিদ্ধান্ত সমূহৰ বিৱৰণ মাত্ৰ দিয়ে। আত্মাৰ স্বৰূপ সম্পৰ্কে বিভিন্ন ধৰ্ম, দৰ্শন আদিৰ নিজা নিজা পদ্ধতি অনুসৰি পৃথক অভিজ্ঞতা ডাঙি ধৰা দেখা যায়। আত্মাৰ সংজ্ঞাও সেইমতে পৃথক হোৱা দেখা যায়- কোনোবাই যদি আত্মাক সূক্ষ্ম জড় মৌলিক কণিকাৰ ৰূপত বৰ্ণনা কৰিছে, আন কোনোবাই আকৌ সূক্ষ্ম চৈতন্যময় চিৎ কণিকাৰ ৰূপত বৰ্ণনা কৰিছে। কোনোবাই আকৌ এই মননশীলতাৰে সমগ্ৰ বিশ্বৰ উমৈহতীয়া একক বিশ্বাত্মা বা পৰমাত্মাৰ অস্তিত্ব অনুভৱ কৰিছে। এই উপলব্ধিৰ ভিন্নতাই ইয়াকে বুজায় যে আত্মাৰ অন্বেষণতো কোনো পূৰ্ব নিৰ্দ্ধাৰিত লক্ষ্য ঠিৰ কৰি লোৱা নহয়। আত্মা শব্দটো কেতিয়াবা কেতিয়াবা 'সাৰতত্ব', 'মৰ্মাৰ্থ' অৰ্থতো ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে 'ভাৰতীয় সংস্কৃতিৰ আত্মা উপনিষদৰ জ্ঞানৰ মাজত নিহিত আছে।' আত্মা শব্দটোৰ মূল 'আত্ম'- অৰ্থাৎ 'মই'। 'আধ্যাত্মিকতা'ৰ আটাইতকৈ ভাল সংজ্ঞাটো সম্ভৱতঃ "মই কোন?' মোৰ যথাৰ্থ স্বৰূপ কি?- এই প্ৰশ্নটোৰ অনুসন্ধান!"

যদি ইতিহাস আৰু আধ্যাত্মিকতা দুটা সম্পূৰ্ণ পৃথক বিষয়, তেন্তে এই দুটা পৃথক বিষয়- ক'ৰ গ'লে সম্পূৰ্ণ দুখন পৃথক জগতৰ বিষয়ৰ কি সম্পৰ্কৰ কথা এই আলোচনাত সামৰি ল'ব বিচৰা হৈছে? ই এক জোৰ জুলুমকৈ সম্পৰ্ক স্থাপন কৰাৰ বৌদ্ধিক প্ৰয়াস মাত্ৰ নেকি?

কিন্তু অলপ গমি চালেই মানুহৰ জিজ্ঞাসাৰ এই পৃথক ক্ষেত্ৰ দুখনৰ মাজত দূৰৱৰ্তী যেন লগা এক সূক্ষ্ম যোগসূত্ৰ ৰিণিকি ৰিণিকি অনুভৱ কৰিব পাৰি আৰু সেই অনুভৱ খিনিক ইয়াত স্পষ্ট কৰিব বিচৰা হৈছে আৰু লগতে এই যোগসূত্ৰ দৰাচলতে গুৰুত্বপূৰ্ণ হয়নে নহয়- তাৰ বিচাৰ কৰিব বিচৰা হৈছে।

মুণ্ডক উপনিষদ- য'ৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকত থকা 'সত্যমেৱ জয়তে' বাক্যষাৰি গ্ৰহণ কৰা হৈছে- সেই উপনিষদ খনৰ আলোচনাৰ মূল বিষয় হ'ল পৰাবিদ্যা আৰু অপৰাবিদ্যাৰ গুৰুত্ব তথা সম্পৰ্কৰ বিৱৰণ দিয়া। ইয়াত পৰাবিদ্যা অৰ্থাৎ ব্ৰহ্মবিদ্যা বা আত্মজ্ঞান শ্ৰেষ্ঠ আৰু বেদ-বেদাঙ্গাদি অন্য সকলো জ্ঞান দ্বিতীয় স্তৰৰ জ্ঞান বুলি কোৱা হৈছে। পৰাবিদ্যাহীন অপৰাবিদ্যা এক ধৰণৰ অন্ধত্ব বুলি কোৱা হৈছে।

ভাৰতীয় দৃষ্টিভংগী অনুসৰি, ইতিহাস অধ্যয়নকো আধ্যাত্মিকতাৰ সতে সম্পৰ্কিত কৰা হৈছে। ইতিহাসৰ পশ্চিমীয়া তথা আধুনিক সংজ্ঞাৰ সতে ভাৰতীয় সংজ্ঞাৰ পাৰ্থক্য আছে। পশ্চিমীয়া আধুনিক ইতিহাস চেতনাৰ দৰে ভাৰতীয় ইতিহাসো 'অতীতৰ অধ্যয়ন' আৰু এই জ্ঞান 'নিশ্চয়াত্মক ধৰণ'ৰ ('ইতি হ আস')। কিন্তু আধুনিক ইতিহাস অধ্যয়নৰ সতে ইয়াৰ পাৰ্থক্য হ'ল - ভাৰতীয় ইতিহাস চেতনাত জীৱনৰ চতুঃবৰ্গ- ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ স'তে ইতিহাসক সম্পৰ্কিত কৰা হৈছে। খ্ৰীষ্টীয় ৪ৰ্থ শতিকাত ৰচিত 'অমৰকোষ'ত দিয়া ইতিহাসৰ সংজ্ঞা অনুসৰি ইতিহাস মানে হ'ল- "ধৰ্ম, অৰ্থ, কাম, মোক্ষাৰ্থায়। উপদেশ সমন্বিতম পুৰাবৃত্ত কথায়ুক্তম ইতিহাসম প্ৰচক্ষতে।।" 'মোক্ষ' ৰ কথা অহাৰ লগতে আত্মা, পৰমাত্মা আদি ধাৰণাৰ কথা আহি পৰে; আন কথাত ভাৰতীয় পৰম্পৰাত ইতিহাসক আধ্যাত্মিকতাৰ স'তে সাঙুৰি লোৱা হৈছে।

'মই কোন'— এই প্ৰশ্নটোৰ উত্তৰতেই আধ্যাত্মিকতা আৰু ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পৰ্কটো স্পষ্ট হৈ উঠে। 'মই কোন'- এই প্ৰশ্নটোৰ উত্তৰ হিচাপে বহু কথা ক'ব লগা হ'ব- ক'ব গ'লে এক সীমাহীন বিৱৰণ দিব লাগিব। মোৰ এক কায়িক অস্তিত্ব আছে। কায়িক অস্তিত্বটোৱেই মোৰ একমাত্ৰ পৰিচয় নহয়। মানুহ এজনৰ কায়িক অস্তিত্ব আৰু কায়িক পৰিচয়টোতকৈ অধিকতৰ গুৰুত্বপূৰ্ণ পৰিচয়টো সৃষ্টি হয়- সাংস্কৃতিক বৈশিষ্ট্য, বৌদ্ধিক বিচাৰ বোধৰ জৰিয়তেহে। মোৰ পৰিচয় ডাঙি ধৰিবলৈ মোৰ পিতৃ-মাতৃ, বংশ, জাতি, গোষ্ঠীৰ কথা ক'ব পাৰি। মানুহ হিচাপে, জীৱ হিচাপেও মোৰ এক পৰিচয় আছে। এজন ব্ৰাহ্মণ হিচাপে, এজন অসমীয়া হিচাপে, এজন ভাৰতীয় হিচাপেও কিছুমান বৈশিষ্ট্যৰ অধিকাৰী। হিন্দু ধৰ্মালম্বী হিচাপে; আধুনিক জ্ঞান বিজ্ঞান, প্ৰযুক্তি, শিক্ষাৰ দ্বাৰাও মোৰ মনস্তাত্ত্বিক পৰিচয়টো প্ৰভাৱিত হৈছে। এইদৰে মোৰ ভৌতিক, কায়িক, বাহ্যিক ইন্দ্ৰিয়গ্ৰাহ্য বৈশিষ্ট্যৰাজিৰ বিশ্লেষণ কৰিব গ'লেই অসমীয়া ভাষাৰ বিকাশ, ইয়াণ্ডাবু সন্ধি, মিছনেৰীসকলৰ আগমন, ভাৰতত বৃটিছ শাসন, ভাৰতৰ স্বাধীনতা, বৃটিছৰ ঔপনিবেশিক বাণিজ্য, ভাস্ক ডা গামাৰ ভাৰতলৈ সাগৰীয় পথৰ আৱিস্কাৰ, কনষ্টান্টিন'পলৰ পতন আদি ইত্যাদিৰ কথা ক'বলগীয়া হ'ব। ভাৰতীয় আইনৰ কথা ক'বলৈ যাওঁতে ৰোমান সভ্যতাৰ কথা ক'ব লাগিব। মোৰ আধ্যাত্মিক চেতনাৰ কথা ক'বলৈ যাওঁতে বেদ-উপনিষদৰ কথা ক'ব লাগিব। মোৰ জৈৱিক প্ৰকৃতিৰ স্বৰূপ বুজিবলৈ যাওঁতে জীৱ-কূলৰ বিৱৰ্তন/উত্তৰণৰ কথা ক'ব লাগিব। এইদৰে মোৰ ভিতৰতে সমস্ত বিশ্বৰ ইতিহাস সোমাই আছে, সমস্ত বিশ্বৰ বিভিন্ন উপাদান মোৰ সত্তাত নিমজ্জিত আছে। এই প্ৰসংগত ইতিহাস দাৰ্শনিক কলিংউডে কোৱা এনেধৰণৰ কিছু কথা প্ৰণিধানযোগ্য- "......My answer is that history is 'for' human self knowledge. It is generally thought to be of importance to man that he should know himself: where knowing himself means knowing not his marely personal peculiarties, the things that distinguish him from other men, but his nature as man. Knowing yourself means knowing, first what it is to be a man; secondly knowing what it is to be kind of man you are; and thirdly knowing what it is to be the man you are and nobody else is. Knowing yourself means knowing what you can do......."

ভাৰতীয় ইতিহাস দৰ্শনত কিয় আধ্যাত্মিকতাক সাঙুৰি লোৱা হ'ল। আধুনিক পশ্চিমীয়া ইতিহাস অধ্যয়ন প্ৰণালীৰ মাজত এই ভাৰতীয় আদৰ্শৰ কিবা অস্তিত্ব অথবা সাদৃশ্য আছেনে? এই নিবন্ধটিত এই প্ৰশ্নকেইটাৰ সমিধান বিচৰাৰ প্ৰয়াস কৰা হৈছে—

**সূক্ষ্মতাৰ বিচাৰ ঃ**

এক জড় মৌলিক কণিকাৰ ৰূপতেই হওঁক, চৈতন্যময় চিৎস্বৰূপ কণিকাৰ ৰূপতেই হওঁক অথবা মন বুদ্ধি আদিতকৈও সূক্ষ্ম অখণ্ডমণ্ডলাকাৰ পৰমাত্মা (ব্ৰহ্ম) ৰ স্বৰূপেতেওঁ হওঁক আধ্যাত্মিকতাৰ জৰিয়তে সূক্ষ্মতকৈ

সূক্ষ্মতাৰ সত্তাৰ অনুভৱ কৰিবলৈ যত্ন কৰা হয়। আধুনিক যুগত ইতিহাস অধ্যয়নতো সূক্ষ্মতৰ, সূক্ষ্মপদ্ধতিৰে বিচাৰ কৰিব লোৱা হৈছে। আধুনিক যুগৰ ইতিহাস অধ্যয়নৰ এই শৈলীটোক Micro History বুলি কোৱা হয়। ১৯৭০ চনৰ আশে পাশে ইটালীত ইয়াৰ আৰম্ভ হৈছিল, ক্ৰমে ইউৰোপৰ অন্য ঠাইতো এই শৈলীটোৰ পৰীক্ষণ নিৰীক্ষণ চলিল আৰু সম্প্ৰতি ভাৰতবৰ্ষতো ইয়াৰ চৰ্চা হৈছে। আগৰ দিনত বিস্তৃত বিষয়ৰ অধ্যয়ন শৈলীত (Macro) 'ভাৰতৰ ইতিহাস', 'ৰোমান সভ্যতাৰ ইতিহাস' আদি ধৰণৰ বিশাল বিষয় একোটা অধ্যয়নৰ বিষয় হিচাপে লোৱাটো জনপ্ৰিয় আছিল। Micro History ত এজন মানুহ, এটা পৰিয়াল, এটা অঞ্চল, এখন কিতাপ, এবিধ বিশেষ অস্ত্ৰ আদিয়ে ইতিহাসৰ এক ডাঙৰ (Episode) ঘটনাক কিদৰে প্ৰভাৱিত কৰিছিল, তাকো অধ্যয়ন কৰা হয়। এজন ব্যক্তিৰ ব্যক্তিগত আবেগ, অনুভূতি, ব্যক্তিত্ব, ভাগ্যৰ উত্থান-পতন আদি কথাৰো প্ৰয়োজন সাপেক্ষে বিশ্লেষণ কৰা হয়। ইতিহাস অধ্যয়নত পুৰাতত্ত্ববিদ এজনে খননকাৰ্য চলোৱাৰ সময়ত যেতিয়া মিহি ব্ৰাছ এডালেৰে ধুলি বালি মসৃণভাৱে আঁতৰাই পুৰণি মাটিৰ পাত্ৰ এটা উদ্ধাৰ কৰে; মৃতদেহৰ এটা জীৱাশ্ম উদ্ধাৰ কৰে তেওঁ এক সূক্ষ্ম সাৱধানতা অৱলম্বন কৰে। ৰেডিঅ' কাৰ্বন পদ্ধতি প্ৰয়োগ কৰি যেতিয়া হাজাৰ হাজাৰ বছৰ আগৰ বস্তু এটা এটাৰ বয়স নিৰূপণ কৰিব যত্ন কৰে তেওঁ দৰাচলতে এক অতি সূক্ষ্ম সংবেদী পদ্ধতিৰ প্ৰয়োগ কৰে।

**অতীত বিচাৰ ঃ**

আধ্যাত্মিকতাতো এক ধৰণ অতীত বিচাৰৰ প্ৰয়োজনীয়তা আহি পৰে। মানুহৰ মনস্তত্ত্বৰ, ব্যক্তিত্বৰ, অথবা নৈতিক প্ৰবৃত্তিৰ মূল স্বৰূপ বিচাৰ কৰিব যাওঁতে মানুহৰ নিজৰ জীৱনদশাত শৈশৱৰ পৰা ডাঙৰ হোৱাৰ সময়লৈ পাৰিবাৰিক, সামাজিক, শিক্ষানুষ্ঠানিক যিবোৰ শিক্ষা, অভিজ্ঞতা, সংস্কাৰ আদি আহৰণ কৰে সেইবোৰে মানুহৰ মূল প্ৰকৃতিৰ ওপৰত কিছুমান প্ৰলেপৰ/সংস্কাৰ সৃষ্টি কৰে, নিজৰ মূল প্ৰকৃতিক/স্বৰূপক আবিস্কাৰ কৰিবলৈ হ'লে এই প্ৰলেপ সমূহ চিনাক্ত কৰিব পাৰিব লাগিব; সেইবোৰ ভেদ কৰিব লাগিব। মানুহে নিজৰ জীৱনদশাতে মাথোন এনে প্ৰলেপ আহৰণ নকৰে— জীৱ হিচাপে সহস্ৰ যুগ ধৰি বিৱৰ্তনৰ যি পৰিক্ৰমা অতিক্ৰম কৰিলে সেই পৰিক্ৰমাতো জৈৱিক উত্তৰণৰ বিভিন্ন প্ৰলেপ আহৰণ কৰে। ক'ব গ'লে সমগ্ৰ জীৱকূলেই 'জেনেটিক কোড'ৰ ৰূপত, জেনেটিক বৈশিষ্ট্যৰ ৰূপত সহস্ৰ যুগৰ ইতিহাস বহন কৰি থাকে। বহু সাংস্কৃতিক প্ৰমূল্যগত বৈশিষ্ট্যৰো বাহক হ'ল মানুহ। আধুনিক বিজ্ঞান তথা ইতিহাসে এই বিৱৰ্তনৰ বিভিন্ন তথ্য আমাক যোগান ধৰে। এই তথ্য সমূহে আমাৰ মননশীলতাক অধিকতৰ সমৃদ্ধ কৰে, পৰিপক্ক কৰে আৰু আমাৰ আত্মানুসন্ধানক এক বৈজ্ঞানিক চৰিত্ৰ প্ৰদান কৰে। সাংস্কৃতিক, ভাষিক, ৰাজনৈতিক, জৈৱিক বিৱৰ্তনৰ এই প্ৰলেপবোৰ ভেদ কৰিব যাওঁতে আত্মানুসন্ধানত এক অতীতমুখী যাত্ৰা কৰিবলগীয়া হয় আৰু ইতিহাস তথা বিজ্ঞানে যোগান ধৰা তথ্যই এইদৰে আধ্যাত্মিকতাৰ সহায়ক হয়।

**সৌন্দৰ্যৰ বিচাৰ ঃ**

আধ্যাত্মিকতা অথবা ইতিহাস অধ্যয়নৰ কোনোটো বিষয়তে সৌন্দৰ্যৰ সন্ধান উদ্দেশ্য নহয়। কিন্তু উভয় ক্ষেত্ৰত এক ধৰণৰ সৌন্দৰ্যৰ সন্ধান পোৱা যায় আৰু সম্ভৱতঃ উভয়ক্ষেত্ৰতে উপলব্ধ এই সৌন্দৰ্যই (শুকান হাড়, শিল, ইটা সদৃশ ইতিহাসৰ নিৰস বিষয়ৰ অধ্যয়নকাৰী সকলক আৰু ইন্দ্ৰিয়াতীত সত্তা এটাক, কেৱল মাথোন মননশীলতাৰে উপলব্ধি কৰিবলৈ কৰা ক্লেশময় আধ্যাত্মিক অন্বেষণকাৰী সকলক) প্ৰেৰণা যোগায়, শক্তি যোগায়। প্ৰতিটো যুগতে- আদিম কালৰ পৰা আৰম্ভ কৰি অত্যাধুনিক মানুহৰ যুগলৈ- মানুহে কৰা কামবোৰৰ মহত্ব ভালকৈ ভাবি চালে আশ্চৰ্যচকিতকাৰী হয়। মানুহে যেতিয়া প্ৰথম শিল ব্যৱহাৰ কৰিবলৈ শিকিছিল, কৃষি পদ্ধতিৰ আবিষ্কাৰ কৰিছিল ধনুখন আবিষ্কাৰ কৰিছিল; তাম, ব্ৰঞ্জ, লোহা আদি ধাতু ব্যৱহাৰ কৰিবলৈ শিকিছিল; আখৰৰ আবিষ্কাৰ কৰিছিল- প্ৰতিটো আবিষ্কাৰেই মানুহৰ উত্তৰণত অতি

গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এইবোৰৰ উপৰি, কি প্ৰেৰণাত এজন ভাস্কৰ্য শিল্পীয়ে শিলত খুট খুটকৈ টুকুৰিয়াই ত্ৰিভংগ, চতুৰ্ভংগ আদি মূৰ্ত্তি নিৰ্মাণ কৰিছিল সেইবোৰ ভাবিলে, অনুভৱ কৰিলে মানুহৰ বুদ্ধিমত্তা, সৃজনশীলতা, সৌন্দৰ্য সাধনাৰ কথাই আহ্লাদিত কৰে। আধ্যাত্মিকতাতো এক বিশ্বজনীন নিত্য শ্বাশ্বত সত্তাৰ মাজত নিজক আবিষ্কাৰৰ জৰিয়তে আৰু স্বকীয় পৃথক ক্ষুদ্ৰ সত্তাৰ বিলুপ্তিৰ জৰিয়তে আনন্দ লোকত বিচৰণ কৰিব সক্ষম হয়। এইদৰে আত্মানুসন্ধানৰ জৰিয়তে দুখ/ক্লেশ, যন্ত্ৰণাবোধৰ বিলুপ্তি ঘটে তথা আনন্দ প্ৰাপ্তি হয়।

**অন্তৰ্দৃষ্টিৰ প্ৰয়োগ ঃ**

আধ্যাত্মিকতাক, ক'বলৈ গ'লে এক ধৰণৰ অন্তৰ্দৃষ্টি নিৰ্ভৰ অন্বেষণ মাত্ৰ বুলি ক'ব পাৰি। ইতিহাস অধ্যয়নত ভৌতিক সমলৰ সহায় লৈ ভৌতিক বিষয়, পৰিঘটনাৰ ব্যাখ্যা কৰা হয়। ইয়াত অন্তৰ্দৃষ্টিতকৈ যুক্তিৰ প্ৰয়োগ অধিক হয়। কিন্তু তৎসত্বেও অন্তৰ্দৃষ্টি শূন্যভাৱে ইতিহাস অধ্যয়নো সম্ভৱ নহয়। ইতিহাস অধ্যয়ন, ক'বলৈ গ'লে বৰ্তমান আৰু অতীতৰ মাজত এক ধাৰাবাহিক বাৰ্তালাপ মাথোন। অতীতক যিহেতু চাক্ষুস ৰূপত প্ৰত্যক্ষ কৰিব নোৱাৰি, অতীতৰ সমলৰ ওপৰত নিৰ্ভৰ কৰি অতীতক বুজিব চেষ্টা কৰা হয়, পদে পদে এজন ইতিহাসবিদে অন্তৰ্দৃষ্টিৰে প্ৰয়োগ কৰিব লগাত পৰে। এজন পুৰাতত্ত্ববিদে মাটিৰ তলৰ পৰা আবিষ্কাৰ কৰা ইটাৰ টুকুৰাটো দেখা পায়, ইটাটোৰ দীঘ প্ৰস্থ, ইয়াত ব্যৱহাৰ হোৱা মাটি আদিহে দেখা পায় কিন্তু ইটাটো নিৰ্মাণ কৰোঁতে শ্ৰমিক এজনৰ শৰীৰৰ পৰা ওলোৱা ঘামখিনি অন্তৰ্দৃষ্টিৰেহে পৰ্যবেক্ষণ কৰিব পাৰে। কি ভোকৰ তাড়ণাত এজন আদিম মানৱে জন্তু এটা চিকাৰ কৰিছিল, কি নিৰাপত্তাহীনতাৰ অনুভৱেৰে গুহাৰ ভিতৰত আশ্ৰয় লৈছিল গৈ সেয়া কেৱল অন্তৰ্দৃষ্টিৰেহে অনুভৱ কৰিব পাৰি।

**সৃষ্টিতত্ত্ব ঃ**

আধ্যাত্মিক মননশীলতাৰে নিজৰ ভিতৰতে নিজৰ স্বৰূপ বুজিবলৈ চলোৱা এক বুদ্ধি, বোধ, চেতনাৰ এক কুচকাৱাজ যদিও এই প্ৰচেষ্টাই এটা সময়ত সমস্ত জগতৰ/বিশ্বৰ মূল স্বৰূপৰ তথা সৃষ্টিৰ মূল কাৰণ, সৃষ্টিৰ বিৱৰণ, মূল উপাদান আদি বিষয়ক সাঙুৰি ল'ব লগা হয়গৈ। পৃথিৱীৰ অধিকাংশ দৰ্শনত ব্যক্তিগত আত্মা (জীৱাত্মা) আৰু বিশ্বাত্মাৰ একাত্মতাৰ উপলব্ধিৰে সামৰণি পৰা দেখা যায়। বিশ্বসৃষ্টিৰ প্ৰাৰম্ভৰ সময়ছোৱাৰ কথাও এই অন্বেষণে শেষ পৰ্যায়ত সাঙুৰি ল'ব লগা হয়। পৃথিৱীৰ বিভিন্ন আধ্যাত্মিক চিন্তনত সেইবাবে সৃষ্টিতত্ত্বৰ কথা আলোচিত হোৱা দেখা যায়। কোনো গৱেষণাগাৰৰ সহায় নোলোৱাকৈ, কোনো বৈজ্ঞানিক সঁজুলি নোলোৱাকৈ, কেৱল মননশীলতাৰে, যুক্তিশীল বিচাৰবোধেৰে বিশ্ব সৃষ্টিতত্ত্ব সম্পৰ্কে এনে কেতবোৰ তত্ত্ব কিছুমান আধ্যাত্মিক পৰম্পৰাত দেখিবলৈ পোৱা যায় যিবোৰ আধুনিক বৈজ্ঞানিক সিদ্ধান্তবোৰৰ লগত চিত্তাকৰ্ষক ভাৱে সাদৃশ্য দেখা পোৱা যায়। আধুনিক ইতিহাস অধ্যয়ন আজিকালি কেৱল মাত্ৰ মানুহৰ কাৰ্যকলাপৰ মাজতে সীমিত হৈ থকা নাই। মানুহৰ বিৱৰ্তনৰ কথা ক'বলৈ গৈ আধুনিক ইতিহাস চৰ্চাত মানুহৰ উৎপত্তি, জীৱৰ উৎপত্তি, পৃথিৱীৰ সৃষ্টি, বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি সম্পৰ্কীয় বৈজ্ঞানিক তত্ত্ববোৰো আলোচনা কৰিবলৈ লোৱা দেখা গৈছে। সৃষ্টিৰ মূলতত্ত্বৰ আলোচনা কৰিবলৈ গৈ ইতিহাসে হয়তো কমদিনৰ ভিতৰতে বলবিজ্ঞান, হিগছ বছন, ফটন, কোৱাৰ্কছ মিয়ন আদি কণিকাৰ কথাও সাঙুৰি ল'বগৈ। ইতিহাসৰ এই স্থূলভূতৰ মাধ্যমেৰেই যি অধ্যয়ন কৰা হয় সিও এটা দিশত এক বিশ্বাত্মাৰ আবিষ্কাৰৰ দিশেৰেই ধাবিত হৈ আছে বুলি ক'ব পাৰি। আধ্যাত্মিক অন্বেষণৰ জৰিয়তে মানুহে লাভ কৰা আত্মাৰ সতে পৰমাত্মাৰ অভিন্নতাৰ উপলব্ধি আৰু নিত্যতা অথবা অনিত্যতা আদি উপলব্ধিৰ জৰিয়তেনো কি ব্যৱহাৰিক লাভ হয়? দৰাচলতে এনেবোৰ উপলব্ধিৰ জৰিয়তে মানুহৰ স্বাভাৱিক জিজ্ঞাসাৰ পৰিতৃপ্তিৰ উপৰিও জীৱনৰ ক্ষণভংগুৰতা অথবা শ্বাশ্বত, নিত্য, অমৰত্বৰ অনুভৱৰ জৰিয়তে জীৱনৰ চৰম পৰিণতি সম্পৰ্কে এক বৌদ্ধিক স্পষ্টতা আহৰণ কৰা হয়। জীৱনবোধ, আৰু

তাৰ ওপৰত ভিত্তি কৰি জগত সম্পৰ্কে মানুহৰ দৃষ্টিভংগী গঢ় লৈ উঠে। এই ধৰণৰ স্পষ্টতাই মানুহৰ অসুয়া, অশান্তি, প্ৰলোভন, মৃত্যুভয় আদি অৱগুণ সমূহৰ বৌদ্ধিকতাৰ জৰিয়তে প্ৰশমিত কৰিব পাৰি। আত্মাৰ অমৰত্বৰ ধাৰণাই মানুহৰ শাৰীৰিক মৃত্যুক এক আপাতঃ সহজ বাস্তৱতা বুলি অনুভৱ দিয়ে। আধ্যাত্মিকতাই এইদৰে জীৱনৰ মহত্বৰ উপলব্ধি কৰায়; ক্লেশকাৰক "শ্ৰেয়"ৰ সাধনাৰ প্ৰতি, জগতৰ কল্যাণকৰ কামবোৰৰ প্ৰতি মানুহক প্ৰেৰিত কৰে, যুক্তিৰ যোগান ধৰে। জীৱনৰ আপাতঃ ক্ষণভংগুৰতাই দিয়া বিষাদ আঁতৰাই এক আনন্দকৰ পৰিণতিৰ প্ৰতি উদ্বেলিত কৰে। জীৱন সম্পৰ্কে ইতিবাচক দৃষ্টিভংগী প্ৰদান কৰি সেই সম্পৰ্কীয় অস্পষ্টতা আঁতৰাই এক ধৰণৰ বৌদ্ধিক অন্ধকাৰৰ অৱসান ঘটায়। জীৱন সম্পৰ্কীয় এই সম্পৰ্কীয় স্পষ্টতাই অজ্ঞতাৰ অন্ধকাৰে সৃষ্টি কৰা অস্বস্তিৰ পৰা মুক্তি দি প্ৰজ্ঞালোকেৰে আত্মাক মুক্তি প্ৰদান কৰে। আধ্যাত্মিক অন্বেষণে যদি মানৱ আত্মাক প্ৰজ্ঞাৰ আলোকেৰে অন্ধকাৰ আঁতৰাই মুক্তি প্ৰদান কৰে আৰু সেইদৰে মানৱ কল্যাণ সাধন কৰে, ইতিহাস অধ্যয়নেও অন্যধৰণে এই ক্ষেত্ৰত সহায় কৰে। স্বাধীনতা মানে কি? গণতন্ত্ৰ মানে কি? যুদ্ধ মানে কি? ক্ষুধা মানে কি? বিজ্ঞান প্ৰযুক্তিৰ উৎকৰ্ষ সাধনৰ ফলত মানুহৰ জীৱনৰ কি কল্যাণ সাধিত হ'ল? ইতিহাস অধ্যয়নেও এই প্ৰশ্নবোৰৰ উত্তৰ পোৱাত সহায় কৰে। যুদ্ধ বিগ্ৰহে সৃষ্টি কৰা ধ্বংস, অশান্তি, শোকাদিৰ অধ্যয়নে এইবোৰৰ পৰা নিস্তাৰৰ আশা জগাই তোলে। এইবোৰৰ পৰা নিস্তাৰ পোৱাৰ এক অন্তঃসলিলা আকাংক্ষাই যেন ইতিহাস অধ্যয়নকাৰীক প্ৰেৰিত কৰি ৰাখে। স্বাধীনতা মানে, গণতন্ত্ৰ মানে স্ব-গোষ্ঠীয় মানুহে দেশ শাসন কৰাটো নুবুজায়। জীৱিকাৰ স্বাধীনতা, বিশ্বাসৰ স্বাধীনতা আৰু একেবাৰে সূক্ষ্ম স্তৰত চিন্তাৰ স্বাধীনতাকো ই বুজায়। চিন্তাৰ স্বাধীনতা মানুহৰ আত্মাৰ মুক্তিৰ একেবাৰে প্ৰাথমিক চৰ্ত। চিন্তনৰ স্বাধীনতা থাকিলেহে আত্মাৰ মুক্তিৰ ধাৰণাটো সম্ভৱ হয়। ৰাষ্ট্ৰভীতি, সমাজভীতি, পৰম্পৰাভীতি, ধৰ্মভীতি, কৰ্তৃত্বশীল জ্যেষ্ঠৰ প্ৰতি ভীতিগ্ৰস্ততাত ভীতিগ্ৰস্ত এজনে অথবা সেই ভীতিৰ দ্বাৰা নিয়ন্ত্ৰিত লোক এজনে চিন্তাৰ স্বাধীনতা উপভোগ কৰিব নোৱাৰে। চিন্তাৰ স্বাধীনতাই দৰাচলতে সৰ্বোচ্চ স্বাধীনতা আৰু সেইটোৱেই মোৰ বোধেৰে চৰমতম মানৱ কল্যাণ। মানৱ কল্যাণেই সম্ভৱতঃ ইতিহাস আৰু আধ্যাত্মিকতাৰ এক উজ্জ্বল মিলনভূমি, উমৈহতীয়া সুন্দৰ লক্ষ্য। বিজ্ঞান প্ৰযুক্তিয়ে মানুহৰ জীৱন জীৱিকা যিদৰে সহজসাধ্য কৰি তুলিলে সেইদৰে মানুহৰ স্বাধীনতা আৰু বেছি অৰ্থবহ তথা সফল কৰি তুলিছে।

আধ্যাত্মিক অন্বেষণত দেখিবলৈ পোৱা ব্যাখ্যা (Interpretation) ৰ ভিন্নতা; চিন্তাৰ শেষ সীমাহীনতা আৰু সৰ্বত্ৰ আত্মদৰ্শনৰ লগত ইতিহাস অধ্যয়নত কিছু সাদৃশ্য দেখা যায়। ইতিহাস অধ্যয়ন কাৰ্য মাছ বেপাৰীৰ চালনীত থকা ভিন্ন ভিন্ন মাছৰ লগত ৰিজনি দিব পাৰি, পছন্দৰ মাছ বাছি বতৰ অনুযায়ী ৰুচি অনুযায়ী তৰকাৰী ৰন্ধাৰ নিচিনা কাম। ইতিহাস অধ্যয়নকাৰী এজনৰ হাতত অতীতৰ সীমাহীন সমল থাকে। তাৰ পৰা পছন্দৰ বছা বছা সমলবোৰ গোটাই বিশেষ বিশেষ বিষয়ত নিজা নিজা ব্যাখ্যাৰে (Interpretation) ইতিহাস লিখা হয়। আধ্যাত্মিকতাতো সেই একে ব্যক্তিনিষ্ঠতা দেখা যায়। সেইবাবেই বৌদ্ধ, জৈন, বেদান্ত, সাংখ্য, বৈশেষিক, পশ্চিমৰ বিভিন্ন দাৰ্শনিকে আত্মা সম্পৰ্কে/পৰাতত্ত্ব সম্পৰ্কে পৃথক তত্ত্ব আগবঢ়োৱা দেখা যায়।

আধ্যাত্মিকতাত জগতৰ সমস্ত ভূতত আত্মাদৰ্শন কৰাৰ দৰে ইতিহাসেও জগতৰ প্ৰতিটো বস্তুকেই ইতিহাস -অনুবীক্ষণৰ দাপোনৰ তলত লৈ অধ্যয়ন কৰিব পাৰে।

ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজত পাৰ্থক্য আছে যদিও উভয়ে উভয়ৰ ক্ষেত্ৰত সততে স্বতঃসিদ্ধ অথবা অনধিকাৰ প্ৰৱেশ কৰে। আধ্যাত্মিক সাধনাৰ সময়ত ভালেমান ধাৰ্মিক বিশ্বাস তথা ৰীতি-নীতি বহুতে পালন কৰে আৰু পৃথিৱীৰ বিভিন্ন ধৰ্মগ্ৰন্থ সমূহত বিবৃত বহুতো কাৰ্যকলাপ, ব্যাখ্যা আদি আধ্যাত্মিকতা নিঃসৃত আৰু তৎনিৰ্ভৰ কাৰ্য।

মানুহৰ উত্থান পতনৰ ইতিহাসত; মানুহৰ কৃতকৰ্মৰাজিৰ এক গুৰুত্বপূৰ্ণ অংশ ধৰ্ম তথা ধৰ্মীয় প্ৰেৰণাই

নিয়ন্ত্ৰিত কৰা দেখা যায়। সংস্কৃতিৰ কথা, ধৰ্মক বাদ দি আলোচনা কৰিব নোৱাৰি। বহু সময়ত ধৰ্মই জাতীয় পৰিচয় গঠন কৰে। পৃথিৱীৰ বহু স্থাপত্য ভাস্কৰ্য ধৰ্মবিশ্বাস কেন্দ্ৰিক। পিৰামিদ, ক্ৰুছেদ, পবিত্ৰ ৰোমান সাম্ৰাজ্য, নৱজাগৰণ, ইজৰাইল-পেলেষ্টাইনৰ যুদ্ধ, অশোকৰ শিলালিপি, অশোকৰ ৰাষ্ট্ৰনীতি আদি ইত্যাদি কথা ধৰ্ম বাদ দি আলোচনা কৰিব নোৱাৰি। ধৰ্মৰ এই দিশবোৰ অনুধাৱন নকৰাকৈ এখন সমাজ অথবা ৰাষ্ট্ৰৰ আত্মাৰ সতে পৰিচয় লাভ কৰিব নোৱাৰি।

ইতিহাসৰ ভাৰতীয় সংজ্ঞা তথা ৰচনাশৈলী এনেবোৰ দিশৰপৰা ক্ৰমে সাৰ্বজনীন তথা অধিক গ্ৰহণ যোগ্য হৈ পৰা সম্ভাৱনা আছে। ভাৰতীয় পৰম্পৰাত জ্ঞান চৰ্চাৰ আন সকলো বিষয়ৰ দৰে ইতিহাস অধ্যয়নকো এক পবিত্ৰ কৰ্ম বুলি বিবেচনা কৰা হৈছিল। সেইবাবেই হয়তো ইতিহাসক ঋক, যযুঃ, সাম, অথৰ্বৰ লগতে স্থান দি পঞ্চম বেদ বুলি অভিহিত কৰিছে।

"ঋক যয়ুঃ সামাৰ্থ ব্যাখ্যা বেদাশ্বত্বাৰ উদ্ধৃতাঃ
ইতিহাস পুৰাণঞ্চ পৰমো বেদ উচ্যতে।।"

অসমৰ মধ্যযুগত ৰচিত হোৱা বুৰঞ্জীসমূহত পৰৱৰ্তী সময়ত ভাৰতীয় হিন্দু বৈশিষ্ট্য কিছুমান প্ৰবেশ কৰিছিল। বুৰঞ্জীৰ সাঁচিপতীয়া পাণ্ডুলিপিসমূহক অন্য ধৰ্মশাস্ত্ৰৰ নিচিনাকৈ 'পুথি' বুলি কোৱা হয়। এই পুথি সমূহ পবিত্ৰভাৱেৰে সংৰক্ষণ কৰা হৈছিল। বহু সময়ত এই পুথিসমূহত দৈৱী শক্তি বাস কৰে বিশ্বাস কৰা হৈছিল। অসমীয়া ভাষাত ৰচিত হোৱা বহু কেইখন বুৰঞ্জীপুথি গণেশ, শিৱাদি ইষ্ট দেৱতাক স্মৰণ কৰিহে লিখা হৈছিল। মাহেকীয়া হোৱা সময়ত মহিলাসকলে পুথি সমূহ স্পৰ্শ নকৰিছিল। পুথি সমূহত লিখা কথাবোৰৰ সত্যতা ধৰ্মীয় পৱিত্ৰতাৰে ৰক্ষা কৰিব বিচৰা হৈছিল। পুৰণি বিশ্বাস অনুসৰিয়েই বুৰঞ্জীসমূহক "লাইচেষ্ট্ৰা" বুলি আন সকলো পুথিৰ ওপৰত স্থান দিয়া হৈছিল।

আধুনিক যুগত পদাৰ্থবিজ্ঞান, গণিত, ৰসায়ন বিজ্ঞান, প্ৰাণী বিজ্ঞান আদি ইত্যাদি বিষয় কোনোৱেই স্বতন্ত্ৰ নহয়, পৰস্পৰ নিৰ্ভৰশীল। সেইদৰে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, ইতিহাস, সমাজতত্ব আদি বিষয়বোৰো পৰস্পৰ নিৰ্ভৰশীল। ক্ৰমে প্ৰাকৃতিক বিজ্ঞান (পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আদি) বিষয়বোৰেও সমাজবিজ্ঞানৰ বিভিন্ন বিষয়ত স্থান দখল কৰিব আৰম্ভ কৰিছে। মই ব্যক্তিগত ভাৱে বিশ্বাস কৰো অনতি পলমে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, সমাজতত্ব, নৃতত্ব, দৰ্শন, শিক্ষাতত্ব, ইতিহাস আদি সমাজ বিজ্ঞানৰ অন্তৰ্গত বিভিন্ন বিষয় আৰু পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, প্ৰাণীবিজ্ঞান আদি বিভিন্ন প্ৰাকৃতিক বিজ্ঞানৰ মাজত আন্তঃসম্পৰ্ক; পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধি পাব আৰু এইবোৰৰ মাজত আধ্যাত্মিকতাইও আত্মপ্ৰকাশ কৰিব।

আধ্যাত্মিকতাত নিজে নিজৰ পৰ্যবেক্ষণ কৰে যদিও এই যাত্ৰাকালত মানুহে নিজৰ প্ৰবৃত্তি তথা আচৰণ সমূহৰ আঁৰত ক্ৰিয়া কৰি থকা কাৰকবোৰৰ সতে পৰিচয় হয়। যদিও এই আবিষ্কাৰ নিজৰেই আবিষ্কাৰ, এই আবিষ্কাৰৰ জৰিয়তেই অন্য মানুহৰ, অন্য জীৱকূলৰ, জড়জগতৰ বাহ্য স্বৰূপক প্ৰভাৱিত কৰি ৰখা, নিয়ন্ত্ৰিত কৰি ৰখা সাৰ্বজনীন তত্ববোৰৰ সতে পৰিচয় লাভ কৰে।

"য়স্তু সৰ্বানি ভূতানি আত্মন্যেৱানুপশ্যতি।
সৰ্বভূতেষু চাত্মানং ততো বিজুগুপসতে।।"

এই অভিজ্ঞতাৰ জৰিয়তে, অনুভৱশীলতাৰ এই দক্ষতাৰ জৰিয়তে বাহ্যজগতৰ যথাৰ্থ প্ৰকৃতি অধিকতৰ স্পষ্ট ৰূপত বুজি পায়। ইতিহাস অধ্যয়নৰ এই দক্ষতাই এক নতুন মাত্ৰা প্ৰদান কৰিব পাৰিব। আধ্যাত্মিকতাই মানুহৰ আচৰণৰ অন্তৰ্নিহিত কাৰণবোৰ বুজাত সহায় কৰে। জীৱন আৰু জগত সম্পৰ্কে এজন লোকৰ দৃষ্টিভংগীয়ে তেওঁৰ নৈতিকতা সম্পৰ্কীয় সিদ্ধান্তবোৰক প্ৰভাৱিত কৰে, তেওঁৰ আচৰণক প্ৰভাৱিত কৰে। একে ধৰণৰ দৃষ্টিভংগীয়ে যদি কোনো এক জনসমষ্টিক সামূহিকভাৱে প্ৰভাৱিত কৰি ৰাখে তেন্তে সেই দৃষ্টিভংগীয়েই সেই জনসমষ্টিৰ আৰু এটা জাতিৰ ক্ষেত্ৰত জাতীয় চৰিত্ৰটো নিৰ্মাণ কৰিব। এটা সংগঠিত জনসমষ্টিৰ সমূহীয়া চৰিত্ৰই সেই জনসমষ্টিৰ সামূহিক কাৰ্যাৱলীক প্ৰভাৱিত কৰিব, নিয়ন্ত্ৰিত কৰিব— এইদৰেই

সেই জনসমষ্টিৰ ইতিহাসৰ গতি/দিশ নিৰ্দ্ধাৰিত হ'ব।

সুখ কি? দুখ কি? নৈতিকতা কি? পৃথিৱীত জীৱন প্ৰবাহৰ কিবা উদ্দেশ্য আছে নেকি? মানৱ জীৱনৰ শ্বাশ্বত মূল্য কিবা আছে নেকি? জগতৰ বিভিন্ন প্ৰান্তত দেখিবলৈ পোৱা ত্ৰাস, সংঘাত, সংঘৰ্ষৰ মূলকাৰণ কি? এইবোৰৰ নিদান কি? এই প্ৰশ্নবোৰৰ উত্তৰ আমি বাহিৰত যিমান পাম তাতকৈ বেছিকৈ আৰু স্পষ্টকৈ পাম নিজৰ ভিতৰত অৱলোকনৰ জৰিয়তেহে। আধুনিক ইতিহাস অধ্যয়নক কোনো উদ্দেশ্যৰ দিশে ধাবিত কৰা নহয়। ই ঘটনাসমূহ, পৰিস্থিতি সমূহৰ বিৱৰণ মাত্ৰ দিয়ে আৰু এইবোৰৰ আঁৰৰ কাৰণবোৰ মাত্ৰ বিশ্লেষণ কৰে। ই মানৱতাবাদৰ সমৰ্থন, জাতীয়তাবাদৰ সমৰ্থন, সাম্ৰাজ্যবাদ, উপনিবেশবাদৰ বিৰোধিতা, যুদ্ধৰ বিৰোধিতা, অহিংসাৰ সমৰ্থন আৰু সমৰ্থন কৰা দিশবোৰৰ ফালে মানুহক উপদেশ দিয়া আদি ধৰণৰ কাম নকৰে। এনেদৰে যদি কোনো আদৰ্শৰ দিশে প্ৰভাবিত কৰাৰ প্ৰয়াস ইতিহাসে কৰিবলৈ লয় ইয়াৰ পক্ষপাতহীন চৰিত্ৰৰ বিলুপ্তি ঘটিব, বস্তুনিষ্ঠতাৰ অভাৱ ঘটিব। আধুনিক যুগৰ প্ৰায়বোৰ বিষয়ৰ অধ্যয়ন প্ৰণালী- যিবোৰ মূলতঃ পশ্চিমৰ পৰা আমদানীকৃত- সেইবোৰ মূলতঃ একেধৰণৰ। কিন্তু তৎসত্বেও 'নিৰ্মোহ', 'বস্তুনিষ্ঠ', 'পক্ষপাতহীন' আদি নামাৱলীৰ আঁৰ লৈ আধুনিক শিক্ষাৰ কিবা এক অন্তৰ্লীন আদৰ্শই মানুহক জড়বাদী, ভোগবাদী; কৰি তুলিছে। এই জড়বাদীতাই, ভোগবাদীতাই প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে, স্নায়ৱিক সুখকেই জীৱনৰ শ্ৰেয় আৰু ধ্যেয়ৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। সকলোধৰণৰ জ্ঞানক ভোগৰ বাবে, ভোগৰ বাবে সৃষ্টি হোৱা প্ৰতিযোগিতাৰ বাবে, প্ৰতিযোগিতাই আহ্বান জনোৱা দমন, নিপীড়ণ, যুদ্ধাদিৰ বাবেহে যেন প্ৰয়োগ কৰিবলৈ লোৱা হৈছে। এনে প্ৰয়োগক জ্ঞান বুলি কোৱাৰ সলনি একধৰণৰ অন্ধত্ব বুলিহে ক'ব লাগিব। এই অন্ধত্ব দূৰ কৰিবলৈ আধ্যাত্মিকতাৰ বিকল্প নাই। ভাৰতৰ প্ৰাচীন পৰম্পৰাত সকলো ধৰণৰ জ্ঞান চৰ্চাৰ ক্ষেত্ৰত আধ্যাত্মিকতাক সংযোজিত কৰি ৰখা হৈছিল। এই নীতিৰ পৰা যিয়েই বিচলিত হৈছিল সিয়েই ধ্বংসক আহ্বান কৰিছে আৰু যিয়েই অনুসৰণ কৰিছিল সেই পথেই অমৃতময়ীতাৰ দিশলৈ ধাৱমান হৈছিল। প্ৰাচীন ভাৰতীয় পৰম্পৰাত গুৰুক সৃষ্টিকৰ্তা ঈশ্বৰৰ সতে সমান স্থান দি চৰম সন্মান প্ৰদান কৰা হৈছিল। বেদ-শাস্ত্ৰ বিদ্যাই হওঁক, শস্ত্ৰবিদ্যাই হওঁক, জ্যোতিৰ্বিদ্যা, চিকিৎসা বিদ্যা আদি সকলো ধৰণৰ বিদ্যা শিক্ষাৰ আৰম্ভণি, শিক্ষাব্ৰতী সময়ছোৱাত, সামৰণিত আৰু পিছত সেই বিদ্যাৰ প্ৰয়োগৰ সময়ত আধ্যাত্মিক ৰীতি-নীতি সংযোজিত কৰি ৰখা হৈছিল। প্ৰতীচ্যৰ শিক্ষাদৰ্শনত আধ্যাত্মিকতাৰ সংযোজন হ'লে প্ৰদূষণ, বনধ্বংস, গ্লৱেল ৱাৰ্মিং; ধৰ্মযুদ্ধ, সন্ত্ৰাস, অস্ত্ৰ প্ৰতিযোগিতা আদি পৰিস্থিতি সোনকালে হ্ৰাস পাব আৰু তেনে হ'লেহে পৃথিৱী মানুহৰ বাবে এই সুখকৰ নিবাস হ'ব আৰু মানুহে অমৃত পান কৰিব পাৰিব।□□


### সহায়ক গ্ৰন্থপঞ্জী ঃ

১। ভাৰতীয় চিন্তা, প্ৰকাশন পৰিষদ, ১৯৭৬

২। জীৱনৰ আদৰ্শবাদ, মূল- সৰ্বপল্লী ৰাধাকৃষ্ণণ; (অনুবাদ মহেশচন্দ্ৰ দেৱ গোস্বামী; প্ৰকাশন পৰিষদ, ১৯৬৩

৩। Society, Education & Culture, editors : Nabanita Sarmah & Mashika Kalita, 2018, ISBN " 978-93-82120-48-21

৪। উপনিষদ, অতুল চন্দ্ৰ সেন, সীতানাথ তত্ত্বভূষণ, মহেশ চন্দ্ৰ ঘোষ

৫। ভাৰতীয় দৰ্শনত এভুমুকি, ড° বন্দনা পূজাৰী, ২০১২

৬। What is History- E.H. Carr, Vintage Publication ISBN" 0-394-70391-X

৭। The Idea of History– R.G. Collingwood. Oxford University Press, 2006, ISBN " 13:978-019-567172-8/ISBN " 10:0-19-567172-4

Article

# Sattriya Nritya, The Heritage of Assam

**Kishor Nath**
**T.D.C. 4th Semester, Dept. of Botany**

Sattriya Nritya is a major Indian Classical Dance of Assam. It is a dance-drama in the form of performing art with origins in the Lord Krishna centered Vaishnavite monasteries of Assam, and attributed to the 15th century Bhakti movement scholar and saint named Srimanta Sankardev.

Sattriya Nritya as a classical dance traces its roots to ancient drama and music texts of India, particularly to the Natya Shastra. The Natya Shastra is a foundation treatise on the performing arts attributed to the ancient scholar Bharata Muni. Sankardev systematized the dance using the ancient texts, and introduced drama and expressive dancing which is called Natya and Nritya. As a form of a community religious art of emotional devotion for Lord Krishna, Sattriya dance has contributed to the growth and development of drama in Assam.

Since the 15th century, the Sattriya art grew as part of the Vaisnava Bhakti movement in Sattras. The art was developed and practiced by the devotees in the from of dance -drama on the themes of the legends and mythologies of Krishna. One distinguished part of Sattriya dance is that the dance is not celebrated before an idol, but is performed before a copy of Bhagavata Purana placed in eastern corner. Once the domain of male devotees, the Sattriya dance is now performed by male as well as female dancers. In the second half of the 20th century, Satriya Nritya moved from the sanctum of Assam's Satras to the metropolitan stages. The Sangeet Natak Akademi recognized Satriya Nritya as an official classical dance of India in 2000.

Like the other Indian Classical dance, Sattriya encompasses the principles required for a classical dance form, treatise of dance and dramaturgy, like Natya Shastra, Abhinaya Darpana and Sankardeva's Sangit Ratnakara. The hand gestures, footmark, postures, rhythms, training of artists and other aspects of the Sattriya dance-drama follow those described in Natya Shastra and are quite similar to the other major classical dances such as Oddissi, Kathakali, Bharatnatyam etc.

Sattriya Nrittya is a genre of dance drama that tells mythical and religious stories through hand and face expressions. The basic dance unit and exercise of Sattriya dance is called Mati Akhara. The Akharas are sub-divided into *'Ora', 'Saata', 'Jhalak', 'Sitika', 'Pak', 'Jap', 'Lon' and 'Khar'*. The performing integrates two styles : masculine and feminine.

The costumes of Sattriya Nritya is

primarily of two types- the male costume comprising the *'dhoti', 'chadar' and 'pag'* (turban) and the female costume comprising the *'ghuri', 'chadar' and 'kanchi'* (waist cloth). Uses of play specific costumes are also seen in Sattriya dance. The dress of Krishna Nritya and Nadubhangi Nritya is of yellow and blue keeping in line with the attire of Lord Krishna. The Sutradhar Nritya also has its specific white costume with a special turban.

Traditional Assamese Jewellery is used in Sattriya dance. The jewelleries are made in a unique techniques in *'Kesa Son'* (raw gold). Artists wear *'Muthi Kharu' and 'Gam Kharu'* (bracelets), different type of neck pieces like *'Mata Moni'* (for male dancers), *'Golpata', 'Dholbiri', 'Dugdugi'*, etc. Earrings are made in similar designs and also *'Thuka Sona'* and *'Keru'* are worn by dancers. Female dancers wear white flowers in the hair.

Use of Mukha (Masks) to depict demons and special characters are also unique of this dance form. The art of mask making is an integral part of Sattriya culture and originated in the Sattras of Assam.The facial make up resembles other classical forms, however in earlier, traditional materials and herbs were used for make up.

Sattriya Nritya is accompanied by musical compositions called borgeets, which are based on classical *'ragas'*. The key instruments are *'Khols'*. Accompanying the Khol are various types of *'Talas'* or cymbals like *'Manjira', 'Patital'* etc. and the flute. Other instruments like the Violin and the harmonium have been recent additions.❐❐

## : Science Update :

*Researchers including from India have developed low cost, rapid diagnostic test consisting of pandengee strip for diagnosing Zika and dengee viruses and differentiating four serotypes of dengee virus. Zika and dengee both belong to same visal family, which are called flarliviruses. They are two closely related viruses spread by the same mosquito. The test resembles pregnancy test strip and contains antibodies that react to presence of Zika or dengee virus, and also contains gold nanoparitcles that respond to antibody reaction. It doesn't have cross-reactivity leading to wrong diagnosis as antigens specific to dengee and Zika viruses were identified.*

Joonmoni Koch
Zoology, B.Sc. 4th Sem.

প্ৰবন্ধ

# দৰঙৰ অন্যতম সম্পদ 'ঢেপা ঢোল'

হিমাংশু শৰ্মা
স্নাতক, ষষ্ঠ ষাণ্মাসিক, পৰিসংখ্যা বিভাগ

সমাজ বিজ্ঞানী 'মৰেটৰ'ৰ মতে 'সংস্কৃতি অভিজ্ঞাপনিক তথ্য'। তেওঁৰ মতে সংস্কৃতি উত্তৰাধিকাৰ বা ঐতিহ্য। সংস্কৃতি ব্যক্তিৰ প্ৰতি সমাজৰ দান।

চমুকৈ ক'বলৈ হ'লে মানুহে বংশ, পৰম্পৰা, সমাজ পাতি বাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি, নীতি, আচাৰ, ব্যৱহাৰ, বিশ্বাস, অবিশ্বাস, ধৰ্ম-অধৰ্ম পৰম্পৰা আদি প্ৰবৃত্তিগত ভাৱে শিকে।

অসমীয়া লোকবাদ্যৰ বিশিষ্ট অংগ 'ঢেপা ঢোল'। অসমৰ নামনি অঞ্চল বিশেষকৈ পূৰ্বৰ মঙলদৈ বৰ্তমানৰ দৰং জিলা বিভিন্ন জাতি-জনজাতিৰ বসতিস্থল। বাৰেবৰণীয়া পৰম্পৰাগত গীত-মাত, নৃত্য-বাদ্য তথা উৎসৱ আদি এই জিলাৰ লোকে পুৰুষানুক্ৰমে বহন কৰি আহিছে। তাৰ ভিতৰত দৰঙৰ এবিধ হেৰাই যাব ধৰা অন্যতম স্বকীয় কলা হ'ল 'ঢেপা ঢোল'।

এই বিধ বাদ্য মূলত দৰং জিলাৰ অন্তৰ্গত বিভিন্ন গাঁও সমূহৰ কৃষিজীৱি লোক সকলে বিয়া-সবাহত বজোৱা দেখা যায়। ইয়াৰ উপৰিও প্ৰায়ভাগ গাঁৱৰ ৰাইজৰ সকাম সমূহত বজোৱা দেখা যায়।

**ঢেপা ঢোলৰ প্ৰদৰ্শনৰ নিয়মাৱলী ঃ**

১) ঢেপা ঢোল প্ৰদৰ্শনত মানুহ ৬ জনৰ প্ৰয়োজন হয় বা থাকিব পাৰে।

২) ঢেপা ঢোল এটা প্ৰস্তুত কৰোতে যিখিনি কাঠৰ প্ৰয়োজন হয়, সেইখিনি কাঠ আম, মদাৰ আদি গছৰ পৰা লোৱা হয়।

৩) ঢেপা ঢোল ঢুলীয়াসকলে সদায় পূব দিশে প্ৰদৰ্শন কৰি বজাব লাগে।

৪) কেতিয়াবা ঠাইৰ সু-ব্যৱস্থা নাথাকিলে উত্তৰ দিশৰ ফালে হৈও এই ঢেপা ঢোল প্ৰদৰ্শন কৰিব পাৰি।

৫) এই ঢোল প্ৰদৰ্শত দেওবাদী আৰম্ভণি আৰু শেষত অধমা বজাইহে আৰম্ভ আৰু শেষ কৰিব লাগে।

৬) এই ঢেপাঢোল প্ৰদৰ্শনত ইয়াৰ প্ৰধান বাদ্য-যন্ত্ৰ সমূহ হৈছে (i) ঢেপা ঢোল, (ii) বৰতাল।

**ঢেপা ঢুলীয়াৰ উৎপত্তি তথা ইয়াৰ কিছু তথ্য ঃ**

ঢেপা ঢোলৰ ডাঙৰফালে তিনি তৰপ চাল থাকে আৰু সৰুফালে এক তৰপ চাল থাকে। যিদৰে মেঘৰ গাজনি দিয়াৰ পিছত বৰষুণ হয়। ঠিক তেনেদৰে ঢেপাঢোল বজোৱাৰ পিছত বা বজাই থাকোতে ঢোলৰ পৰা পানী নিগৰি পৰে প্ৰদৰ্শন স্থলীত। সেই পানী ঢুলীয়াৰ ভৰিৰ গচকতেই মোচা যায়। বৰষুণৰ পানীয়ে যিদৰে খেতি পথাৰ শুৱনি কৰে তথা খেতিয়ক সকলৰ জীৱন নিৰ্বাহত সহায় কৰে ঠিক তেনেদৰে ঢোলৰ পৰা নিগৰা পানীয়ে সেই ঠাইখিনিও পবিত্ৰ কৰে।

ঢেপা ঢোলৰ শব্দ মেঘৰ গাজনিৰ লগত এক। এচাম পণ্ডিতৰ মতে, যিদৰে ৩টা গুণ- সত্বঃ, ৰজঃ, তমঃ কিন্তু এচাম পণ্ডিতৰ মতে ঢেপা ঢোলৰ তিনি তৰপৰ চালৰ তলৰখনক আকাশ, মাজৰখনক মেঘমণ্ডল আৰু ওপৰৰ খনক পৃথিৱী বুলি মানি লৈছিল।

ঢেপা ঢোলৰ অবিহনে আগৰ দিনত বিয়া শুদ্ধ হোৱা নাছিল। অৰ্থাৎ আধৰুৱা আছিল।

প্ৰথম বাদী- এই প্ৰথম বাদী দেওবাদী বুলি অভিহিত। দেওবাদী—

ঘ্ৰেণ ঘ্ৰেণ তেই
ঘ্ৰেণ ঘ্ৰেণ তেই

ঘ্ৰেণ ঘ্ৰেণ তেই
তিতেই, তিতেই, তিতেই
ঘ্ৰেণ ঘ্ৰেণ তাক ঘিৰি ঘিৰি
তিতেই ঘ্ৰেণ ঘ্ৰেণ নিতেই ঘ্ৰেণ ঘ্ৰেণা
নিতেই ঘিতি তেই ঘিতি তেই দিঘিৰি
ঘ্ৰেণ তেই ঘ্ৰেণ
তেক্তেই তেই ঘ্ৰেণ ঘ্ৰেণ ঘ্ৰেণ
তেক্তেই তেই ঘ্ৰিণতেই ঘ্ৰেণ তেই
তেই ঘ্ৰেণ তেই ঘ্ৰেণ তেই ঘিতিয়ে
ঘ্ৰেণ তেই।।

আমাৰ দৈনন্দিন জীৱনত যিকোনো এটা কাৰ্য কৰাৰ প্ৰাকমুহূৰ্তত যেনেদৰে ঈশ্বৰৰ নাম লোৱা হয় তেনেদৰে ঢেপা ঢোলৰ দেওবাদীৰ ঠিক পিছতেই সৰস্বতী বন্দনা আৰম্ভ হয়।

দিহা ঃ
এ' সৰস্বতী এ' কৰো প্ৰণাম
এ' সৰস্বতী এ' কৰো প্ৰণাম
এ' সভাসদ কৰো প্ৰণাম
পদ ঃ
নমো নিতে ভদ্ৰাই কালি
হাতে জোৰ কৰি হে।।
এ' লোকে বোলে সৰস্বতী
নমো নিতে ভদ্ৰাই কালি
এ' আমি বোলো আই হে।।
শিক্ষাগুৰু, আজ্ঞাগুৰু
নমো নিতে ভদ্ৰাই কালি
দুই চৰণে ধৰো হে।।
পূৱে মই কৰো প্ৰণাম
নমো নিতে ভদ্ৰাই কালি
লক্ষ্মী সৰস্বতী হে।
এ' চাৰিও দিশে কৰো প্ৰণাম
নমো নিতে ভদ্ৰাই কালি
এ' লক্ষ্মী সৰস্বতী।।
এ' আকাশতে কৰো প্ৰণাম
নমো নিতে ভদ্ৰাই কালি
আকাশৰ কামেনি এ।।
পাতালতে কৰো প্ৰণাম
নমো নিতে ভদ্ৰাই কালি
নাগ যে নাগেনী হে
হাতযোৰ কৰি হে।।
এ সৰস্বতী হে নমো নমো হে।।

ইয়াৰ পিছত আকৌ অন্য এক বাদী আৰম্ভ হয়— সৰস্বতী বন্দনাৰ পিছতেই।

১) তেই গ্ৰেণ ঘ্ৰেণ ঘ্ৰেণ ঘ্ৰেণ
ঘ্ৰেণ তেই ঘ্ৰেণ ঘেন তেই ঘ্ৰেণ.....
তেই তেই তেই তেই
তেই ঘ্ৰেণ নে ঘ্ৰেণ তিতেই ঘিতেই
তেই ঘ্ৰেণ নে ঘ্ৰেণ তিতেই ঘিতেই
তেই ঘিতি তেই গিৰি গিৰি ঘ্ৰেণ
ঘ্ৰেণ তেই ঘ্ৰেণ ঘ্ৰেণ
তেই তেই তেক।।

২) তেই গিৰি গিৰি ঘ্ৰেণ তেই এতেই এটিতেই
তিতেই ঘিতেই গিগিন তেই ঘিত্।।
তিতেই ঘিতেই গিগিন তেই ঘিত্।।
ঘ্ৰেণ তেই ঘিত্ তেই, ঘ্ৰেণ তেই ঘিত্
তেই ঘ্ৰেণ তেই তেক্তেই।।
তেই ঘ্ৰেণ তেই তেস্তেই।।

৩) 'ঘ্ৰেণ তেই, ঘ্ৰিণ তেই
ঘ্ৰেণ তেই, ঘ্ৰিণ তেই
ঘ্ৰেনেত তেই ঘ্ৰেনেত তেই তিস্তেই।

৪) 'ঘ্ৰেনেত তেই, তেই তেস্তেই......
ঘ্ৰেণ তেই ঘ্ৰিণ তেই ঘ্ৰিণ তেই
ঘ্ৰেণ তেই তেস্তেই......
ঘ্ৰেণেত তেই, তেই তেস্তেই.....

৫) ঘ্ৰেণেত তেইয়া, ঘিতি তেইয়া .....

ঘ্রিণ ঘ্রিণ (নেঘ্রিণ, নেঘ্রিণ), ঘ্রিণ— (3)
ঘ্রেণ তেই তেতেই .........(3)
তেই, তেস্তেই ..............(3)
ঘ্রেণ তেই তেতেই
ঘ্রেণ তেই তেতেই
ঘ্রেণ তেই তেতেই তেক্।

ইয়াৰ পিছত দলৰ ওজাজনে বাদী দিয়ে—

তেৰে কেতে তাক তাক তাক
তেৰে কেতে তাক তাক তাক
ঘে ঘে মাঘে ঘেণা ঘেণা
ঘে ঘে মাঘে ঘেণা ঘেণা
ঘ্রেণ ঘ্রেণ তেই ঘ্রেণ ঘ্রেণ
ঘ্রেণ ঘ্রেণ তেই ঘ্রেণ ঘ্রেণ ঘ্রেণ।।

দেহা বিচাৰৰ গীত/পুৰাণ —

দিহা ঃ এ জীৱন গৈলা আলে, জালে
এ জীৱন গৈলা আলে, জালে
নলওৰে হৰিৰ নাম, নলওৰে প্ৰভুৰ নাম
বিশেষ জঞ্জাল।
এ জীৱন .........
গুৰু মনিৰ পদৰ ধূলা শিৰে তুলি লওঁ
শিৰে তুলি লওঁ
দেওবিচাৰৰ কথা দু-আযাৰ মান কওঁ।

পদ ঃ আজি ভূজো কালি ভূজো আলো সন্তে যায়
কি দিয়া ভূজিম দেহা মন থিতিও নাই
ককাই নৌকা কুণ্ডলিকা চৈত গুণ মহাদানী।
শিয়াল বাপুই দোকান দেই মাংস নেই টানি
আগো নাই, গোৰো নাই, মধ্য নাই চৈ।
অ' ভয়ো নৌকা চিঙা জৰী ঘাটে ঘাটে বৈ।।

এনেধৰণৰ আৰু কিছুমান গীত মানুহৰ গুণ বিশেষে আছে। যেনে— তিৰি পুৰাণ। আজি কালিৰ ল'ৰা-ছোৱালী পুৰাণো আছে। সেইদৰে ঢেকীটোক উদ্দেশ্যি ঢেকী পুৰাণ আছে।

দিহা ঃ অ' হৰি চাই বদনৰে ৰায়
ঢেঁকী পুৰাণৰ কথা
শুনবাও ইচ্ছা যায়।।
অ' সভাসদৰ পদৰ ধূলা শিৰে তুলি লওঁ।
ঢেঁকী পুৰাণৰ কথা দুযাৰ মান কওঁ।।

পদ ঃ ঢেঁকীটোৱে কয় বোলে মই সবাতোকৈ পোন
মই ধান নাবানিলে বানিব কোন?
কাতাৰা যোৰে কওঁৱেই বোলে কাণ
পাতি ধৰো।
মহুৰা বাৰীয়ে কওঁৱেই বোলে হেঁচা
ঠেলাও মাৰো।
সতিনী বাৰীয়ে কওঁৱেই বোলে চেপা মাৰি ধৰো।
লুৰি বাৰীয়ে কওঁৱেই বোলে হানা খোচাত মৰো।
ডলাখানে কওঁৱেই বোলে ঢাপাত ঢুপুত কৰো।
চালনিখানে কওঁৱেই বোলে উৰি পাকত ঘূৰো।
পোখেলীটোৱে কওঁৱেই বোলে মুখ পাতি ধৰো।
ঢেকীৰ থোৰাই কওঁৱেই বোলে দাঁতৰ বিযত মৰো।।

ঢেপাঢোল দৰঙৰ বিভিন্ন গাঁৱলীয়া ঠাইত বিয়া সবাহত এতিয়াও পৰিৱেশন কৰা দেখা যায়। এনেদৰে ঢোলৰ বাদীৰ লগতে বিভিন্ন ধৰণৰ নিন্দা সূচক গীত পৰিৱেশন কৰে।

আজি কালিৰ ল'ৰা-ছোৱালী সকলৰ চলন-ফুৰণ, ধৰণ আদিক ভিত্তি কৰি গীত গোৱা হৈছিল আৰু দিহাও আছিল।

দিহা ঃ এ যঁতৰৰ গুণ গুণি
চেৰেন্দাৰ কুন কুনি
মইনাই মাতাদি মাতে হৰি হে।।
এই সভাসদ পদ ধূলা শিৰে তুলি লওঁ।
ছোৱালীখানৰ গুণৰ কথা দুআযাৰমান কওঁ।।

পদ ঃ এ আজি কালিৰ ল'ৰা-ছোৱালীৰ গুণৰ
কথা কবা লাগা নাই
ঐ কবা লাগা নাই
আজি কালিৰ ল'ৰাই ছোৱালীক ভালপাৱাৰ
আকাল নাই।

আজিকালি শুনবা পাইছো চিঠিৰ যুগ
নাই
ঐ ঐ চিঠিৰ যুগ নাই
চিঠিৰ যুগ নোহোৱা হ'ল মোবাইল
ফোন পাই।
মোবাইল ফোনত শুনবা পাইছো
নম্বৰ লাগেই ৰং
ঐ নম্বৰ লাগেই ৰং।
ৰং নম্বৰ লাগিলে লাগেই বিয়া হওঁ হওঁ
আজিকালিৰ ছোৱালীৰ লগত কেনকে হবি বিয়া
কেনকে হবি বিয়া।
দুনিয়া খানত দেখা পাইছো লংপেণ্ট পিন্ধা জীয়া,
ঐ ল'ৰা মখাকো লাগেই ভাইহঁত তপিনা ডাঙৰ জীয়া,
ঐ সভাসদৰ পদৰ ধূলা শিৰে তুলি লওঁ
ছলি খানৰ গুণৰ কথা এহি মানে থওঁ।

ঢেপা ঢোলৰ এই কৃষ্টি প্ৰদৰ্শন কৰি ৰজা-প্ৰজাসকলো ফালৰ পৰাই ভূয়সী প্ৰশংসা লাভ কৰাৰ উপৰিও চৰকাৰৰ ফালৰ পৰাও আৰ্থিক সাহায্য পাববৈলেও সক্ষম হৈছে। এতিয়া আগৰ দৰে এই লোক-কৃষ্টি সমূহ অশিক্ষিত গাঁৱলীয়া লোকসকলৰ মাজতে আৱদ্ধ হৈ থকা নাই। শিক্ষিত লোক সকলেও ইয়াৰ অধ্যয়ন, গৱেষণা আৰু চৰ্চা, অনুশীলন কৰিবলৈ লৈছে।

এইখিনিতে এই কৃষ্টিটোৰ এক বিশেষ ধৰণৰ গীত যি তিৰোতা মানুহৰ সংসাৰৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে তাক তিৰি পুৰাণ বুলি কোৱা হৈছে।

দিহা ঃ হৰি চাই বদন ৰায়
তিৰী পুৰাণৰ কথা
শুনবা ইচ্ছা যায়।
সভাসদৰ পদৰ ধূলা শিৰে তুলি লওঁ।
তিৰী খানৰ কথা কেই আষাৰমান কওঁ।
পদ ঃ এ তিৰীখানৰ গুণৰ কথা যোনে-তোনে কৈছি
আজিকালিৰ তিৰি শুনছো মুন্‌হী এৰা হৈছি।
আজিকালিৰ তিৰি খানক ভালকে শাসন দিবি।
মুন্‌হী এৰি তিৰি পলালি দাং বৰলা হবি।
আজিকালি তিৰিখানৰ গাত ভালকে লাগছি কলি।
ভাল লিকিৰা পালি এৰি থৈ যায় কোলাত লৰা চলি।
কতই খাই চাধা তামোল কতই খায় বিৰি
মুন্‌হী এৰি পলাৱা দেখছো কত বুঢ়া তিৰী।।
আমাৰ গাঁওত আছিল এজন নাম তাৰ খাতা
একে ৰাতি লৈ গেল ভাই তিনিটা চলিৰ মাকা
সভাসদৰ পদৰ ধূলা শিৰে তুলি লওঁ।
তিৰি পুৰাণৰ কথা ইমানতে থওঁ।।

বিশাল ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে বিস্তৃত প্ৰকৃতিৰ মনোহৰ সৌন্দৰ্যই ইয়াৰ সংস্কৃতিৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। পথাৰত খেতি কৰি শস্য উৎপাদন কৰা কৃষিজীৱি লুইতপৰীয়া জনগোষ্ঠী সমূহৰ নিজা নিজা সংস্কৃতিৰে সমৃদ্ধ। সম্প্ৰীতি আৰু সংশ্লেষণৰ মাজেৰে গঢ় লৈ উঠা এই সংস্কৃতি স্বৰূপাৰ্থত বৰ্ণাঢ্য চহকী আৰু ঐতিহ্যপূৰ্ণ।

আমি যুৱশক্তিয়ে ন-ন চিন্তাৰে অসমৰ তথা দৰঙৰ বাৰে-বৰণীয়া কলা-কৃষ্টিক যাতে বিশ্বৰ দৰবাৰলৈ লৈ যাব পাৰো তাকেই মই মনে প্ৰাণে কামনা কৰিলো।□□

(পদসমূহ যেনেদৰে পোৱা হৈছে তেনেদৰে উল্লেখ কৰা হ'ল।
তথ্যসমূহ বিভিন্ন জনৰপৰা সংগ্ৰহ কৰা হৈছে।)

প্ৰবন্ধ

# দৰঙী খুলীয়া ভাউৰীয়া ঃ এক আপুৰুগীয়া কৃষ্টি সম্পদ

মৈত্ৰেয়ী মমী কলিতা
স্নাতক, দ্বিতীয় ষাণ্মাসিক, ইতিহাস বিভাগ

মানুহে সমাজ পাতি বাস কৰে। সমাজত বাস কৰা মানুহে নিজৰ সুবিধাৰ্থে কিছুমান ৰীতি-নীতি, পৰম্পৰাৰ সৃষ্টি কৰে আৰু এইবোৰ অনুসৰণ কৰে। ইয়াকে সাধাৰণতে সংস্কৃতি বুলি ক'ব পাৰি। সংস্কৃতি হ'ল এটা জাতিৰ ভেটি স্বৰূপ। সংস্কৃতি অবিহনে মানৱ সমাজৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। জাতি এটাক বিশ্ব দৰবাৰত চিনাকি কৰাই দিয়াত সংস্কৃতিয়ে মুখ্য ভূমিকা পালন কৰে। জাতি এটা সংস্কৃতিৰ জৰিয়তে পৰিচালিত হয়। সংস্কৃতিত জাতি একোটাৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ব্যক্তিগত চিন্তাধাৰা আদিৰ প্ৰকাশ ঘটে। বৰ্তমান সময়ৰ বিজ্ঞান প্ৰযুক্তিৰ দিনতো মানৱ সমাজ নিৰ্মাণৰ ক্ষেত্ৰত সংস্কৃতিৰ ভূমিকা নুই কৰিব নোৱাৰি।

সংস্কৃতিৰ ক্ষেত্ৰত অসম এখন চহকী ৰাজ্য। অতীতৰেপৰা অসমত অসংখ্য জাতি-জনগোষ্ঠী, ভাষা-ভাষী আৰু বিভিন্ন ধৰ্মৰ লোকে বাস কৰি আহিছে। এই জনগোষ্ঠী সমূহৰ প্ৰত্যেকৰে নিজা নিজা সংস্কৃতি আছে। এই সংস্কৃতি সমূহেই অসমৰ জাতীয় সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে। সংস্কৃতিৰ ক্ষেত্ৰত অসমৰ জিলাসমূহৰ ভিতৰত দৰং জিলা অন্যতম। এই ক্ষেত্ৰত দৰঙৰ এক সুকীয়া পৰিচয় আছে। দৰঙৰ চহকী লোক-সংস্কৃতিসমূহৰ ভিতৰত খুলীয়া ভাউৰীয়া অন্যতম।

খুলীয়া ভাউৰীয়া হ'ল এক সংগীত মুখৰ লোকনৃত্য-নাট্যানুষ্ঠান। খুলীয়া আৰু ভাউৰীয়া এই শব্দ দুটাৰ সংযোগত খুলীয়া-ভাউৰীয়া শব্দটোৰ সৃষ্টি হৈছে। খুলীয়া শব্দটোৰ অৰ্থ হৈছে খোলবাদক (খোল + ঈয়া) আৰু ভাউৰীয়া (ভাও + অৰীয়া) শব্দটোৰ অৰ্থ হ'ল ভাও দিওতা। খোলৰ তালৰ লগত সংগতি ৰাখি ভাও প্ৰদৰ্শন কৰা হয় বাবে নাট্যানুষ্ঠানটিক খুলীয়া-ভাউৰীয়া বুলি কোৱা হয়।

দৰঙী খুলীয়া ভাউৰীয়াৰ জন্ম তথা উৎপত্তি সম্পৰ্কে সঠিকভাৱে ক'ব পৰা নাযায়। এই সম্পৰ্কে বিভিন্ন গৱেষক তথা পণ্ডিতে বিভিন্ন মত আগবঢ়োৱা দেখা যায়। এচাম চিন্তাবিদে খুলীয়া ভাউৰীয়া প্ৰাক্-শংকৰী যুগৰ ব্যাসৰ ওজাপালিৰ লগত সাদৃশ্য থকা বুলি মত পোষণ কৰাৰ বিপৰীতে আন একাংশই আকৌ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া ভাওনাৰ লগত খুলীয়া ভাউৰীয়াৰ তুলনা কৰে। অৱশ্যে কিছু কিছু ক্ষেত্ৰত অংকীয়া ভাওনাৰ লগত খুলীয়া ভাউৰীয়াৰ সাদৃশ্য থাকিলেও এই দুয়োটা বেলেগ বেলেগ পটভূমিত সৃষ্টি হোৱা দুটা বেলেগ বেলেগ অনুষ্ঠান। একাংশ স্থানীয় লোকৰ মতে শ্ৰীগোবিন্দ আতাই খটবা সত্ৰ প্ৰতিষ্ঠা কৰাৰ সময়তেই খুলীয়া ভাউৰীয়াৰ সৃষ্টি কৰিছিল। "অসমৰ লোক-সংস্কৃতিৰ আভাস" গ্ৰন্থত ড০ নবীন চন্দ্ৰ শৰ্মাই খুলীয়া ভাউৰীয়াৰ উৎপত্তি সম্পৰ্কে কৈছে যে, "শংকৰদেৱৰ অংকীয়া ভাওনাৰ প্ৰভাৱৰ ফলত খুলীয়া ভাউৰীয়াৰ সৃষ্টি হোৱা নাই, ব্যাসৰ ওজাপালিৰ প্ৰভাৱতহে খুলীয়া ভাউৰীয়াৰ জন্ম।" আকৌ ব্যাসৰ ওজা দুৰ্গেশ্বৰ নাথৰ মতে, "খুলীয়া ভাউৰীয়াৰ উৎপত্তি সম্পৰ্কে ওজাপালি আৰু পুতলা নাচৰ নিচিনাকৈ সঠিক সময় দিব নোৱাৰিলেও খটবা সত্ৰৰ স্থাপনৰ সময়কে খুলীয়া ভাউৰীয়াৰ উৎপত্তিৰ সময় বুলি আঙুলিয়াব পাৰি।

অসমৰ আন আন ঠাইত প্ৰচলিত নাট্যানুষ্ঠানবোৰতকৈ দৰঙী খুলীয়া ভাউৰীয়া পৰিবেশন

পদ্ধতি, ৰীতি-নীতি, সাজ-সজ্জা, বচন আদি সকলো ক্ষেত্ৰতে পাৰ্থক্য পৰিলক্ষিত হয়। খুলীয়া ভাউৰীয়াৰ কাহিনীসমূহ পৌৰাণিক। ইয়াত বিশেষকৈ ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীসমূহ প্ৰদৰ্শন কৰা হয়। কাহিনীবোৰৰ ভিতৰত ৰাম-ৰাৱণৰ যুদ্ধ, শ্ৰাৱণ মুনিৰ অভিশাপ, ভক্ত-প্ৰহ্লাদ, কৰ্ণৰ জন্ম কথা, সীতাহৰণ, খটাসুৰ বধ, বকাসুৰ বধ, অভিমন্যু বধ আদিয়েই প্ৰধান। দৰঙত খুলীয়া ভাউৰীয়া বিশেষকৈ বহাগ মাহৰ 'দেউল' উৎসৱ, গোন্ধচৌপৰী সভাৰ অধিবাসৰ ৰাতি প্ৰদৰ্শন কৰা হয়। খুলীয়া ভাউৰীয়াৰ প্ৰদৰ্শনৰ বাবে কোনো বিশেষ মঞ্চ নাথাকে। বাঁহ-কলপাতেৰে সজা ৰভাৰ তলত পৰিবেশন কৰা হয়।

খুলীয়া ভাউৰীয়া একাধিক শিল্পীৰ দ্বাৰা গঠিত হয়। দৰঙী খুলীয়া ভাউৰীয়াৰ এটা প্ৰধান চৰিত্ৰ হ'ল ওজা। সূত্ৰধাৰে পৰিবেশন হ'বলগীয়া কাহিনীটো গীত, পদ, কথা আৰু নৃত্য আদিৰ ভংগীমাৰে দৰ্শকৰ আগত আকৰ্ষণীয় ৰূপত দাঙি ধৰে। খুলীয়া ভাউৰীয়াৰ দলটোত পাঁচ-ছয় গৰাকীমান পদ ধৰা ব্যক্তি থাকে যাক 'পালি' বুলি কোৱা হয়। লগতে চাৰিটাৰ পৰা ছয়টা খুলীয়া আৰু তাৰ লগত মিলাই দুজোৰা বা তিনিজোৰা তালুৰৈ থাকে। খুলীয়া ভাউৰীয়াত অভিনেতাৰ সংখ্যা নাটকৰ কাহিনীৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত স্ত্ৰীয়ে কোনো চৰিত্ৰ ৰূপায়ণ কৰা দেখা নাযায়। পুৰুষেই মহিলাৰ দৰে পোছাক পিন্ধি স্ত্ৰী চৰিত্ৰসমূহ ৰূপায়ণ কৰে। খুলীয়া ভাউৰীয়াত আন এটা আকৰ্ষণীয় চৰিত্ৰ হ'ল 'বহুৱা'। নাটকৰ কাহিনীৰ লগত জড়িত চৰিত্ৰ নহ'লেও খুলীয়া ভাউৰীয়াত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। নাটকৰ মাজতে দৰ্শকক হাস্যৰস দিবলৈ বহুৱাসকলে চেষ্টা কৰে। দৰঙৰ খুলীয়া ভাউৰীয়াত 'বহুৱা' চৰিত্ৰটি ৰূপায়ণ কৰা এজন জনপ্ৰিয় বহুৱা আছিল 'ফাফৰু' বহুৱা (তেখেতৰ প্ৰকৃত নাম প্ৰয়াত হাঁহিৰাম বৰুৱা)। তেওঁ 'যাংগৌৰে ভাই হাত আজিৰ পে দেশ চাৰি যাংগৌ ৰে" আদি শীৰ্ষক গীতেৰে দৰ্শকক আমোদ দিছিল।

ওজাই মূৰত ডাঠ কাগজেৰে তৈয়াৰ কৰা আগফালে আৰু পিছফালে জোঙা এটা নাওসেৰীয়া টুপী পিন্ধে। টুপীটোৰ পিছফালে গলধনত পৰাকৈ এখন কাপোৰ ওলোমাই লয়। ওজাজনে গাত এটা হাত দীঘল বগা চোলা পৰিধান কৰে। চোলাটোৰ তলত অৰ্থাৎ কঁকালত এটা জামা পৰিধান কৰে। চোলাটোৰ পিছফালে 'ওঁ' আখৰটো বা আঁহতৰ পাতৰ দৰে এটা চিহ্ন আঁকা থাকে। ওজাজনৰ এখন হাতত ৰুমাল আৰু আনখন হাতত চোঁৱৰ থাকে। কাহিনীৰে বৰ্ণনা দিওঁতে তেওঁ চোঁৱৰ আৰু ৰুমাল ঘূৰাই ঘূৰাই বিভিন্ন মুদ্ৰা প্ৰদৰ্শন কৰে। পালিসকলে সাধাৰণ ধুতি-কুৰ্তা পৰিধান কৰে। বাদ্যযন্ত্ৰী সকলেও ধুতি-কুৰ্তা পিন্ধে লগতে তেওঁলোকে মূৰত এটা পাগুৰি পিন্ধা দেখা যায়। আটায়ে কপালত বগা ফোট লয়। খুলীয়া ভাউৰীয়াৰ নাটকসমূহ যিহেতু পৌৰাণিক তথা ৰাজকীয় সেয়ে অভিনেতাসকলেও ৰাজকীয় ধৰণে সাজ-সজ্জা কৰে। ইয়াত যিহেতু স্ত্ৰীৰ অভিনয় পুৰুষে কৰে সেয়ে নাৰী চৰিত্ৰত অভিনয় কৰা পুৰুষসকলে মেখেলা-চাদৰ পিন্ধা দেখা যায়। কিছুমান চৰিত্ৰ যেনে ঃ জাম্ববন্ত, জটায়ু, হনুমান আদি দেখুৱাবলৈ মুখা ব্যৱহাৰ কৰা হয়।

খুলীয়া ভাউৰীয়াৰ দলটি সভা-থলীত প্ৰৱেশ কৰি দৰ্শকলৈ আগজাননী হিচাপে খোল তাল বজায়। তাৰ পিছত খুলীয়া আৰু পালিসকলে দৰ্শকৰ আগত হাত যোৰকৈ সমবেত হৈ বন্দনা গাই, হৰিধ্বনি দি শুভাৰম্ভণি কৰে। ইয়াৰ পিছত খোলৰ বাদী বজায় তাৰ তালে তালে খুলীয়াসকলে বিভিন্ন মুদ্ৰা দি দি 'খলাত' (মঞ্চ) ঘূৰে। ইয়াকে দৰঙী ভাষাত খলা ফুৰণি বুলি কোৱা হয়। ইয়াৰ পিছত ওজাই চোঁৱৰ আৰু ৰুমাল লৈ খোলৰ শব্দৰ মাজেৰে সভাথলীলৈ আহি ৰাইজৰ আগত সেৱা লয় আৰু তেওঁৰ নৃত্য আৰম্ভ কৰে। এই নৃত্যৰ জৰিয়তে ওজাই সেইদিনা পৰিবেশন হ'বলগীয়া নাটকখনৰ কাহিনী, বিষয়বস্তু আদিৰ সম্বন্ধে পদৰ সহায়ত বুজাই দিয়ে। নাটকৰ শেষত বন্দনা গাই ভাউৰীয়াৰ সামৰণি মাৰে।

আগতে কৈ অহা হৈছে যে খুলীয়া ভাওৰীয়া এক

সংগীত মুখৰ নাট্যানুষ্ঠান। ই অতীতৰে পৰা দৰঙী ঐতিহ্য, সংস্কৃতি, গৌৰৱ আদি ৰক্ষা কৰি আহিছে। খুলীয়া ভাউৰীয়াৰ উৎপত্তি সম্পৰ্কত কোনো উল্লেখযোগ্য তথ্য নাপালেও ই যে সংস্কৃতিৰ ধাৰা অব্যাহত ৰখাৰ উদ্দেশ্যেৰে সৃষ্টি হোৱা এক আপুৰুগীয়া কৃষ্টি সম্পদ তাক মানি ল'বই লাগিব। বৰ্তমান সময়ত মানুহৰ মাজত খুলীয়া ভাউৰীয়াৰ দৰে আন আন অনুষ্ঠান সমূহৰ প্ৰাধান্য নাইকীয়া হৈ অহা পৰিলক্ষিত হৈছে। যাৰ ফলত এই অনুষ্ঠানসমূহ বিলুপ্তিৰ পথত গতি কৰিছে। কিন্তু বৰ্তমান সময়ত এনে অনুষ্ঠানসমূহ জীয়াই ৰখাৰ খুবেই প্ৰয়োজন আছে কিয়নো সংস্কৃতি হ'ল এনে এক জৰী যিয়ে সমগ্ৰ মানৱ সত্বাক একতাৰ ডোলেৰে বান্ধি ৰাখে। বৰ্তমান সময়ত মানুহ সম্পূৰ্ণ ব্যক্তিবাদী হৈ উঠাৰ ফলত মানুহৰ মাজত একতাৰ বিলুপ্তি ঘটিছে। গতিকে মানৱ সমাজত মানুহক এক কৰি ৰাখিবৰ বাবে আৰু লগতে জগতত নিজস্ব চিনাকি ৰাখিবলৈ খুলীয়া ভাউৰীয়াৰ দৰে অনুষ্ঠানক জীয়াই ৰখাৰ খুবেই প্ৰয়োজন আছে।❐❐


প্ৰসঙ্গ পুথি ঃ

১। 'লোক সাহিত্যৰ এখিলা পাত' — শশীধৰ নাথ ।

২। 'লোক সংস্কৃতিৰ সঁফুৰা'— অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ।




প্ৰবন্ধ

# খুলীয়া ভাউৰীয়াত 'বহুৱা'ৰ প্ৰভাৱ

নিত্য সুন্দৰ নাথ
স্নাতক, ষষ্ঠ ষাণ্মাসিক

দৰঙী কলা-সংস্কৃতি সমূহৰ ভিতৰত এক উল্লেখযোগ্য পৰিবেশ্য কলা হৈছে খুলীয়া ভাউৰীয়া। এই খুলীয়া ভাউৰীয়াৰ বিভিন্ন চৰিত্ৰ সমূহৰ মাজত এক উল্লেখনীয় চৰিত্ৰ হৈছে বহুৱা, অৰ্থাৎ কৌতুক প্ৰদৰ্শন কৰা মানুহ। খুলীয়া ভাউৰীয়াত বহুৱাৰ চৰিত্ৰ অপৰিহাৰ্য। বহুৱাবোৰ মূল নাটকৰ লগত প্ৰত্যক্ষভাৱে জড়িত নহয় যদিও কেতিয়াবা কোনো কোনো নাটত মূল কাহিনীৰ অংশ হৈ পৰে। বহুৱাসকলে বিশেষকৈ জনজীৱনত নেদেখা বা নুশুনা বস্তুবোৰেৰে দৰ্শকৰ মাজত উপস্থিত হয়হি। তেওঁলোকৰ সাজ-সজ্জা সৰ্বসাধাৰণতকৈ ব্যতিক্ৰমী। জপৰা চুলি, ফটা-চিঙা, বহুৰঙী চোলা, বিভিন্ন ভাজ থকা টোকন, দাড়ি-গোঁফ, ভঙা টিং, চিঙা চেণ্ডেল, কোৰাৰ মালা আদি তেওঁলোকৰ সাজ-সজ্জা হিচাপে ব্যৱহাৰ কৰে। বহুৱাৰ কৌতুক পূৰ্ণ কথা-বতৰা, গীত আৰু অংগী-ভংগীয়েই যে দৰ্শকক আমোদ দিয়ে এনে নহয়, বহুৱাৰ আচহুৱা সাজ-সজ্জায়ো দৰ্শকৰ মাজত আনন্দৰ খোৰাক যোগায়। দিনটোত বিভিন্ন ক্ষেত্ৰত পথাৰে সমাৰে, ব্যৱসায়-বাণিজ্য, অফিচ-কাছাৰী আদিৰ কামত ব্যস্ত হৈ থকা ভাগৰুৱা, ক্লান্ত লোকসকলে স্বাভাৱিকতে বিচাৰে কিছু বিশ্ৰাম, আৰু আনন্দ। সেয়ে বৰ গভীৰ, চিন্তাশীল, বিষয়তকৈ লঘু কাহিনী, গল্প, নাইবা হাস্য ৰসাত্মক দৃশ্য আৰু কথাইহে সেইসকল দৰ্শকক আনন্দ দিব পাৰে। সেই বাবে এই চাম দৰ্শকে হয়তো বহুৱাৰ দৃশ্যত হাস্যৰস প্ৰাণ ভৰি উপভোগ কৰে।

ওজা আৰু ভাৰৰীয়াসকলে পৰিৱেশন কৰা গীত পদ সমূহৰ পিছতে খুলীয়া ভাউৰীয়াৰ গীতৰ এক বৃহৎ অংশ আগুৰি আছে ইয়াৰ বহুৱাৰ গীত সমূহে। খুলীয়া ভাউৰীয়াত গোৱা বহুৱা-গীতসমূহ মূলতঃ দৰঙী ঢেঁকেৰে অৰ্থাৎ থলুৱা ভাষাৰে ৰচনা কৰি পৰিৱেশন কৰে। বহুৱাৰ সংলাপ আৰু গীতবোৰ সচৰাচৰ নাট্যকাৰে লিখি দিয়াৰ পৰিৱৰ্তে অভিনেতা সকলে নিজাকৈয়ে সমকালীন সমাজখনত ঘটি থকা ঘটনাৰাজিৰ আগত লৈ পদৰ ছন্দত ৰচনা কৰে আৰু এইবিলাক ধেমেলীয়া গীত হিচাপে সমাজৰ আগত দাঙি ধৰি হাস্যৰস সৃষ্টি কৰে। তেওঁলোকে ৰচনা কৰা গীত সমূহৰ ভিতৰত 'দলি পুৰাণ', বা পথৰু ঘাটৰ ৰণৰ গীত, স্বাধীনতাৰ গীত, শাহু-বোৱাৰীৰ কাজিয়া, গিৰীয়েক ঘৈণীয়েকৰ দ্বন্দ্ব, ঘোৰা চলোৱা গীত, মোবাইল ফোনৰ গীত, কলি-কালৰ গীত, ভ্ৰমণ কৰিবলৈ যোৱা গীত, গ্ৰাম্য সমাজত দিনে নিশাই ঘটি থকা হাস্যকৰ ঘটনাক লৈ গোৱা গীত পদ আদি বিশেষভাৱে উল্লেখযোগ্য। খুলীয়া ভাউৰীয়াৰ উদ্দেশ্য ধৰ্ম শিক্ষা নহয় , মনোৰঞ্জন আৰু লোক শিক্ষাহে। সেয়ে বহুৱাৰ গীত-পদবোৰৰপৰাও জনসাধাৰণে মনোৰঞ্জনৰ খোৰাক আৰু লোক শিক্ষা লাভ কৰি আহিছে। অকল লোক শিক্ষাই নহয় এইবোৰৰ মাজত সমাজতত্ত্বও নিহিত হৈ আছে।

সাহিত্যিক মূল্য আৰু সাংগীতিক মূল্যৰ ক্ষেত্ৰত খুলীয়া ভাউৰীয়াৰ গীত যথেষ্ট চহকী। ৰূপক আৰু তালৰ প্ৰয়োগ ইয়াৰ গীত বাদ্যত পৰিলক্ষিত হয়। পদ অংশ পদ ছন্দৰেই ৰচিত হোৱা দেখা যায়। আনহাতে অনাখৰী গঞা বহুৱাই নিজৰ কবিত্ব গুণেৰে ৰচনা কৰি গোৱা গীত পদবোৰত বিশেষ সাহিত্যিক শোভা নাই যদিও গীতবোৰত সামাজিক আৰু ভাষিক গুৰুত্ব বিদ্যমান। ওজা আৰু ভাউৰীয়াৰ গীতবোৰৰপৰা জনসাধাৰণে এফালে যেনেকৈ পুৰাণ, মহাভাৰতৰ জ্ঞান লাভ কৰি ধৰ্ম-অধৰ্মৰ পৰিচয় পায় ঠিক তেনেকৈ বহুৱাৰ গীত পদসমূহৰ জৰিয়তে বাস্তৱৰ সমস্যা প্ৰধান জগতখনৰ লগতে ভাল-বেয়া, উচিত-অনুচিত আদিৰ নৈতিক জ্ঞানো লাভ কৰে।□□

প্ৰবন্ধ

# সাহিত্যৰ সংজ্ঞা বিচাৰি

প্ৰাঞ্জল ডেকা
স্নাতক, দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

'সাহিত্য' এটি সামাজিক শব্দ। ইয়াৰ পৰিসৰ অতি ব্যাপক আৰু অনিশ্চিত। 'সাহিত্য' শব্দটো সংস্কৃত ভাষাৰ 'সম' আৰু 'হিত'- এই দুটা শব্দৰ পৰাই উৎপত্তি হোৱা বুলি জানিব পৰা যায়। আন এক লোক প্ৰবাদ মতে আকৌ 'সাহিত্য' শব্দটো সংস্কৃত 'সহিত' শব্দৰ পৰাও উৎপত্তি হোৱা বুলি জানিব পৰা যায়। 'সহিত' শব্দৰ অৰ্থ হৈছে- 'সৈতে'।

'সহিতস্য ভাৱঃ সাহিত্য' অৰ্থাৎ সহভাব বা মিলনেই সাহিত্য। এনেদৰে সংস্কৃত আলংকাৰিকসকলে বিভিন্ন মতেৰে সাহিত্যৰ সংজ্ঞা দাঙি ধৰিছে। বহুজনে কয়, "সাহিত্যং মিলনম"। অৰ্থাৎ যিয়ে মিলন ঘটায় সেয়াই সাহিত্য। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মতে 'সাহিত্য' শব্দটোৰ মাজত এটা মিলনৰ ভাব থাকে। এই মিলন হ'ব পাৰে- মানুহৰ লগত মানুহৰ অতীতৰ লগত বৰ্তমানৰ আৰু দূৰৰ লগত ওচৰৰ।

আন এগৰাকী আলংকাৰিকৰ মতে- "পৰস্পৰ সাপেক্ষাণাং তুল্যৰূপাণাং যুগপদেকক্ৰিয়ান্বয়িতম।" এই সংজ্ঞাত ভাব-বস্তু আৰু ৰূপ-বস্তুৰ মিলনৰ গুৰুত্ব আৰোপ কৰা দেখা যায়।

সাহিত্যক সংজ্ঞায়িত কৰিবলৈ ভিন্ন চিন্তাবিদে ভিন্ন সময়ত চলোৱা প্ৰয়াসবোৰ যিকোনো জাতিৰ বৌদ্ধিক জীৱনৰ বাবে ইতিবাচক পৰিঘটনা বুলি সকলোৰে স্বীকাৰ কৰিব পাৰো। কোনো চিন্তাবিদে একেষাৰতে সংজ্ঞায়িত কৰিবলৈ ব্যৰ্থ হোৱা কথাটোতে নিহিত হৈ আছে সাহিত্যৰ গৰ্ভত লুকাই থকা অজস্ৰ মণি মুকুতাবোৰৰ বহুমাত্ৰিক গুণাৱলীৰ ব্যাপকতা। আমাৰ অসমতো 'সাহেই সাহিত্য', 'সাহিত্যই জাতিৰ দাপোন', 'সাহিত্য সমাজৰ দাপোন' আদি বিভিন্ন জ্ঞানগৰ্ভ কথা বৰেণ্য সাহিত্যিকৰ কাপৰ পৰা নিসৃত হৈছে। তথাপি ভাব হয় তেনেবোৰ বাক্যই গভীৰতম কোণত ব্যাপ্ত হৈ থকা সকলো উপাদানকে সমানে স্পৰ্শ কৰিব পৰা নাই। হয়তো তেনে এক নিৰ্ধাৰিত সংজ্ঞাৰ বন্দীশালত সম্পূৰ্ণভাৱে বন্দী নোহোৱাৰ বাবেই সাহিত্যৰ বেলেগ বেলেগ দিশসমূহে সমাজৰ গৰিষ্ঠসংখ্যক মানুহক আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

পাশ্চাত্যৰ পণ্ডিতসকলে কৈ গৈছে— "Disinterested intellectual curiosity is the life blood of real civilization". সঁচা, জ্ঞান অন্বেষণৰ নিৰলস প্ৰচেষ্টাতে মূলতঃ জীপাল হৈ উঠে সমাজৰ সামগ্ৰিক চেতনা। সেই চেতনাই এক উচ্চস্তৰৰ সৰ্বজনমান্য ৰূপ পালেই জাতিৰ সভ্যতাৰ পোতন গভীৰ হৈ পৰে। সেই সমাজ, সেই জাতিয়ে তেতিয়া লাভ কৰে এক অন্তহীন চালিকাশক্তি, যাৰ প্ৰভাৱত চিন্তাৰ দিগন্ত হৈ পৰে ন ন পোহৰেৰে আলোকিত। তেনে এক সজীৱ পৰিৱেশ ৰচনা কৰিবলৈ সক্ষম হোৱা সাহিত্যই কালোত্তীৰ্ণ ৰূপলৈ উন্নীত হয়। তেতিয়া তাৰ বিস্তাৰিত প্ৰভাৱে বহু মানুহক প্ৰজ্ঞাৰ পৃথিৱীখনলৈ হাত বাউলি দি মাতে।

বহুজনৰ মতে সাহিত্য, জীৱনৰ আধাৰতে অংকুৰিত হয়। (Literature grows directly out of life : Hudsun)। পৃথিৱীৰ বিখ্যাত সমালোচক হাডচনৰ মতে— "সাহিত্য ৰচনাৰ অন্তৰালত প্ৰধানতঃ চাৰিটা প্ৰেৰণাই ক্ৰিয়া কৰি থাকে। সেইবোৰ যথাক্ৰমে—

১। আত্মপ্ৰকাশৰ প্ৰৱণতা, ২। চৌপাশৰ মানুহবোৰ আৰু তেওঁলোকৰ কৰ্মৰাজিৰ প্ৰতি উৎসুকভাৱ, ৩। জীৱন নিৰ্বাহৰ ক্ষেত্ৰত বাস্তৱ পৃথিৱীখনৰ প্ৰতি উৎসুক আৰু কল্পনা জগত এখনৰ প্ৰতি হাবিয়াস, ৪। ৰূপকল্প প্ৰীতি।

এই চাৰিটা প্ৰেৰণাৰ বাবে সাহিত্যিকসকলে নিজৰ উপৰিও আনক, বাস্তৱৰ উপৰিও কল্পনাক আৰু বৰ্তমানৰ উপৰিও আকাংক্ষিত ভৱিষ্যতক সামৰি সাহিত্য সাধনা কৰে।

এফালেদি চাবলৈ গ'লে সাহিত্য হয়তো পানীৰ দৰে। পানীয়ে যিদৰে যি পাত্ৰত থোৱা হয় তাৰেই ৰূপ লয়, ঠিক তেনেদৰে সাহিত্যৰ ভিন্ন উপাদানসমূহে সংবেদনশীল পাঠকৰ হৃদয়ৰ নিভৃততম কোণত লিপিট খাই থকা অনুভৱৰ একান্ত নিজৰ পৃথিৱীখনত ভিন্ন ৰূপ লয়। তথাপিও মতাদৰ্শ নিৰপেক্ষ বিজ্ঞান মনস্কতাৰে নিৰীক্ষণ কৰিলে এটা কথা সুস্পষ্ট হৈ পৰে— সাহিত্যৰ সামগ্ৰিক যাত্ৰা সদায় মানৱ সমাজৰ হিতৰ বাবে, কিয়নো প্ৰকৃত সাহিত্য লাহে লাহে আগবাঢ়ে সত্যানুসন্ধানৰ কাঁইটীয়া আলিবাটেদি। কাৰণ সাহিত্যৰ পৰাই গঠন সত্যৰ আধাৰ, গঢ় লব পাৰে এখন আদৰ্শ সমাজ।□□

## : No Nobel prize in literature in 2018 :

The Nobel Prize in literature will not be awarded this year following sex-abuse allegations and other issues that have affected the public image of the Swedish Academy that selects the winner. The academy said that the 2018 prize will be given in 2019. The decision was made at a weekly meeting in Stockholm, on the grounds that the academy is in no shape to pick a winner after a string of sex abuse allegations and financial crimes scandals. It will be the first time since World War II that the prestigious award is not handed out.

প্ৰবন্ধ

# সংগীত আৰু যুৱ প্ৰজন্ম

ছালমান হুছেইন
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

"গীতম, বাদ্যম, নৃত্যম এয়ম সঙ্গীতমুচ্যতে"।

অৰ্থাৎ, গীত, নৃত্য আৰু বাদ্য তিনিওটা কলা একেলগ হৈ সংগীত নামৰ মধুৰ কলাটিৰ সৃষ্টি কৰে।

সংগীত যেন জীৱনৰ অন্য এটি নাম। যি সংগীতৰ মিঠা মিঠা সোঁতত আৰ্তজনে বিচাৰি পায় সুখ, মুমূৰ্ষ জনে বিচাৰি পায় ভগৱান, অকলশৰীয়া জনে বিচাৰি পায় লগৰী, কাল্পনিক জনে বিচাৰি পায় সপোনৰ পৃথিৱী আৰু সংগীতৰ সৈতে জড়িত জনে বিচাৰি পায় অন্য এক চিনাকি।

পুৰণি দিনৰে পৰা এই সংগীতৰ প্ৰচলন হৈ অহা বুলি গম পোৱা যায়। ইন্দ্ৰৰ ৰাজসভাত নৰ্তকী, আকবৰৰ ৰাজসভাত তানসেন ইত্যাদিয়ে ইয়াৰ উমান দিয়ে। তাৰ উপৰিও বাদ্য সম্ভাৰবোৰৰ বিষয়ে চাবলৈ গ'লে দেখা পোৱা যায় আমি ব্যৱহাৰ কৰা বাঁহী, ডম্বৰু, বীণা, শঙ্খ, কৰতাল ইত্যাদি সকলো দেৱবাদ্য। ভগৱান শ্ৰীকৃষ্ণৰ হাতত বাঁহী, বিষ্ণুৰ হাতত শঙ্খ, সৰস্বতীৰ হাতত বীণা, শিৱৰ হাতত ডম্বৰু, নাৰদৰ হাতত কৰতাল ইত্যাদিয়ে আমাক ইয়াকে উমান দিয়ে যে সংগীতৰ সৃষ্টি আৰু প্ৰচলন স্বয়ং ভগৱানেৰেই। কিন্তু উল্লেখনীয় কথা হ'ল যে গীত সংগীতৰ প্ৰধান উপাদান বুলি প্ৰাচীন কালৰে পৰা মানি অহা হৈছে। কাৰণ বাদ্য আৰু নৃত্য উভয়ে গীতৰ অধীন।

এতিয়া সংগীত বুলি ক'লে গীত কাক বোলে সেয়া জনাটো আমাৰ বাবে প্ৰয়োজনীয়।

গীত— শ্ৰোতাৰ মনত আনন্দ দিব পৰা স্বৰৰ মিশ্ৰনক গীত বোলা হয়।

ভাৰতীয় সংগীতত স্বৰ ১২ টা। ইয়াৰে ৭ টা শুদ্ধ স্বৰ (সা, ৰে, গা, মা, পা, ধা, নি) আৰু ৫ টা বিকৃত স্বৰ। গতিকে এই স্বৰ সমূহৰ আহ্লাদপূৰ্ণ বিন্যাসৰ ফলতেই গীতৰ সৃষ্টি হয়।

গীত মূলত দুই প্ৰকাৰৰ (ক) গন্ধৰ্ব আৰু (খ) গান। গন্ধৰ্বৰ সতে বৰ্তমান যুৱপ্ৰজন্ম চিনাকি নহয় যদিও গানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। সাধাৰণ শ্ৰোতাৰ মনোৰঞ্জনৰ বাবে পৰিবেশন কৰা গীতক গান বোলে।

এতিয়া গান সৃষ্টি কৰিবলৈ হ'লে প্ৰয়োজন কথাৰ। এটি কবিতাকেই সুৰৰ সহায়েৰে গানলৈ ৰূপান্তৰ কৰা হয়। ভাৰতীয় সংগীত জগতত শাস্ত্ৰীয় সংগীতক বাদ দি অসংখ্য গান পোৱা যায়। ইয়াৰে বিংশ শতিকা পৰ্যন্ত গানৰ কথাবোৰে যেন প্ৰকৃতি, সমাজ ব্যৱস্থা আদিৰ ইংগিত বহন কৰিছিল। কিন্তু বৰ্তমান সময়ত গোটেই ভাৰতবৰ্ষতেই যেন গানৰ কথাবোৰ হৈ পৰিছে অনৰ্থক। ই সৃষ্টি হৈ পৰিছে মাথোঁ উপাৰ্জনৰ আহিলা, প্ৰেম আৰু যৌনতাৰ ওমলাঘৰ। অৱশ্যে সংগীতৰ এই আমূল পৰিবৰ্তনৰ বাবে অকল গায়ক-গায়িকা বা সংগীতকাৰ সকলেই দায়ী নহয়। তাৰ বাবে দায়ী শ্ৰোতাবোৰো। আধুনিক যুগৰ পৰিৱৰ্তিত ৰুচিৰ বাবে শাস্ত্ৰীয় সংগীত দূৰৰেই কথা উপদেশমূলক ছবি সম্বলিত, সমাজৰ প্ৰতিফলিত ছবি সম্বলিত গানসমূহো এলাগী হৈছে আৰু সেয়ে সৃষ্টি হৈছে ক্ৰমাৎ গুণাগুণবিহীন গানৰ।

অসমীয়া সংগীত জগততো এই ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হোৱা পৰিলক্ষিত হৈছে। যুৱ প্ৰজন্মই আধুনিক ৰুচিৰ গানসমূহ গ্ৰহণ কৰাৰ ফলত সংগীতৰ গুণাগুণ হ্ৰাস পাইছে।

সংগীত যিহেতু ঈশ্বৰৰ সৃষ্টি সেয়ে এতিয়া সংগীতকাৰ আৰু শ্ৰোতা দুয়োপক্ষই চিন্তা কৰা উচিত যে বৰ্তমানৰ এই নিম্নমানৰ সংগীতেৰে ভগৱানৰ অতুলনীয় সৃষ্টিক অপমান কৰে হোৱা নাইনে! সেয়ে সকলোৱে সজাগ হৈ ওলাই আহি এটি সচেতনতাৰ পথ মুকলি কৰিব লাগে যাতে বৰ্তমান সময়ৰ পৰা এক উচ্চমান বিশিষ্ট সংগীতৰ সৃষ্টি হয়। পুৰণি সংগীতবোৰৰ সৈতে খোজ মিলাই সংগীত সৃষ্টি কৰিলে অনাগত দিনত ভাৰতীয় তথা অসমীয়া সংগীতজগত বহু উচ্চ পৰ্যায়লৈ গতি কৰিব বুলি ভাবো।□□

প্ৰবন্ধ

# নৱ ভাৰতৰ এগৰাকী ৰূপকাৰ ঃ অটল বিহাৰী বাজপেয়ী

প্ৰাঞ্জল কুমাৰ নাথ
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

নিষ্ঠা আৰু সততাৰ ৰাজনীতিৰে সমগ্ৰ বিশ্ববাসীৰ মাজত উজলি উঠিবলৈ সক্ষম হোৱা ভাৰতীয় ৰাজনীতি জগতৰ ভীষ্ম ৰূপে খ্যাত "অটল বিহাৰী বাজপেয়ী"ৰ জন্ম হৈছিল ১৯২৪ চনৰ ২৫ ডিচেম্বৰ তাৰিখে গোৱালিয়ৰত।

মধ্যবিত্ত পৰিয়ালত জন্ম লাভ কৰা বাজপেয়ীৰ পিতৃৰ নাম আছিল কৃষ্ণ বিহাৰী বাজপেয়ী আৰু মাতৃৰ নাম আছিল কৃষ্ণা দেৱী। কৃষ্ণ বিহাৰী বাজপেয়ী পেচাত কবি আৰু শিক্ষক আছিল।

প্ৰাথমিক শিক্ষা জীৱন বাজপেয়ী গোৱালিয়ৰত 'সৰস্বতী শিশু মন্দিৰ'তে সমাপ্ত কৰে। গোৱালিয়ৰৰ ভিক্টোৰীয়া কলেজৰ পৰা হিন্দী, ইংৰাজী আৰু সংস্কৃত বিষয়ত বাজপেয়ীয়ে স্নাতক ডিগ্ৰী লাভ কৰে।

ৰাজনীতি হয়তো বাজপেয়ীৰ সত্তাত আছিল। ছাত্ৰাৱস্থাতে আৰ্যসমাজৰ লগত যুক্ত হৈ পৰিছিল, ছাত্ৰাৱস্থাতে বাজপেয়ী যুক্ত হৈ পৰিছিল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৈতে আৰু খুব কম সময়তে সংঘৰ প্ৰচাৰকৰ দায়িত্ব লাভ কৰে।

ইয়াৰ লগে লগে বাজপেয়ী খুব কম সময়তে গোৱালিয়ৰৰ পৰা দুখন পাঞ্চজন্য আৰু ৰাষ্ট্ৰধৰ্ম নামে বাতৰি কাকত প্ৰকাশ কৰি উলিয়ায়। ১৯৫১ চনত বাজপেয়ীক ভাৰতবৰ্ষৰ ৰাজনৈতিক মঞ্চখনে আহ্বান জনালে ৰাজনৈতিক ভাৱে ভাৰতৰ জনগণক সেৱা কৰিবলৈ। তাৰ ফলস্বৰূপে ১৯৫১ চনত ভাৰতীয় জনসংঘত যোগদান কৰে আৰু খুব কম সময়তে জনসংঘৰ মুৰব্বী শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰিয় পাত্ৰ হৈ পৰে।

১৯৫৭ চনত দ্বিতীয়খন লোকসভাৰ সাংসদ হিচাপে উত্তৰ প্ৰদেশৰ বলোৰাম সমষ্টিৰ পৰা নিৰ্বাচিত হয়। যিটো সময়ত বাজপেয়ীৰ বয়স আছিল মাত্ৰ ৩৩ বছৰ আৰু খুব কম সময়তে সকলোৰে প্ৰিয় পাত্ৰ হৈ পৰে। শ্যামাপ্ৰসাদ মুখাৰ্জীৰ মহাপ্ৰয়াণৰ পিছত জনসংঘৰ সভাপতিৰ দায়িত্ব বাজপেয়ীক অৰ্পণ কৰা হয়।

১৯৬২ চনত ৰাজ্যসভাৰ সাংসদ ৰূপে আৰু ১৯৬৭ চনত, ১৯৭১ চনত আৰু ১৯৭৭ চনত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ বাৰৰ বাবে লোক সভালৈ নিৰ্বাচিত হয় কিন্তু দেশত জৰুৰী অৱস্থাৰ অৱসান হোৱাৰ বাবে লোকদল, কংগ্ৰেছ অ' আৰু জনসংঘ একত্ৰিত হৈ প্ৰতিষ্ঠা কৰে জনতা দল। মোৰাৰজী দেশাইৰ নেতৃত্বত গঠন হয় চৰকাৰ, আৰু এই চৰকাৰৰ বৈদেশিক মন্ত্ৰীৰ দায়িত্ব লয় বাজপেয়ীদেৱে।

কিন্তু বিভিন্ন মতাদৰ্শক কেন্দ্ৰ কৰি জনতা দলৰ মাজত আভ্যন্তৰীণ দিশত খেলি-মেলিৰ সৃষ্টি হয় আৰু জনসংঘৰ নেতাসকল জনতা দলৰ পৰা ওলাই আহে আৰু ১৯৮০ চনত ভাৰতীয় জনতা পাৰ্টী গঠন কৰে।

১৯৯৬ চনত ষষ্ঠবাৰৰ বাবে বাজপেয়ী দেৱ লোক সভালৈ নিৰ্বাচিত হয় আৰু একক বৃহৎ দল হিচাপে বিজেপি চৰকাৰে চৰকাৰ গঠন কৰে যদিও নিৰঙ্কুশ সংখ্যা গৰিষ্ঠ নথকা আৰু মেজিক সংখ্যা যোগাৰ কৰিব নোৱাৰাৰ বাবে ১৩ দিনতে এই চৰকাৰৰ পতন হয়। ফলত ১৯৯৮ চনত পুনৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হয় আৰু এই নিৰ্বাচনৰ ফলাফলত পূৰ্বতকৈ বেছি আসন লাভ কৰে আৰু সেই বিজেপি চৰকাৰৰ নেতৃত্বতে এনডিও ৰ চৰকাৰ গঠন হয়।

কিন্তু এই চৰকাৰো তেৰ মাহ থাকিয়ে দেশৰ শাসনভাৰৰ পৰা বিদায় লয়। যাৰ ফল স্বৰূপে ১৯৯৯ চনত পুনৰ নিৰ্বাচনো অনুষ্ঠিত হয় আৰু এইবাৰ ৰাইজৰ পক্ষত আছিল বিজেপি চৰকাৰ আৰু প্ৰথমজন অকংগ্ৰেছী প্ৰধানমন্ত্ৰী হিচাপে নিজৰ পাঁচবছৰীয়া কাৰ্যকাল শেষ কৰে বাজপেয়ীয়ে।

শিক্ষা আৰু অৰ্থনৈতিক ক্ষেত্ৰতো বাজপেয়ী গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। সৰ্বশিক্ষা অভিযান, বি এছ এন এলৰ সূত্ৰপাত বাজপেয়ীৰ দিনতে হৈছিল।

অসম আন্দোলনক ৰাষ্ট্ৰীয় আন্দোলন ৰূপে প্ৰতিষ্ঠা কৰা ব্যক্তিজনেই আছিল বাজপেয়ী। বগী বিল দলঙ, ইষ্ট বেষ্ট কৰিডৰ নিৰ্মাণ, উত্তৰ পূৰ্বাঞ্চল বিকাশৰ বাবে ডনাৰ মন্ত্ৰালয় গঠন, নুমলীগড় শোধানাগাৰ আৰু ব্ৰহ্মপুত্ৰৰ তৃতীয়খন দলঙ "নৰনাৰায়ণ সেতু" নিৰ্মাণৰ দ্বাৰা দেখুৱাইছিল অসম প্ৰীতি।

সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱৰ গান শুনি ভাল পোৱা বাজপেয়ীদেৱৰ প্ৰিয় অভিনেত্ৰী আছিল ড্ৰীম গাৰ্লৰূপে খ্যাত হেমা মালিনী।

চিৰকুমাৰ বাজপেয়ীয়ে তেওঁৰ দীৰ্ঘকালৰ বান্ধৱী ৰাজকুমাৰী কৌলৰ কন্যা নমিতাক তোলনীয়া কন্যা হিচাপে গ্ৰহণ কৰে।

কিন্তু ইয়াৰ বিপৰীতে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি, সাম্প্ৰদায়িক হিংসা আৰু অন্যান্য কেতবোৰ ৰোষত পৰিছিল বাজপেয়ী চৰকাৰ। যাৰ ফলত ২০০৪ চনত জনগণে এন ডি এক প্ৰত্যাখ্যান কৰি ইউ পি এ ক শাসনভাৰ প্ৰদান কৰে। ইয়াৰ পিছত ২০০৯ চনৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰা নাছিল বাজপেয়ীয়ে।

২০০৫ চনৰ পৰা বাজপেয়ী ক্ৰমশ ৰাজনীতিৰ পৰা আঁতৰি অহা শেষত স্মৃতিবিভ্ৰম ৰোগত আক্ৰান্ত হয় বাজপেয়ী ক্ৰমাৎ ৰাজহুৱা জীৱনৰপৰা আঁতৰি আহে।

একালৰ ওজস্বী বক্তা ২০০৯ চনত এক ষ্ট্ৰোকত আক্ৰান্ত হোৱাৰ পিছত স্মৃতি শক্তি হেৰুৱাই পেলায়, হেৰুৱায় বাক শক্তিও।

দেশৰ বাবে আগবঢ়োৱা অমূল্য সেৱাৰ বাবে ২০১৫ চনত অটল বিহাৰী বাজপেয়ীক ভাৰত চৰকাৰে ভাৰতৰ শ্ৰেষ্ঠ সন্মান ভাৰত ৰত্ন প্ৰদান কৰে।

নিষ্ঠা আৰু সততাৰ ৰাজনীতিৰে সকলোৰে প্ৰিয়ভাজন হ'বলৈ সমৰ্থ হোৱা বাজপেয়ীৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে ২০১৮ চনত। বৃক্ক, মূত্ৰনলী আৰু হৃদযন্ত্ৰ সংক্ৰমণৰ বাবে তেওঁ চিকিৎসাধীন হ'ব লগা হৈছিল AIMS (All India Institute of Medical Science) ত কিন্তু ১৪ আগষ্ট তাৰিখে বাজপেয়ীদেৱৰ স্বাস্থ্যৰ অৱনতি দ্ৰুত ৰূপত ঘটিছিল যাৰ ফলত তেওঁক লাইফ ছাপৰ্ট চিষ্টেমত ৰখা হয়। কিন্তু নতুন ভাৰতৰ অন্যতম ৰূপকাৰ, সুবক্তা, অকংগ্ৰেছী ৰাজনীতিৰ গুৰিয়াল তথা প্ৰথমখন পূৰ্ণ কালিন অ-কংগ্ৰেছী চৰকাৰৰ নেতৃত্ব প্ৰদান কৰা অটল বিহাৰী বাজপেয়ীয়ে অৱশেষত সকলোকে কন্দুৱাই ২০১৮ চনৰ ১৬ আগষ্ট তাৰিখে বিয়লি ৫-০৫ বজাত এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে আঁতৰি যায়।

মতাদৰ্শৰ দিশত বাজপেয়ীৰ পৰা দীৰ্ঘ দূৰত্বত অৱস্থান কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে কৈছিল "অটল বিহাৰী বাজপেয়ী আছিল ভাৰতীয় ৰাজনীতি জগতৰ ভীষ্ম"। হয় ভীষ্মৰ শৰশয্যা যন্ত্ৰণা তেওঁ কেতিয়াবা অনুভৱ কৰিছিল নে নাই সেয়া জনা নাযায় যদিও তেওঁৰ অনুপস্থিতি ভাৰতীয় ৰাজনীতিৰ বাবে এক বৃহৎ ক্ষতি।□□

(উৎস ঃ ইন্টাৰনেট, বাতৰি কাকত)

Article

# VIRAT THE RUN MACHINE KOHLI

**Jintumani Saharia**
**T.D.C. 4th Semester, Chemistry Dept.**

What was our estimate regarding Virat Kohli when he first started his cricket carrier? When he first made his appearance we thought that he was a very aggressive and angry young man. I think no-body would disagree with me.

In the very beginning cricket critics were also of opinion that he seemed to be an aggressive and proud player. But soon he began to prove that all these guesses were wrong.

So, what do we think of him now? Undoubtedly, he is one of the most dependable and trusted batsmen of today. He is even more than that can be considered as a great chaser in the cricket world. So Akash Chopra told about Kohli that when it comes to chasing it is said that the cheetah is fastest. But this cheetah i.e. Virat Kohli chases even faster than the cheetah itself.

Virat the run machine Kohli was born in Delhi on November 5th, 1988. He was the youngest of his family. Vikach Kohli is his elder brother and Bhawana Kohli is his elder sister. His father, Prem Kohli, was a criminal lawyer and his mother, Saroj Kohli, is a homemaker. From his elder brother we come to know that in his early age Kohli would often pick up a cricket bat and ask his father to ball at him.

After their family shifted to Uttam Nagar he started his school life at "Vishal Bhanti Public School". After the formation of the west Delhi Cricket Academy in the year 1998 Kohli became a member of this club. At that time he was nine years old. One of his neighbour suggested his father that Virat should join a professional club without wasting his time in gally cricket and accordingly Virat was taken to the academy for training under Raj Kumar Sarma. His coach saw a natural cricket-talent in him and encouraged him to continue playing. His teacher remembers him as a bright children and he was equally brilliant in study.

Kohli became the captain of the Delhi U-15 team in the "Polly Umrigar" trophy for the 2003-04 session and he was able to score highest run for his team at an average of 78 including two centuries and two fifties. In 2004, he was selected in the Delhi U-17 team for the 2003-04 Vijay Merchant trophy and

scored 470 runs at an average of 117.50 with two hundreds. In February 2006, he did not get the change to bat although he made his list a debut for Delhi.

In July in his cricket tour to England he was able to impress the coach "Lalchand Rajput Saying that Kohli had strong technical skill against both pace and spin.

Although he failed to score well against Tamilnadu in 2006, in his debut innings he scored ninety (90) runs surprise of his audience as because his father died in the previous day.

Next he got the chance to became the captain at the 2008 ICC U-19 World Cup held in Malaysia and scored 235 runs in altogether six matches at an average of 47 and become the highest rungetter. In this World Cup he was instrumental in India's three wicket semifinal win over News Zealand in which he took 2/27 and scored 43 in the tense run chases "Espncric info" called his century, 100 runs from 74 balls, in group stage "the innings of the tournament" following this world cup on a youth contact Kohli was bought by Royal Challenge Bangalore for rupees 30,000.

In June, 2008, Kohli was awarded Border–Gavasker scholarship. During Sri Lanka tour Kohli batted make shift opener throughout the series as both first choice opener Sachin and Sehwag were injured. At the age of 19 he made his international debut and he was dismissed for 12. He made his first ODI half century in the fourth match which helped win the series 3–2 against Srilanka.

He won his first *man of the match* award in the triseries in Sri Lanka replacing the injured Gautam Gambhir and scored 79 in India's successful chase of 130. Even though scoring low of 27 and 54 in first two ODI against Sri Lanka the December, 2009 he scored, first ODI hundred (107 off 111 balls). In the 4th ODI at Calcutta sharing a 224 run partnership for the third wicket.

Kohli was much acclaimed for his triseries against Bangladesh and Sri Lanka and Zimbabwe and Sri Lanka in 2010.

He reached his 1000 runs as the fastest Indian ODI batsman during the series which was held in Zimbabwe and he made his T-20 debut against Zimbabwe at Harare.

After his bitter struggle in Asia Cup and the triseries against Sri Lanka and New Zealand, he became the heading run scorer in India in ODI in 2010 with 995 runs.

In the five match ODI series in 2011 he got won position on ICC ODI Ranking for batsman,

Kohli was instrumental in India's successful World Cup campaign scoring hundred in the first match against Banglades

he became the first Indian batsman to score a century on World Cup debut. There after he scored 1000 runs of 8,34,12, 1 against England, Ireland, New Zealand and South Africa respectively, sharing 83 runs partnership with Gambhir in the final against Sri Lanka which ultimately helped India to win the match by six wicket.

He made his test debut against West Indies and dismissed for 4 and 15 caught behind by Fidel Edwards in both innings.

He in his maiden test century in the fourth and final test against Australia in December, 2011 he got a place in India's test squad .

In June 2013 "ICC Champions Trophy" in England, Kohli top scored 48 runs from 34 balls in the final which ultimately helped India to secure five run win and second consequtive ODI tournament victory.

In 2013, Kohli moved to the top position in the ICC ODI ranking after a considerable successfully time with bat.

In 2014, ICC World T-20 Man of Tournament award went to Kohli for making a total 319 runs at an average of 106.33 creating history by an indivisual batsman in a single world T-20 Tournament.

In 2014, He was made full time test captain for the fourth test of Australian tour after the M.S. Dhoni's retirement with a total score of 692 runs.

Again in 2016 with a total of 273 runs in 5 matches he earned 2nd consequtive man of the tournament award.

Before being displaced by Pakistan, in Antigua against West Indies Kohli scored 200 which was his first double hundred and which was made away from home by an Indian captain in test and briefly top the ICC test ranking.

Inspite of his decision to play country cricket in England he was ruled out due to injury. He scored his first test century August 2, 2018 on English soil displacing Steve Smith he became No. 1 test batsman in the world in 5th August.

In August 2018, he has scored 23 test and 35 ODI century which has made him the second most successful centuriean after Sachin Tendulkar.

Kohli married Anuska Sharma on 11 December, 2017 in Italy after a prolonged datting since 2013 and has earned celebrity couple nick name "Virushka".

Kohli became co-owner of Indian super league club FC GOA and international premier Tennis league "UAF ROYALS" in 2014 and 2015 respectively.

In November, 2014, Kohli and Anjana Reddy launched a youth fashion brand "WROGN".

Kohli was signed an endorsement deal with "MRF" and "PUMA" worth about ₹ 100

crore. A head of Merit, curry, Mcllroy he has ranked No. 7 in the most released by to be as the most valuable brand.

"Virat Kohli Foundation" was started by him in march 2013. This is a charity foundation which aims at helping under privileged Kids and conduct evens to raise funds for charity.

Kohli has captained all heart football club owned by "VKF" against all stars football club owned by Abhishek Bachchan.

Like so many great people before him like the little master himself, there will be a rare occasion when he will not perform. We have champion in him. Even a header. A man ready to fight for his country. As long as Kohli is at the crease, India can breath easy. ❐❐

Sources (Internet)

## : Great Achievements of Virat Kohli at a glance:

- *ICC ODI Player of the year 2012.*
- *Arjuna Award for Cricket 2013.*
- *Wisden Leading Cricketer in the world 2016 & 2017.*
- *Padma Shri 2017.*
- *Sir Garfield Sobers Trophy 2018.*
- *Rajiv Gandhi Khel Ratna Award for Cricket 2018.*

প্ৰবন্ধ

# মহাৰথীৰ মহাশতক আৰু কিছু আমোদজনক কাহিনী

হৰেকৃষ্ণ ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

তেজ মঙহেৰে গঢ়া এজন সাধাৰণ মানুহ বুলিলে ভুল কৰা হ'ব। তেওঁৰ পৰ্বতসম সাফল্যৰ কেতিয়াও সুবিচাৰ কৰা নহ'ব। দেশৰ শতকোটি অনুৰাগীৰ বাবে তেওঁতো ক্ৰিকেটৰ ঈশ্বৰ। সেইটো যিয়েই নহওঁক কিয়, তেওঁক এজন সাধাৰণ মানুহৰ শাৰীত বহুৱাব নোৱাৰি। ঐশ্বৰিক গুণ সম্পন্ন এজন অতি মানৱ। কাৰোবাৰ বাবে তেওঁ শচীন, আন কাৰোবাৰ বাবে তেণ্ডুলকাৰ আৰু কাৰোবাৰ বাবে লিটল মাষ্টাৰ আন কাৰোবাৰ বাবে ডন। কিন্তু বিশ্বৰ বাবে তেওঁ মাষ্টাৰ-ব্লাষ্টাৰ। ক্ৰিকেট যদি এক প্ৰকাৰৰ ধৰ্ম হয়, তেন্তে তেওঁ ক্ৰিকেটৰ ভগৱান।

শচীন ৰমেশ তেণ্ডুলকাৰ সঁচাকৈয়ে তেওঁ কি ঈশ্বৰৰ দূত? কোনো আশ্চৰ্য নহয়। হয়তো বিশ্বৰ অষ্টম আশ্চৰ্য। এই অতি মানৱক যি বিশেষণেৰেই বিভূষিত কৰা নহওঁক কিয়, তেওঁৰ উজ্জ্বলতা আৰু কৌলিণ্যক স্পৰ্শ কৰা কঠিন। ক্ৰিকেটৰ বাবেই যেন আবিৰ্ভাৱ ঘটিছে, এই অৱতাৰৰ! ধন্য ভাৰত। শচীন ৰমেশ তেণ্ডুলকাৰ কেৱল ভাৰত ৰত্নই নহয়, প্ৰকৃততে বিশ্বৰত্ন। এই ৰত্ন সঁচায় দুস্প্ৰাপ্য। ৯৯ টা শতকৰ মেটমৰা বোজাটো সুদীৰ্ঘ এটা বছৰ ধৰি কান্ধত লৈ ফুৰা বৰ অসহনীয় হৈ উঠিছিল শতকোটি অনুৰাগীৰ।

২০১১ চনৰ সেই ১১ মাৰ্চ নাগপুৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৯৯ তম শতক। এখন এখনকৈ পাৰ হৈ গৈছিল ৩৩ টা ইনিংছ, সুদীৰ্ঘ ৩৬৯ দিন। কেতিয়া হ'ব মহাৰথীৰ মহাশতক; বিশ্বকাপ জয়ৰ পিছৰে পৰা চাৰিও দিশৰ পৰা আৰম্ভ হৈছিল প্ৰচণ্ড চাপ। যি সম্ৰাটে যোৱা ২২ বছৰ ধৰি বিশ্ব ক্ৰিকেটৰ সাম্ৰাজ্যত আধিপত্য কৰি আহিছে সেই মহাৰথীয়ে কেতিয়াও বিনাযুদ্ধে পৰাজয় বৰণ নকৰে। সকলোৱে জানিছিল যে তেওঁ শেষ পৰ্যন্ত যুঁজিব। প্ৰাপ্তিৰ শিখৰত তেওঁ এদিন আৰোহণ কৰিবই। সেয়া আছিল মাথো সময়ৰ অপেক্ষা। সেই দিনৰ সুযোগ ল'ব পৰাটোৱেই মহানায়কৰ চানেকি। মুম্বাই, লৰ্ডছ, ছিডনী, মেলবৰ্ণৰ দৰে ক্ৰিকেটৰ পীঠস্থান ভ্ৰমি সেই বাংলাদেশৰ মীৰপুৰৰ শ্বেৰ-ই-বাংলা ষ্টেডিয়াম।

অৱশেষত অপেক্ষাৰ যেন মধুৰ সমাপ্তি ঘটিল। আনন্দৰ বন্যাত উটি গ'ল সমগ্ৰ দেশ। শচীন কিন্তু ব্যতিক্ৰম। এই বিশাল কৃতিত্বৰ অধিকাৰী হৈয়ো শচীন যেন নিৰুত্তাপ। অন্তৰ্মুখী শচীনৰ ক্ষোভৰ প্ৰকাশ। নিজৰ হাতৰ বেটখনলৈ এপলক চাই হেলমেটটো খুলিলে ঠিক ৯৯ টা শতকৰ পিছত কৰাৰ দৰেই। ষ্টেডিয়ামৰ হৰ্ষোল্লাসলৈ তেওঁৰ কোনো ভ্ৰুক্ষেপ নাই। বেটখনেৰে হেলমেটত থকা ভাৰতীয় ব'ৰ্ডৰ ল'গ' আৰু ৰাষ্ট্ৰীয় পতাকালৈ ইংগিত কৰি শচীনে যেন জনাই দিলে যে যোৱা ২২ বছৰে তেওঁ নিজৰ বাবে নহয়, দেশৰ বাবেহে খেলিছে। এবছৰ ধৰি চলি থকা সমালোচনাৰ প্ৰত্যুত্তৰ দিলে বেটেৰে। নীৰৱ কিন্তু অৰ্থৱহ প্ৰত্যুত্তৰ, সময় তেতিয়া বিয়লি ৪ বাজি ২৭ মিনিট। বিশ্ববাসীৰ দৃষ্টি বাংলাদেশৰ মীৰপুৰৰ শ্বেৰ-ই-বাংলা ষ্টেডিয়াম। সময় নিজৰ গতিত চলিছে যদিও স্তব্ধ হৈছে জীৱন। কাৰণ নিজকে অতিমানৱ ৰূপে গঢ় দিয়া এগৰাকী ক্ৰিড়াবিদ ইতিহাস গঢ়াৰ সন্ধিক্ষণত উপনীত হৈছে। সন্ধিক্ষণৰ কি মিলন, যি সময়ত মন্দিৰত বন্তি জ্বলি উঠে; মছজিদত নামাজৰ ধ্বনি বাজি উঠে সেই সময়তে ক্ৰিকেটৰ ভগৱানৰ এক নতুন ইতিহাস ৰচনাৰ গৌৰৱময়

মুহূৰ্ত। ঈশ্বৰ আৰাধনাৰ এই সন্ধিক্ষণতে প্ৰত্যাশিত মহাশতকটো অৰ্জন কৰিলে শচীন তেণ্ডুলকাৰে। বাংলাদেশৰ অধিনায়ক ছাকিব উল হাছানৰ অফ ষ্টাম্পৰ এটা বল স্ক'ৱৰ লেগৰ ফালে ঠেলি ক্ৰিকেট ইতিহাসত সোণালী আখৰেৰে লিখিলে এটা বাক্য। আন্তৰ্জাতিক ক্ৰিকেটত প্ৰথম গৰাকী ক্ৰিকেটাৰ ৰূপে ভাৰতৰ শচীন তেণ্ডুলকাৰে অৰ্জন কৰিলে এশটা আন্তৰ্জাতিক শতক। এই সাফল্য আৰু গৌৰৱ শচীনতকৈ মহান নহয় যদিও, ভাৰতবাসী তথা বিশ্বৰ চুকে-কোণে থকা কোটি কোটি শচীন সমৰ্থকৰ বাবে চিৰস্মৰণীয় গৌৰৱ; কাৰণ য'ত ক্ৰিকেট নাই তাতো আছে শচীন ভক্ত। বিগত এবছৰ ধৰি সকলোৱে এই অধীৰ আগ্ৰহেৰে বাট চাই আছিল। কিন্তু ভাগ্যৱান বাংলাদেশ আৰু দেশৰ ক্ৰিকেট সমৰ্থক। মীৰপুৰক ধন্য কৰিলে শচীনে। ক্ৰিকেট জগতত বাংলাদেশৰ গৌৰৱৰ বাতৰি তেনেই নগন্য যদিও সেইদিনা ক্ৰিকেট ভগৱানৰ মহাশতকে চিৰদিনৰ বাবে বাংলাদেশক এক একক অনন্য গৌৰৱ প্ৰদান কৰিলে প্ৰতিপক্ষ আৰু নিজৰ ইনিংছ লৈ শচীন সুখী নহয় সেয়ে মহাশতক অৰ্জনৰ পিছত নিজ অভিব্যক্তিতে প্ৰকাশ পাইছিল। কিন্তু নিজতকৈয়ো সমৰ্থকৰ বোজা লৈ সুদীৰ্ঘ এবছৰ ধৰি চাপত থকা শচীন যে হঠাৎ মুক্ত হৈছিল সেয়া নিজে ব্যক্ত কৰিছিল। ১৩৮ বলত শতক অৰ্জনৰ সাফল্য শচীনে নিজেও শ্ৰেষ্ঠ বুলি নামানে। কিন্তু তেওঁৰ দৰে জ্যেষ্ঠ এগৰাকী ব্যক্তিৰ শাৰীৰিক আৰু মানসিক শক্তিক ক্ৰীড়া জগতে সদায় শ্ৰদ্ধা জনাব।

বিগত দুটা দশকত বিশ্বক্ৰিকেটৰ একছত্ৰী সম্ৰাটৰূপে ক্ৰিকেটৰ এভাৰেষ্টত বহিছে শচীনে। অগণিত বহু অভিলেখৰ গৰাকী মাষ্টাৰ-ব্লাষ্টাৰ। শচীনৰ সেই ইতিহাস ৰচনাৰ সফলতাৰ দেশ-বিদেশৰ ক্ৰীড়াজগতৰ লগতে অন্য ক্ষেত্ৰৰ ব্যক্তিয়েও অভিনন্দন জনাইছিল প্ৰবাদ প্ৰতীম ক্ৰিকেটাৰ গৰাকীক। ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু প্ৰাক্তন ক্ৰিকেটাৰসকলে, ভাৰতৰ ক্ৰীড়াবিদ গৰাকীক অভিনন্দন জনাইছিল। কোকিলকণ্ঠী লতা মংগেশকাৰ, মেগাষ্টাৰ অমিতাভ বচ্চন, সেই সময়ৰ গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোডী, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড আদি বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানেও মহাশতকৰ অধিকাৰী গৰাকীক অভিনন্দন জনাইছিল।

১৯৮৯ চন। স্থান পেছোৱাৰ। পাকিস্থানৰ সেইসময়ৰ দুৰ্দান্ত স্পীনাৰ আব্দুল কাদিৰৰ এটা অভাৰত তিনিটা 'ছয়' আৰু 'চাৰি'ৰে মুঠ ২৬ ৰাণ সংগ্ৰহ কৰিছিল ১৬ বছৰীয়া তেণ্ডুলকাৰে। এনে ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰাজনে অনায়াসে বল বাউণ্ডেৰী লাইনৰ ওপৰেৰে পাৰ কৰোৱাত খং উঠা নাছিল কাদিৰৰ। বৰং হাত চাপৰি বজাই উৎসাহিতহে কৰিছিল। খেলৰ শেষত সতীৰ্থই তেওঁক প্ৰশ্ন কৰিছিল- 'ইমান কোবালে, অথচ তুমি স্ফূৰ্তি কৰিছা? কাদিৰে ক'লে, 'মোৰ অৱসৰ ল'বলৈ আৰু বেছিদিন নাই। মই আজিহে মাৰ খালো। পৰৱৰ্তী সময়ত অন্য বলাৰক বৰ বেয়াকৈ কন্দুৱাব এই ল'ৰাজনে। পেছোৱাৰত সেইদিনা শচীনৰ বেটৰ পৰা ওলোৱা ৪৩ ৰাণৰ বিস্ফোৰক ইনিংছটো ৰেকৰ্ড বুকত লিপিবদ্ধ নহ'ল। কিয়নো বৰষুণৰ বাবে মেচখন ২০ অভাৰলৈ হ্ৰাস কৰা হৈছিল।

এয়াই ক্ৰিকেট ঈশ্বৰৰ কাহিনী। বয়সৰ জোখাৰে অন্য ক্ৰিকেটাৰতকৈ বহু জ্যেষ্ঠ আছিল। কিন্তু অৱসৰৰ আগ মুহূৰ্তলৈ শচীনৰ বেটিঙৰ চোক অকণো হ্ৰাস পোৱা নাছিল। বিশ্ব ক্ৰিকেটত তেওঁ যে উজ্জ্বল নক্ষত্ৰ, সেই কথা শচীনে বাৰে বাৰে প্ৰমাণ কৰি আহিছিল। শচীনৰ শৈলীক বেটিঙৰ বিমুগ্ধ হৈয়েই ক্ৰিকেটৰ প্ৰেমত পৰিছিল কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰ। ভাৰতত লিটল জিনিয়াছক ভগৱানৰ দৰে পূজা কৰা হয়। প্ৰায় প্ৰতিগৰাকী ভাৰতীয়ৰে আবেগ জড়িত হৈ আছে তেণ্ডুলকাৰৰ সৈতে। শচীন অবিহনে যেন ভাৰতীয় দলটো যেন সম্পূৰ্ণ নহয়।

১৯৮৯ চনত আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটোৱাৰ সময়ত শচীনৰ বয়স আছিল ১৬ বছৰ। সেই

যোল্ল বছৰ বয়সৰ ৰাকাৰ ইউনিছৰ বলত নাক ফাঁটি তেজ ওলাই অহাৰ পিছত পাকিস্থানৰ সমৰ্থকে কটাক্ষ কৰিছিল গাখীৰ খাবলৈ কৈ। কিন্তু পৰৱৰ্তী বলটোতে স্ক'ৱাৰ ড্ৰাইভ মাৰি উচিত প্ৰত্যুত্তৰ দিছিল। তেতিয়াৰ পৰা ২৫ বছৰীয়া ক্ৰিকেট পৰিক্ৰমাত অপূৰ্ব বেটিং শৈলীৰে হৃদয়ত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল মাষ্টাৰ-ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে। অৱশ্যে তেতিয়াৰ বিস্ময় বালক আৰু এতিয়া ৪৫ বছৰীয়া তেণ্ডুলকাৰৰ মাজত সময় সৃষ্টি কৰিছে বৃহৎ তফাৎ। বৰ্তমান তেণ্ডুলকাৰ এজন পৰিপক্ক আৰু অভিজ্ঞ ক্ৰিকেটাৰ। বিশ্বৰ মহান বেটছমেন জনে অযথা শ্বট খেলি আউট হ'ব বিচৰা নাছিল কোনোদিনেই। কাৰণ দলৰ বাবে তেওঁৰ ওপৰত দায়িত্ব আছিল অসীম। তৎসত্বেও কেতিয়াবা দুৰ্বল শ্বট খেলি আউট হ'লেও দৰ্শকৰ সহানুভূতিৰ পৰা বঞ্চিত হোৱা নাছিল তেওঁ। অনুৰাগীৰ বাবে তেওঁ এতিয়াও উৎপতীয়া, চঞ্চল কিশোৰেই হৈ আছে। জীৱন্ত কিংবদন্তিত পৰিণত হোৱা শচীন তেণ্ডুলকাৰৰ মহাশতকৰ উন্মাদনাই অনুৰাগীৰ ৰক্তচাপ বঢ়াই তুলিছিল। টেষ্টত ৫১ টা শতক কৰা চেম্পিয়ন বেটছমেনজনৰ নামত আছে ৪৯ টা এদিনীয়া শতৰাণ। মুঠ ১০০ টা আন্তৰ্জাতিক শতৰাণ। শচীন যে বিশ্বৰ মহান বেটছমেন সেইকথা তেওঁ বহুদিন আগতেই প্ৰমাণিত কৰিছে তেওঁৰ পৰ্বতসম সাফল্যৰ জৰিয়তে। টেষ্ট আৰু এদিনীয়া উভয়তে তেওঁ ৰাণৰ এভাৰেষ্টত আৰোহণ কৰিছিল। ৪৬৩ খন এদিনীয়াত সংগ্ৰহ ১৬৪২৬ ৰাণ। সেইদৰে ২০০ খন টেষ্টত ১৫,৭২১ ৰাণৰ গৰাকী তেওঁ। তেণ্ডুলকাৰ সম্পূৰ্ণ বেটছমেন। তেওঁৰ বেটিং পৰাক্ৰমত শ্বেণ ৱাৰ্ণ, ছাকলেইন মুস্তাক, ৰাকাৰ ইউনিছ, ছোহেইৰ আখতাৰৰ দৰে বিশ্বৰ শ্ৰেষ্ঠ বলাৰেও কান্দিবলগীয়া হৈছিল।

ভাৰতত ক্ৰিকেট জনপ্ৰিয় হোৱাৰ ক্ষেত্ৰত শচীন তেণ্ডুলকাৰৰ বৰঙণি অনবদ্য। কপিলদেৱ নেতৃত্বাধীন ভাৰতে ১৯৮৩ চনৰ বিশ্বকাপ চেম্পিয়ন হোৱাৰ পিছত দেশৰ ক্ৰিকেটৰ এক বাতাৱৰণ গঢ়ি উঠিছিল। লাহে লাহে ক্ৰিকেটৰ জনপ্ৰিয়তা ভাৰতত বৃদ্ধি পাবলৈ ধৰে। কিন্তু তেণ্ডুলকাৰৰ কলাত্মক বেটিঙেৰে ষ্টেডিয়ামলৈ দৰ্শকৰ ঢল বোৱাবলৈ সক্ষম হৈছিল। ভাৰতীয় দলটো এটা সময়ত শচীন নিৰ্ভৰ আছিল। সেই সময়ত শচীনৰ কাৰণেই ষ্টেডিয়ামলৈ দৰ্শক আছিল। এই গৰাকী ক্ৰিকেটৰ ভগৱানে ২০১২ চনৰ ১৮ মাৰ্চ তাৰিখে এদিনীয়া ক্ৰিকেটৰ পৰা আৰু ২০১৩ চনৰ ১৪ নৱেম্বৰ তাৰিখে টেষ্ট ক্ৰিকেটৰ পৰা সন্ন্যাস গ্ৰহণ কৰে।□□

**ঃ শচীন তেণ্ডুলকাৰে লাভ কৰা বিশেষ বঁটা আৰু সন্মান ঃ**

- অৰ্জুন বঁটা (ক্ৰিকেট) — ১৯৯৪ চন
- উইজডেনৰ বৰ্ষ শ্ৰেষ্ঠ ক্ৰিকেটাৰ — ১৯৯৭ চন
- ৰাজীৱ গান্ধী খেল ৰত্ন বঁটা — ১৯৯৭-৯৮ চন
- পদ্মশ্ৰী বঁটা — ১৯৯৯ চন
- পদ্মবিভূষণ বঁটা — ২০০৮ চন
- ভাৰত ৰত্ন — ২০১৪ চন

Article

# Leo Messi -1O

**Rijuwan Mustak**
**T.D.C. 4th Semester, Department of Chemistry**

Leo Messi, the most iconic number 10 Jersey athlete himself is the definition of football. The person who proved that size doesn't matter. Lionel Andreas Messi Cuccihini was born on July 24, 1987 in Rosario Argentina. He played for his home club, Newell's old boys from 1994 to 2000. It soon became clear that Messi was gifted in football. But as a child he was diagnosed with deficiency of growth hormone. Despite facing a major set back, he said being the smallest on the pitch made him more agile and fast. He relocated to Spain to join Barcelona's Youth Academy who agreed to pay for his medical treatment, where he played for Barcelona team 'C' from 2003 - 2004. Messi made his debute in 2004 for Barcelona and scored his first goal which was an assist by Ronaldiniho. Ronaldiniho said he feels happy to give the assist to Messi's first goal in Barcelona. He is currently a forward player and the captain for both Catalonian giants F.C. Barcelona and Argentina National team. Messi's first contract was written on a napkin which was later on framed. Many donot know but Messi celebrated his goal to a tribute to his grand mother who believed that he will become a professional footballer one day. For a knack of netting the ball to the goal he has been awarded as top goal scorer on a numerous occasion. He signed a lifetime contract with Adidas in 2017. But nothing is always perfect. He retired in 2016 following to loss of Argentina in Copa delley. But how can retirement keep some one who was destined to be great and believed by many to be the greatest of all time. Soon a nation wide campaign began to urge him to change his mind. The crowd kept the campaign even when it was heavily raining so that Messi would change his mind. Soon the campaign was successful and Messi reversed his decision. Messi also established a charitable organization in 2007 to help children who needed them. Messi won his first Fifa ballon d'or award at age of 22 in year 2009 but it wasn't his last. Messi has won a record-tying five Fifa ballon D'or award, four of which came in four consegutive years and a record five European golden shoes. He spent his entire professional career in Barcelona where he won a staggering of 33 trophies including Viva Laliga titles, four UFA champions Leagues and Six Copa Dolray. Both a Prolific goal scorer and a creative playmaker, Messi holds the record of most official goal scorer in Laliga (387) as well as most assist in Laliga (150). He has scored over 600 senior carreer goals for club and country. Messi also won Olympic Gold in 2008 Beijing for Argentina. Messi was handed the golden ball in 2014 Fifa World Cup. Barcelona has signed him with a release clause of $ 700 million base price.❐❐

প্ৰবন্ধ

# ভিলেজ ৰকষ্টাৰ্ছ- ৰীমা দাসৰ ৰূপোৱালী যাত্ৰা

প্ৰীতিস্মিতা কলিতা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

ৰীমা দাস- বৰ্তমান চলচ্চিত্ৰৰ পৃথিৱীখনত এটি বহু চৰ্চিত, বন্দিত নাম। বিশ্বৰ কোটি কোটি মানুহৰ ভিৰ ঠেলি কৃতিত্ব আৰু প্ৰতিভাৰে সূৰ্যৰ দৰে তেজোদীপ্ত হৈ ওলায় একোটা নাম। প্ৰতিভাৰে পৰিপূৰ্ণ জাকৰো এটি ভিৰ থাকে আৰু সেই ভিৰ ফালি যি উজ্বলি উঠে, তেওঁক কোৱা হয় 'বিস্ময়'। ৰীমা দাসো বিস্ময়। 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ জৰিয়তে ছয়গাঁৱৰ ছোৱালীজনী এনেদৰে এদিন জিলিকি উঠিব বুলি হয়তো কোনেও জ্ঞাত নাছিল।

১৯৮২ চনত ছয়গাঁৱত ৰীমা দাসে জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ ভাৰত চন্দ্ৰ দাস পেছাত এগৰাকী শিক্ষক আৰু মাতৃ জয়া দাস। গাঁৱৰ বোকা-পানীত উমলি-জামলি ডাঙৰ-দীঘল হোৱা ৰীমা দাসে সৰুৰে পৰা অভিনয়ৰ হেঁপাহ পুহি ৰাখিছিল। ছয়গাঁৱৰ এম ভি স্কুল, চম্পক নগৰ ছোৱালী হাইস্কুল, ছয়গাঁও কলেজ, কটন কলেজ আৰু পুণে বিশ্ববিদ্যালয়ত তেওঁ শিক্ষা গ্ৰহণ কৰিছিল। স্নাতকোত্তৰ শেষ কৰি উঠি NET পৰীক্ষাত উত্তীৰ্ণ হৈছিল যদিও অভিনয় আৰু চলচ্চিত্ৰ নিৰ্মাণৰ দুৰ্বাৰ হেঁপাহে তেওঁক মুম্বাইলৈ ঢপলিয়াই লৈ গৈছিল।

ৰীমা দাসে একলব্যৰ দৰে গুৰু অবিহনে একান্ত সাধনাৰে চিনেমা শিকিছে। কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা অবিহনে, চিনেমা নিৰ্মাণৰ ক্ষেত্ৰত তেনেই সাধাৰণ কেমেৰাৰে এখন উচ্চ মানবিশিষ্ট কথাছবি বিশ্ববাসীক উপহাৰ দিয়াটো তেনেই সহজসাধ্য নহয়। বজ্ৰ কঠিন দৃঢ়তা, গভীৰ আত্মবিশ্বাস আৰু প্ৰতিভাৰ সুন্দৰ সংমিশ্ৰণেহে এনে অসাধ্য সাধন কৰিব পাৰে।

ইংমাৰ বাৰ্গমেন, কুয়েণ্টিন টেৰাণ্টিনো, টেৰেলে মেলিফৰ দৰে প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালকসকলক তেওঁ আদৰ্শ হিচাপে লৈছিল। ২০০৭ চনত সত্যজিৎ ৰয়ৰ 'পথেৰ পাঁচালি' চোৱাৰ পিছত এনেধৰণৰ কথাছবি নিৰ্মাণৰ ধাৰণা তেওঁৰ মনলৈ আহিছিল। 'প্ৰথা' নামৰ ১০ মিনিটৰ চুটি ছবিখনেৰে তেওঁ কথাছবি জগতত আত্মপ্ৰকাশ কৰিলে। তাৰ পিছত 'অন্তৰ্দৃষ্টি' (মেন উইথ দ্য বাইন'কুলাৰ্ছ)ৰ নিৰ্মাণ কৰে। দুয়োখন ছবিৰ দ্বাৰা লাভ কৰা প্ৰশংসাই তেওঁক আত্মবিশ্বাসৰ শিখৰলৈ লৈ গৈছিল। প্ৰায় তিনি বছৰৰ কষ্টৰ বলত সাজু হৈ উঠা 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ সম্পূৰ্ণ শ্বুটিং হৈছিল ছয়গাঁৱৰ নিভাজ প্ৰকৃতিৰ মাজত। চিনেমাখন টৰেণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, ছান চেবাষ্টিয়ান চলচ্চিত্ৰ মহোৎসৱ, মুম্বাই চলচ্চিত্ৰ মহোৎসৱ আদি দেশে-বিদেশে অনুষ্ঠিত বহুতো মহোৎসৱত প্ৰদৰ্শিত হয়। সকলোতে ভূয়সী প্ৰশংসা লাভ কৰাৰ উপৰিও বহুতো বঁটা অৰ্জন কৰিবলৈ সক্ষম হয়। জিঅ' মামী চলচ্চিত্ৰ মহোৎসৱ ২০১৮, গল্ডেন গেটৰে বঁটা, অক্সফাম বঁটা, ইয়ং ক্ৰিটিকছ্ চইচ বঁটা লাভ কৰে। আন্তঃৰাষ্ট্ৰীয় শিশু চলচ্চিত্ৰ মহোৎসৱ ২০১৭ ত শ্ৰেষ্ঠ পৰিচালকৰ গ'ল্ডেন এলিফেণ্ট বঁটা, কক চলচ্চিত্ৰ মহোৎসৱ ২০১৭ ত স্পিৰিট অৱ ফেষ্টিভেল বঁটা, আৰু বহুতো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শেহতীয়াকৈ ১৩ এপ্ৰিল, ২০১৮ ত ঘোষিত ৬৫ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ছবিখনে 'স্বৰ্ণ কমল বঁটা' লাভ কৰে।

'ভিলেজ ৰকষ্টাৰ্ছ' ত ন-টি শিশুৱে প্ৰাণ ঢালি অভিনয় কৰিছে। চৰম দৰিদ্ৰতায়ো কিদৰে মানুহৰ সপোন শেষ কৰিব নোৱাৰে, ছবিখনত তাকেই দেখুওৱা হৈছে। ৰীমা দাসে ছবিখনত নিজকে বিচাৰি পোৱা বুলি ব্যক্ত কৰিছে। 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ জৰিয়তে তেওঁ প্ৰতিভাৰ যথাযোগ্য সন্মান আৰু বিশ্বজোৰা খ্যাতি লাভ কৰিলে। সীমিত পুঁজি, সীমিত সুবিধাৰেও যে আকাংক্ষাক অতিক্ৰম কৰিব পাৰি, তাকেই প্ৰতিপন্ন কৰিলে অসমৰ সু-কন্যা গৰাকীয়ে। ৰীমা দাস আৰু বেছিকৈ উজলি উঠক। তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।□□

Article

# Kashmir Conflict

**Anindita Sahariah**
**T.D.C. 4th semester, Political Science Dept.**

Kashmir "The heaven on the earth" has been an international issue from decades. History tells a lot about Kashmir. Initially, this region was a part of Mauryan empire. Kashmir was also ruled by the Kushans (Buddhism) for a few decades. Many Hindu dynasties ruled over Kashmir from 5th to 14th century. "Martand Sun Temple" was built by one such Hindu ruler. "The Sultanate of Kashmir" began with the Muslim invasion in the 14th century. Later on, this region got ruled by the "Dogra Dynasty (Sikh) in the 18th century. The last king of the dynasty was "Maharaja Hari Singh" who ruled till the Indo-Pak division.

Maharaja Hari Singh wanted to stay neutral in 1947. But Md. Ali Jinnah argued that according to the two nation theory, the state of Kashmir with 77% Muslim majority should join Pakistan. Hari Singh did not respond to that. As a consequence, Pakistan supported tribal Pashtuns fighter started to invade the valley of Kashmir on 22nd October 1947. Instantly, Maharaja Hari Singh asked Indian Govt. for help. Government of India helped him to push back the rebellions, against an instrument of accession which was signed on 26th Oct., 1947. As a result, Kashmir became a part of India. This accession was regarded as provisional until such time as the will of the people can be ascertained. As a result of the accession, the first Indo-Pak war took place in 1947-48. Soon after the war, India went to the United Nations in January 1948 to resolve the Kashmir issue. United Nations' Security Council adopted a resolution to resolve the Kashmir conflict. The three consequential non-binding steps were as follows :

(1) Pakistan should withdraw all national army and irregular miscreants from Pakistan occupied Kashmir.

(2) India should withdraw its army and keep only a minimal force in the region.

(3) A plebiscite to ascertain the will of the people.

These steps are not followed yet and hence the Kashmir issue remains unsolved between the two nations.❐❐

প্ৰবন্ধ

# পথৰুঘাটৰ ৰণ ঃ পৃষ্ঠভূমিত এটি অৱলোকন

নিশা ৰাণী নাথ
স্নাতক, দ্বিতীয় ষাণ্মাসিক

ঊনবিংশ শতিকাটো মানৱ সভ্যতাৰ ইতিহাসত যি দৰে গুৰুত্বপূৰ্ণ, অসমৰ বুৰঞ্জীৰ বাবেও এই শতিকাটো অতি গুৰুত্বপূৰ্ণ। এই শতিকাৰ আৰম্ভণিৰ লগে লগে প্ৰায় ৬০০ বছৰ ধৰি শাসন চলোৱা আহোম ৰাজশক্তিৰ ছিদ্ৰহীন শাসন ব্যৱস্থা ক্ৰমে সোলোক-ঢোলোক হৈ পৰে। ফলত ১৮১৬ চনৰ পৰা ১৮২৬ চনৰ ভিতৰত মানৰ তিনিটা আক্ৰমনত তৎকালীন অসমৰ মুঠ প্ৰজাৰ প্ৰায় আধাখিনিয়েই মৃত্যুমুখত পৰে। বাকীখিনি মানুহৰ ভৱিষ্যৎ নিৰূপিত হয় বিদেশৰ মাটিত বিদেশৰ দুই শক্তি মান আৰু ইংৰাজৰ মাজত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু নামৰ স্থানত হোৱা ঐতিহাসিক চুক্তি "ইয়াণ্ডাবু সন্ধি" অনুসৰি। নিজৰ ভৱিষ্যৎ নিৰূপণত অসমীয়া প্ৰজাৰ কোনো প্ৰতিনিধিয়ে মত প্ৰকাশৰ কোনো সুবিধা নাপালে। সন্ধিৰ চুক্তি অনুসৰি অসমৰ ৰাজপাটত বহিয়েই ব্ৰিটিছ শাসকে ঔপনিবেশিক শোষণ প্ৰক্ৰিয়া পূৰ্ণোদ্যমে আৰম্ভ কৰে। অসমৰ অমূল্য সম্পদৰাজি কঢ়িয়াবৰ বাবে যাতায়ত আৰু যোগাযোগ ব্যৱস্থা উন্নতিকল্পে কৰা কিছু কামে প্ৰথম অৱস্থাত ৰাইজক কিছু আশান্বিত কৰিছিল যদিও সমান্তৰালভাৱে ইংৰাজসকলে অসমৰ চাহ শিল্প আৰু বনজ, খনিজ, জলজ আদি সম্পদৰ পৰা প্ৰচুৰ অৰ্থ সংগ্ৰহৰ বাবে কিছুমান বিধিৰ সৃষ্টি কৰি ল'লে। কেৱল সেয়ে নহয়, কৃষক সকলৰ পৈতৃক সম্পত্তি কৃষি ভূমি খিনিয়েও ব্ৰিটিছ শোষণৰ দৃষ্টিৰ পৰা ৰেহাই নাপালে। দেবোত্তৰ , ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ ভূমিৰো খাজনা আদায় দিবলৈ বাধ্য কৰোৱা হ'ল অসমীয়া প্ৰজাক। কৃষি ভিত্তিক খাজনা নিৰ্ধাৰণ কৰি দি খাজনা আদায় দিব নোৱাৰি পৰিয়ালৰ সকলো সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈ ধৰিলে। আনকি গৰু, ম'হ, ঘোঁৰা আদি পোহনীয়া জন্তুৰ ওপৰতো অতিৰিক্ত খাজনাৰ ব্যৱস্থা কৰা হ'ল। শাসনৰ নামত এনে শোষণ উৎপীড়নৰ সন্মুখত সহিষ্ণু অসমীয়া প্ৰজাৰ ধৈৰ্যচ্যুতি ঘটাৰ উপক্ৰম হ'ল। ১৮৩২ চনত নিৰ্ধাৰিত খাজনা ১৮৪২ চনত দুগুণ হ'ল। ১৮৬২ চনত যেতিয়া পুনৰ খাজনাৰ নিৰিখ পাঁচগুণৰো অধিক বৃদ্ধি কৰা হ'ল তেতিয়া কামৰূপ আৰু দৰঙৰ ৰাইজে দৰঙৰ জিলাধিপতি, মহকুমাধিপতি আৰু মহকুমা পুলিচ বিষয়াক ঘেৰাও কৰি নিজৰ প্ৰতিবাদ সাব্যস্ত কৰে। কিন্তু ব্ৰিটিছ প্ৰশাসকে কৃষক ৰাইজৰ ন্যায়সংগত প্ৰতিবাদৰ প্ৰতি তিলমানো গুৰুত্ব আৰোপ নকৰি ১৮৭০ চনত মাটি পিয়ল কৰি পুনৰ খাজনা বৃদ্ধি কৰে। মানৰ আক্ৰমনে কঁকাল ভাঙি থোৱা অসমীয়া প্ৰজাই ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ সাহস গোটাব নোৱাৰিলেও এই প্ৰতিবাদ লাহে লাহে বিদ্ৰোহৰ ৰূপ ল'লে। অসমীয়া প্ৰজাৰ ওজৰ-আপত্তিৰ প্ৰতি সম্পূৰ্ণ আওকণীয়া মনোবৃত্তি লৈ বিটিছ প্ৰশাসনে ১৮৯২ চনত পুনৰ মাটি পিয়ল কৰি খাজনা বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই খাজনা বৃদ্ধিৰ জাননী ১৮৯৪ চনৰ জানুৱাৰী মাহত প্ৰচাৰ কৰে। এই উপৰ্যুপৰি বৰ্ধিত নিৰিখৰ খাজনা নিদিবলৈ দৰঙৰ ৰাইজে 'ৰাইজ মেল'ৰ জৰিয়তে জনমত গঠনৰ ব্যৱস্থা কৰাত ১৮৯৪ চনৰ ১০ জানুৱাৰী তাৰিখে ৰাইজ মেল পতাটো বাৰণ কৰি চৰকাৰী নিষেধাজ্ঞা জাৰি কৰে। ফলত অতিষ্ঠ প্ৰজাৰ পুঞ্জীভূত ক্ষোভৰ জুই উদ্‌গীৰণ হ'বলৈ ধৰে। সৰু ক্ষেত্ৰী আৰু ৰঙিয়া মৌজাত প্ৰথমে কৃষকৰ সামূহিক বিদ্ৰোহ আৰম্ভ হয়। ৰঙিয়াৰ ডাক বঙলাৰ সন্মুখত আৰু লছিমাত চৰকাৰী পক্ষ আৰু কৃষকৰ মাজত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিটিছ প্ৰশাসনে বহুকেইজন

কৃষক নেতাক আটক কৰি জেললৈ পঠিয়ায়। এই কথা সমগ্ৰ দৰং আৰু কামৰূপ জিলাত বনজুইৰ দৰে বিয়পি পৰে আৰু ১৮৯৪ চনৰ ২৬ জানুৱাৰীত পথৰুঘাটত অগণন প্ৰজা স্বতঃস্ফূৰ্তভাৱে সমবেত হয়। এই স্থানতে ৰাইজ মেল অনুষ্ঠিত হয় আৰু তদানীন্তন পথৰুঘাটৰ তহচিলদাৰ ভৱানীচৰণ ভট্টাচাৰ্যক বৰ্ধিত খাজনা ৰাইজে কোনো কাৰণতে আদায় নিদিয়ে বুলি জনাই দিয়ে। ৰাইজৰ প্ৰতি সদয় তহচিলদাৰে দৰং জিলাৰ জিলাধিপতিক ২৮ জানুৱাৰী তাৰিখে পথৰুঘাটলৈ আহিব বুলি ৰাইজক অৱগত কৰি তেওঁক এই বিষয়ে পোনপটীয়াকৈ শান্তিপূৰ্ণ ভাৱে আপত্তি দৰ্শাবলৈ পৰামৰ্শ দিয়ে। ২৮ জানুৱাৰীত সেই সময়ৰ জিলাধিপতি এণ্ডাৰচন, মহকুমাধিপতি ৰেমছন আৰু পুলিচ বিষয়া বেৰিংটন ১২ জন সশস্ত্ৰ চিপাহী আৰু ১৯ জন বন্দুকধাৰী সাধাৰণ পুলিচ লৈ পথৰুঘাটত উপস্থিত হ'ল। সমবেত ৰাইজে শান্তিপূৰ্ণভাৱে নিজৰ আপত্তি দৰ্শালে। কিন্তু ব্ৰিটিছ শাসক সকলে প্ৰজাৰ সুখ-দুখ, সুবিধা, অসুবিধালৈ চকু দিয়াৰ নাইবা কোনো আপত্তি শুনাৰ মানসিকতা নাছিল। তেওঁলোকৰ মনোভাৱ আছিল যিকোনো উপায়েৰে বিদ্ৰোহ দমন কৰা। অন্যথা সিহঁতক ৰাস্তাৰ কুকুৰৰ দৰে মাৰি পেলোৱা হ'ব। খাজনা, পৰিশোধ কৰোতেই অৰ্থনৈতিকভাৱে একেবাৰে জুৰুলা হোৱা প্ৰজা শাসকৰ এনে মনুষ্যত্বহীন ব্যৱহাৰত উত্তেজিত হৈ উঠিল। তাকে দেখি বেৰিংটনে ৰাইজক সেই ঠাই পৰিত্যাগ কৰিবৰ বাবে হুকুম দিলে। কিন্তু ৰাইজৰ দাবী মানি নল'লে, তাৰ পৰা এখোজো পিছুৱাই নাযাওঁ বুলি ৰাইজে জনাই দিয়াত এণ্ডাৰছনৰ নিৰ্দেশত পুলিচ বিষয়া বেৰিংটনে লাঠিচালনাৰ নিৰ্দেশ দিয়ে। ফলত উত্তেজিত ৰাইজে শুদাহাতে প্ৰতিৰোধ গঢ়ি তুলিলে। লগে লগে গুলী চালনাৰ নিৰ্দেশ জাৰি কৰিলে এণ্ডাৰছনে। চিপাহীৰ বন্দুকবোৰ গৰজি উঠিল। তথাপি কৃষক ৰাইজে ছত্ৰভংগ নিদিলে। শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰিবলৈ অহা নিৰস্ত্ৰ প্ৰজাৰ ১৪০ জনৰ এই বৰ্বৰ আক্ৰমণত মৃত্যু হ'ল। আহত হ'ল ততোধিক প্ৰজা। নিহতসকলক ওচৰতে পুখুৰী খান্দি পুতি পেলোৱা হ'ল। প্ৰশাসনৰ কলংক ঢাকিবলৈ চৰকাৰীভাৱে ঘোষণা কৰা হ'ল ১৫ জন মৃত আৰু ৩৭ গৰাকী আহত।

সেই সময়ত অসমৰ গ্ৰাম্যাঞ্চলৰ যোগাযোগ ব্যৱস্থা একেবাৰে অনুন্নত আছিল বাবে এই লোমহৰ্ষক হত্যাকাণ্ডৰ কথা অসমৰ মানুহে বহুত পলমকৈ গম পাইছিল। চৰকাৰী পক্ষই এই ঘটনা প্ৰচাৰ নহ'বলৈ কঠোৰ ব্যৱস্থা লৈছিল। তদুপৰি ভাৰতৰ অন্য ৰাজ্যৰ লোকৰো অসম সম্পৰ্কে কোনো সঠিক ধাৰণা সেই সময়ত নাছিল। গতিকে ব্ৰিটিছৰ এনে এক বৰ্বৰ হত্যাকাণ্ড আৰু দৰঙী কৃষক ৰাইজ ঐতিহাসিক প্ৰতিবাদৰ ঘটনা অখ্যাত হৈ থাকিল। কিন্তু দৰঙৰ জনসাধাৰণৰ মুখে মুখে এই ঘটনা প্ৰচলিত হৈ থাকিল। ৰচিত হ'ল— পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ আধাৰতে লোককাব্য 'দলিপুৰাণ'। মঞ্চ নাট, দূৰদৰ্শনৰ ধাৰাবাহিক, চলচিত্ৰ আদিৰ মাধ্যমত পথৰুঘাটৰ এই নিৰ্মম হত্যাকাণ্ড তথা কৃষক বিদ্ৰোহৰ ঘটনা বৰ্তমান বহুলভাৱে প্ৰচাৰিত হৈছে যদিও ভাৰতৰ স্বৰাজ আন্দোলনৰ বুৰঞ্জীত যিদৰে উল্লেখ হ'ব লাগিছিল তেনেদৰে নোহোৱাটো অতি পৰিতাপৰ বিষয়। বৰ্তমান পথৰুঘাটৰ এই ঐতিহাসিক স্থানত ভাৰতীয় সেনা বাহিনীয়ে এটা স্মাৰক স্তম্ভ গঢ়ি তুলিছে। আনহাতে অসম চৰকাৰে এটি শ্বহীদ ভৱন নিৰ্মাণৰ কাম হাতত লৈছে যদিও সমাধিক্ষেত্ৰ নিৰ্মাণ অসম্পূৰ্ণ হৈ আছে। তদুপৰি সদৌ অসম ছাত্ৰ সন্থাই প্ৰতি বছৰে ২৮ জানুৱাৰীত পথৰুঘাটত কৃষক শ্বহীদ দিৱস পালন কৰি আহিছে। অৱশ্যে এইখিনিৰেই কৃষক শ্বহীদ সকলক প্ৰাপ্য মৰ্যাদা প্ৰদান কৰা হ'ল বুলি স্থানীয় ৰাইজ আশ্বস্ত হ'ব পৰা নাই।□□

প্ৰবন্ধ

# নাৰী নিৰ্যাতন আৰু সমাজ ব্যৱস্থা

প্ৰণৱজ্যোতি নাথ
প্ৰাক্তন ছাত্ৰ, ৰাজনীতি বিজ্ঞান বিভাগ

সমাজ বিৱৰ্তনত নাৰীৰ ভূমিকা অপৰিসীম। নাৰীয়ে নিজৰ প্ৰতিভাৰে মানৱ অন্তৰ জয় কৰি আহিছে। নাৰী যুগে যুগে বন্দিতা হৈ আহিছে সু-শীলা, লজ্জাশীলা, বিনয়ী, কৰ্মতৎপৰ, প্ৰতিব্ৰতা, অতিথিবৎসলা, স্নেহশীলা আদি অলেখ গুণৰ অধিকাৰিণী হিচাপে। গীতাত প্ৰভু শ্ৰীকৃষ্ণই অৰ্জুনক কোৱা কীৰ্তি, শ্ৰী, বাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমাৰ সাত গুণেৰে বিভূষিতা নাৰী একেধাৰে মাতৃ, ভগ্নী, বান্ধৱী আৰু পত্নী। মাতৃ হিচাপে নাৰীয়ে সন্তান জন্ম দি লালন-পালন কৰি একোগৰাকী মানুহ ৰূপে গঢ় দিয়ে। পত্নী হিচাপে স্বামীৰ লগত সহযোগ কৰি দাম্পত্য জীৱন মধুময় কৰি তোলে। ভগ্নী আৰু বান্ধৱীৰূপে পুৰুষৰ জীৱনত সঞ্জীৱনী হৈ জীৱন যুঁজত সফল কৰি তোলে।

সেয়েহে অসমীয়া লোক সাহিত্যত কয়—
"নাৰী নাৰী নাৰী
নাৰী নহ'লে সংসাৰ যায় হতচিৰি।"

অথচ এই নাৰী যুগে যুগে হৈ আহিছে নিৰ্যাতিতা। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী নিৰ্যাতনৰ ইতিহাস বহু পুৰণি। ইতিহাস পৰ্যালোচনাৰে বৈদিক যুগৰ পৰাই নাৰীৰ স্থান আলোকপাত কৰিলে দেখা যায় যে বৈদিক যুগত নাৰীয়ে সমাজত কিছু মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল যদিও পৈত্ৰিক সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ পৰা বঞ্চিত হৈছিল। পৰৱৰ্তী ৰামায়ণৰ যুগত স্বামী ৰামচন্দ্ৰৰ দ্বাৰা গৰ্ভৱতী অৱস্থাত নিৰ্দোষী সীতা নিৰ্বাসিতা হ'ব লগা হৈছিল। ৰামচন্দ্ৰৰ অনুজ লক্ষ্মণে নিজৰ পত্নী উৰ্মিলাক ৰাজগৃহত এৰি থৈ ভাতৃ প্ৰেমৰ নিৰ্দশন দেখুৱাইছিল যদিও স্বামীৰ দায়িত্ব পালনত ব্যৰ্থ হৈছিল। ইয়াৰ পৰা বুজা যায় যে সেই যুগতো স্বামীয়ে পত্নীক প্ৰকৃত মৰ্যাদা দিয়া নাছিল। মহাভাৰতৰ যুগত দ্ৰুপদ নন্দিনীয়ে স্বামীৰ পাশাখেলৰ পণ হৈ ৰাজসভাত নিৰ্যাতিত হৈছিল। সামন্ত যুগতো নাৰীৰ অৱস্থাৰ পৰিৱৰ্তন নহ'ল। শাসক গোষ্ঠীৰ পৃষ্ঠপোষকতাত বেশ্যা প্ৰবৃত্তিৰ ব্যাপক প্ৰসাৰ ঘটিছিল। ধৰ্ম মন্দিৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা 'দেৱদাসী প্ৰথা' ইয়াৰ উৎকৃষ্ট উদাহৰণ। এই যুগতে নাৰী নিৰ্যাতনৰ জঘন্য ৰূপ হৈছে সতীদাহ প্ৰথা। বিধবা মহিলাৰ দায়িত্বৰ পৰা হাত সাৰিব আৰু বিধৱা মহিলাক সম্পত্তিৰ পৰা বঞ্চিত কৰাৰ উদ্দেশ্যে 'সতীদাহ প্ৰথা'ৰ ব্যাপক প্ৰচলন কৰা হৈছিল। যিসকল বিধৱা জীয়াই আছিল- তেওঁলোককো বিভিন্ন নীতি-নিয়মেৰে বান্ধি ৰাখি যমৰ-যাতনা দি জীৱন দুৰ্বিসহ কৰি তুলিছিল।

আজিৰ বিশ্বায়নৰ যুগতো এই নিৰ্যাতন ক্ষান্ত হোৱা নাই, বৰঞ্চ নাৰীয়ে পদে পদে নিৰ্যাতিতাহে হৈ আহিছে। আজিৰ নাৰী প্ৰাপ্য মৰ্যদাৰ পৰা বঞ্চিত হৈ দুৰ্দশাগ্ৰস্ত হৈ আছে। বিশ্বৰ উন্নত দেশবোৰত যদিও নাৰীয়ে পুৰুষৰ সম মৰ্যাদা লাভ কৰিছে আমাৰ দেশত আজিও নাৰী 'লাউ ডাঙৰ হ'লেও পাতৰ তল'ৰ লেখীয়া। অত্যন্ত দুখৰ কথা যে মাতৃগৰ্ভতে স্থিতি লাভ কৰা কন্যা সন্তানেও নিৰ্যাতনৰ হাত সাৰিব নোৱাৰে। কোনো প্ৰকাৰে যদি অবাঞ্চিত কন্যা সন্তানৰ জন্ম হয়, তেন্তে তাই অনাদৰ-অৱহেলাৰ পাত্ৰী হৈ পৰে। স্বামী তথা শাহুৱেকৰ ভয়ত মাতৃয়েও সেই অবাঞ্চিত কন্যা সন্তানক স্নেহৰপৰা বঞ্চিত কৰে। যৌৱনকাল পোৱাৰ পিছত কন্যা-সন্তান বিভিন্নজনৰ দ্বাৰা পদে পদে বাধাপ্ৰাপ্ত হয়। আমাৰ সমাজ পুৰুষ প্ৰধান হোৱা হেতু কাৰ্যালয়, উদ্যোগ আদিত কৰ্মৰত মহিলাই শাৰীৰিক, মানসিক নিৰ্যাতন সহিব লগা হয়। অধিকাংশ পুৰুষে উচ্চ পদ আৰু দৰমহা বৃদ্ধিৰ প্ৰলোভন দেখুৱাই মহিলাৰ ওপৰত যৌন উৎপীড়ন চলোৱা উদাহৰণ অলেখ। চাকৰিয়াল মহিলাই উচ্চ পদবী পালেও কিছু সংখ্যক পুৰুষৰ

চকু পোৰণি উঠে। আনকি কিছু ক্ষেত্ৰত স্বামীয়েও ভাল ব্যৱহাৰ নকৰে। মেগচিছ বঁটা লাভ কৰা দক্ষ প্ৰশাসনিক বিষয়া কিৰণ বেদীৰ দৰে মহিলাও নিৰ্যাতনৰ পৰা মুক্ত নহয়।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ দৰে বৰ্তমান অসমতো যৌতুকে মহাব্যাধিয়ে খোপনি পুতিছে। যৌতুকৰ বাবেই মাতৃগৃহ এৰি স্বামীগৃহত ভৰি থোৱাৰ পৰা নাৰী নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হয়। ধনী কিম্বা দুখীয়া সকলো নাৰীয়ে যৌতুকৰ বাবে শাৰীৰিক আৰু মানসিক কষ্ট পায় আৰু কেতিয়াবা আত্মহত্যাৰ পথো বাচি ল'বলগীয়াত পৰে। যৌতুক প্ৰথাত নাৰীয়েই নাৰীৰ প্ৰধান শত্ৰু হৈ পৰে। এই ক্ষেত্ৰত শাহু বা ননদেহে বিশেষ ভূমিকা লয় স্বামীৰ তুলনাত।

নাৰী ধৰ্ষণো বৰ্তমান সমাজত অতি পৰিচিত আৰু চৰ্চিত বিষয়। বিগত কিছুদিনৰ পৰা প্ৰায় প্ৰতিদিনে বাতৰি কাকত, টি.ভি.ৰ নিউজ চেনেলবোৰত বিভিন্ন ঠাইত সংঘটিত ধৰ্ষণৰ ঘটনাই বাতৰিৰ শিৰোনামা দখল কৰিছে। বিশ্বৰ প্ৰায়বোৰ দেশতে ই এক ভয়াবহ সমস্যা ৰূপে দেখা দিছে। প্ৰণিধানযোগ্য যে বিশ্বৰ আগশাৰী দেশসমূহৰ ক্ৰমে- আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰতি তিনি গৰাকী মহিলাৰ বিপৰীতে এগৰাকী, ছুইডেনত প্ৰতি চাৰিগৰাকী মহিলাৰ বিপৰীতে এগৰাকী আৰু গ্ৰেট ব্ৰিটেইনত প্ৰতি বছৰ প্ৰায় ৮৫ হাজাৰ নাৰী ধৰ্ষিতা হয়। আনপিনে অনুন্নত দেশসমূহ যেনে— দক্ষিণ পূৱ এছিয়া, মধ্যপ্ৰাচ্যৰ দেশসমূহ বিশেষকৈ যুদ্ধ বিধ্বস্ত ছিৰিয়া, ইৰাক আদিত নাৰী ধৰ্ষণৰ পৰিসংখ্যা অগণন।

সমগ্ৰ বিশ্বতে সংঘটিত নাৰী ধৰ্ষণৰ ঘটনা সমূহৰ স'তে সমাজৰ দুটা শ্ৰেণী জড়িত। ইয়াৰ এটা হৈছে সামৰিক বাহিনী (সাধাৰণতে দেখা যায় যুদ্ধ জয়ৰ পিছত কোনো সফল অভিযানৰ ৰূপ দিবলৈ শত্ৰু পক্ষক দুৰ্বল কৰিবলৈ সামৰিক বাহিনীয়ে সহায় লয় ধৰ্ষণৰ দৰে জঘন্য কাণ্ডৰ। ভিয়েটনামৰ যুদ্ধ, ম্যানমাৰৰ সেনা বাহিনীৰ ৰহিংগা দমনৰ আতিশয্য, আলফাৰ বিৰুদ্ধে সংঘটিত নাৰী নিৰ্যাতনৰ ঘটনা আদি ইয়াৰ উদাহৰণ।)

আনটো শ্ৰেণী হ'ল অনগ্ৰসৰ অসংগঠিত শ্ৰমিক শ্ৰেণী। তৃতীয় বিশ্বৰ বাসিন্দা এই শ্ৰমিক শ্ৰেণীৰ লোকসকল সকলো ক্ষেত্ৰতে পিছ পৰা। কেৱল খাদ্য, বস্ত্ৰ, বাসস্থানক লৈয়ে তেওঁলোক ব্যস্ত থাকে। শিক্ষা-দীক্ষাহীন এই শ্ৰমিক শ্ৰেণীটোৱে দিনটোৰ হাড়ভগা পৰিশ্ৰমৰ অন্তত সুৰা পান কৰি আহি পত্নীক মাৰ-ধৰ কৰা, অনৈতিক কাৰ্য কৰা আৰু বিভিন্ন প্ৰকাৰে পৰিয়ালটোক হাৰাশাস্তি কৰাটোৱে জীৱনৰ এৰাব নোৱৰা স্বভাৱ। উচ্চাকাংক্ষাহীন এই শ্ৰেণীটোৱে মনক নিয়ন্ত্ৰণ কৰাৰ কৌশল নাজানে। বিশ্বায়নে তেওঁলোকৰ হাতত তুলি দিয়া স্মাৰ্ট ফোনটোৰ ফিচাৰৰ উপযুক্ত ব্যৱহাৰৰ পৰিৱৰ্তে 'অপাত্ৰৰ হাতত পাত্ৰ' পৰাৰ দৰে কেৱল নীলা ছবি চোৱাতহে ব্যৱহাৰ কৰি তেওঁলোক ভাৰসাম্যহীন হৈ পৰে। সেয়ে সমুখেৰে নাৰী এগৰাকী পাৰ হৈ গ'লে কোন মুহূৰ্তত নিজৰ অৱদমিত কামনা চৰিতাৰ্থ কৰিবলৈ যায়, সেয়া তেওঁলোকে নিজেই ক'ব নোৱাৰে আৰু যেতিয়া সকলো হৈ যায় স্বাভাৱিক অৱস্থালৈ আহে, তেতিয়াই ভুক্তভোগীয়ে আন বিপদ ঘটাৰ আশংকাত সংঘটিত কৰে হত্যাকাণ্ড।

ভাৰতৰ অন্য প্ৰান্তৰ দৰে অসমতো উদ্বেগজনক ভাৱে বাঢ়িব লৈছে নাৰী-নিৰ্যাতনৰ ঘটনা। তথ্য অনুসৰি ২০০৬ চনৰপৰা এই বৰ্ষৰ ২৩ মাৰ্চলৈ ৰাজ্যখনত বলাৎকাৰ, যৌতুক আৰু ডাইনী সন্দেহত মুঠ ১,৭৭৩ গৰাকী নাৰী হত্যা কৰা হৈছে। তদুপৰি ২০১৬ চনৰ পৰা বৰ্তমানলৈ ১৬ গৰাকী নাবালিকা, ১০ গৰাকী মহিলা আৰু ৩৫৩ গৰাকী মহিলা যৌতুক জনিক আৰু ন গৰাকী ডাইনী সন্দেহত হত্যা কৰা হৈছে।

অবোধ শিশুৰ পৰা আৰম্ভ কৰি প্ৰৌঢ় মহিলালৈকে সকলোৱে পুৰুষৰ পাশৱিকতাৰ বলি হ'ব লগা হৈছে। এই মুলুকত ঘটা ৫৫ বছৰীয়া যমুনামুখৰ শিক্ষয়িত্ৰী অনমাই বৰাক ধৰ্ষণ কৰি হত্যা কৰি উটুৱাই দিয়া কাণ্ড, বটদ্ৰৱাৰ কিশোৰী গৰাকীক ধৰ্ষণ কৰি কেৰাচিন ঢালি জ্বলাই দিয়া, কনমানিহঁত পিতৃ বয়সীয়াৰ কামনাৰ বলি হ'বলগীয়া হোৱা কাহিনীয়ে ইতিহাসৰ পৃষ্ঠা ক'লা কৰি পেলাইছে।

নাৰী মাত্ৰেই নিৰ্যাতিত হয় যদিও আমাৰ ৰাজ্যত

বিভিন্ন সম্প্ৰদায়ৰ মাজত মহিলা নিৰ্যাতনৰ ভিন্নতা উলাই কৰিব নোৱাৰি। জনগোষ্ঠীয় সমাজত দুখীয়াসকলে নিজৰ স্বাৰ্থত যুক্তিহীন ভাৱে কাৰোবাক ডাইনী সজাই নৃশংস ভাৱে হত্যা কৰাৰ উদাহৰণ অনেক আছে। গোৱালপাৰা জিলাৰ দুধনৈৰ বিৰুবালা ৰাভাই এক সবল প্ৰতিবাদী কণ্ঠ ৰূপে ডাইনী হত্যা বন্ধ কৰিবলৈ যি প্ৰচেষ্টা গ্ৰহণ কৰিছে সি অনুকৰণীয় আৰু প্ৰশংসনীয়।

পূৰ্ববংগীয় মূলৰ ধৰ্মীয় সম্প্ৰদায়ভুক্ত গীতবোৰত মহিলাৰ নিৰ্যাতনৰ চিত্ৰখন ভয়াবহ। অন্ধবিশ্বাস, কু-সংস্কাৰত জৰ্জৰিত সেইখন সমাজত নাৰীয়ে বিভিন্ন ধৰণে সামাজিক ভাৱে নিৰ্যাতন ভূগি থকাৰ উপৰিও যৌতুক সংক্ৰান্তীয় নিৰ্যাতন আৰু আৰ্থিক ভাৱে দুৰ্বল শ্ৰমজীবি মহিলাসকলে সমাজৰ প্ৰতিপত্তিশালী একাংশ লোকৰ শাৰীৰিক আৰু যৌন শোষণৰ বলি হ'বলগীয়া হয়। আনহাতে বহু বিবাহৰ প্ৰচলনে ধৰ্মীয় সংখ্যালঘু গাঁও সমূহত নাৰীৰ জীৱন ধ্বংসৰ গৰাহলৈও ঠেলি দিছে। প্ৰতিপত্তি থকা পুৰুষবোৰে বহু পত্নী গ্ৰহণ কৰে। বৃদ্ধ পুৰুষবোৰেও নিজৰ সন্তানৰ লেখীয়া ছোৱালী বিয়া কৰায়, নিৰ্যাতন চলায়। কম বয়সতে বিয়া হোৱা বাবে অত্যধিক সন্তান জন্ম দি শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল হৈ পৰে। দুৰ্বল হ'লেও শাস্তি দুগুণে বাঢ়ে কাৰণ স্বামীক যৌন তৃপ্তি দিবলৈ এনে মহিলা অক্ষম। সেইবাবে মিছা অভিযোগ দি সামান্য 'দেন মোহৰ' আদায় দি মহিলাক 'তালাক' দিয়ে যাৰ বাবে মুছলিম মহিলা সকল নীপিড়িত আৰু নিগৃহীত হয়।

মানৱ সভ্যতাৰ দ্ৰুত বিকাশ স্বত্বেও নাৰী নিৰ্যাতনৰ প্ৰকোপ হ্ৰাস হোৱা নাই বৰং বাঢ়িছেহে। ইয়াৰ কাৰণ স্বৰূপে আমাৰ সমাজ ব্যৱস্থা বাৰুকৈয়ে দোষী। আমাৰ সমাজত পুৰুষে মহিলাক সম পৰ্যায়ৰ নাগৰিক হিচাপে গ্ৰহণ নকৰাটোৱে নাৰী নিৰ্যাতনৰ অন্যতম প্ৰধান কাৰণ। তুলনামূলকভাৱে স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত ভাৰতৰ বিভিন্ন ৰাজ্য এতিয়াও অনগ্ৰসৰ হোৱাত নাৰী নিগ্ৰহৰ অন্যতম কাৰণ। তদুপৰি আইনৰ জ্ঞান নাৰীসকলৰ অতি সীমিত। এনেকুৱা স্থিতিত নাৰীসকলে আইনৰ বিষয়ে জনাটো নিতান্তই প্ৰয়োজনীয়। কাৰণ ভাৰতৰ সংবিধানত মহিলাৰ সুৰক্ষাৰ বাবে বিভিন্ন দফা আছে যিয়ে নাৰী অধিকাৰ সুৰক্ষা কৰিব পাৰে। ভাৰতত থকা ভালেমান নাৰী সুৰক্ষা আইন যেনে ঃ ১৯২৯ চনৰ বাল্য বিবাহ আইন, ১৯৫৬ চনৰ উত্তৰাধিকাৰ আইন, ১৯৬৯ চনৰ যৌতুক নিষিদ্ধ আইন ইত্যাদিৰ বিষয়ে জ্ঞান আহৰণ কৰাটো অত্যন্ত জৰুৰী। নিজ অধিকাৰৰ সচেতনতাইহে নাৰী সমাজক নিৰ্যাতন নিপীড়ন, নিস্পেষণৰ পৰা ৰক্ষা কৰিব পাৰিব।

সমাজ ব্যৱস্থাত এক আমূল পৰিৱৰ্তন বৰ্তমান পৰিস্থিতিত লাখটকীয়া সমাধান। সমাজে নাৰীক অৱজ্ঞাৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে সন্মানৰ দৃষ্টিৰে চোৱা কৰিব ধৰিলে এই নিৰ্যাতনৰ পৰিৱেশ সমূলি নাইকীয়া হৈ পৰিব। তদুপৰি সমাজৰ প্ৰত্যেকজন ব্যক্তিৰে মনোভাৱ পৰিৱৰ্তনৰ দিনো আহি পৰিছে। তেওঁলোকে এলান্ধুকলীয়া চিন্তাৰ সংস্কাৰ ঘটাই পৰিয়ালত নাৰীৰ মৰ্যদা সম্পন্ন পৰিৱেশ গঢ়ি তুলি, সেই পৰিৱেশত ল'ৰা-ছোৱালীক গঢ় দিলে সমাজত এই ভয়াবহ সমস্যাই কোনো দিনে মূৰ তুলি চাব নোৱাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। তদুপৰি ভয়-হিংসাৰে জীৱন যাপন কৰা এগৰাকী নাৰীয়ে দেশৰ ভৱিষ্যত দ্ৰষ্টা সুষ্ঠ সন্তান জন্ম দিব নোৱাৰে। সেয়েহে যাতে নাৰী এগৰাকী স্বাধীন ভাৱে জীয়াই থাকি সুস্থ ন-প্ৰজন্মৰে দেশ-জাতিক মহীয়ান কৰি তুলিব পাৰে তাৰ বাবে সমাজ, প্ৰশাসন আৰু চৰকাৰে নিজ নিজ প্ৰচেষ্টা হাতত লোৱা সময় সমাগত। এইখিনিতে এযাৰ অপ্ৰিয় সত্য কথাও উনুকিয়াই থোৱা উচিত হ'ব যে নাৰীয়ে নাৰীৰ প্ৰধান শত্ৰু কথাযাৰ যাতে সত্য প্ৰতিপন্ন নহয় তাৰ বাবে নাৰী সমাজে সদা সচেতন আৰু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। নেপোলিয়ন বোনাপাৰ্টে কৈছিল— 'মোক এগৰাকী ভাল মা দিয়া, মই এটা জাতি উপহাৰ দিম।' আশা ৰাখিম মুখ উজ্জ্বল এটি হাঁহিৰে প্ৰত্যেকগৰাকী নাৰীয়ে ভাল মাতৃ এগৰাকী হৈ এটি সভ্য জাতি গঢ়ি তুলিব আৰু সেই জাতিয়ে মানৱ সভ্যতা আগবঢ়াই লৈ যাব য'ত নাৰী দেৱী ৰূপে পূজিত হ'ব।□□

প্ৰবন্ধ

# যৌতুক প্ৰথা — এটি সামাজিক অভিশাপ

ইয়াছৰিণা ৰুবি চুলতানা
স্নাতক, চতুৰ্থ ষান্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

অতীজৰে পৰা যৌতুক প্ৰথা আমাৰ সমাজত ব্যাধি স্বৰূপে পৰিগণিত হৈ আহিছে। এই ব্যাধি স্বৰূপ অভিশাপ আজিও শাপিত নখদন্ত লৈ পূৰ্ণ শক্তিত আমাৰ সমাজত বিৰাজমান। বৰ্তমান ভাৰতৰ বিভিন্ন প্ৰান্তত আজি বহুসংখ্যক নাৰীয়ে দুৰ্বিসহ দৈহিক আৰু মানসিক নিৰ্যাতন নীৰৱে সহ্য কৰি আহিছে। এতিয়াও আধুনিক ভাৰতত পুঞ্জীভূত হৈ আছে মধ্যযুগীয় সংস্কাৰ। যৌতুকৰ বিনিময়ত পৰিমিত হয় বিবাহিতা নাৰীৰ জীৱনত সুখ-দুখ। অৰ্থলালসাৰ প্ৰাচীৰে ব্যৱধান সৃষ্টি কৰে স্বামী-স্ত্ৰীৰ সম্পৰ্কত।

বৈদিক যুগত হিন্দু সমাজত নাৰী পূৰ্ণ মৰ্যাদাৰ আসনত অধিষ্ঠিত আছিল। নাৰী পুৰুষ উভয়েই পাৰস্পৰিক মনোনয়নৰ মাধ্যমত বিবাহত আৱদ্ধ হৈছিল। তেতিয়া বহুক্ষেত্ৰত পুৰুষেই যৌতুক দিব লগা হৈছিল। এতিয়াও কিছু অনগ্ৰসৰ আৰু জনজাতি সমাজত এই প্ৰথা প্ৰচলিত আছে। কিন্তু সমাজত পুৰুষৰ প্ৰাধান্য বৃদ্ধি পোৱাৰ লগে লগে নাৰীয়ে তেওঁৰ প্ৰতিষ্ঠিত মৰ্যাদা হেৰুৱাব লগা হয়। পুৰুষশাসিত সমাজে নাৰীৰ ওপৰত কিছু বিধি নিষেধ আৰোপ কৰে। ইয়াৰ ফলস্বৰূপে লাহে লাহে যৌতুক প্ৰথাৰ প্ৰচলন হয়। বিবাহৰ সময়ত কইনাৰ দেউতাকে দৰা পক্ষৰ দাবী অনুসৰি নগদ অৰ্থৰ লগতে মূল্যৱান অৰ্থসামগ্ৰী যৌতুক হিচাপে দিব লগা হয়। উভয় পক্ষৰ স্থিৰীকৃত সিদ্ধান্ত অনুযায়ী বিবাহ সম্পন্ন হয়। এসময়ত এই বিয়া অনুষ্ঠান এটি মাংগলিক প্ৰীতিমূলক কাৰ্য হিচাপে পৰিগণিত আছিল যদিও বৰ্তমান ই বাধ্যতামূলক হৈ পৰিছে। ধনী-নিৰ্ধনী, শিক্ষিত-অশিক্ষিত নিৰ্বিশেষে হিন্দু সমাজৰ সকলো স্তৰত এই প্ৰথা বহু যুগৰ পৰা প্ৰচলিত হৈ আহিছে।

উনবিংশ শতাব্দীত ৰাজা ৰামমোহন ৰায় প্ৰমুখ্যে বহু মনিষীৰ প্ৰচেষ্টাত বিধবা বিবাহ, বাল্য বিবাহ, স্ত্ৰী শিক্ষা আদি বিষয়ত উল্লেখযোগ্য সংস্কাৰ সাধন হৈছিল। নাৰী-পুৰুষৰ সমান সামাজিক অধিকাৰে আইনগতভাৱে স্বীকৃতি পাইছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় এইটোৱেই যে বিংশ শতাব্দী অতিক্ৰম কৰি একবিংশ শতাব্দীৰ এই পৰ্বতো আধুনিক শিক্ষিত পুৰুষ সমাজৰ পৰা যৌতুক লোৱাৰ কোনো পৰিবৰ্তন নহ'ল। পৰিৱৰ্তনৰ বিনিময়ত ক্ৰমে বিভিন্ন সমাজত ইয়াৰ প্ৰভাৱ বিস্তাৰ হ'বলৈহে ধৰিলে। কেৱল বিবাহৰ সময়ত নহয়, আনকি বিবাহৰ পিছতো কইনাপক্ষৰ পৰা অৰ্থ দাবী কৰা হয়। বিত্তশালী প্ৰতিষ্ঠিত সমাজত এই প্ৰথাৰ বাহুল্য বেছিকৈ পৰিলক্ষিত হয়। কইনাপক্ষই নিৰ্ধাৰিত অৰ্থ দিবলৈ অক্ষমতা প্ৰকাশ কৰিলে বোৱাৰীৰ ওপৰত আৰম্ভ হয় নানা শাৰীৰিক, মানসিক নিৰ্যাতন। এনেদৰে অকালতে হেৰাই যায় বহু নাৰীৰ ঘৰ সজাৰ সপোন। বাতৰি কাকতৰ আগশাৰীৰ বাতৰিত প্ৰতিদিনেই দেখা যায়- বোৱাৰী হত্যা, নাৰী নিৰ্যাতন, বোৱাৰীৰ আত্মহত্যা। আটাইতকৈ পৰিহাসৰ কথা যে এই যৌতুক প্ৰথাৰ আঁৰত থাকে অৰ্থাৎ ইন্ধন যোগায় আমাৰ সমাজৰ তথাকথিত "শাহু আই" নামৰ নাৰীগৰাকীয়ে। অৰ্থাৎ লালসাত তেওঁ পাহৰি যায় যে এসময়ত তেৱোঁ আছিল এগৰাকী বোৱাৰী। আধুনিক নাৰী শিক্ষা আৰু নাৰী স্বাধীনতাৰ এটি সুফল (?) যে নাৰী নিৰ্যাতন বা বোৱাৰী হত্যা, যৌতুক দাবীৰ পদ্ধতি বেলেগ বেলেগ ধৰণৰ হৈ পৰিছে। কিন্তু অতি আচৰিত কথা যে সংস্কাৰবদ্ধ ভাৰতবৰ্ষত যৌতুক প্ৰথাৰ দৰে কু-প্ৰথা এটি নিৰ্মূল হোৱাৰ পৰিৱৰ্তে আমাৰ সমাজত আধিপত্যহে বিস্তাৰ কৰি আহিছে।

স্বাধীন ভাৰতত যৌতুক প্ৰথা নিষিদ্ধ কৰাৰ আইন প্ৰণয়ন কৰা হৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে এই আইন কেৱল কাগজ কলমতেই সীমাবদ্ধ হৈ আছে। প্ৰসংগত এটা কথা উল্লেখ কৰিব পাৰি যে এই ক্ষেত্ৰত দৰা-কইনা উভয় পক্ষৰ পৰিয়ালে এই প্ৰথাক বাধ্যতামূলক বুলি ভাবিলে কেতিয়াও সমাজৰ পৰা এই ব্যাধি নিৰ্মূল নহ'ব। সামাজিক দৃষ্টিভংগীৰ পৰিৱৰ্তন নহ'লে এই সামাজিক অভিশাপ দূৰীভূত নহয়। সমাজ আৰু সংসাৰত নাৰীৰ শ্ৰদ্ধেয় ভূমিকা স্বীকাৰ কৰিব পাৰিলেহে এই অমানুষিক পীড়নৰ পৰা নাৰীক মুক্তি দিয়া সম্ভৱ। জায়া আৰু জননী হিচাপে নাৰীক তেওঁৰ প্ৰাপ্য মৰ্যাদা দিব লাগিব। এই ক্ষেত্ৰত সমাজসেৱী প্ৰতিষ্ঠান আৰু গণমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। বহল অৰ্থত ক'বলৈ গ'লে যৌতুক প্ৰথাৰ বিৰোধিতাক এটি সামাজিক আন্দোলন হিচাপে পৰিণত কৰা একান্তই প্ৰয়োজন। আজিকালি নাৰীৰ শিক্ষাৰ প্ৰসাৰ ঘটিছে। বিভিন্ন অধিকাৰ তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হৈছে। প্ৰথমেই শিক্ষিতা নাৰী সমাজে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। ভাৰতৰ বিভিন্ন ৰাজ্যত বৰ্তমান বিভিন্ন মহিলা সংগঠন এই প্ৰথা দূৰীকৰণৰ বাবে সক্ৰিয় হৈ উঠিছে। কাৰণ সাময়িক আলোড়ন বা আন্দোলনেই যথেষ্ট নহয়। বিভিন্ন মাধ্যমৰ সহায়েৰে এই ঘৃণা কলংকজনিত প্ৰথা সমাজৰ আগত প্ৰকাশ্যে উন্মোচন কৰিলেহে মানুহ সচেতন হ'ব। মানুহৰ অন্তৰাত্মাত আঘাত সৃষ্টি নকৰিলে মানৱীয়তাৰ দুৱাৰ কেতিয়াও মুকলি নহ'ব। নাৰীৰ সুস্থভাৱে জীয়াই থকাৰ অধিকাৰ নাৰী-পুৰুষ উভয়েই সহায়ৰ হাত আগবঢ়াই দিব লাগিব। এইখন ভাৰতবৰ্ষত যদি বাল্যবিবাহ ৰোধ কৰা গৈছে, সতীদাহ প্ৰথা নিবাৰণ হৈছে তেনেহ'লে যৌতুক প্ৰথা নিৰ্মূল কৰা কিয় সম্ভৱ নহ'ব? যৌতুক দিয়া আৰু যৌতুক লোৱা সমানেই অপৰাধ। কোনো শাৰীৰিক ব্যাধি দূৰ কৰিবলৈ যেনেকৈ ৰোগী আৰু চিকিৎসকৰ সমান প্ৰচেষ্টাৰ প্ৰয়োজন; তদ্ৰূপ যৌতুক প্ৰথাৰ দৰে সামাজিক ব্যাধি দূৰীকৰণৰ বাবে সমাজত বাস কৰা নাৰী-পুৰুষৰ উভয়ৰেই সচেতন হোৱা তথা চেষ্টা কৰা উচিত। নহ'লে অচিৰেই এই ব্যাধি আমাৰ সমাজৰ এটি অভিশাপৰূপে পৰিগণিত হ'ব।□□

## : Most Polluted City Delhi :

- *According to the Ambient Air Pollution (AAP) report for the year 2014, Delhi had PM 2.5 pollution levels, which is the highest in the world, followed by Beijing. This result was based on the monitoring of PM measurement of outdoor air pollution from almost 1,600 cities in 91 countries.*
- *The highest concentration of PM 2.5 form of air pollution is supposed to be a very serious matter and can lead to respiratory diseases and other health problems like lung cancer.*
- *According to the WHO, air pollution is the fifth largest killer in India.*
- *Carbon monoxide (CO), a dangerous gas emission, is around 6,000 microgram per cubic metre in Delhi, which is much above the the safe level of 2,000 microgram per cubic metre.*

প্ৰবন্ধ

# নাৰীবাদ আৰু সাম্প্ৰতিক অসমীয়া সমাজত ইয়াৰ ভূমিকা

উৎপল কলিতা
বি.ভক. প্ৰথম বৰ্ষ

বৰ্তমান সময়ত উত্থাপিত বিষয়বোৰৰ ভিতৰত এটি উল্লেখযোগ্য বিষয় হ'ল নাৰীবাদ। নাৰীবাদ কি বা ইয়াৰ প্ৰায়োগিক প্ৰয়োজনীয়তা কেনেধৰণৰ এইবিলাক নজনাকৈয়ে আমি নাৰীবাদৰ অন্ধ অনুকৰণত মতলীয়া হৈছো। ইয়ে নাৰী সমাজৰ লগতে সমগ্ৰ অসমীয়া সমাজৰ যে বৃহৎ ক্ষতি সাধন কৰিব তালৈ এচামে গুৰুত্ব নিদিয়া যেনেই অনুমান হয়। আমাৰ দৃষ্টিত নাৰীবাদ হৈছে যুক্তিৰ ভিত্তিত, অৰ্হতাৰ ভিত্তিত, মানৱীয় অনুভূতিৰে নাৰী সমাজে লাভ কৰিবলগীয়া কেতবোৰ সুবিধা যিবোৰৰ ক্ষেত্ৰত মাত মাতিবলৈ নাৰী সমাজৰ স্বাধীনতা থাকে। কিন্তু এই অধিকাৰবোৰৰ অপপ্ৰয়োগে নাৰী সমাজক বিপথে পৰিচালিত কৰাও পৰিলক্ষিত হয়।

সমস্বৰে সম-অধিকাৰৰ দাবী কৰি থকা সময়তেই আমি এইটোও স্বীকাৰ নকৰি নোৱাৰো যে মানুহ পৰিৱেশৰ দাস। কোনো ব্যক্তিয়েই সময় আৰু সমাজক আওকান কৰি আগবাঢ়িব নোৱাৰে, কিন্তু যিবিলাক ব্যক্তিয়ে ব্যক্তিগত স্বাধীনতা সম্পূৰ্ণৰূপে উপভোগ কৰিছে তেওঁলোকে কিঞ্চিত পৰিমাণে হ'লেও সমাজৰ গৰিহণা মূৰ পাতি ল'বলগীয়াত পৰিছে।উদাহৰণস্বৰূপে আমি বেলেগ বেলেগ সময়ৰ কেইগৰাকীমান মহীয়সী নাৰীৰ আত্মজীৱনী বিশ্লেষণ কৰি চাব পাৰো; যিসকলে দেশৰ কাৰণে, সমাজৰ কাৰণে, মহিলাৰ কাৰণে মাত মাতি সমসাময়িক সমাজৰ গৰিহণাৰ পাত্ৰ হ'বলগীয়া হৈছিল। অৱশ্যে এই কথাও স্বীকাৰ কৰিব লাগিব যে সমসাময়িক সমাজে অৱহেলা কৰিলেও এইসকল ব্যক্তিক পৰৱৰ্তী সমাজে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিবলৈ নাপালে। কিন্তু মৃত ব্যক্তিৰ মুখত গাখীৰ, কল দিয়াটো যিদৰে অৰ্থহীন, ঠিক তেনেদৰে মৃত্যুৰ পিছত একোজন ব্যক্তিক বঁটা-বাহনেৰে পুৰস্কৃত কৰাটো অৰ্থহীন।

মোৰ দৃষ্টিত প্ৰথমে নাম লবলগীয়া নাৰীবাদী সেইসকল যিসকলে প্ৰাচীন পৰম্পৰা আৰু ৰীতি-নীতিৰ প্ৰাচীৰ ভাঙি পুৰুষৰ লগত সমানে বিদ্যা-শিক্ষা আহৰণ কৰি পৰৱৰ্তী নাৰী সমাজকো শিক্ষাৰ পোহৰেৰে আলোকিত কৰি তুলিছে। এইসকল ব্যক্তিৰ বাবেই নাৰী সমাজ শিক্ষাৰ ক্ষেত্ৰত কিছুবছৰ আগুৱাই গ'ল। এই স্মৰণীয় মহিলাসকলৰ ভিতৰত চন্দ্ৰপ্ৰভা শইকীয়ানী এগৰাকী অগ্ৰণী মহিলা। চন্দ্ৰপ্ৰভা শইকীয়াই যে কেৱল নাৰী শিক্ষাৰ ক্ষেত্ৰতেই অগ্ৰণী ভূমিকা লৈছিল এনে নহয়; ভাৰতৰ স্বাধীনতা আন্দোলনতো তেখেতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি নাৰী সমাজৰ শক্তি-সামৰ্থৰ পৰিচয় দাঙি ধৰিছিল। কেৱল সেয়ে নহয়, পুৰুষত্বৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি অকলেই সমগ্ৰ পুৰুষ সমাজৰ বিৰুদ্ধে থিয় দিছিল। এজন পুৰুষে যদি নাৰীক অবলা বুলি নিন্দা কৰিব পাৰে তেনেহ'লে তেনেকুৱা পুৰুষত্বক বুঢ়া আঙুলি দেখুৱাই দিয়াৰ সাহস আমি চন্দ্ৰপ্ৰভা আইদেউৰ জীৱনৰ পৰাই আহৰণ কৰিব পাৰো। মানুহৰ জীৱনী বিশ্লেষণ আমাৰ এই প্ৰবন্ধৰ মূল উদ্দেশ্য নহয়। গতিকে আন এক বিখ্যাত নাৰীবাদী মহিলাৰ প্ৰসঙ্গলৈ আহো— যিগৰাকীয়ে সমূহীয়া স্বাৰ্থৰ খাতিৰত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিছিল। এই বিতৰ্কিত নাৰীবাদী গৰাকীয়ে কৈছিল,— "মোক যদি মৌলবাদীসকলে ধৰ্মহীনতাৰ দোষত ফাঁচী দিয়ে, দিয়ক। যদি মৌলবাদীৰ নতুন প্ৰজন্মই মোৰ লেখাৰ হাত চিঙি পেলাব বিচাৰে, কাটি পেলাব বিচাৰে মোৰ কলম, বিবস্ত্ৰ কৰিব বিচাৰে মোৰ শৰীৰ, কৰক এয়া মই থিয় হ'লো

সকলো অপশক্তিৰ বিৰুদ্ধে। এয়া মই থিয় হ'লো নাৰীৰ ওপৰত ধৰ্মৰ, সমাজৰ, ৰাষ্ট্ৰৰ নিৰ্য্যাতনৰ বিপক্ষে। কোনোবাই যদি মোক নিশ্চিহ্ন কৰিব বিচাৰে কৰক।" এই গৰাকী নাৰীবাদী মহিলা তচলিমা নাছৰিণে স্পষ্ট ভাষাৰে সমগ্ৰ পুৰুষক প্ৰশ্ন কৰিছিল— "যদি এগৰাকী মহিলা বেশ্যা হ'ব পাৰে, তেনেহ'লে সেইজন পুৰুষক, যাৰ বাবে নাৰী বেশ্যা হয়, তেওঁক কি আখ্যাৰে বিভূষিত কৰা হ'ব? 'বেশ্যা' শব্দটোৰ পুংলিঙ্গ কি? এই কথাৰ উল্লিখনৰ দ্বাৰা মই এইটো কব বিচাৰা নাই যে পুৰুষ-নাৰী সম অধিকাৰৰ ভিত্তিত অবৈধ মিলনত লিপ্ত হওঁক। মই ইয়াকে ক'ব খুজিছো যে নাৰী-পুৰুষৰ তেজ-মঙহ, আশা-আকাংক্ষা, আবেগ-অনুভূতি একে হোৱা স্বত্বেও এজনৰ কাৰণে যিটো সম্ভৱ আন এজনৰ কাৰণে সম্ভৱ নহয় কিয়?"

নাৰীবাদ সম্পৰ্কত আলোচনা কৰিবলৈ হ'লে এনে কেইবাগৰাকীও লেখক-লেখিকা তথা শিল্পী সাধকৰ নাম মনলৈ আহে। আইদেউ সন্দিকৈ এনে এগৰাকী মহিলা, যিয়ে সমগ্ৰ অসমীয়া মহিলাৰ বাবে আদৰ্শ প্ৰতিষ্ঠা কৰিছে। যিয়ে অভিনয়ৰ জৰিয়তে নাৰী সমাজক মুক্তিৰ পথ দেখুৱাই দিছে, যাৰবাবে আজিৰ নাৰী সমাজে মুকলি মনেৰে নিজৰ প্ৰতিভা প্ৰকাশৰ সুবিধা পাইছে। সেই সময়ত অবৰ্ণনীয় দুখ-যন্ত্ৰণা, সামাজিক গঞ্জনা সহ্য কৰিও আইদেউ সন্দিকৈ থমকি ৰোৱা নাছিল। সেইবাবেই অসমীয়া মানুহৰ মনত আইদেউ সন্দিকৈ আজিও এগৰাকী মহীয়সী নাৰীৰূপে জিলিকি আছে।

কেৱল মহিলাসকলৰ মাজতহে যে নাৰীবাদী ভাৱধাৰাই গা-কৰি উঠিছিল এনে নহয়। এনে ভালেসংখ্যক পুৰুষ আছে যিয়ে নাৰীবাদ সম্পৰ্কত মাত মাতিছিল। যদি আমি ভালদৰে মন কৰো, তেতিয়াহ'লে এটা কথা আমাৰ চকুত স্পষ্ট হয় যে নাৰীক শৃংখলিত কৰাৰ ক্ষেত্ৰত প্ৰধানভাৱে নাৰী সমাজেই দায়ী। নাৰী সমাজে জন্মতেই অভিশাপৰ বোজা বহন কৰি আহিছে। কিয়নো ঘৰত ল'ৰা এটা উপজিলে যিমান আনন্দ কৰা হয়, কিন্তু কন্যা সন্তানৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়। সৰুৰে পৰাই ল'ৰা এজনে বজাৰলৈ যোৱাৰ অধিকাৰ পায়, কিন্তু ছোৱালীজনীয়ে নাপায়। গতিকে এনে হীনমন্যতাৰ ভাবটো কেঁচুৱা অৱস্থাৰ পৰাই ছোৱালীজনীৰ মুৰত সুমুৱাই দিয়া হেতুকে ছোৱালীবিলাকৰ মানসিক পৰিসৰ তুলনামূলকভাৱে ঠেক হোৱা পৰিলক্ষিত হয়।

সামাজিক দায়বদ্ধতা কেতিয়াও একপক্ষীয় হ'ব নালাগিব। মানুহৰ দেহত এটা অংগৰ অসুস্থতাই যিদৰে গোটেই শৰীৰটোক অসুস্থ কৰি তোলে, ঠিক তেনেদৰে সমাজৰ এটা অংশ পিছপৰি থাকিলে এখন সমাজ কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। সুস্থ-সবল সমাজ এখন গঠন কৰিবলৈ হ'লে নাৰী-পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। তাৰবাবে লাগিব নাৰী পুৰুষৰ একতা আৰু পাৰস্পৰিক বুজাপৰা। তাৰ অবিহনে অকল পুৰুষ বা অকল নাৰীয়ে একপক্ষীয়ভাৱে সামাজিক উৎকৰ্ষ সাধন কৰিব নোৱাৰে।□□

## ঃ অসমৰ গৌৰৱ হিমা দাস ঃ

বিশ্ব পৰ্যায়ত চেম্পিয়নশ্বিপ ট্ৰেক ইভেন্টত সোণৰ পদক দখল কৰিবলৈ সক্ষম হোৱা ভাৰতৰ প্ৰথম এথলিট্ হ'ল হিমা দাস। নগাঁৱৰ ধিং অঞ্চলৰ আৰ্থিক ভাৱে দুৰ্বল পৰিয়ালৰ সন্তান হিমা দাসে ২০১৮ চনত 'এছিয়ান গেমছ'ত ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰি ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনে।

Article

# Why is drug abuse a social problem?

**Bhitali Kalita**
**T.D.C. 4th Semester, Chemistry Dept.**

What is drug? Drug is a medicine or other substance which has a physiological effect when ingested or otherwise introduced into the body.

This definition is lost in translation and can often be misleading. When we tend to separate prescription drugs and the illicit drugs by referring to one as medicine and the other as a drug, then this leads to two totally different understandings of the term abuse. This separation seems to validates drugs legally prescribed, and diverts the attention onto the illicit supply. So there is the first social problem of terminology and levels of acceptance.

The second social issue is that currently the most prominent and widely accepted way of dealing with people who use drugs is by imposing punishment via criminal justice approaches, rather than support and care via the public health approach. The criminal justice approach is a far more lucrative approach for the private sector, however it is a costly process for the general taxpayer, who without being aware of the facts around the process, then ironically demands more stringent punishment thinking it will save them money when it actual fact it costs them more.

The public health approach is by far the cheapest and most effective way of dealing with addiction and all surrounding issues attributed to it with a far greater rate of successful outcomes than the current approach which has resulted in a significant increase of drug related deaths over the last 3 to 4 years. This is a well orchestrated strategy that, fuelled by media propaganda and glorified headlines, tends to have the majority of the public blaming people who take drugs for all the social ills in our respective communities, however, addiction is a primary solution for many who are victim to social/health inequalities.

Keeping the drug problem in the public eye in such a negative light, portraying people who take drugs, as criminals, with no morals, no conscience, etc. is nothing more than scapegoating the more vulnerable and diverting attention from the real social injustice that are happening around us.

The problem with this approach is that its beginning to reach the breaking point, prisons are overcrowded with non-violent offenders while real criminals walk free because there is no-where to put them! Political false economy setups disinvest in

the health system in order to increase the funding stream in the legal system, which restricts the support and care network for people who use drugs, and also limits the service providers ability to provide quality standards of care, which then results in substance users not accessing support because it doesn't fit their needs, which then results in them continuing to do what they have always done, and so the circle goes.

We have noticed that the illicit substances which are very clearly defined as 'problematic' have, mostly, been available legally at one point, and most have medicinal purposes, yet are frowned upon. However, the majority of legal substances which are as problematic, if not more so, such as nicotine, alcohol, sugar, are of no medicinal value, very detrimental to health and wellbeing, but awarded none of the same attitude that a drug user is constantly shown?

There are a number of reason why drug abuse is seen as a social problem but I am afraid to say that the primary problem is education, or lack of misrepresentation, misunderstanding, ignorance and punitive political policy. People who use drugs are seen as treated in the most anti-social way imaginable, firstly by people who profit from their pain and continued demonization and secondly, by people who fail to take the time to bind out the facts and figures, believe everything they read in the daily fail. The pun and other such rags, and have been systematically diverted from the truth, fooled into blindly supporting the ones who are blatantly robbing them while they focus on the more vulnerable in our communities, because they have come to fear what they don't understand. The perfect delusional entrapment strategy ever, "Shine the torch and we all follow the light while the real issues slide under our nose in the shadows". ❐❐

## : Facts About Drug Consumption :

- *Mizoram is the highest consumer of tobacco in India.*
- *Andhra Pradesh is the highest consumer of Alcohol in India.*
- *There are 10 suicides in India everyday due to drug or alcohol abuse.*
- *Cannabis consumption is legal in Odisha.*
- *Almost all drug addicts in Punjab are male (99%).*
- *The most commonly used drugs in India are Cannabis, Opium & heroin.*
- *Around 70000 teenager of age 9-13 consume drugs in any form.*

প্ৰবন্ধ

# ৰণুৱা নহবি তই বনুৱা হ

জ্যোতি প্ৰসাদ ডেকা
স্নাতক, চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

অম্বিকাগিৰীৰ ভাষাৰে "ৰণুৱা নহবি তই, বনুৱা হ" এই কথাষাৰিৰ বৰ্তমান প্ৰেক্ষাপটত খুব প্ৰাসংগিক আৰু সময়োপযোগী। বৰ্তমান সময়ৰ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত অন্যতম এক সমস্যা 'নিবনুৱা সমস্যা'। যাৰ কোনো সমাধান সূত্ৰ এতিয়ালৈ উদ্ভাৱন হোৱা নাই। কিছুমান নেতাই আকৌ নিৰনুৱা সমস্যাৰ নামত উলিওৱা আঁচনিৰ নামতো কৰে দুৰ্নীতি। সঁচা অৰ্থত আজিৰ সমাজৰ বাবে এনেবোৰ নেতা একো একো জন অভিনেতা।

কিন্তু নিৰনুৱা সমস্যা সৃষ্টিৰ মূল কাৰণ কি? এই সম্পৰ্কত ব্যাখ্যা আগবঢ়োৱাৰ পূৰ্বেই এবাৰ পৰ্যালোচনা কৰা উচিত যে প্ৰকৃতাৰ্থত এয়া নিৰনুৱা সমস্যা নে অকৰ্মন্যতাৰ সমস্যা। আমি বাৰু যান্ত্ৰিকতাৰ কবলত আধুনিকতাৰ মৰিচীকা খেদি খেদি এলেহুৱা হৈ পৰিছোঁ নেকি? নে আমি জীৱন নিৰ্বাহৰ সূত্ৰ বিচৰাত ব্যৰ্থ হৈছো। আচলতে, যেতিয়াই আমাৰ কোনো কাম কৰিবলৈ অৱসাদ জন্মে তেতিয়াই আমি একো একোজন নিৰনুৱাৰ নাম লৈ সমাজত বোজাৰ সৃষ্টি কৰো। নিৰনুৱা সমস্যাৰ সৃষ্টি যিদৰে আমিয়েই কৰো সমাধান সূত্ৰও কিন্তু আমাৰ হাততেই আছে। মাথোন, সেই সূত্ৰ সমূহ সঠিক ৰূপত অলম্বন কৰিব নোৱৰাৰ বাবে আজি সমাজত এক ব্যাধিৰ সৃষ্টি হৈছে। কোনোৱে যদি নিন্দা দিছে চৰকাৰক কোনোৱে আকৌ প্ৰতিবাদৰ নামত সঘনাই ঘোষণা কৰিছে বন্ধৰ, বিপ্লৱৰ কিম্বা উগ্ৰ জংঘী আন্দোলনৰ। আকৌ সঠিক বাট বিচাৰি নাপায় অন্ধই হাতত লাখুটি লোৱাৰ দৰে এচাম হিংসুক মানৱে হাতত তুলি লৈছে অস্ত্ৰ-শস্ত্ৰ। একেদৰে আকৌ এচামে সুৰাৰ ৰাগীত মাতাল হৈ জঘন্য কাণ্ড সংঘটিত কৰি পৰিচয় দিয়ে নিজকে নিবনুৱা বুলি।

হত্যা, হিংসা, ধৰ্ষণ ইত্যাদিৰ দৰে জঘন্য কাণ্ডৰ লগত জড়িত এইবোৰ অকৰ্মন্য লোকক নিবনুৱা বোলা যুক্তি কিবা আছে জানো?

নিচাযুক্ত দ্ৰব্য সেৱন নাইবা প্ৰতিবাদী সমদল উলিয়াই ৰাজপথত বহি সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰাতকৈ তেওঁলোক চন পৰি থকা আজোককাৰ মাটি ডৰাত শস্য ৰোপন কৰিব নোৱাৰে নেকি? খেতি কৰিবলৈ তেওঁলোকে লাজ কৰেনে? নিজকে এজন খেতিয়ক বুলি পৰিচয় দিবৰ বাবে লাজ কৰে। বিশ্ববিখ্যাত কবি ফ্ৰেমিংয়ে কৈছিল যে- "তুমি লাগিলে যি কামেই নকৰা মাথো তুমি সুদক্ষ হোৱা আৰু সমাজক নতুনত্ব প্ৰদান কৰা।" কিন্তু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা কিমান বেছি সেইটোহে লক্ষণীয় বিষয়। সেইবাবে আজিৰ যুৱ সমাজে জনা উচিত যে নিবনুৱা আচলতে বনুৱা নাই বাবেহে।

আহক আমি সকলোৱে নিবনুৱাৰ পৰিবৰ্তে বনুৱাৰ নাম লৈ নিবনুৱা নামৰ এই ব্যাধিটোক সমাজৰ পৰা দূৰ কৰি কল্যাণকামী আদৰ্শ সমাজৰ গঢ় দিয়াৰ প্ৰয়াস কৰো। আমি জনা উচিত আমাৰ প্ৰত্যেকৰে জন্মগতভাৱে কিবা নহয় কিবা বিষয়ত বিশেষ দক্ষতা আছে। কিন্তু দুখৰ বিষয় এই যে আমি এই দক্ষতাবোৰ সঠিক ৰূপ বিকশাই তোলাত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। আজিৰ যুগ প্ৰতিযোগিতাৰ যুগ। এই যুগত আমি যদি নিজৰ নিজৰ দক্ষতাসমূহ উপযুক্তভাৱে বিকাশ কৰিব পাৰো তেন্তে এই দক্ষতাৰ দ্বাৰাই সৃষ্টি হ'ব বনুৱাৰ, হেজাৰ হেজাৰ বনুৱাৰ। আমি প্ৰত্যেকেই দেশৰ বাবে হৈ পৰিম একো একোজন ৰণুৱা। শেষত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ এষাৰে সকলো নিবনুৱালৈ বুলি—

কামেৰেহে উন্নত আসন
ওখ সৰু ভেদ বিনাশন,
পাচি সজা, কামি চচা, টঙাল তুলুৱা
সন্মানৰ কাম, নহে মাথোঁ এলেহুৱা।

Article

# Environmental Problems in India : Its Solution

**Rizuwana Sultana**
**TDC 4th Semester, Geography Department**

An environment is the natural world which surrounds the earth and makes a particular geographical area in which human beings, plants and other living and non-living things maintain nature's balance. However, by any means it such cycles get disturbed, nature's balance also gets disturbed which ultimately affects human lives. Saving the environment has become the top priority across the world. No country in the world disagrees with the fact that the earth is at the brink of a climatic disaster, but the measures taken neither have legs nor the length to address the issue.

While India has gone through a rapid period of economic growth in recent years critics say that growth has come at a severe cost to the country's environment in the form of deforestation, pollution, threats to endangered species, dropping water tables, biodiversity loss, land degradation or river contamination. Though we are aware of all these to some extent we need to learn more about the consequences and the need to address them mitigate the risks associated. Father of the nation Mahatma Gandhi said, "The earth, the air, the land and the water are not an inheritance from our forefathers but on loan from our children. So, we have to handover to them at least as it was handed over to us." So, let us discuss in detail the environmental problems of India in particular and the solutions to those in general so that we wake up and smell the coffee before it's too late.

Air pollution signifies the presence in the surrounding atmosphere of substances like- gases, mixture of gases and particulate matter; generated by the activities of man that interfere with human health, safety and comfort. The direct effect of air pollutions on plants, animal, and soil can influence the structure and function of ecosystems, including self-regulation ability, thereby affecting the quality of life. Air pollution is caused mainly by the smoke from automobiles exhaust and gases released by industrial plants. In a developing country like India the air quality has deteriorated because of the rising industrial activity, increasing power generation, and the congestion on streets with poorly motor vehicles that use leaded fuel. In the present scenario, air pollution is adversely affecting the environment in India and also the health of Indian's is severely affected by numerous of dangerous diseases like- heart diseases, lung diseases, high blood pressure, nervous debility, respiratory allergies, lung cancer,. Etc. Epidemiological studies have shown that

a sudden increase in the air pollution has often been associated with an immediate increase in morbidity and morality.

Water is essential for the survival of any form of life and about 80% of the earth's surface is covered by water. Thus, a great quantity of water exists on the earth, but only a fraction of it is usable and that fraction is shrinking due to pollution. In India, water pollution comes from three major sources- sewage, industrial waste and agricultural waste. Even if the source of water supply and its treatment are of a high standard, water pollution may still occur as often happens, due to corrosion of pipe lines, leaky joints and cross connections between water supply pipes and sewages drainage pipes. The extent of pollution is such that around 60% of the diseases in India are caused due to the consumption of the polluted water. Polluted water is causing numerous of the diseases especially in the rural areas of India where the natural resources of water are mainly used for essential for living.

Soil/land pollution is a desecration of soil by man made substances that after its physical, chemical and biological characteristics. In the major cities of India, the quantity of domestic and municipal solid wastes produced is around 300-600 grams per person per day. In India there are more than 100 million families they account for as much as 50 million buckets of solid waste everyday. The solid waster is typically disposed of by burying it in land fills, burning it and sometimes even recycling it. Except for recycling all the traditional disposed methods create problems of air, land and water. The major sources of land pollution are industrial wastes such as paper, chemicals, textile, fly-ach, rubber, etc. and agricultural wastes like artificial fertilizers, pesticides, farm wasters, etc. Radioactive wastes which are released during nuclear explosion and released from nuclear power plants. Land pollution reduces the fertility of the soil. Due to its adverse effect our land is losing the natural capacity to support growth of plants and trees. Human and animal health has been endangered due to the disease caused by heaps of garbage.

In the past, sanitation was centered on the sanitary disposal of human excreta but in actual fact, the term sanitation covers the whole field of controlling the environment with a view to prevent disease and promote healthy. With the increase in environmental pollution especially with the increase of land and water pollution caused by solid wastes, the sanitation issues have taken up a serious note. The term environmental sanitation is now being replaced by environmental health. The living conditions are not safer for the people. Their food, products and commodities are no longer clean and hygienic.

The previous 20th century has been described as the "Century of Noise". Noise has become a very important "Stress factor" in the present environment of human beings. An irresponsible or meaningless noise is disturbing and annoying. India is full of various kinds of noise that is caused by the industries, vehicles, trains, loud speaker, air,

etc. Noise pollution has its adverse effects on human lives in the form of the problems like hearing problems, loss of mental peace and results in emotional upset. It has also an adverse effect on animal life. It refers their growth and affects their working ability.

The green house effect is one of the most hotly debated environmental issues of the current world. With the increase in greenhouse gases (carbon dioxide, water vapour, methane, chlorofluorocarbons etc.) in the atmosphere, the average temperature of earth has been rising slowly but steadily. If the present trend is allowed to continue as usual, the global temperature in 2050 may rise as high as 3.5 degree Celsious above the pre-industrial level which is well above the ceiling of tolerability and snow covered mountains melt into water thereby raising the sea level by several kilometers. Deforestation is yet another problem which indirectly increase the amount of carbon-dioxide thereby increasing the atomospheric temperature. Industrial and vehicular emissions have contributed their own share of harmful effects to the environment. There is has been a sudden rise in floods, droughts in many parts of India in the recent times. The weather has been unpredictable in the recent times. Energy conservation issues, food safety issues, biological pollutants are increasing in the environment and wildlife conservation is also one of the serious concerns.

Let us now ponder over a few of the suggestions we might consider to enhance the quality of our environment. Mahatma Gandhi said, "You must be the change you wish to see in the world". The basic mantra of life that we need to follow is the 3R's - Reduce, Reuse and Recycle as environmentally responsible consumer. First R specifies limiting the number of purchases we make in the first place; second R suggests reuse of items as much as possible before replacing them and the third R ensures that items or their components are put to some new purpose as much as possible.

Environmental pollution reducing measures can be pinpointed in the following points :

1. Commuting smart by walking or riding to work or the shops instead of driving and even opting for public transport or carpooling.
2. Choosing a fuel-efficient vehicle next time if we are replacing our car or buying a new one.
3. Saving energy, but turning off the television and making sure to flick the light switch when we leave the room.
4. Buying energy-efficient appliances.
5. Using environmental friendly cleaning products.
6. Using renewable energy sources instead of being depended on fossil fuels.

Ozone Layer Depletion can be reduced by stressing upon :

1. Ban on the use of plastics in the country.
2. Ban on the production and use of chlorofluoro-carborn (CFCs).
3. New technologies should be adopted to recapture the CFCs released from the air conditioners and refringerators.

4. Use of energy efficient appliance to reduce Carbondioxide ($CO_2$) emission.

Hydrological environmental issues can be addressed by :

1. Rain water harvesting.
2. Irrigation water management.
3. Hydro projects like construction of Dams.
4. Artificial recharge due to ground water through dug wells.

Waste management can be done properly by :

1. Proper division of waste like bio-waste, mixed waste, cardboard or paper.
2. Plasma gasification is a commonly used technique to convert organic matter into synthetic gas made of hydrogen and carbon monoxide. But the process is very expensive. To deal with this, zero waste theory is implemented as part of reducing solid waste. This is done by proper categorization of wastes and recycling of reusable categories and incineration of the imperishable materials which reduces the cost to 1/3rd of gasification.
3. Compost is organic matter that has been decomposed and recycled as a fertilizer and soil amendment compost is a key ingredient in organic farming. It is also employed to curb solid waste.
4. Pyrolysis is another measure used which is a thermochemical decomposition of organic material at elevated temperatures in the absence of oxygen (or any halogen). It involves the simultaneous change of chemical composition and physical phase and is irresversible.

Finally, development and environment are always seen at loggerheads with each other and the latter always ends up taking a back seat to the former. Thus, looking at the two as separate entities has delayed and brought us to our current position. The answer to this is sustainable development, which is developed that meets the needs of the present, without compromising the environment. Last but not the least, environmental awareness and the consequences of environmental issues should be the talk for India today when we are moving at an accelerated rate of growth and development. We all want India to be a superpower by 2020 but also want environment to be force from all such issues. More than that the primary focus and stress should not only be on theoretically speaking about the problems and possible solutions for environmental issues but also practically implementing them for a better future.❑❑

Article

# A way to mental health : Psychological Counselling

**Priyam Sarmah**
**T.D.C. 4th semester, Zoology Dept.**

Psychological counselling is a speciality couselling within professional psychology that maintain a focus on facilitating personal and interpersonal functioning across the life span by paying attention to emotional, social, vocational, educational, health related, developmental and organizational aspects.

As we all want to lead an oriented and harmonious life, we should know ourselves, own problems and accept the true self. But many of the problems faced by adolescents and youth go unnoticed because they refuse or don't know that they have a problem or it might be due to hesitation to approach a counsellor and it results in depression, anxiety etc. and most importantly suicide rate is increasing.

**Role of a Counsellor :** A professional counsellor can not stop people from experiencing stress or depression but timely provision of preventive and intervention programmes can reduce the occurrence of emotional and behavioural difficulties in people which is the main role of a counsellor.

A counsellor is often interested in building an understanding client's problem by focusing on what understanding the client's problem by focusing on what understanding the client has of his problem and how he feels about it. The actual facts of the problem are considered less important and their feelings and acknowledgement are given more importance.

Confidentiality and privacy constitute the essential ingredients in counselling setting. Physical facilities that preserve this quality are important. Counsellor and client both transmit verbal and non verbal messages during the process.

**Counselling for students :** Counsellors working in higher educational Institute are distinguished by their understanding of connection between psychological and academic difficulties, their knowledge of educational context and their integration to wider Institute. They strive to be accessible and inclusive. It is usual for them to offer: consultation, risk assessment and referral when appropriate. A range of therapeutic work is provided to students and to staff consultation about the students' training. Moreover, written materials are provided to guide the students and staff in response to students in distress.

**Psycho education :** Psycho education is about educating people about their problems, the cause of the problem and provide the solution to tackle the problem.

Psycho education is becoming most important as most of the mental health problems arise due to lack of awareness.

It is, now-a-days, seen that many services are provided to students via workshops, written and interval based sources on problems like examination anxiety, learning difficulties etc. Services providing psycho education often work with student union of support staff to promote mental health.

Thus, we can say that, psychological counselling is an essential aspect of our life and visiting for it is of no matter of hesitation as it is done with proper expertise and ethical standard.❑❑

# Who Invented Science ?

This is a very good and important historical question. You might be a little disappointed at the answer. Nobody invented physics.

As long as there were people, they wondered why things happened the way they did, and what would happen if they tried other things. Well, that's all that scientist do. You can imagine a caveman noticing that fire is hot, and that rubbing two sticks together made them warm; he might ask himself, "Could I make fire by rubbing those stick together really hard?" That cavemen was being a physicist, and when he tried rubbing sticks together , he was doing an experiment.

So, another way to answer your question is : Everyone invented physics, Everyone who ever asked a question about why things happen is a scientist.

Of course, over the years, there were many people who made it their job to try to explain things and some of them made the biggest and most important discoveries in science. For instance, you might be heard of the ancient Greek scientist Aristotle, who tried to explain the way things move. Another ancient Greek was Archimedes, who invented and explained many simple machines, like levers and pumps. Several hundred years ago, Galileo and Newton both discovered important t law about gravity. In this century, probably the most famous scientist was Albert Einstein; his "Theory of Relativity" talks about all the strange things that happen when you're moving almost as fast as light, and a lot of other cool stuff. (Einstein is one of my favourite scientist, because he also did a lot of things besides science, like trying to stop war).

**——Uday Deka**
**B.Sc. 4th Semester**

প্ৰবন্ধ

# মানুহ প্ৰমুখ্যে সকলো জীৱ-জন্তুৰ বাবে অনুকূল পৰিৱেশ বজাই ৰখাত গছ-গছনিৰ প্ৰয়োজনীতা

নীলাক্ষি কলিতা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

গছ-গছনি, জীৱ-জন্তু, ফল-ফুল, চৰাই-চিৰিকতিৰে ভৰা এই পৃথিৱীখন অতি ধুনীয়া। স্ৰষ্টাৰ অপূৰ্ব নিদৰ্শন এই প্ৰকৃতি। সকলো জীৱ-জন্তুৰ লগতে মানুহৰ বাবে অনুকূল পৰিৱেশ বজাই ৰখাত গছ-গছনিৰ ভূমিকা গুৰুত্বপূৰ্ণ। আমাৰ চাৰিওফালে থকা গছ-গছনি, ঘৰ-দুৱাৰ, মাটি, বায়ু, জীৱ-জন্তু, কীট-পতংগাদিৰে আমাৰ পৰিৱেশটো গঠিত। গছ-গছনি হ'ল পৰিৱেশৰ মুখ্য উপাদান। গছ-গছনিয়ে পৃথিৱীৰ মুঠ মাটিকালিৰ এক তৃতীয়াংশ অঞ্চল আৱৰি পাৰিপাৰ্শ্বিক অৱস্থা এটাৰ গঢ় দিছে। প্ৰকৃতিত কেৱল গছ-গছনিয়ে নিজৰ খাদ্য নিজে তৈয়াৰ কৰি ল'ব পাৰে। মানুহৰ লগতে জীৱ-জন্তুবোৰেও গছ-গছনিয়ে প্ৰস্তুত কৰা খাদ্যদ্ৰব্যৰ ওপৰত নিৰ্ভৰ কৰে। গছ-গছনি, ঘাঁহ-বননিয়ে জীৱ-জন্তুক বসবাস কৰাৰ বাবে বাসস্থান দিয়ে ইয়াৰ উপৰি দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা নানা বিধ আচবাব গছ-গছনিৰ পৰা তৈয়াৰ কৰা হয়। চৰাইবোৰে ফুলৰপৰা সংযোগ ঘটায়। জন্তু-জানোৱাৰে গছ-গছনিৰ গুটি সিঁচৰতি হোৱাত সহায় কৰে। পৰজীৱিয়ে গছ-গছনি বা প্ৰাণীক গ্ৰাস কৰে। প্ৰকৃতিয়ে উদ্ভিদ আৰু প্ৰাণীৰ মাজত এক সুষম সম্বন্ধ গঢ়ি তুলিছে। প্ৰতিটো প্ৰাকৃতিক প্ৰয়োজনসমূহ কিদৰে সমভাৱে ভগাই লয়, কিদৰে বিপদজনক পৰিস্থিতি অতিক্ৰম কৰাৰ বাবে নিজকে উপযুক্ত কৰি তোলে আৰু কিদৰে সিহঁতে প্ৰাকৃতিক পৰিৱেশ উপযুক্ত আৰু সুস্থ আবাদীৰ গুণ ধাৰণ কৰি চলে তাৰে একোটা দৃষ্টান্ত। পৰিৱেশৰ এক উল্লেখনীয় কথা হ'ল যাক ইয়াৰ মূল বৈশিষ্ট্যও বোলে যে প্ৰাকৃতিক সন্তুলন সৃষ্টি কৰি গঢ়া এক সুস্থিৰ আবাদী। প্ৰতিটো পৰিৱেশে পৰিৱেশত খাপ খোৱা আৰু চৌপাশৰ প্ৰাকৃতিক পৰিৱেশৰ ঘটনাচক্ৰত জড়িত বিভিন্ন প্ৰকাৰৰ জীৱক ভৰণ-পোষণ কৰে। উদ্ভিদে আহৰণ কৰা শক্তি প্ৰাণীৰ জৰিয়তে স্থানান্তৰিত হয়। উদ্ভিদে পোষক দ্ৰব্য মাটিৰ পৰা আহৰণ কৰে। আকৌ এই দ্ৰব্যবোৰ মৰণ-পাচনৰ দ্বাৰা মাটিত মিহলি হয়। মৃত্যুৰ পিছত নতুন জীৱন গঢ়ি উঠে। ইয়ো প্ৰকৃতিৰেই নিয়ম। বছৰৰ পিছত বছৰ, শতিকাৰ পিছত শতিকা জুৰি লাখ বছৰ এনে বৰ্ণনাতীত জটিল প্ৰক্ৰিয়া সংঘটিত হৈ আহিছে আৰু সিয়েই প্ৰাকৃতিক ভাৰসাম্যতা। সভ্যতাৰ চড়ান্ত শিখৰ চুবলৈ গৈ মানুহেই আজি পৰিৱেশৰ দাস হৈ থকাৰ পৰিৱৰ্তে পৰিৱেশকহে ওলোটাই প্ৰত্যাহ্বান জনাইছে। তাহানিৰ বৈদিক যুগতে কোৱা আছে—

"সত্যং বহুদূতমুগ্ৰং দীক্ষা তপৌ ব্ৰহ্মযজ্ঞঃ ধৰং পৃথিৱী।
সা নু মনুষ্য ভৱষ্য পল্যৰং লৌকং পৃথিৱী নঃ কৃনৌতু।"

অৰ্থাৎ যিসকলে মাতৃৰূপা ধৰণীৰ প্ৰতি মনোযোগ দিয়ে, ধৰণীৰূপী প্ৰকৃতিয়েও সেই সকলৰ প্ৰতি যত্ন লয়।

জ্ঞানৰ জখলাত ঢাপে ঢাপে উঠি গৈ মানুহে জীৱনৰ সঁচাৰ কাঠি আৱিষ্কাৰ কৰিলে। আয়ুৰ্বিজ্ঞান আৱিষ্কাৰৰ বলত মানুহ দীৰ্ঘজীৱি হ'ল। প্ৰাকৃতিক মাৰি-মৰক ৰোধ কৰি মানুহে সমস্ত জীৱকুলৰ শীৰ্ষত অধিষ্ঠিত হ'ল। মানুহ পৃথিৱীৰ শাসনকৰ্তা হ'ল। এই শাসনকৰ্তা মানুহৰ বাধাহীন জনসংখ্যাই প্ৰকৃতিক ভাৰাক্ৰান্ত কৰি তুলিছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্যৰ নাটনিয়ে দেখা দিলে। সেয়েহে খাদ্যৰ নাটনি জোৰাবৰ বাবে মানুহে বননি কাটি কৃষিযোগ্য মাটি উলিয়াইছে। আনহাতে, আধুনিক প্ৰয়োজন পূৰণ কৰিবলৈ গঢ়ি তোলা হৈছে বিভিন্ন কল-কাৰখানা। কিন্তু, পৃথিৱীৰ আয়তন একেই আছে। ফলত কেৱল মানুহৰ

প্ৰয়োজনৰ বাবে অমাত জীৱ-জন্তুৰ বাসস্থান বননি কাটি নাইকিয়া কৰা হৈছে।

আমি জানো যে, মানুহকে ধৰি সকলো জীৱ-জন্তুৱে উশাহত অক্সিজেন গ্ৰহণ কৰে আৰু নিশাহত কাৰ্বন-ডাই-অক্সাইড গেছ এৰি দিয়ে। ইয়াৰ উপৰিও আগ্নেয়গিৰিৰ অগ্নুৎপাতৰ দ্বাৰা, মৃত প্ৰাণী আৰু উদ্ভিদৰ পঁচা দেহৰ, ভূ-পৃষ্ঠৰ চূণশিল নানাবিধ এচিডৰ সংস্পৰ্শলৈ অহাৰ পৰা আৰু অন্যান্য কাৰণত জমা হোৱা কাৰ্বন-ডাই-অক্সাইড ($CO_2$) গেছ বায়ুমণ্ডলত জমা হৈছে। এই গেছবিধ মানুহ আৰু আন জীৱ-জন্তুৰ বাবে অতি বিষাক্ত। এই গেছ ব্যৱহাৰ কৰি গছে সালোক-সংশ্লেষণ প্ৰক্ৰিয়াৰ দ্বাৰা পাতত খাদ্যদ্ৰব্য প্ৰস্তুত কৰে। গছ-গছনিৰ প্ৰধান কাম হৈছে কাৰ্বন-ডাই অক্সাইড গেছ শোষণ কৰা আৰু মানুহৰ লগতে সকলো জীৱ-জন্তু জীয়াই থাকিবৰ বাবে অতি লাগতিয়াল অক্সিজেন গেছ বায়ুমণ্ডলত এৰি দিয়া। কিন্তু, সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ আধুনিক চাহিদা বাঢ়ি গ'ল। এই কৃত্ৰিম চাহিদা পূৰাবলৈ মানুহে গছ-বিৰিখ কাটি নাইকিয়া কৰিলে। ফলস্বৰূপে প্ৰাকৃতিক ভাৱে উৎপাদিত কাৰ্বন-ডাই-অক্সাইড সেউজীয়া উদ্ভিদৰ অভাৱত সালোক-সংশ্লেষণৰ দ্বাৰা কমকৈ শোষিত হ'বলৈ ধৰিছে। কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱা মানেই মানুহৰ মৃত্যুৰ আমন্ত্ৰণ। মানুহ প্ৰমুখ্যে সকলো জীৱ-জন্তু বাচি থাকিবলৈ হ'লে গছ-গছনি আমি ৰুবই লাগিব। গছ থাকিলেহে মানুহ, আন সকলো জীৱ-জন্তু জীয়াই থাকিব।

জীৱ-জন্তুৰ বাবে গছ-গছনিৰ কিমান প্ৰয়োজন তাক এখিলা পাতত কেইটামান শব্দৰে প্ৰকাশ কৰিব পৰাটো বহুত টান। আমি জানো যে, মৰুভূমি শুকান বালিময় ঠাই। এই ঠাইত মানুহে উটৰ গাখীৰ খাই জীয়াই থাকে। জনবসতি খুব কম কোনো ধৰণৰ খেতি-বাতি, গছ-গছনি নোহোৱা হেতুকে তাত জীৱ-জন্তুৰ পৰিমাণো নাই। ঠিক সেইদৰে যদি গোটেই পৃথিৱীখনতে গছ-গছনি কাটি তহিলং কৰা হয় তেতিয়াহ'লে পৃথিৱীৰ সকলো ঠাইয়েই মৰুভূমি সদৃশ হ'ব। গছ-গছনিৰ অভাৱত গোটেই পৃথিৱীখনেই কাৰ্বন ডাই-অক্সাইডেৰে ভৰি পৰিব আৰু অক্সিজেনৰ অভাৱতে চটফটাই মৰি যাব। আমি যদি গভীৰ ভাৱে উপলব্ধি কৰো তেতিয়া হ'লে দেখা পাম যে মানুহৰ লাগতিয়াল সকলোবোৰ বস্তু অৰণ্যৰ পৰাই পোৱা যায়। গছে আমাক কি নিদিয়ে, খাবলৈ খাদ্য দিয়ে, ঘৰ সাজিবলৈ কাঠ দিয়ে, খাদ্য সিজাবলৈ আৰু শীত দূৰ কৰিবলৈ ইন্ধন দিছে, গৰু-ম'হ আদি জীৱ-জন্তুক খাবলৈ খাদ্য দিছে। প্ৰকৃতি, প্ৰাণী বা উদ্ভিদ কোনোবা এটাৰ অস্তিত্ব বিপন্ন হোৱা মানে আনটোৰ অস্তিত্ব লোপ পোৱা। উদ্ভিদ প্ৰজাতি বা গছ-গছনি নোহোৱাকৈ জীৱ-জন্তু তথা মানুহ জীয়াই থকাটো সম্ভৱ নহয়। উদ্ভিদে প্ৰাণীৰ খাদ্য যোগান ধৰাৰ লগতে বায়ুমণ্ডলৰ উপাদান সমূহক নিৰ্দিষ্ট অনুপাতিক হাৰক অটুট ৰাখে। যাৰ ফলত পৃথিৱীৰ বুকুত জীৱ-জন্তু বা প্ৰাণীৰ জীৱন ধাৰণ সম্ভৱ হৈছে। উদ্ভিদ আৰু প্ৰাণীৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা মূলতঃ বসতিৰ বাবে, খাদ্যৰ বাবে গঢ়ি উঠে। প্ৰায়বোৰ জীৱ-জন্তুৱে গছ-গছনিয়ে প্ৰদান কৰা আশ্ৰয়ত বাস কৰে। ইয়াৰ উপৰিও পৰভক্ষী জীৱবোৰৰ পৰা হাত সাৰি থাকিবলৈ গছ-গছনিয়ে সিহঁতক আত্মগোপন বা পলায়নৰ সুযোগ দিয়ে। কিছুমান পোক-পৰুৱা, চৰাই-চিৰিকটি আদিয়ে গছৰ ডালত পাতৰ মাজত বাহ সাজে। কিছুমান কীট-পতঙ্গই আকৌ এডাল গছৰ ওপৰতে জীৱন নিৰ্বাহ কৰি সেইডালৰ ওপৰতে বংশ বৃদ্ধি কৰে। কিছুমানে আকৌ গছৰ খোৰোঙত বাস কৰে গছৰ তলত সৰি পৰা পাত, পচিবলৈ ধৰা কাঠ আদিৰ ওপৰতো কিছুমান জীৱই বাস কৰা দেখা যায়। আকৌ কিছুমান পৰুৱাই পাত এখিলাৰ দুয়োকাষ লগ লগাই তাৰ মাজত থাকিবলৈ লয়।

১৯৭১ চনত কৰা এক হিচাপ মতে ভাৰতবৰ্ষৰ প্ৰায় ৩৮ নিযুত জনজাতীয় লোকৰ শতকৰা ৬০ ভাগেই অৰণ্যত বাস কৰে। তেওঁলোকৰ জীৱন আৰু জীৱিকা অৰণ্যৰ ওপৰত নিৰ্ভৰ কৰে। অৰণ্যত জীৱন কটাই থকা মানুহে এতিয়াও দক্ষিণ আন্দামান, স্কটলেণ্ড দ্বীপ আদিত বহু পৰিমাণে আছে।

প্ৰাচীন ভাৰতৰ বিশ্ববিখ্যাত চিকিৎসা বিজ্ঞানী চৰকক এদিন তেওঁৰ গুৰুৱে এনেকুৱা এবিধ উদ্ভিদ আনিবলৈ কৈছিল যিবিধ উদ্ভিদ প্ৰয়োজনীয় নহয়। বহুদিন পিছত চৰকে আহি গুৰুক কৈছিল যে পৃথিৱীত এনে কোনো উদ্ভিদ নাই যাক অপ্ৰয়োজনীয় বুলি ক'ব পাৰি।

অৰ্থাৎ পৃথিৱীত থকা সকলো উদ্ভিদেই প্ৰয়োজনীয়। কিন্তু, এই প্ৰয়োজনীয় উদ্ভিদৰ বহুত প্ৰজাতি ইতিমধ্যে চিৰদিনৰ বাবে বিলুপ্ত হৈ গ'ল। যি হাৰত বিপন্ন উদ্ভিদৰ সমস্যা বাঢ়িছে তাৰে লক্ষ্য কৰিলে অনুমান হয় যে, আৰু বহুত মূল্যৱান উদ্ভিদ অদূৰ ভৱিষ্যতে পৃথিৱীৰ পৰা বিলুপ্ত হৈ যাব।

পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ অৰণ্যত এতিয়াও বহু সংখ্যক অচিনাক্ত বন্য প্ৰজাতিৰ শস্য জাতীয় উদ্ভিদ আছে বুলি বিজ্ঞানীসকলে অনুমান কৰে। এই বন্য শস্য উদ্ভিদ সমূহ মানৱ জাতিৰ বাবে অতি মূল্যবান। ভৱিষ্যতে যেতিয়া প্ৰচলিত শস্যৰ ক্ষমতা কমি যাব তেতিয়া মানৱ জাতিৰ খাদ্যৰ একমাত্ৰ উৎস হ'ব বনৰীয়া শস্যৰ সঁচ।

যুগ যুগ ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকসমূহে নানা প্ৰকাৰৰ বনৰীয়া উদ্ভিদক ঔষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। সেই উদ্ভিদৰ বহু প্ৰজাতি ইতিমধ্যে বিলুপ্ত হৈছে। এই ঔষধীয় উদ্ভিদসমূহৰ সুৰক্ষা নকৰিলে বৰ্তমান আৰু ভৱিষ্যতৰ মানৱ সমাজৰ জনস্বাস্থ্য ৰক্ষাৰ সমস্যাটো জটিল হৈ পৰিব। আমাৰ সুৰক্ষাৰ বাবে আমি মূল্যবান তৰু-তৃণসমূহ সংৰক্ষণ কৰি ৰাখিবই লাগিব।

ভাৰতবৰ্ষৰ ৰপ্তানি উন্নয়ন পৰিষদ— ১৯৯০ চনৰ এক হিচাপ মতে ভাৰতবৰ্ষই প্ৰতিবছৰে আঢ়ৈ হেজাৰ কোটি টকাৰ ঔষধীয় গছ অন্যান্য দেশলৈ ৰপ্তানি কৰে।

জীয়াই থকাৰ বাবে গছ-গছনিৰ প্ৰয়োজনীয়তা কিমান তাক আমি লিখি শেষ কৰিব নোৱাৰো, মাত্ৰ উপলব্ধিহে কৰিব পাৰো।

গছ-গছনিয়ে বায়ু প্ৰদূষণ বোধ, বানপানী নিয়ন্ত্ৰণ, ভূমিস্খলন আৰু বনজুইৰ পৰা ৰক্ষা কৰে। সেয়ে আহক আমি গছ-গছনি কাটি তহিলং কৰাৰ সলনি বিখ্যাত চিপ্‌কো আন্দোলনৰ শ্ল'গানটোৰে অনুপ্ৰাণিত হৈ দিনটোত এজোপাকৈ হ'লেও গছ ৰোপণ কৰি ধৰণীখনক শুৱনি কৰো আৰু সুন্দৰভাৱে জীয়াই থাকো। বিখ্যাত চিপ্‌কো আন্দোলনৰ মূল শ্ল'গানটোৱেই আছিল—

"অৰণ্যত আৱদ্ধ কি?
বিশুদ্ধ বায়ু, পানী আৰু মাটি।
জীৱনৰ উৎস কি?
বিশুদ্ধ বায়ু, পানী আৰু মাটি।
সুন্দৰ জীৱন যদিহে গঢ়া
অৰণ্য প্ৰকৃতিক ৰক্ষা কৰা।"□□

## World's Largest Tree :

*The largest tree in the world is a giant sequoia* ***(Sequoiadendron giganteum )*** *in California's Sequoia National Park, called General Sherman. The tree is about 52,500 cubic feet in volume. General Sherman is also tall about 274.9 feet high.*

প্ৰবন্ধ

# অত্যাধুনিক নেটৱৰ্ক সংযোগ ব্যৱস্থা, ছ'চিয়েল মিডিয়া আৰু যুৱ সমাজ

বিকাশ শৰ্মা বৰুৱা
স্নাতক কলা, চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ

"জগতৰ পৰিৱৰ্তন চাবলৈ হ'লে প্ৰথমে নিজকে পৰিবৰ্তন কৰি চাব লাগিব"— কথাষাৰ কৈছিল মহা মানৱ মহাত্মা গান্ধীয়ে। মানুহক সৰ্বাংগসুন্দৰ জীৱন ধাৰণ কৰিবলৈ কিছুমান অত্যাধুনিক সা-সুবিধাৰ প্ৰয়োজন হয়। গতিকে, প্ৰকৃতিৰ পৰা আহৰণ কৰা সম্পদসমূহ ব্যৱহাৰোপযোগী কৰি আমি মানৱ সৃষ্ট, সম্পদ হিচাপে গঢ় দিওঁ। সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰা সমূহ অতিক্ৰম কৰি মানৱ জাতিটো বৰ্তমান উপনীত হৈছেগৈ একবিংশ শতিকাৰ তথ্য প্ৰযুক্তি আৰু বিশ্বায়নৰ যুগত। সম্প্ৰতি মানুহৰ জীৱন শৈলী যন্ত্ৰ-চালিত আৰু চাৰিওফালে কেৱল প্ৰতিযোগিতা। এষাৰ কথা আছে- "ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে" অৰ্থাৎ জ্ঞানৰ সদৃশ পবিত্ৰ বস্তু একো নাই। জ্ঞানেই হৈছে শ্ৰেষ্ঠ, শক্তি আৰু বিদ্যাধন হৈছে মহাধন। গতিকে পখিলা যেনেকৈ সৌন্দৰ্য পিপাসু, জীৱশ্ৰেষ্ঠ মানৱ তেনেকৈ জ্ঞান পিপাসু। জ্ঞান হৈছে মানুহৰ সুকীয়া বিভূতি, যিয়ে মানুহক অন্য জীৱৰপৰা পৃথক কৰি ৰাখিছে। মানুহৰ জ্ঞান, অনুসন্ধিৎসু আৰু পৰ্যবেক্ষণশীল স্বভাৱৰ বাবে কিছুমান আশ্চৰ্যচকিতকাৰী বিষয় সহজলভ্য হৈ পৰিছে, যাৰ বাবে ইটোৰ-পিছত সিটো সফলতা প্ৰতিফলিত হৈছে।

বৰ্তমান যুগটো হ'ল মন মুকলি কৰি ৰখা যুগ। মানুহে শাৰীৰিক শক্তিৰে দমন বা আয়ত্ত কৰিব নোৱৰা বস্তু বা ঘটনা বুদ্ধি প্ৰয়োগ কৰি নিজৰ নিয়ন্ত্ৰণলৈ আনিব বিচাৰে। গোলকীয়কৰণ, উদাৰীকৰণ, ব্যক্তিগতকৰণ, আধুনিকীকৰণ, পৰিবৰ্তন— এই শব্দকেইটাই বৰ্তমান সমাজ ব্যৱস্থাত যথেষ্ট আধিপত্য লাভ কৰিছে। নেটৱৰ্ক সংযোগ ব্যৱস্থা আৰু বাৰ্তাবাহক যোগাযোগ মাধ্যমে বৰ্তমান সমগ্ৰ পৃথিৱীখনকে এখন গোলকীয় গাঁৱলৈ পৰিণত কৰিছে। সৰ্বত্ৰে খুব চৰ্চা আৰু সমালোচনাৰ সন্মুখীন হোৱা তেনে এক সৰবৰহী মাধ্যম হৈছে ছ'চিয়েল মিডিয়া, অৰ্থাৎ সামাজিক সংবাদ মাধ্যম। যিয়ে ৰেডিঅ', দূৰদৰ্শন, কম্পিউটাৰৰ পিছত নিজৰ চমকপ্ৰদ আৱিস্কাৰেৰে পৃথিৱীত যুগান্তৰ আনিলে, সভ্যতাৰ ৰূপ সলাই দিলে। এই মাধ্যমে সম্প্ৰতি বিশ্বৰ প্ৰায় অধিকাংশ লোককে আকৰ্ষিত কৰি হিল্লোল জগাবলৈ সমৰ্থ হৈছে। বৰ্তমান সময়ত বিশ্বত প্ৰায় ৭ বিলিয়ন মানুহে মোবাইল ফোন ব্যৱহাৰ কৰে। ইয়াৰে প্ৰায় ২.৫ বিলিয়ন মানুহে স্মাৰ্ট ফোন ব্যৱহাৰ কৰে। গতিকে পৃথিৱীৰ প্ৰায় ৯০% তকৈয়ো বেছি সংখ্যক মানুহৰ মোবাইল ফোনৰ সংযোগ আছে। ইমান বৃহৎ সংখ্যক মানুহে ব্যৱহাৰ কৰা নেটৱৰ্কেই বোধহয় এই মোবাইল ফোনৰ নেটৱৰ্ক। আজিকালি ব্যৱহাৰ হোৱা কোষময় কাৰিকৰী কৌশলসমূহ (Cellular Technology) হৈছে GSM (Global System for Mobile Communication), GPRS (General Pocket Radio Service), CDMA 2000. EvDo (Evolution Data Optimijed), EDGE (Enhance Data For GSM), UMTS (Universal Mobile Telecommunication system), LTE (Long Terms Evolution) । GSM হৈছেসৰ্বপ্ৰথমে ব্যৱহাৰ কৰা Cellular Technology, ই বিশ্বত বহুলভাৱে প্ৰচলিত নেটৱৰ্কৰ প্ৰযুক্তিৰ ভিতৰত পৰে। ইয়াক প্ৰথম পিৰিৰ অৰ্থাৎ "First Generation" বুলি কোৱা হয়। ইয়াৰ পিছত ক্ৰমে GPRS আৰু EDGE হৈছে 2G Technology। ইহঁতে

নেটৱৰ্কতকৈ বেছি বেগত তথ্য সৰবৰাহ কৰিব পাৰে। HSDPA আন প্ৰকাৰৰ বেগী প্ৰযুক্তি। CDMA নামৰ উন্নত নেটৱৰ্ক প্ৰযুক্তিক 3G বুলি কোৱা হয়। LTE হৈছে শেহতীয়াভাৱে সংযোজন কৰা নেটৱৰ্ক প্ৰযুক্তি যাৰ তথ্য সৰবৰাহ গতি অতি বেছি। ইয়াক 4th Generation Network Technology বা 4G বুলি কোৱা হয়। এইবোৰ প্ৰযুক্তি ব্যৱহাৰ কৰি বৰ্তমানৰ মোবাইল ফোনসমূহ প্ৰস্তুত কৰা হয়। টেলিফোন আৰু ইণ্টাৰনেট নেটৱৰ্ক সেৱা এই মোবাইল নেটৱৰ্কে সামৰি লৈছে।

সামাজিক সংবাদ মাধ্যম হৈছে এক অপৰম্পৰাগত মাধ্যম। ই এখন ভাৰ্চুৱেল পৃথিৱী তৈয়াৰ কৰে যি ইণ্টাৰনেট সেৱাৰ মাধ্যমেৰে সহজলভ্য হৈ পৰে। ছ'চিয়েল মিডিয়া হৈছে এটা বিশাল নেটৱৰ্ক, যিয়ে সমগ্ৰ সংসাৰখনৰ লগতে সম্পৰ্ক স্থাপন কৰে। ই অতি দ্ৰুত গতিত সূচনাৰ আদান-প্ৰদান কৰে, য'ত সকলো ক্ষেত্ৰৰে খবৰ সন্নিৱিষ্ট থাকে। সামাজিক সমাজ মাধ্যমৰ ৱেবছাইট সমূহ যেনে ফেচবুক, হোৱাটছ্ এপ, টুইটাৰ, ইউ টিউব আদি হৈছে একোটা সংস্থা বা কোম্পানীৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত অনুসন্ধান কৰা বা জ্ঞান অন্বেষণ কৰা বাৰ্তাবাহক ৱেবছাইট। সামাজিক সংবাদ মাধ্যমৰ মূল হৈছে অন্তৰ্জাল, যিয়ে পাৰস্পৰিক সম্বন্ধ নিৰ্মাণ কৰি ব্যক্তিসমূহৰ মাজত, বিভিন্ন বিষয়ক লৈ আলোচনা, মতামত দিয়া, চৰ্চা কৰাত সহায় কৰে। তাৰোপৰি নিজা প্ৰতিভা, নতুন নতুন বিচাৰ ধাৰা-ভাৱধাৰাৰ প্ৰচলন, সমাজত হৈ থকা, সমস্যাৰ বিষয়ে সহজতে প্ৰচাৰ কৰিব পাৰো। অন্তৰ্জালৰ মাধ্যমেৰে আমি সম্প্ৰতি সমগ্ৰ বিশ্বত কি কি প্ৰচলন হৈ আছে, কি ঘটনা সংঘটিত হৈ আছে, বিভিন্ন ঠাইৰ ভৌগোলিক পৰিৱেশ,কৃষ্টি-সংস্কৃতি, নীতি-নিয়মৰ বিষয়ে অৱগত হ'ব পাৰো। আমি ছাত্ৰ-ছাত্ৰীসকলেও প্ৰয়োজনীয় বিষয়সমূহ Apps ডাউনলোড্ কৰি শিকি লব পাৰো। পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাই হওঁক বা অইন কিবা বিষয়েই হওঁক এইক্ষেত্ৰত Google নামৰ Search Engine টোৱেও যথেষ্ট খিনি সহায় কৰে। গতিকে বৰ্তমান সময়ত ছ'চিয়েল মিডিয়াৰ যথেষ্ট প্ৰাসংগিতা আছে আৰু ই খুবেই জনপ্ৰিয়।

ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ ভিতৰতে বৃহত্তম গণতান্ত্ৰিক দেশ। গণতান্ত্ৰিক চৰকাৰ সফল হ'বলৈ সংবাদ মাধ্যমৰ স্বাধীনতাৰ এক অপৰিহাৰ্য অংগ অৰ্থাৎ এনে চৰকাৰৰ সফলতাত সংবাদ মাধ্যমে বদান্য বৰঙণি আগবঢ়াই ঘোঁৰাৰ লেকামৰ নিচিনা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ বিৰোধী দলৰ দৰে চৰকাৰক কাৰ্যসমূহ সম্পাদন কৰাত আঙুলিয়াই দিয়ে। বিশ্বায়ন বা গোলকীকৰণ, শব্দটোৰ অৰ্থ হ'ল আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা শক্তি অৰ্জন কৰি দেশৰ অৰ্থনীতিক বিশ্ব বজাৰৰ বাবে মুকলি কৰি দিয়া। এই ক্ষেত্ৰত নিজৰ দেশখনৰ ৰপ্তানিকৃত সামগ্ৰীসমূহৰ বিজ্ঞাপনৰ বাবে সামাজিক সংবাদ মাধ্যম হৈছে এটা সহজ মাধ্যম। এই গোলকীকৰণে দেশসমূহৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধি কৰিছে। বৈজ্ঞানিকতা, মানৱতাবাদ, অনুসন্ধিৎসা, সংস্কাৰকামী মনোভাৱ আদিয়ে এজন সুস্থ-সৱল নাগৰিক গঢ়াত সহায় কৰে আৰু নাগৰিকৰ যেতিয়া উন্নতি হ'ব, তেতিয়া ৰাষ্ট্ৰৰ উন্নতি হ'ব।

বৰ্তমান এই সামাজিক সংবাদ মাধ্যমসমূহে সমাজৰ সকলো দিশকে সাঙুৰি লৈছে। বিশেষকৈ ই শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰখনক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক ছ'চিয়েল মিডিয়াৰ উচিত ব্যৱহাৰে ধনাত্মক প্ৰভাৱ পেলাব আৰু অনুচিত ব্যৱহাৰে ঋণাত্মক প্ৰভাৱ পেলাব। কৈশোৰ কালত কিশোৰ কিশোৰীসকলৰ সাধাৰণতে কিছু কিছু পৰিমাণে নৈতিকতাৰ স্খলন আৰু মূল্যবোধৰ অৱক্ষয় ঘটে। এইক্ষেত্ৰত বয়োজ্যেষ্ঠ লোকসকলে যদি কিশোৰ-কিশোৰীসকলৰ বাবে কৈশোৰ কালতে দিবলগীয়া যথোচিত শিক্ষাৰ বিষয়ে ছ'চিয়েল মিডিয়াত প্ৰচাৰ কৰে তাৰ দ্বাৰা তেওঁলোকৰ জীৱনত ধনাত্মক প্ৰভাৱ পৰিব বুলি আশা কৰিব পাৰি। শৈক্ষিক ক্ষেত্ৰখনত যথেষ্ট গৱেষণাৰ প্ৰয়োজন। "ছাত্ৰাণামধ্যয়নং তপ:"— অধ্যয়নেই হৈছে তপস্যা। শৰীৰ আৰু মনক আৰাম-বিলাস নিদি ধ্যেয় বস্তুৰ প্ৰাপ্তিৰ কাৰণে দুখ কৰাই তপস্যা। অধ্যয়ন হ'ল জ্ঞান লাভৰ উপায়। গতিকে ছাত্ৰ-

ছাত্ৰীসকল বিনয়ী হৈ কঠোৰ অধ্যয়ন কৰি কৃতকাৰ্য হোৱা উচিত। শিক্ষাৰ দ্ৰুত অগ্ৰগতিৰ লগে লগে মানুহৰ বৈজ্ঞানিক মানসিকতাৰ প্ৰতি ধাউতি বাঢ়িছে। ফলত সৃষ্টি হৈছে ন ন আৱিষ্কাৰৰ যিয়ে মানৱ মন-মগজু গ্ৰাস কৰি পেলাইছে। আমি সময়ৰ লগত খোজ মিলাই নৈৰ সোঁতৰ লগত দৌৰিছো সঁচা, কিন্তু তাৰ দ্বাৰা যাতে আমাৰ মাজৰ পৰা মানৱতা হেৰাই নাযায় সেইটো পাহৰিব নালাগিব।

যুৱশক্তি হৈছে ৰাষ্ট্ৰশক্তি। আজিৰ ছাত্ৰ ভৱিষ্যতৰ ধৰণীস্বৰূপ তথা দেশৰ নিৰ্মাতা। ছাত্ৰ জীৱন, মানৱ জীৱনৰ এক অমূল্য সম্পদ। অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ আৰু জুই শালত গঢ়িলেহে কমাৰ শালত পঢ়িব পাৰি ছাত্ৰসকলক শিক্ষা গ্ৰহণ সময়ছোৱাতে সু-শিক্ষাৰে শিক্ষিত কৰিলেহে দেশৰ ভৱিষ্যৎ প্ৰগতিৰ বাট মুকলি হ'ব। কিয়নো ছাত্ৰ সমাজে যদি নিজকে পৰিবৰ্তনৰ দিশত অগ্ৰসৰ কৰিব নোৱাৰে তেতিয়াহ'লে সমাজৰ পৰিবৰ্তন আৰু যুৱ প্ৰজন্মই যে দেশৰ ভৱিষ্যৎ ভাৰসাম্য বহন কৰিব তাক আশা কৰিব নোৱাৰি। শিক্ষাই এখন দেশ, এটা জাতিৰ প্ৰগতিৰ চাবি-কাঠি। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, যুক্তিবাদী চিন্তা-চৰ্চাৰে বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাত সহায় কৰে। প্ৰকৃততে মানৱীয় প্ৰমূল্যবোধ নিৰ্ভৰ কৰে জনসাধাৰণৰ শিক্ষাৰ ওপৰত। সেয়েহে বিষ্ণু প্ৰসাদ ৰাভাই এষাৰ কথা কৈছিল— "দেশবাসীৰ শিক্ষা-দীক্ষাৰ ওপৰতে দেশৰ উন্নতি নিৰূপিত হয়।" প্ৰাপ্তবয়স্ক হোৱাৰ পিছৰে পৰা ছাত্ৰ-ছাত্ৰীসকলে বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো খবৰ, পৃথিৱীৰ বিভিন্ন, দেশৰ অৰ্থনীতি, ৰাজনীতি, আন্তঃগাঁথনি, চৰকাৰ, প্ৰশাসন, গণতন্ত্ৰ আদিৰ বিষয়ে জনাটো বা সজাগ হোৱাটো আৱশ্যক। এই ক্ষেত্ৰত ছ'চিয়েল মিডিয়া এক উত্তম মাধ্যম।

বৰ্তমান ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সপোন হৈছে ডিজিটেল ভাৰত গঢ়া, নিউ ইণ্ডিয়াৰ ভেঁটি সুদৃঢ় কৰা আৰু সকলো জনসাধাৰণকে স্মাৰ্ট সংযোগ ব্যৱস্থাৰ সৈতে সংলগ্ন কৰা। ইয়াৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে কিছুমান অত্যাধুনিক আঁচনিৰ ব্যৱস্থা কৰিছে, যি সমূহৰ জৰিয়তে আমি পোনপটীয়াকৈ চৰকাৰৰ স'তে যোগাযোগ ৰাখিব পাৰিছো। এই আঁচনিৰ অন্তৰ্ভুক্ত দুখন আঁচনি তলত উল্লেখ কৰা হ'ল—

১। ডিজিটেল লকাৰ ঃ ই হ'ল এনে এক সুৰক্ষা ব্যৱস্থা য'ত জনসাধাৰণে বেংকৰ পাছবুক, ATM কাৰ্ড, মাটি-বাৰীৰ কাগজ-পত্ৰকে ধৰি অন্যান্য নথি-পত্ৰবোৰ সুৰক্ষিত কৰি জমা ৰাখিব পাৰিব।

২। ই-বেগ ঃ ই -বেগ হ'ল ছাত্ৰ-ছাত্ৰীৰ কিতাপৰ মেটমৰা বোজা লাঘৱ কৰাৰ উদ্দেশ্যে হাতত ল'ব খোজা অত্যাধুনিক সেৱা ব্যৱস্থা। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ কিতাপৰ বেগ লৈ যোৱাৰ পৰিৱৰ্তে ইণ্টাৰনেটৰ সহায়ত প্ৰয়োজনীয় কিতাপখন ডাউনলোড্ কৰি ল'ব পাৰিব।

ইয়াৰ উপৰিও মাই গভ্ ডট্ ইন্, ই-ক্ৰান্তি ব্যৱস্থা, ভাৰত নেট, স্বচ্ছ ভাৰত মিছন মোবাইল এপ্ ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য।

আজিকালি অ'নলাইন সেৱায়ো প্ৰগতিত যথেষ্ট খিনি অৰিহণা যোগাইছে। বিশেষকৈ বিভিন্ন চাকৰি বা কামৰ কাৰণে আবেদন কৰা, পৰীক্ষাৰ নামকৰণ পত্ৰ বা অন্যান্য সা-সুবিধাৰ বাবে পত্ৰ পূৰণ কৰি প্ৰয়োজনীয় ঠিকনালৈ ৱেব চাইটৰ সহায়েৰে পঠিওৱা দ্ৰুতগতিত সফল হৈছে। অ'নলাইন বেংকিং আৰু অ'নলাইন মাৰ্কেটিঙৰ বাবেও জনসাধাৰণ খুবেই আগ্ৰহী। ইণ্টাৰনেট হ'ল বহুতো নেটৱৰ্কৰ মাজেৰে এটা নেটৱৰ্ক। ই হ'ল এনে এক কম্পিউটাৰৰ জালিকা ব্যৱস্থা যাৰ দ্বাৰা সমগ্ৰ বিশ্বৰ অসংখ্য কম্পিউটাৰ সংযোগ কৰি বিভিন্ন তথ্য বা বাৰ্তা শ্ৰব্য আৰু দৃশ্য মাধ্যমেৰে সৰবৰাহ কৰিব পাৰি। ই-মেইলৰ সম্পূৰ্ণ ৰূপটো হ'ল ইলেক্ট্ৰনিক মেইল। ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন প্ৰতিষ্ঠান বা ব্যক্তিয়ে মুহূৰ্ততে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ খবৰৰ বা চিঠিপত্ৰৰ আদান-প্ৰদান কৰা সম্ভৱ হৈ উঠিছে। ৱেব-চাইট ৱেব পেজৰ (Web page ) সমষ্টি। যিবিলাক কোনো সামাজিক সংগঠন, অনুষ্ঠান, যেনে-বিশ্ববিদ্যালয়, ব্যৱসায়িক কেন্দ্ৰ, গৱেষণা প্ৰতিষ্ঠান,

লাইব্ৰেৰী, সমাজকল্যাণমূলক সংস্থাক ৰক্ষণা-বেক্ষণ দিয়ে আৰু শেহতীয়া তথ্য-পাতি অন্তৰ্ভুক্ত কৰি থয়। প্ৰতিটো ৱেব চাইট WWW ৰে আৰম্ভ হয়।

ফেচবুক হৈছে কিছুমান তথ্যসূচী প্ৰকাশ কৰি পৰস্পৰে পৰস্পৰক জানিবলৈ এক উত্তম মাধ্যম। এই ফেচবুক অৰ্থাৎ মুখপত্ৰৰ মাধ্যমেৰে আমি সমাজৰ বহু অপৰিচিত লোকৰ সৈতে "বসুধৈৰ কুটুম্বকম্' এই বাক্যৰ সাৰমৰ্ম স্থাপন কৰিব পাৰো। বিশেষভাৱে সক্ষম আৰু বাৰ্দ্ধক্যজনিত লোকসকলকো সামাজিক সংবাদ মাধ্যমৰ সৈতে সংযুক্ত কৰি তেওঁলোকৰ মনৰ দুৰ্বলতা বা মানসিক অশান্তি আৰু নিসংগতা দূৰ কৰিব পাৰি।

বৈজ্ঞানিক নিউটন মহোদয়ে কৈছিল— "Every action has a opposite and equal reaction" গতিকে ছ'চিয়েল মিডিয়াৰ অপকাৰো নোহোৱা নহয়। সমাজৰ এচাম মানুহে এই মাধ্যমৰ ব্যৱহাৰ কেনেকৈ কৰিব লাগে সেই কথা নাজানে। গতিকে মাজে-সময়ে এই মাধ্যমৰ প্ৰয়োগত কিছুমান কু-প্ৰভাৱ পৰিলক্ষিত হয়। অভূতপূৰ্ব আৱিষ্কাৰসমূহে বিশেষকৈ নৱ প্ৰজন্মকে প্ৰভাৱান্বিত কৰে। গতিকে আধুনিক যান্ত্ৰিকতাৰ মাজত ডুবি আমি ক'লৈ গতি কৰিছো আপোন-পাহৰা হ'ব নালাগে। সংস্কাৰৰ নামত বেয়া ধাউতি বা মানসিকতাৰ প্ৰতি আকৃষ্ট হ'ব নালাগে। ইয়াৰ বাবে অভিভাৱক সকল সজাগ-সচেতন হৈ ল'ৰা-ছোৱালীক তাৰ অপকাৰৰ পৰা আঁতৰাই ৰাখিব লাগিব। কেতিয়াবা প্ৰায়ে দেখা যায় ছ'চিয়েল মিডিয়াত ভুৱা বাতৰি আৰু অশালীন মন্তব্য বা ভিডিঅ' আপলোড কৰা হয়। ইয়াৰ জৰিয়তে জনসাধাৰণৰ মাজত মিছা কাৰণত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়, গঢ় লৈ উঠে বিকৃত মানসিকতা। গতিকে এনে ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰাৰ পৰা আমি দূৰত থাকিব লাগিব।

সম্প্ৰতি সমগ্ৰ পৃথিৱীত দুটা সভ্যতাৰ দৌৰ তীব্ৰ গতিত আৰম্ভ হৈছে- ভাৰ্চুৱেল আৰু শৰীৰ চৰ্চা। কৃত্ৰিম বুদ্ধিমত্তা সৃষ্টিৰ কথাও উত্থাপন হৈছে। আহি থকা সময়ছোৱাত মহাকাশত স্থাপন কৰা কৃত্ৰিম তথা সংযোগ উপগ্ৰহসমূহে কিছুমান বেছি আধুনিক সংযোগ ব্যৱস্থাক আগবঢ়াই নিব সেইটো বিশ্বজনীন। তথ্য সংগ্ৰহ বা বাৰ্তা প্ৰেৰণৰ বাবে ছ'চিয়েল মিডিয়াতকৈ নান্দনিক একো নাই। গতিকে আমি কাম কৰো "বহুজন হিতায়, বহুজন সুখায়ৰ বাবে।"❏❏

## : Interesting Social media statistics :

- *For context, as of November 2018, total worldwide population is 7.6 billion.*
- *The internet has 4.2 billion users.*
- *There are 3.03 billion active social media users.*
- *On average, people have 5.54 social media accounts.*
- *The average daily time spent on social is 116 minutes a day.*
- *91% of retail brands use 2 or more social media channels.*
- *81% of all small and medium businesses use some kind of social platform.*
- *Internet users have an average of 7.6 social media accounts.*
- *Social media users grew by 121 million between Q2 2017 and Q3 2017.*
- *Facebook Messenger and Whatsapp handle 60 billion messages a day.*

প্ৰবন্ধ

# অন্য এক দৃষ্টিকোণেৰে - সোণাৰু

সংগীতা তামুলী
স্নাতক, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

সোণাৰু যেন বসন্তৰ আকাশত হালধীয়া বুটা বচা মৰতৰ তৰা। সোণাৰু ফুলৰ সৌন্দৰ্য অতিকে মনোৰম তথা বিতোপন।সোণাৰু ফুলৰ ৰং-ৰূপে মানুহৰ মনত এক গভীৰ প্ৰশান্তি দিয়ে। সেয়েহে হয়তো সোণাৰু অন্যান্য দিশৰ লগতে সাহিত্য জগতৰ গীত-কবিতাৰ মাজতো সমাদৃত।

পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ লগতে প্ৰাকৃতিক সৌন্দৰ্য্যৰ ভৰপূৰ অসমৰ গাঁও-ভূঁই, হাবি-বননি সকলোতে সোণাৰু গছ দেখা যায়। ইয়াৰ ইংৰাজী নাম 'Indian Laburnun' আৰু বৈজ্ঞানিক নাম 'Cassia Italics' যদিও 'Golden Rain Tree; Golden Shower Tree' বুলিও জনা যায়। সোণাৰু গছ জোপা সাধাৰণতে ১০-২০ মিটাৰ পৰ্যন্ত ওখ হয়। ইয়াৰ পাতবোৰ প্ৰায় ১৫-২০ ছেণ্টিমিটাৰ দীঘল আৰু ফুলথোপা দীঘলে ২০-৪০ ছেণ্টিমিটাৰ হয়। বসন্ত কালত এই ফুলপাহ ফুলিবলৈ আৰম্ভ হয় আৰু বসন্ত কালৰ শেষৰ কালছোৱাত প্ৰচুৰ পৰিমাণে ফুলে।

সোণাৰু ফুল কেৰেলাৰ জাতীয় ফুল। কেৰেলাৰ বিষুঃ উৎসৱত সোণাৰু ফুলৰ এক আনুষ্ঠানিক আদৰ আছে। পৌৰাণিক তামিল সাহিত্যৰ মতে এই উদ্ভিদবিধক 'কণদ্ৰাই' বুলি কোৱা হয়। পৌৰাণিক কালত দক্ষিণ ভাৰতৰ জাতীয় ফুল হিচাপে সোণাৰু বিখ্যাত আছিল। সমগ্ৰ দক্ষিণ ভাৰততেই এই গছবিধ পোৱা যায়। ভাৰত, ম্যানমাৰ, থাইলেণ্ড, শ্ৰীলংকা জুৰি সোণাৰু গছ বিস্তৃত।

ৰঙে ৰূপে বিমোহিত কৰা সোণাৰু ঔষধীয় গুণেৰেও ভৰা। আয়ুৰ্বেদত (ঔষধি শাস্ত্ৰত) এই উদ্ভিদবিধক 'আৰেগ-ভদা' (বীজাণু নাশক) বুলি কোৱা হয়। বনৌষধি চিকিৎসাতো এই উদ্ভিদজোপাৰ বিভিন্ন অংশ ব্যৱহৃত হয়। সোণাৰু গছৰ ফলবিধৰ মজ্জা 'কৌষ্ঠকাঠিন্য' ৰোগত দৰৱ হিচাপে ব্যবহাৰ কৰা হয়। অৰ্শৰোগৰ নিৰাময়ৰ ঔষধো সোণাৰু গছৰ শিপাৰে তৈয়াৰী। খৰ-খজুৱতিত সোণাৰু গছৰ পাত পিচি লগোৱা হয়। মুখত ঘা হ'লে সোণাৰু গছৰ কোমল পাত চোবাই খোৱা হয়। ইয়াৰ উপৰিও গাঁঠি বিষ, খোনা বা বকৰা আদিৰ দৰবৰ বাবেও সোণাৰু গছৰ বিভিন্ন অংশ ব্যৱহাৰ কৰা হয়।

দেখা যায় যে, মানৱ জীৱন অথবা মানুহৰ লগত সোণাৰু গছৰ এক নিবিড় সম্বন্ধ আছে। কিন্তু বৰ্তমানে ভোগ-বিলাস, সুখময় জীৱন যাপনৰ স্বাৰ্থত অৰণ্য লুণ্ঠনকাৰীসকলে বিবেচনাহীন ভাৱে কৰা ধ্বংস-যজ্ঞৰ কবলত পৰি সোণোৱালী সোণাৰু বহু পৰিমাণে কমি আহিছে। গতিকে, প্ৰাকৃতিক সম্পদৰাজিৰ সন্তুলিত ব্যৱহাৰেৰে বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাটো এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হোৱা উচিত।

(বিঃ দ্ৰঃ- এই প্ৰবন্ধটো যুগুতোৱাত কিছু তথ্য ইণ্টাৰনেটৰ পৰা সংগ্ৰহ কৰা হৈছে।) ❑❑

Article

# Live Physics :
# Machines know more about us than we do.

**Rafiqul Islam**
**B.Sc. 4th Semester, Dept. of Physics**

Forget face book. Our body emits data that could be used to read emotions, check your health as well as track aggression.

Even if you opt for face book and all its data sharing tendencies, avoid using a smartphone, and generally stay off the internet. You are still emitting data every second and every day. As Poppy Crum, Chief scientist at Dolby Labs. demonstrated during a talk at TED conference in Vencouver, new technologies could soon make it possible for companies and institutions to track your emotions and health using this data.

Crum showed the audience a frightening video. She then offered a data visualization showing the Carbon dioxide exhaled by people in the theatre while video was played. Crum had, it turned out, been tracking the audience's Carbon dioxide emissions. "You can see where some of us jumped as a deep red cloud. It's our collective suspense creating a spike in $CO_2$" she says.

This is the hind of passive data collective technology, according to Crum, that could one day be used to revive our inner lives to teachers, doctors and of course cor poralions.

Crum a neurophysiologist by training, does related research. At Dolby, she studies how people watch movies using EEG caps, trackers that measure heart rate and sweet response, and thermal imaging cameras. The idea is to answer a variety of questions that could be used to change the ways films and TV shows once made, including what kinds of scenes cause people to sweet, fall asleep, to get nervous.

"There are so many opportunities right now for technology to know these things about us, and its not always bad," She says. In practice, according to her, this could mean allowing health care provide access to speech data that could detect diseases (Speech changes can be a sign of Alzhelmer's, for example) or letting teachers have access to information about how students are reacting to certain lessons.❑❑

প্ৰবন্ধ

# স্মাইলী আৰু ইয়াৰ ইতিহাস

ৰাজা হাচিম আহমেদ
চতুৰ্থ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

এডাল ঘূৰণীয়া ৰেখাৰ ভিতৰত এটা হালধীয়া ৰঙৰ বল...... তাৰ ভিতৰত আৰু দুটা সৰু সৰু ক'লা ৰঙৰ বল আৰু এডাল ধেনুভেৰীয়া ৰেখা..... ইয়েই আছিল আজিৰ Smiley ......... স্মাইলীৰ আদি ৰূপ। স্মাইলী হৈছে নেটত মানুহৰ ভাব প্ৰকাশ কৰাৰ এটা সাংকেতিক চিহ্ন। আজি বিশ্বত ফেচবুক, টুইটাৰ, নেট ব্যৱহাৰ কৰা ব্যক্তি সকলৰ মাজত হয়তো এনে ব্যক্তি নোলাব যি এই চিহ্নটোৰ সৈতে পৰিচয় হোৱা নাই। মানুহৰ মনৰ সুখ, দুখ, বেজাৰ, খং, আনন্দ, কৌতুহল ইত্যাদি সকলো অৱস্থাকে এই চিহ্নটোৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি। কিন্তু আপোনাৰ বাৰু জানিবলৈ মন নাযায়নে—যে এই চিহ্নটোৰ সৃষ্টিকৰ্তা কোন আছিল বা কি কাৰণত, কোন চনত ইয়াক অংকণ কৰা হৈছিল।

এই সাংকেতিক চিহ্নটোক অংকণ কৰা শিল্পীজনৰ নাম আছিল হাৰ্ভে ৰ'জ ব'ল (Harvey Ross Ball), জন্ম হৈছিল ১৯২১ চনৰ ১০ জুলাইত আৰু মৃত্যু হয় ২০০১ চনৰ ১২ এপ্ৰিলত। এওঁ আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ এগৰাকী প্ৰতিভাসম্পন্ন শিল্পী যাৰ জন্ম আৰু লালন-পালন হৈছিল ৱ'ৰচেষ্টাৰ মাছাচুছেটোছত।

তেওঁ এই চিহ্নটো আঁকিছিল ১৯৬০ চনত। আমেৰিকাৰ এটা বীমা কোম্পানীয়ে ব্যৱসায়িক ডিজাইনাৰ হাৰ্ভেক তেওঁলোকৰ কৰ্মচাৰী সকলৰ মনোবল বঢ়াবৰ বাবে কিবা এনে এটা বস্তুৰ চিত্ৰ অংকণ কৰিবলৈ ঠিকা দিছিল-যাক কোম্পানীৰ কাৰ্যালয়ত ওলোমাই ৰাখিলে ইয়াক চাই যাতে সকলোৱেই আনন্দিত হৈ উঠি কামত মনোবল বঢ়াব পাৰে।

হাৰ্ভে আছিল এজন অতি প্ৰতিভাসম্পন্ন শিল্পী। তেওঁ জানিছিল- এই কামৰ বাবে চিত্ৰখন কেনে হ'ব লাগে; যাতে সকলোৱেই ইয়াক চাই সুখী হৈ কামত মনোবল বঢ়াব পাৰে। সেয়ে অতি সহজতে মাত্ৰ ১০ মিনিটৰ ভিতৰতে তেওঁ এই চিত্ৰখন আঁকি পেলালে।

সেই সময়ত হয়তো হাৰ্ভেৰ মনলৈ এই কথাটো কেতিয়াও অহা নাছিল যে, তেওঁৰ দ্বাৰা অংকিত এই চিত্ৰখন এদিন নেটত আটাইতকৈ বেছিকৈ ব্যৱহাৰ হোৱা ফেচ হিচাপে পৰিগণিত হ'ব। আজি হাৰ্ভেৰ চিত্ৰখনকে কেন্দ্ৰ কৰি মানুহৰ মনৰ বেলেগ বেলেগ ভাব প্ৰকাশ কৰিবলৈ স্মাইলীৰ আৰু বহুতো নতুন নতুন ফেচ অংকণ কৰা হৈছে। কিন্তু প্ৰথম স্মাইলী চিত্ৰখনত মানুহৰ আকৃতিটোৰ অৱয়বটোৰ এটা চকু আনটোতকৈ চকুতকৈ সামান্য ডাঙৰ আছিল আৰু হাঁহিটোৱে মুখখনক সম্পূৰ্ণৰূপে কভাৰ কৰি লৈছিল।

এই চিত্ৰখনৰ পৰা হাৰ্ভেই কোনো বিশেষ লাভ নললে, ইয়াৰ কোনো ট্ৰেডমাৰ্কো নকৰালে। ইয়াৰ ফয়দা ল'লে ফ্ৰেঙ্কলিন লুফৰাণী (Franklin Lufrani) য়ে। তেওঁ ১৯৭২ চনত এখন বাতৰি কাকতৰ ভাল-ভাল বাতৰিবোৰ মাৰ্ক কৰাৰ অৰ্থে স্মাইলীৰ ব্যৱহাৰ কৰিবলৈ ধৰে আৰু ইয়াৰ সমান্তৰালকৈ ইয়াৰ ট্ৰেডমাৰ্কো কৰোৱালে। সেই সময়তে এই হাঁহি থকা চেহেৰাটোৱে 'স্মাইলী' নাম পায়। বৰ্তমান লুফৰাণী স্মাইলী কোম্পানীৰ সভাপতি। এই কোম্পানীৰ হাততে বিশ্বৰ সকলোবোৰ দেশৰ 'স্মাইলী ফেচ' আৰু নামটোৰ কপিৰাইট আছে।

ইয়াৰ এটা দশকৰ পিছত ১৯৮২ চনত ইণ্টাৰনেট বিশ্বলৈ স্মাইলীৰ আগমন ঘটে। ইয়াৰ কৃতিত্ব যায় 'স্কট ফাল্মন' (Scott Falman) লৈ। তেওঁ কৈছিল যে—"আপোনাৰ যিবোৰ কথা ভাল বা বেয়াই লাগক, স্মাইলী প্ৰয়োগৰ দ্বাৰা ইয়াৰ বাবে ঠাই বনাওঁক"।□□

ভ্ৰমণ কাহিনী

# বাৰাণসীৰ ঘাটে ঘাটে...

জয়িতা শাণ্ডিল্য
স্নাতক, চতুৰ্থ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

"People don't take trips.......trips take people"- John Steinbeck

ভ্ৰমণে মানুহক অভিজ্ঞতাৰে পৰিতৃপ্ত কৰে। ধুনীয়া পৃথিৱীখনৰ অসীম সৌন্দৰ্য উপভোগ কৰি অপাৰ আনন্দ পোৱা যায়। মোক ভিন্ন ঠাইৰ ভিন্ন সংস্কৃতিয়ে বৰকৈ আপ্লুত কৰে। সময় সুবিধা পালে ময়ো ফুৰিবলৈ যাও। তেনেদৰেই যোৱা বছৰ গৰমৰ বন্ধত বাৰাণসীলৈ গ'লো। ১ জুলাইত মা-দেউতা আৰু ভাইটি অয়নৰ সৈতে গুৱাহাটীৰপৰা North East Express যোগে বাৰাণসীলৈ ৰাওনা হ'লো। আমি ২জুলাই ৰাতিপুৱা মোগল চৰাই ৰেলষ্টেচন পালো। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে মোগল চৰাই ৰেল ষ্টেচনৰ নাম পণ্ডিত দীনদয়াল উপাধ্যায় ৰেল ষ্টেচন হিচাপে নামকৰণ কৰিছে। ৰেল ষ্টেচনৰপৰা বাৰাণসীলৈ ২০-২২ কিঃ মিঃ দূৰত্ব। আমি বাৰাণসীলৈ গৈ দশাসমেথা ঘাটৰ ওচৰৰ হোটেল পিকাচোত ৰুম ল'লো।

গংগা পাৰৰ বিশ্বৰ প্ৰাচীনতম চহৰবোৰৰ মাজত অন্যতম- যিখন প্ৰাচীন কালৰ কাশী, ইংৰাজ আমোলৰ বেনাৰস আৰু আজিৰ বাৰাণসী। খৃষ্ট ধৰ্মাৱলম্বী সকলৰ বাবে যেনেকৈ জেৰুজালেম, মুছলমান সকলৰ বাবে যিদৰে মক্কা, ঠিক সেইদৰে বাৰাণসী হ'ল হিন্দু সকলৰ বাবে পবিত্ৰ স্থান। চহৰৰ উত্তৰে থকা বৰণা আৰু দক্ষিণে থকা অসী নদীৰ পৰাই 'বাৰাণসী' নামটো হোৱা বুলি জনা যায়। আদি কালৰ পৰাই কাশীৰ লগত জড়িত ভগৱান শিৱ। পৌৰাণিক কাহিনী মতে বিয়াৰ পিছতেই শিৱ-পাৰ্বতীয়ে অন্যান্য দেৱ-দেৱী সহ হিমালয় এৰি কাশীত বসবাস আৰম্ভ কৰে।

উত্তৰ প্ৰদেশৰ গংগা পাৰত অৱস্থিত বাৰাণসীত শতাধিক সৰু-বৰ ঘাট আছে। আমি ২জুলাই তাৰিখে হোটেলৰ পৰা ওলাই গৈ কেদাৰঘাটলৈ যাওঁ। কেদাৰঘাটত থকা শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰো। সোণেৰে নিৰ্মিত শিৱলিংগ থকা বিশ্বনাথ মন্দিৰ দৰ্শনৰ বাবে প্ৰতিদিনে হাজাৰ হাজাৰ ধৰ্মপ্ৰাণ লোক দেশৰ বিভিন্ন ঠাইৰপৰা আহে। আমি নাৱেৰে গংগাৰ ঘাটবোৰ চাওঁ। সেইদিনা সন্ধিয়া নাৱত বহি আমি গংগাৰ পাৰৰ আৰতি উপভোগ কৰো। প্ৰতিদিনে সন্ধিয়া ৭ বজাৰ পৰা হোৱা গংগা আৰতি উপভোগ কৰিবলৈ বহুলোকৰ সমাগম হয়। গংগা ঘাটৰ সেই মনোৰম পৰিৱেশ মোৰ মানসপটত সদায় জীয়াই থাকিব। মনলৈ প্ৰশান্তি অনা সেই দৃশ্যই সকলোকে আপ্লুত কৰে। শংকৰাচাৰ্য, বুদ্ধ, তুলসীদাস আদি মহৰ্ষি সকলেও নিজ সাধনা এই পবিত্ৰ গংগাধামত কৰিছিল।

হিন্দু ধৰ্ম মতে বাৰাণসীৰ গংগাৰ পানী অমৃতৰ সমতুল্য। গংগাৰ পানীত পূৰ্বপুৰুষৰ অস্থি, পিণ্ডদান কৰিবলৈ বহুলোক আহে। ৩ জুলাই তাৰিখে পুনৰ আমি গংগাৰ ঘাটলৈ যাওঁ। তাৰ পাছত আমি গংগাস্নান কৰো। ৰাজা তিৱাৰী নামৰ পুৰোহিত এগৰাকীক লৈ আমি আইতাৰ পবিত্ৰ অস্থি বিসৰ্জন আৰু পিণ্ডদান ক্ৰিয়া কৰো। এখন নাৱত উঠি আমি হৰিশ্চন্দ্ৰ ঘাটলৈ যাওঁ আৰু স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰো।

সেইদিনাই আবেলিৰ পৰা সন্ধিয়ালৈ আমি বাৰাণসীৰ ঐতিহ্যমণ্ডিত ঠাইবোৰৰ লগতে বিচিত্ৰ মঠ-মন্দিৰ দৰ্শন কৰো। বাৰাণসী হ'ল ভাৰতীয় সাহিত্য, সংস্কৃতি, আধ্যাত্মিক চিন্তা চৰ্চাৰ কেন্দ্ৰস্থান। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ে শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহ্য বহন কৰি আহিছে। এক বিস্তীৰ্ণ এলেকা জুৰি থকা বিশ্ববিদ্যালয়খনৰ

মূল পথত বিশ্ববিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক মহামান্য মদন মোহন মালব্যৰ মূৰ্ত্তি স্থাপন কৰা আছে। এক সুন্দৰ, শান্ত পৰিৱেশৰ মাজত থকা বিশ্ববিদ্যালয়খন দেখি আপ্লুত হ'লো। ভাৰতবৰ্ষৰ দেৱভাষা সংস্কৃত অধ্যয়নৰ বাবে সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয় বেনাৰসত আছে। দূৰৰ পৰাই সেইখন বিশ্ববিদ্যালয় চালো। তাৰ পাছত আমি বাৰাণসীত থকা তুলসীমানস মন্দিৰ, দুৰ্গামন্দিৰ, কালভৈৰৱী মন্দিৰ, সংকটমোচন মন্দিৰ, ভাৰত মাতা মন্দিৰ আদি দৰ্শন কৰো। প্ৰতিটো মন্দিৰৰ স্বচ্ছতা, সুন্দৰ পৰিৱেশে মনত আধ্যাত্মিক ভাৱৰ সৃষ্টি কৰে।

৪ জুলাই তাৰিখে ৰাতিপুৱা ১০ বজাত আমি বাৰাণসীৰ উত্তৰ পূৱে ১৩ কিঃ মিঃ দূৰত থকা সাৰনাথলৈ যাওঁ। বৌদ্ধধৰ্মৰ চাৰি পবিত্ৰ ধামৰ এখন হ'ল সাৰনাথ। অন্য তিনিখন হ'ল লুম্বিণী, বুদ্ধগয়া আৰু কুশীনগৰ। প্ৰবাদ আছে যে বুদ্ধদেৱে বুদ্ধগয়াৰ পৰা ৫ জন সংগী লগত লৈ আহি সাৰনাথত তেওঁ লাভ কৰা জ্ঞান দিছিল। তেতিয়াৰ পৰা সাৰনাথ বুদ্ধ দৰ্শনৰ এক কেন্দ্ৰস্থান হিচাপে পৰিগণিত হয়। সাৰনাথ মিউজিয়াম, মাৰ্বল পাথৰেৰে থাইলেণ্ড চৰকাৰে বনোৱা ৮০ ফুট ওখ বুদ্ধৰ বিশাল মূৰ্তি আদিয়ে সাৰনাথত ভগৱান বুদ্ধদেৱৰ স্মৃতি বহন কৰি আহিছে।

বাৰাণসীৰ প্ৰসিদ্ধি কেৱল মঠ-মন্দিৰ বা গংগাৰ ঘাটৰ কাৰণেই নহয়; ৰেচম, শাড়ী আৰু অন্যান্য হস্তশিল্পৰ কাৰণেও জনপ্ৰিয়। বেনাৰসী শাড়ী ভাৰতৰ প্ৰতিখন ৰাজ্যৰ লগতে বিশ্বৰ বিভিন্ন দেশত বিখ্যাত। বাৰাণসীৰ জলবায়ু গ্ৰীষ্মত ৪৭ ডিগ্ৰী পৰ্যন্ত পায়গৈ, সেইদৰে শীতকালত নামি আহে ৩-৪ ডিগ্ৰীলৈ। বাৰাণসীত ফুৰিবলৈ উত্তম সময় হৈছে অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈকে। উল্লেখযোগ্য যে ভাৰতবৰ্ষৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ ৰ লোকসভা নিৰ্বাচনত বাৰাণসী সমষ্টিৰ পৰা বৃহৎ ভোটেৰে জয়লাভ কৰিছিল।

বাৰাণসীৰ পৰা আমি ৪জুলাই তাৰিখে নিশা হাওৰা অভিমুখে প্ৰত্যাৱৰ্তন কৰিলো। বাৰাণসীত কটোৱা তিনিদিন মোৰ জীৱনৰ বাবে স্মৰণীয় হৈ ৰ'ব। বাৰাণসী ভ্ৰমণৰ স্মৃতিবোৰে আজীৱন এক আনন্দৰ উৎস হৈ বিৰাজ কৰিব। বাৰাণসীৰ পবিত্ৰ ঘাটবোৰ আৰু মন চুই যোৱা সন্ধিয়াৰ গংগা আৰতি মোৰ মানসপটত চিৰদিন জিলিকি থাকিব।□□

## ঃ বিশ্বনাথ মন্দিৰ, বাৰাণসী ঃ

ভাৰতবৰ্ষৰ উচ্চতম মন্দিৰ সমূহৰ ভিতৰত বিশ্বনাথ মন্দিৰ অন্যতম। এই মন্দিৰটো উত্তৰ প্ৰদেশৰ বাৰাণসী জিলাত অৱস্থিত। মন্দিৰটোৰ উচ্চতা হ'ল ২৫৩ ফুট। সৰ্বমুঠ ৭টা মন্দিৰ লগ লাগি বাৰাণসীৰ বিখ্যাত বিশ্বনাথ মন্দিৰ গঠিত হৈছে। ১৯৬৫ চনত বিৰলা বিল্ডাৰ্চৰ দ্বাৰা ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হৈছিল। এই মন্দিৰটোত উদ্‌যাপন কৰা মূল উৎসৱ সমূহ হৈছে- মহা শিৱৰাত্ৰি, নাগপঞ্চমী, নৱৰাত্ৰি, মকৰ সংক্ৰান্তি।

স্মৃতি ৰোমন্থন

# সোঁৱৰণীৰ দিশে

নীহাৰিকা ডেকা
স্নাতক, ষষ্ঠ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

তিনি বছৰীয়া এক যাত্ৰাৰ অন্তৰ দিশে। কলমটো হাতত তুলি লৈ ভাবিছো লিখিম কি?? মোৰ আপোন মঙলদৈ মহাবিদ্যালয়খনৰ কথা। ঐতিহ্যমণ্ডিত মহাবিদ্যালয় তোমাৰ এক ক্ষুদ্ৰ অংশ হ'বলৈ পাই ধন্য মই। সীমাহীন কথা আছে কিন্তু অনুভৱ কলমৰ মাজেৰে—

(১) "মহা জীৱনৰ মহা সাধনাৰ
আশাৰে গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পূণ্য ভূমি"

এই মহাবিদ্যালয় সংগীতটিৰ মাজেৰে প্ৰকাশ পায় ইয়াৰ গৰিমা, উদ্ভাসিত দিশৰ কথা। দৰঙী কলা-কৃষ্টিকে ধৰি বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠী সংস্কৃতিৰ আগবঢ়া দৰঙৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়।

এজাক কিনকিনিয়া বৰষুণৰ মাজতে ২০১৫ চনৰ ২ আগষ্টত খোজ দিছিলোহি আপোন মহাবিদ্যালয়খনত। ক্ৰমান্বয়ে অসহজ মই সকলোৰে লগত সহজ হৈ পৰিলো। অচিনাকী মুখবোৰ আটাইতকৈ আপোন হ'ল। যাত্ৰাৰ আৰম্ভণি এক সুন্দৰতাৰ দিশে।

(২) "তোমাৰ মেজৰ কিহত?" এটি প্ৰশ্ন যিটো মোৰ বাবে আনন্দদায়ক। মোৰ মেজৰ ৰাজনীতি বিজ্ঞানত, মহাবিদ্যালয়ৰ লগত সততে জড়িত আগৰণুৱা এটি বিভাগ। শ্ৰদ্ধাৰ ইচ্ছাৰাম ছাৰ, অনুপম ছাৰ, বৰ্ণালী মেমৰ সান্নিধ্য পাই আনুষ্ঠানিক শিক্ষাৰ লগতে পালো জীৱন অৰ্থ, সঠিক পথ। বিভিন্ন বিভাগীয় অনুষ্ঠান, কাম-কাজত ছিনিয়ৰ জুনিয়ৰৰ মাজৰ মৰম, আনন্দ, স্মৃতি এক অন্য সুখ। আমি মাথো এটি বিভাগ নহয়, আমি এক পৰিয়াল। যাৰ সান্নিধ্যত প্ৰতি পাহফুল ফুলি উঠে।

(৩) টং টং মাতত পুৱা সাৰ পাই উঠে এজাক গাভৰু। দৰ্জা খুলিয়েই শুনো মাকনী আইতাৰ মাত-"আহ ছোৱালীহঁত চাহ খিনি খাহ"। আৰম্ভণি হয় দিনজোৰা কাৰ্যসূচীৰ। নীলা, বগা, ঐক-পোছাকযোৰ পিন্ধি দেৱদাৰুৰ মাজেৰে খোজ লও এজনী এজনীকৈ কলেজলৈ। ফাকুৱা, দেৱালী, পূজা-পাৰ্বন, নৱাগত আদৰণী সভা সকলোতে উজ্বলি উঠে দেবদাৰু নগৰী খ্যাত MCGH (Mangaldai College Girls' Hostal)। ছিনিয়ৰ-জুনিয়ৰৰ মাজত সদায় মৰম, অভিমান, খং, স্ফূৰ্তি, হাঁহি-ধেমালিৰে সজীৱ হৈ থাকে হোষ্টেল। সঁচাকৈ হোষ্টেলৰ সোৱাদেই সুকীয়া।

(৪) চকুৰ সন্মুখতে দেখিলো পৰিবৰ্তন। আমাৰ অধ্যক্ষ মহোদয়ৰ নেতৃত্বত গঢ় লৈ উঠা নতুন দিগন্তৰ। পুৰণি গৃহৰ ঠাইত সু-উচ্চ অট্টালিকা, চৌপাশে যেন প্ৰাকৃতিক সৌন্দৰ্যৰ নিদৰ্শন। "Clean and Green College- Our College Our Identity"। সংস্কৃতি, সাহিত্য, ক্ৰীড়াৰ ক্ষেত্ৰতো এক সুন্দৰ স্থান দখল কলেজখনৰ। প্ৰতিটো বিভাগৰ উন্নত ফলাফলে আৰু সৌন্দৰ্য বঢ়ায় মহাবিদ্যালয়খনিৰ।

(৫) "বন্ধুত্ব"— যাৰ সৈতে খেলো হেঁপাহৰ ল'ৰা ধেমালি। প্ৰতিটো চৰিত্ৰই মোৰ আপোন। সুখত সুখী, দুখত দুখী বহল মনৰ বন্ধুত্বই শিকালে এক অন্য সোৱাদ জীৱনৰ। হে মোৰ বন্ধু তোমালোক আগুৱাই যোৱা সোণালী ভৱিষ্যতৰ দিশে। "The Greatest Gift of life is friendship"

শেষত বহুতো অভিজ্ঞতাৰে পৰিপূৰ্ণ এই তিনি বছৰীয়া যাত্ৰাৰ শেষ প্ৰান্তত সমাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা সকলো অনুষ্ঠান হয় আনন্দ, হাঁহি স্ফূৰ্তিৰ মিলন স্থলী। পুথিভঁৰাল, কমনৰুম, আমলখি, নাহৰ, সোণাৰু কেইডাল, নৰেশ খুড়াৰ কেন্টিনৰ চাহ কাপ- আবেগ ভৰা সময়বোৰ সকলোবোৰ অনুভৱ, অভিজ্ঞতা থাকিব উজ্জ্বল স্মৃতিত চিৰ সেউজহৈ। নতুন নতুন পুৰুষক আগুৱাই নি থকা ড° ভূপেন হাজৰিকাৰ এটি গীতৰ দৰে-

"নতুন নতুন সাহ আহিল নতুন সাহ
আমাৰ বহল বুকুতে
বগলীৰে বগা পাখি জিলিকে আকাশতে
জা-জাৰৰ চিকুণাও আমাৰ আপোন হাতে"।।

(জয়তু মঙলদৈ মহাবিদ্যালয়) ☐☐

# নীলাখামৰ চিঠি

সংগীতা তামুলী
স্নাতক, চতুৰ্থ ষাণ্মাসিক

মৰমৰ সোণ,

ভালে আছানে? আশা কৰিছো ঈশ্বৰৰ কৃপাত তুমি কুশলে আছা! মোৰ মৰম আৰু শুভ কামনাতো আছেই। বাৰু, বলিয়া ফাগুনে যে আকৌ পাইছেহি গম পাইছানে? তুমিয়েই কৈছিলা ফাগুন তোমাৰ বৰ প্ৰিয়।

বৰ্তমানক সাৱটি তুমি অতীতক পাহৰি পেলাইছা নেকি সোণ? হা........হা....... ময়োতো এদিন তোমাৰ প্ৰিয় আছিলো। তোমাৰ মন কাৰেঙৰ ৰাজকোঁৱৰ আছিলো। তুমি যে কৈছিলা, "Be mine & mine only" দিনবোৰ সলনি হ'ল। চিঠি গুচি কিবা 'হোৱাটচ্-এপ' আহিল। শুনিবলৈ পাইছো তুমিও হেনো ব্যৱহাৰ কৰা। ধেৎ, বাদ দিয়া এইবোৰ। আগৰ দৰে এতিয়াও চিট্-পখিলীজনী হৈয়েই আছানে! নে কোনোবা প্ৰেমিকৰ সতে নিজকে ব্যস্ত কৰি পেলালা? হয়তো হৈছা, কাৰণ তোমাক ভালপোৱা মানুহটো অসংখ্য আছে।

জান, দিনে-নিশাই তোমাৰ সেই কাজলসনা দুচকু আৰু মিচিকিয়া হাঁহিটোৱে বৰকৈ আমনি কৰে অ'। হেজাৰ জনৰ মাজত তোমাক আজিও বিচাৰি ফুৰো, কাণখনো জাগ্ৰত কৰি ৰাখো কিজানিবা তোমাৰ হাঁহিৰ শব্দ শুনিবলৈ পাওঁৱেই! প্ৰতিটো ক্ষণত তোমাৰে কথা, প্ৰতিটো পলত মৰম ব্যথা। নিসংগতাই হেঁচি ধৰিছে। মইচোন উশাহ লবলৈয়ো কষ্ট পোৱা হৈছো। জান, আজি "জনম জনম তোমাৰে হৈ ৰ'ম, কচম কচম তোমাৰে কচম" গানটো শুনিছিলো..... আমাৰে দুয়োৰে যে গানটো বৰ প্ৰিয় আছিল।

বুজিছা সোণ, দুখৰ বোজা সহি সহি থাকিব নোৱাৰা হৈছো। মই ভাগৰি পৰিছো। সেয়ে আজি কলম তুলি লৈছো, কিজানিবা দুখবোৰ পাতলেই! ক'বলগীয়া বহুখিনিয়ে আছে.... কিন্তু, বাৰে বাৰে কলম স্তব্ধ হৈ ৰৈছে।

তুমি যদি তোমাৰ জীৱনত কেতিয়াবা মোৰ উপস্থিতি কামনা কৰা মোক নিসংকোচে জনাবা দেই! মই এতিয়াও ৰৈ আছো.... হয়তো প্ৰতীক্ষাৰ অন্তত পুনৰ তোমাৰ সহাৰি পাম। মোৰ আশীষ তোমাৰ লগত সদায় আছে আৰু থাকিব। সুখেৰে থাকা.......

নিশা বৰ গহীন হৈ আহিছে। নিদ্ৰাবিহীন জীৱন তুমিহীনতাৰে কিমান বিষাদৰ হ'ব পাৰে এবাৰ ভাবি চাবাছোন। আজিলৈ সামৰিছো......।

ইতি
মাথোঁ তোমাৰ
নীলপৱন

(নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)

গল্প

# 'মা'

জিতু কুমাৰ মহন্ত
স্নাতক, চতুৰ্থ ষাণ্মাসিক, বিজ্ঞান শাখা

'মা'............ভালে আছে ছাগে?

বৰকৈ মনত পৰিছে অ' তোমালৈ.......।

আচলতে শৈশৱ, কৈশোৰত তোমালোকৰ গালি, শাসন এইবোৰত অতিষ্ঠ হৈ আমিবোৰৰ হাবিয়াস জাগে মুক্ত হ'বলৈ.....। কিন্তু নিজৰেই অস্তিত্ব বিচাৰি থাকি কম দিনতেইছোন এই স্বাধীনতাই আমাক আমুৱাই অ' মা....।

ফোনত পাপন দাৰ "সন্ধ্যা যেতিয়া নামে
আইলৈ মনত পৰে......

গীতটো বাৰে বাৰে শুনি আছো আৰু নষ্টালজিক হৈ পৰিছো, মই যেন যাম ভটিয়াই তোমাৰ পিছে পিছে গৰু আনিবলৈ, যাম যেন বকুলৰ তললৈ বা ক্ৰিকেট বল লৈ নৰাৰে ভৰা পূবৰ পথাৰলৈ, যাম যেন পশ্চিমৰ সেই হেঙুলিয়া সুৰুযৰ সুৱাস ল'বলৈ। মা আজি যোৱা নাই মই ক্লাছলৈ অনুবীক্ষণ যন্ত্ৰৰ তলত চোৰা চকুজুৰিৰে চাইছো তোমাৰ মুখলৈ, চিৰিনজ অথবা তুলা ধৰা হাতেৰে কলমটো লৈ চেষ্টা কৰিছো তোমাৰ সান্নিধ্য পাবলৈ। কি কৰিছা বাৰু তুমি....

হয়তো গোসাঁই ঘৰত বন্তি গছি দি তাঁতশালখনত বহিছা, সেইখনলে আকৌ তোমাৰ সন্ধিয়াহে মনত পৰে। দিনটো মাকোটোৰ দৰে ইফাল সিফাল কৰি ফুৰা ঘৰখনত .......... কামৰ শেষ নাই.........। সঁচাকৈ মা তুমি আছা বাবেইতো শুৱনি ঘৰখন, তোমাৰ বাবেইতো ধুনীয়া প্ৰতিক্ষণ.....।

'মা জন্মদিনৰ দিনা দেউতা ঘৰলৈ আহিছিল ন....... Video call কৰিছিলো, কথা পাতিছিলো, বৈ আছিলো তুমি আহিবা বুলি...... নাহিলা, মনত খুন্দিয়াইছিল..... কিবা এটা ক্ষোভে, পিছে মা পিছত হে বুজিছো তুমিতো তেতিয়া সকলো এৰি ভগৱানৰ ওচৰত নিজৰ ল'ৰাৰ বাবেই ভাবি আছিলা। তোমাৰ মহানতাৰ আগত আমি তেনেই ক্ষুদ্ৰ অ' মা।

অ' সেইদিনা ৰাতি কি হ'ল জানা মা? লগৰবোৰে বৰকৈ জোৰ কৰিলে 'পাৰ্টী' লাগে। আজিকালি আকৌ পাৰ্টী মানে গভীৰ ৰাতি ৰঙবিৰঙৰ পানী টুপিৰ সৈতে আড্ডা মা....। আমাৰ ঘৰত যে আমিবোৰে "বুবু' দা হঁতৰ লগত হুচৰি গাই ভোজ খাইছিলো তেনেকুৱা নহয়.....। কি কৰিবা মা আধুনিকতাৰ পম খেদা আমিবোৰো যেন দিক ভ্ৰান্ত পথিক। অনিচ্ছা স্বত্বেও মই পইচা দিবলৈ বাধ্য হৈছিলো.....। ৰাতি পাৰ্টি চলিলে, কিন্তু মা তোমাৰেই শপত মই তোমাক দিয়া কথাষাৰ ৰাখি এটুপিও নোখোৱাকৈ থাকিলোঁ। তাৰ বাবে বহু সময়ত মই "মাইকী", "পোৱালী" আদি বহুত উপাধি পাব লগাও হয়। হ'লেও তুমি চিন্তা নকৰিবা তোমাৰ ল'ৰা সোঁতত উটি নাযায় কেতিয়াও....

'মা' কথা এষাৰ ক'বলৈ বৰ মন গৈছে অ' তোমাক তুমি যে কৈছিলা- "নিজৰ পঢ়া-শুনাত মন দিবি, ভালকৈ খোৱা-বোৱা কৰিবি, কাকো বেয়া কৈ নকবি, কাৰো লগত কাজিয়া-পেচাল নকৰিবি, কোনো অচিনাকি ছোৱালীৰ পিছত পৰি নিজক পাহৰি নাযাবি"....। তেনেকৈয়ে আছিলো মা কিন্তু এদিন Facebook ত চিনাকি হোৱা ছোৱালী এজনীৰ প্ৰতি মই দুৰ্বল হৈছিলো... ক্ৰমে Facebook, Whatsapp, Messege.. Call এনেকৈয়ে তাই মোৰ ওচৰ চাপিছিল। জন্মদিনৰ দিনা তাই দিছিল মোক আগুৱাই যোৱাৰ প্ৰেৰণাৰে ভৰা শুভকামনা। মা সেইদিনা তাইৰ সেই প্ৰেৰণা দেখি কিয় জানো ভাল লাগিছিল, মই প্ৰস্তাৱ আগবঢ়াইছিলো ভাল পোৱাৰ......, মানি লৈছিল তাইয়ো..... মোৰ আকাশ যেন ৰঙীয়াল হ'ব ধৰিছিল নানা ৰঙেৰে.... কিন্তু, কিয় জানো মা এতিয়া তাই নাই..... আঁতৰি গ'ল মোৰ মনৰ পৰা....। আকাশৰ পৰা ৰামধেনুখন যেন মাৰ গ'ল তুমি পিছে ভাবিব নালাগে মা মই ভাগি নপৰো। তুমি আছা যে..... মই বুজো, ৰামধেনু খন্তেকীয়া। ডাৱৰক আঁতৰাই আকাশ পোহৰাবলৈ বেলি ৰূপী তোমাৰ আশীষ আছে নহয়। মা মই একেই আছো তোমাৰ সেই সোণ হৈয়েই আগুৱাই যাম তোমাৰ মতেই ..... মূৰত হাত বুলাই উপদেশ দি যাবা, সেই বাটেৰেই বাট বুলিম মই.....। তোমাৰ সমান জানো ভাল পাব পাৰিব, কোনোবাই মা..... নোৱাৰে কাহানিও......Love You 'মা'... ।

গল্প

# পাহৰা গীতৰ সুৰে আহি ....

অঙ্কিতা কোঁৱৰ
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

খিৰিকীখন খুলি দিয়াৰ লগে লগে জোনাকে আহি তাইক তিয়াই পেলালেহি। "মই তোমাক বহুত ভাল পাওঁ; মাজৰাতি সদায় তিতো জোনাকত।" ভাবি তাইৰ হাঁহি উঠি গ'ল। তাইয়েই কোৱা কথা আছিল নে এইখিনি? প্ৰশ্ন নহ'লেও ইয়াৰ প্ৰত্যুত্তৰ হিচাপে আহিছিল, "ওঁ মইও খুব ভাল পাওঁ জোনাক। কিন্তু তুমিও যে কি আচৰিত, মাজৰাতি বাহিৰত থাকাগৈ!" তাইৰ ওঠৰ কোণেৰে অজানিতে এক হাঁহি বাগৰি আহিছিল। সেইদিনা ৰাতিলৈ তাই এটা সপোন দেখিছিল, জোনাক ভৰা এটি ৰাতি তাই বহি আছে তাৰ কাযত.... আবিৰৰ কাযত। এক শান্ত সমাহিত পৰিৱেশ। হঠাতে আবিৰ তাইৰ ফালে সামান্য হাওলি আহিল আৰু তাইৰ কপালৰ সেওঁতাত এটি চুমা আঁকি দিলে আৰু ক'লে, "তুমি কেৱল মোৰ প্ৰিয়ানী।" চোৱা, এই জোনাকক সাক্ষী কৰি আজি তোমাক মই মোৰ কৰিলো।" আহ! কি যে এক মাদকতা। কিন্তু নাই, একোৱেই হৈ নুঠিল সেইবোৰ। তাই আজি নাজানে আবিৰ ক'ত আছে আৰু আবিৰেও জানো জানে তাই যে আবিৰৰেই হৈ থাকিল!

এনেকুৱা সময়ত জুবিন দাৰ গীত শুনি খুব ভাল লাগে তাইৰ...... "আকাশত দেখোন সাৰদী জোনাক নামিছে অলকানন্দা/পাহৰা গীতৰ সুৰে আহি জগালেহি যৌৱন কিয় বাৰু??" একোৱেই ভাবি নাপায় তাই আজিকালি। সকলোতো ঠিক হোৱাৰ পথত, হৈছেও বহুত; মাক-দেউতাকৰ আউল লগা সম্পৰ্কটোও। তথাপি কিয় তাই এনেদৰে উজাগৰী নিশা কটাব লাগে! কিয় তাই কান্দি পাৰ কৰি দিয়ে ওৰে ৰাতি? ইমান শব্দৰ মাজত থাকিও স্তব্ধ কিয় তাই? আবিৰৰ স্মৃতিৰ বাবে.......??

তাই একেথৰে জোনটোলৈ চাই থাকিল। সকলোবোৰে সম্পূৰ্ণতো নহয় এই পৃথিৱীত। এই যে ধুনীয়া জোনটিতো 'দীপ' আছে। কিন্তু আবিৰ? তাইতো তাক সম্পূৰ্ণ হিচাবেই লৈছিল। এক কথাত ক'ব গ'লে 'পাৰফেক্ট'।

কিমান কি যে ঘটি গ'ল, ইমান কম সময়ৰ ভিতৰত ভাবিলে তাইৰ আচৰিত লাগে। উনত্ৰিছটা বসন্ত গৰকা এই জীৱনটোৱে তাইক বহুত ৰং দেখুৱালে। এটি অশান্তিময় পৰিৱেশত জীয়াই থকা কিমান কষ্টকৰ তাই ভালকৈ বুজি পায়। বুজিছিল তাই সকলো। বুজিব বিচাৰিছিল সকলো। কিন্তু পাৰিলে জানো তাই মাক-দেউতাকৰ সম্বন্ধটো বুজিব? পাৰিলে জানো তাইক কোনোবাই বুজিব? তাইৰ হৃদয়ৰ খলা-বমাবোৰ উপলব্ধি কৰিব? তাই খুব অকলশৰীয়া আৰু তাই এতিয়া প্ৰতিষ্ঠিত। মূৰ তুলি চাব পৰাকৈ সক্ষম। বেয়াৰ বিৰুদ্ধে থিয় দিব পৰাৰ সাহস আছে। মাকৰ সপক্ষে দেউতাকৰ সন্মুখত থিয় দিব পাৰে এতিয়া তাই। কলেজৰ প্ৰবক্তা হিচাবে তাইক এতিয়া সকলোৱে সন্মানৰ চকুৰে চায়। এই সন্মান তাইৰ কষ্টোপাৰ্জিত ধন। কাৰণ ঘৰ এখনত, মানুহৰ জীৱনত টকা-পইচা থাকিলেই সকলো নহয়, যদি শান্তি নাথাকে আৰু এই শান্তি তাইৰ বাবে মৃগতৃষ্ণা যেন লাগিছিল। ভাবিলে আচৰিত লাগে তাইৰ সৰুৰ পৰা যে ঋণাত্মকতাই দেখি আহিছে, পাই আহিছে। মৰম পাইছিল কিছু, কিন্তু Support নাপাইছিল একোতে। "ইটো নকৰিবি, সিটো নকৰিবি, অ'ত নাযাবি, ত'ত নাযাবি। নিজৰ ইচ্ছামতে একোৱেই কৰিব নোৱাৰে তাই। সকলোতে বাধা। তাইৰ গান শিকাৰ খুব ইচ্ছা আছিল। কিন্তু নাই, তাই মুখ ফুটাই ক'ব নোৱাৰিলে দেউতাকক। সাহসে নুকুলালে তাইৰ সেইখিনি। আৰু কৈ নো কি লাভ, উত্তৰ কি হ'ব জানেই তাই। দেউতাকৰ যে আহৰিয়েই নাছিল তাই আৰু বায়েকৰ ফালে চকু দিব। উফ্ .... উশাহ বন্ধ হ'বৰ উপক্ৰম হৈছিল

কেতিয়াবা তাইৰ। এইবোৰৰ মাজতো তালৈ মনত পৰে। অৱশ্যে এনেকুৱা এটা মুহূৰ্ত নাই, যিটোত তাই আবিৰলৈ মনত নপৰে। তাৰ বাবেই যে তাই ভাল পাব লৈছিল নতুনকৈ জীৱনটোক, গানক। প্ৰেমত পৰিছিল তাই শব্দৰ, সেউজীয়াৰ, বৰষুণৰ , জোনাকৰ! আৰু এতিয়া নতুনকৈ প্ৰেমত পৰিছে, নিৰ্জনতাৰ! ভাল লাগে তাইৰ আবিৰৰ কথা ভাবি। তাৰ লগত কটোৱা মুহূৰ্তবোৰৰ কথা ভাবি, তাৰ সেই সত্বাটোৱে যে তাইক বহুত কথাই শিকাই গ'ল। একমাত্ৰ সিয়েই আছিল, যি তাইক বুজি পাইছিল অলপমান। যাৰ ওচৰত তাই নিৰাপদ অনুভৱ কৰিব পাৰিছিল। কিন্তু সিয়েই গুচি গ'ল যেনেদৰে আহিছিল, তেনেদৰে। আজিও বুজি নাপালে তাই ইয়াৰ কাৰণ। তাক সুধিব খুজিও ৰৈ গ'ল তাই, নোসোধাকৈয়ে!

সেই ধুনীয়া ক'লা চকুযুৰিয়ে বৰ আমনি কৰে তাইক কেতিয়াবা! এনেতে কাষৰ কোঠাৰ পৰা মাকে মাত লগালে, "মাজনী, তই সাৰে আছ? কাইলৈ কলেজ নাই জানো তোৰ?" "অ, মা, শুইছো ৰ'বা। তুমি শুই থাকাচোন।" সেই উত্তৰ দিলে। মাকে আজিও গম পালে তাই সাৰে থকাৰ কথা। জোনটোলৈ চালে এবাৰ তাই। ইমান ধুনীয়াকৈ পোহৰ বিলাই ৰাখিছে পৃথিৱীত। নিজৰ পোহৰ নাথাকিলেও ই ৰাতিৰ আকাশৰ মুখ্য আকৰ্ষণ। একেবাৰে নিভাঁজ এই প্ৰকাশ, এই অনুভূতি.... আৰু আবিৰ? সিও জানো নিভাঁজ।

মাক-দেউতাকে বহুত চিন্তা কৰে তাইৰ বাবে। বিশেষকৈ তাইৰ মাকে, তাইৰ উদাস মুখখনলৈ চাই থাকিব নোৱাৰে। তাই ভাবে মাক-দেউতাকৰ আশা পূৰ্ণ কৰি বিয়াত বহাৰ কথা। কিন্তু নাই, আবিৰৰ স্মৃতিয়ে সেই গভীৰ ক'লা চকুযুৰিয়ে তাইক থিৰে থাকিব নিদিয়ে।

আজিও পৰিষ্কাৰভাৱে মনত আছে তাইৰ আবিৰক প্ৰথম দেখা দিনটোৰ কথা। সেইদিনা ঘৰত মাক-দেউতাক নাছিল। তাই বায়েকৰ লগত কথাৰ মহলা মাৰি আছে। সেইবাৰ তাই কলেজত নতুনকৈ এড্‌মিশ্যন লৈছে.... মঙলদৈ কলেজত। সেয়ে বায়েকে তাইক কলেজীয়া জীৱনৰ ওপৰত এটি বক্তৃতা দি আছে। ঠিক তেনেতে বায়েকৰ বান্ধৱী বন্দনা আহি পালে। লগত খুৰাকৰ ল'ৰা এটা লৈ আহিছিল। চাহ পৰ্বৰ শেষত বায়েকে চিনাকি কৰাই দিছিল দুয়োকে, "নি', এয়া আবিৰ, বন্দনাৰ খুৰাকৰ ল'ৰা। মঙলদৈ কলেজত ৰসায়ন বিজ্ঞান বিভাগত পঢ়ি আছে। তোতকৈ এবছৰ ওপৰত হ'ব। তই প্ৰিয়ানীয়ে প্ৰথম ল'ৰাজনৰ গভীৰ ক'লা চকুযুৰিলৈ চাইছিল আৰু নমস্কাৰ দিছিল। ল'ৰাজনেও প্ৰতি নমস্কাৰ দিছিল। আৰু প্ৰিয়ানীৰ বায়েকে কৈ উঠিছিল আৰু আবিৰ, এয়া মোৰ ভণ্টি, প্ৰিয়ানী। এইও মঙলদৈ কলেজতে এইবাৰ এড্‌মিছ্ন লৈছে। ৰসায়ন বিজ্ঞান বিভাগত। যিহেতু তোমালোক দুয়োৰে বিভাগ একেই হ'ব, চাবা অলপ এই পাগলীজনীক। কিবা লাগিলে সহায় কৰিবা আৰু কিবা উলট-পালট দেখিলে ক'বা মোক। ল'ৰাজনে মিচিকিয়াই হাঁহিছিল। সেই হাঁহিত যেন কিবা এক গাম্ভীৰ্য আছে। ইফালে প্ৰিয়ানী.... লাজত ৰঙা চিঙা পৰি গ'ল।" খালে এইজনীয়ে, যদিও বায়ে ল'ৰাজনৰ লগত খোলাকৈ কথা পাতে, কিন্তু মোৰ বাবেতো সি নতুন, অচিনাকী এই ল'ৰাজনৰ আগত তেনেকৈ ক'ব লাগেনে!! ৰহ্ আজি এইক, আলহী যাই লওঁক।"অৱশেষত আলহী গ'লগৈ। প্ৰিয়ানীয়ে বায়েকক খুব শুনালে, ল'ৰাজনৰ আগত তেনেকে কোৱা বাবে। সি বা কি ভাবিছে! বন্দনা বায়ে বা কি ভাবিছে!

তেনেকৈ এদিন কলেজ আৰম্ভ হ'ল প্ৰিয়ানীৰ। ঘৰৰ পৰা বেছি দূৰ নহয় বাবে খোজ কাঢ়িয়েই অহা-যোৱা কৰে তাই লগৰ কেইজনীমানৰ লগত। কলেজৰ ধুনীয়া পৰিৱেশ আৰু মোহনীয় সৌন্দৰ্যই তাইক প্ৰথম দিনাই আকৰ্ষণ কৰিছিল। ভাল লাগিছিল তাইৰ কলেজত গৈ। গছবোৰৰ তলত থিয় হৈ নিজকে পাহৰি গৈছিল তাই। কলেজত আবিৰক দেখে আৰু হাঁহি দিয়ে দুয়োটাই ...... সেয়াই। মাতা কোনোদিনে নহয়। তাই শুনিব পাইছিল, আবিৰ হেনো খুব চোকা ল'ৰা পঢ়াত। বহু পৰিমাণে সক্ৰিয়। এনেকৈয়ে দিন গৈছিল আৰু প্ৰিয়ানী সেই গভীৰ ক'লা চকুযুৰিৰ গভীৰতাত লাহে লাহে সোমাই পৰিব ধৰিছিল। আহ, খুব ধুনীয়া আবিৰৰ চকুযুৰি!

এদিন প্ৰিয়ানীহঁতৰ Class off থকা বাবে সিহঁত লগৰ কেইজনীয়ে সিহঁতৰ 'Department' ৰ সন্মুখতে বহি

কথা পাতি আছে। কিন্তু প্ৰিয়ানীয়ে কথাৰ পৰা ফালৰি কাতি অন্যমনস্কভাৱে আপোন-বিভোৰ হৈ গীত এটাৰ কলি গুণগুণাবলৈ ধৰিলে। এনেতে কি ভাবি জানো তাই হঠাত তাইৰ চকুযুৰি বাওঁফালে ঘূৰাই দিলে, যি ফালে আবিৰহঁতে Class কৰে। তাই থত্‌মত্ খাই গ'ল, আবিৰে যে তাইৰ ফালেই চাই আছে! আৰু তাইনো স্থিতপ্ৰজ্ঞৰ দৰে তাক চাই ৰ'ল... চাই ৰ'ল তাৰ সেই গভীৰ ক'লা চকুযুৰিলৈ। সেয়াই আৰম্ভণি। তাৰপিছৰ পৰা যেতিয়াই তাই আবিৰক দেখে, তেতিয়াই তাই তাইৰ হৃদস্পন্দন শুনা যেন পায়।

এনেকৈয়ে গ'ল বহুত দিন। প্ৰথমটো ষান্মাসিক শেষ কৰিলে প্ৰিয়ানীয়ে আৰু আবিৰে তৃতীয়। কিন্তু মাত-বোল কোনো দিন নহ'ল। এদিন হঠাৎ আবিৰে প্ৰিয়ানীক মাত দিলে। তাই Class room ৰ পৰা বাহিৰ ওলাইছিল মাত্ৰ। সি ক'লে, "প্ৰিয়ানী ........নাজানো কিয়, কি হৈ আছে মোৰ লগত। তুমি আৰু মোৰ ওচৰত নাহিবা প্ৰিয়ানী। নোলাবা মোৰ আগত। যেতিয়াই তুমি মোৰ সন্মুখত ওলোৱা, মোক দুৰ্বল কৰি পেলোৱা।" কৈয়ে সি গপ্ গপাই গুচি গ'ল। ঘূৰি নাচালে এবাৰো। কিন্তু প্ৰিয়ানী! তাই একে ঠাইতে স্থানুৰ দৰে ৰৈ গৈছিল। কি হৈ গ'ল এইবোৰ হঠাৎ? কেতিয়া গ'ল তাই তাৰ ওচৰত? কেতিয়া কি বিচাৰিছে তাই তাৰ পৰা? কি শাস্তি কৰিছে তাই তাক যাৰ বাবে সি চবৰে আগত তাইক এনেকুৱাকে শুনাই গ'ল! খঙত, দুখত তাইৰ চকুপানী ওলাই আহিছিল। তথাপি শান্ত হৈ ৰ'ল তাই। তাইৰ লগৰবোৰকে ধৰি তাত থকা সকলোবোৰ হতভম্ব হৈ গৈছিল ঘটনা দেখি।

ঘটনাটোৰ পিছত প্ৰিয়ানী বহু পৰিমাণে সলনি হৈ পৰিল। কাকো ভালকে মাত-বোল নকৰে, কথা নাপাতে। মাত্ৰ বহি থাকে, যেন কিবা ভাৱত বিভোৰ। আনকি তাইৰ সকলোতকৈ ভাল বান্ধৱী অদিতিৰ লগতো আগৰ দৰে হাঁহি মাতি নথকা হ'ল। ভাবি নাপায় তাই, সেয়া তাইৰ কি আচলতে..... অভিমান আবিৰৰ ওপৰত? কাৰণ হয়তো আবিৰে তাইৰ সকলোৰে অলক্ষিতে হৃদয়ৰ একোণত এক বিশেষ ঠাই অধিকাৰ কৰি লৈছিল আৰু হয়তো সেই অভিমান ভাঙিবলৈয়ে আবিৰ আকৌ আহিছিল তাইৰ ওচৰলৈ। তাই কোঠা এটাত বহি আছে সেইদিনা অকলে। বাহিৰত তাইৰ লগৰবোৰ। কলেজীয়া জীৱনৰ প্ৰতিটো মুহূৰ্ত যেন সকলোৱে উপভোগ কৰিব বিচাৰিছে, অকণো বাদ পৰি যাব নিদিয়াকৈ। কিন্তু তাইৰ তাত লগ হ'বৰ মন যোৱা নাছিল। তেনেতে হঠাতে আবিৰ আহি কেতিয়া তাইৰ কাষ পালেহি তাই গমেই নাপালে। সি আহিয়েই কৈ গ'ল মাত্ৰ, "প্ৰিয়ানী মোক ক্ষমা কৰি দিয়া তুমি। ভুল হৈ গৈছিল মোৰ সেইদিনা। তোমাক তেনেকে ক'ব নালাগিছিল। কিন্তু নাজানো কি হৈ গৈছিল মোৰ সেইদিনা। ক'ব নোৱাৰাকৈয়ে তুমি হয়তো মোৰ মনত আচুতীয়াকৈ ৰেখাপাত কৰিব ধৰিছা... আৰু মোৰ ভয় লাগিব ধৰিছিল..." কিন্তু তাৰ কথা শেষ নৌহওঁতেই প্ৰিয়ানী তাৰ পৰা উঠি গৈছিল। একো নক'লে তাই সেইদিনাও। ঘৰত গৈ মাত্ৰ কান্দিছিল, খুব কান্দিছিল তাই।

ইয়াৰ পিছতো আবিৰে বহুত চেষ্টা কৰিছিল, প্ৰিয়ানীক লগ কৰিব, তাইক বুজাব। কিন্তু প্ৰিয়ানীয়ে তাক কেতিয়াও সেই সুবিধাকণ দিয়া নাছিল। আবিৰৰ মনত মাত্ৰ এটাই খেলি আছিল, কেনেকৈ সিহঁতৰ মাজত হোৱা ভুল বুজাবুজিটো নোহোৱা কৰিব পাৰে। কেনেকৈ সি প্ৰিয়ানীৰ ওচৰত ক্ষমা খুজিব পাৰে। এদিন সেই সুযোগটো পালে আবিৰে। সাহস কৰি প্ৰিয়ানীক মাত লগালে সি, "প্ৰিয়ানী শুনা! শুনাছোন। তুমি মোক কিয় এনেকৈ কষ্ট দিছা? এবাৰ শুনা কথাখিনি।" "কষ্ট...? তোমালোক ল'ৰাবোৰে মাত্ৰ নিজৰ কষ্টহে চিনি পোৱা আবিৰ দা। কিন্তু মোৰ কি? তুমি সেইদিনাখন তেনেকৈ কোৱাৰ পিছত মই কেনেকুৱা অন্তৰ্দ্বন্দ্বত ভুগি আছো, সেয়া মাত্ৰ মইহে জানো। গতিকে মোক আৰু একো বুজাবৰ চেষ্টা নকৰিবা আবিৰ দা। মই আৰু তোমাৰ একো কথাই শুনিব নোখোজো।" এয়েই তাই প্ৰথম আবিৰৰ সন্মুখত মুখ খুলিলে সাহসেৰে। কিন্তু নাই, প্ৰিয়ানীয়ে নোৱাৰিলে আবিৰৰ কথা নুশুনাকৈ থাকিব। সেই গভীৰ ক'লা চকুযুৰিত ডুব নোযোৱাকৈ থাকিব নোৱাৰিলে তাই। শুনিলে বহু কথাই শুনিলে তাই আবিৰৰ। ক্ষমাও কৰি দিলে আৰু বৰ দিলে

হৃদয়ত প্ৰেমৰ ধাৰা গোপনে। অভিমান হয় প্ৰিয়ানীৰ আবিৰৰ ওপৰত যে কওক এদিন সি তাৰ হৃদয়ত প্ৰিয়ানীৰ প্ৰতি থকা অনুভূতিবোৰ। সি লাগিলে যিয়েই নহওক। আৰু এদিন সকলো অপেক্ষাৰ অন্ত পেলাই আবিৰে প্ৰিয়ানীক কৈ পেলাইছিল, তাৰ মনৰ মাজত, হৃদয়ত সৃষ্টি হোৱা বৰষুণজাকৰ কথা। কৈ পেলাইছিল, প্ৰিয়ানীৰ প্ৰত্যেকটো হাঁহিৰ কণাত সৃষ্টি হোৱা তাৰ হৃদয়ৰ ৰঙা গোলাপৰ এটা এটা পাপৰিৰ কথা। .... আৰু প্ৰিয়ানী! বিনা বাক্যই সামৰি লৈছিল তাই সেই বৰষুণজাক। আজীৱন সেই বৰষুণজাকত তিতাৰ সিদ্ধান্ত লৈছিল দুয়ো। সেইদিনা সিহঁতৰ লগৰবোৰৰ মাজত সৰু-সুৰাকৈ এটা পাৰ্টী চলি গ'ল কেণ্টিনত। বহুত সুখী হৈছিল আবিৰ-প্ৰিয়ানী। কিন্তু সুখ বেছি দিন নিটিকিল। মাত্ৰ দুবছৰৰ পিছতেই আবিৰ গুচি গ'ল তাইৰ ওচৰৰপৰা। এৰি থৈ গ'ল তাৰ স্মৃতিৰ লগতে বহুতো উত্তৰবিহীন প্ৰশ্ন! একোৱেই নক'লে সি তাইক তাৰ গুচি যোৱাৰ বিষয়ে। প্ৰিয়ানীৰ বাবে ই এক ভাঙিব নোৱাৰা সাঁথৰ! সকলোবোৰতো ঠিকেই আছিল। তেন্তে কিয় হৈ গ'ল এইবোৰ? নাই.....আৰু তাই ভাবিব নোখোজে সেইবোৰ। পাহৰিবও নোখোজে আবিৰৰ স্মৃতি। কিন্তু কেতিয়াবা হঠাতে এটি আশাই ঢৌ খেলি যায় তাইৰ হৃদয়ত.... এই যেন আবিৰ আহিব আৰু ক'ব, "প্ৰি, তুমি দেখোন নহহাঁই হ'লা। তুমি জানাই, তোমাৰ হাঁহিটো মোৰ খুব ভাল লাগে। তুমি হাঁহি থাকিলে ভাল লাগে, হাঁহা... কেতিয়াও পাহৰি নাযাবা হাঁহিবলৈ।"

ঘৰত বিয়াৰ বাবে জোৰ দিব ধৰিছে প্ৰিয়ানীক। নিদিবই বা কিয়? মাকহঁতে বিয়াৰ কথা কৈ আৰু তাই 'না' কৈ ভাগৰি পৰিছে। তথাপি মাক-দেউতাকে এটি আশা পুহি ৰাখিছে, কিজানি তাই কেতিয়াবা সিদ্ধান্ত সলনি কৰেই! কিন্তু প্ৰিয়ানীয়ে জানে, তাই মনত যি ভাবি লৈছে, যি সিদ্ধান্ত লৈছে সেয়া আৰু কেতিয়াও সলনি নহয়। বেয়া লাগে তাইৰ মাক-দেউতাকলৈ, কিমান আশা কৰে তাইৰ বিয়াখনৰ বাবে। কিন্তু তাই সেই আশা কেতিয়াও পূৰণ কৰিব নোৱাৰে। আবিৰৰ বাহিৰে বেলেগ ল'ৰাৰ কথা ভাবিব নিবিচাৰে তাই। অৱশ্যে এই সিদ্ধান্ত অকল আবিৰৰ কাৰণেই নহয়, তাইৰ নিজৰ বাবেও। অলপ নিজৰ কথা ভাবিব বিচাৰে তাই। আমৃত্যু মাক-দেউতাকৰক সংগ দিব বিচাৰে তাই। তাই তাইৰ জীৱনটো মাক-দেউতাক, বায়েক-ভাগিনীয়েক আৰু তাইৰ অতিকৈ আপোন কলেজখনৰ মাজতেই সীমাবদ্ধ ৰাখিব বিচাৰে। মাকহঁতৰ অবিহনে তাইৰ অকলশৰীয়া জীৱনটোৰ গতিৰ কথা চিন্তা নকৰে প্ৰিয়ানীয়ে। সদায় কৈ আহিছে যদিও এইবাৰ মাকহঁতক তাই ভালকৈ বুজাই দিব যে, তাইৰ বিয়াৰ কথা যাতে আৰু নাভাৱে, যাতে তাইক জোৰ নিদিয়ে বিয়াৰ বাবে। এনেই তাই মাকে বিয়াৰ কথা ক'লে ধেমালিতে কয়, "চোৱা মা! মানুহ বিয়া কিয় হয়? ভগৱানক সৃষ্টিৰ কামত সহায় কৰিবলৈ, সেই সৃষ্টিত অৰিহণা যোগাবলৈ। কিন্তু পৃথিৱীত এতিয়া already ইমান সৃষ্টি হৈ গৈছে যে তাত মই অৰিহণা নোযোগালেও ভগৱানে মোক বেয়া নাপায়।" মাকৰ ভ্ৰূ কোঁচ খাই যায় তাইৰ এনেকুৱা উদ্ধত কথাত। কিন্তু নাই এইবাৰ প্ৰিয়ানীয়ে খাটাংকৈ কৈ দিব, তাই বিয়াত নবহে বুলি। বহুত কৰিবলৈ আছে তাইৰ জীৱনটোত, বিয়াৰ বাহিৰে। এই কথা ভাবি তাই বহু পৰিমাণে সুস্থিৰ হ'ল। পাতল লাগি গ'ল মনটো অলপ। এক নতুন উদ্যমে যেন স্থান পাইছে মনত। হৃদয়ে সকাহ পাইছে তাইৰ! কিন্তু ইয়াৰ পিছতো যেতিয়া হয়তো অকলশৰীয়া অনুভৱ কৰিব তাই, আবিৰৰ স্মৃতিয়ে আমনি কৰিব। সেই স্মৃতি... যি স্মৃতিৰ সুবাস তাই কেতিয়াও পাহৰিব নিবিচাৰে, যি ধুনীয়া স্মৃতিয়ে আবিৰৰ লগত তাইৰ অস্তিত্ব প্ৰতিপন্ন কৰে। তেতিয়া হয়তো তাই আকৌ গুণগুণাব নিজকে নিজে.....

Somebody wants you,
Somebody needs you,
Somebody dreams about you every single night,

..........................

That somebody me!!❐❐

গল্প

# আংশিক

আৰলিন চিবলীনা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ

(আংশিকৰ খণ্ড-১ নায়কৰ দৃষ্টিৰে আৰু খণ্ড- ২ নায়িকাৰ দৃষ্টিৰে লিখা হৈছে)

## খণ্ড- ১

পিছৰ চিটত বহাৰ জুতি বাৰুকৈয়ে পাইছো। দেহৰ সমস্ত কঁপি যোৱা ঠেকেচাত বাৰে বাৰে উফৰি পৰো আৰু নিজকে চম্ভালি ল'বলৈ চেষ্টা কৰোতেই আৰু এটা ঠেকেচা...

ঃ বাছতকৈ নাৱেই ভাল বুজিছো এই ডালত সদায় এনেকৈ অহা-যোৱা কৰি দেহাটো ঘূণীয়া কৰাহে হৈছেগৈ... ৰাস্তাৰ মাজতটো গাঁত থাকেই তাকে অলপ দ কৈ খন্দাই বাছৰ ঠাইত নাওঁ হে চলাব লাগে বুজিছে....

অৱশেষত তেওঁ মাত মাতিলে আৰু প্ৰচণ্ড ক্ষোভেৰে মোৰ ফালে এবাৰো নোচোৱাকৈ মোকেই উদ্দেশ্যি সোণ বৰণীয়া দোপাট্টা খনৰ চেঁপাত ফাঁচি হোৱা চুলিটাৰি মোকলাই কৈ উঠিল। বয়সত প্ৰায় সমনীয়া, পাতল নীলা ৰঙৰ চুৰিদাৰ, তাতে সোণোৱালী কাম চৰোৱা। দেখাত বেছ ধুনীয়া, মিহি নিমজ গাল দুখনিত যেতিয়া খিৰিকিৰে ৰ'দ পৰে, জিলিকি উঠে বিন্দু বিন্দু ঘামবোৰ।

....

মই সমৰ্থনত লাহেকৈ হাঁহি এটা এৰিলো। লগে লগে আৰু এটা জোকাৰ

ঃ হাঁহিলে যে?

তেওঁৰ চাগৈ খঙেই উঠিছিল। নিৰন্তৰে আকৌ তিনিটা জোকাৰ আৰু এইবাৰ তেওঁৰ সঁচাকৈয়ে খং উঠিল।

ঃ নহয়, মা.... নে আপোনাৰ পৰামৰ্শটোৰ কথা ভাবি....

ঃ নহয় যদিনো কি? এনেকৈ সদায় সদায় পাৰি জানো চাকৰিৰ নামত হাহাকাৰ কৰি কৰি পালো এইডাল, কোনদিনা মৰো কোনদিনা মৰো লাগিছে জানো।

ঃ ....হুম!

হাঁহিমুখীয়া সন্মতি জনালো আকৌ। আচলতে তেওঁ মোক কি বুলি ভাবিছিল নাজানো, কিন্তু তেওঁ কথাবোৰ... আকৌ ঠেকেচাই তেওঁক উফৰাই পেলালে.... কওঁতে তেওঁৰ মুখখন দেখিবলৈ কণমানি এজনীৰ দৰে লাগিছিল।

অলপ সময় দুয়ো মৌন হৈ থাকিলো। ইয়াৰ মাজতে দুয়ো দুয়োকে আঁৰ চকুৰে দুই এবাৰ চাইছিলো। মৌনতা ভাঙিবলৈ ময়েই সুধিলো-

ঃ আপোনাৰ নাম?

ঃ মোক আপুনি নকলেও হব।

ঃ হে??

ঃ মোক আপুনি নকলেও হ'ব...

ঃ নামটো অলপ আচৰিত নহয় নে বাৰু।

ঃ ধেই কি যে কয়, কোনোবাই এনেকে নাম ৰাখিব নেকি? আৰলিন শিৰ লীনা।

ঃ হয় আপোনাৰ দেউতাৰ নাম শিৰ, মাৰ নাম লীনা নহয় জানো।

ঃ কেনেকৈ জানিলে?

ঃ ট্ৰেণ্ড।

ঃ আপোনাৰ?

মবাইলৰ স্ক্ৰীণত ৰাইট চফ্‌ট বুটামটো হেঁচি ধৰি

মোৰ ফেচবুক প্ৰফাইলটো দেখুৱাই দিলো। বাছৰ ঠেকেচাবোৰ কমি আহিছিল আৰু আমাৰ মাজৰ দূৰত্বতো সামান্য পৰিৱৰ্তন আহিছিল।

ঃ ক'লৈ যাব?

ঃ নুমলীগড় কলনি, আপুনি?

ঃ মই চেক্ গেটত নামি অলপ খোজকাঢ়িব লাগে।

ঃ ৰূম লোৱা নাই?

ঃ ঘৰত অলপ অসুবিধা, মানে পৰিয়ালত মা আৰু মই মাত্ৰ! আপুনি?

হঠাৎ চুপ হৈ পৰি মোলৈ পেন্দোৱাকৈ চাবলৈ ধৰিলে মই উত্তৰ নাপাই মোৰ ওচৰে পাজৰে চালো...

ঃ অ'হ বুজিছো, তুমি। কোৱা এতিয়া

ঃ লৈছো স্কুলৰ ওচৰতে। আজি ঘৰলৈ যাও। পৰহি পুৱা আহিম।

ঃ বহুত সোনকালে আহিব লাগিব নিশ্চয়।

ঃ ছটা মানতেই ওলাম, ৰ'বচোন মই শিক্ষকতা কৰো বুলি আপুনি কেনেকৈ জানিলে?

দোপাট্টাখনৰ মোৰ কাষতে থকা আচলটো নি তেওঁৰ হাতত তুলি দিলো। চকৰ গুড়ি লাগিয়েই আছিল তেতিয়াও। উত্তৰত তেওঁ নিজে আচলটো হাতত লৈ এনেকৈ চাবলৈ ধৰিলে যেন কিবা কবহে এইমাত্ৰ।

ঃ কি হ'ল? কি চাই আছে এনেকৈ থৰ লাগি?

তেওঁৰ উত্তৰ নাহোতেই হঠাৎ এজাক সেমেকা বতাহ অনুভৱ কৰি ৰৈ গ'লো। অজান আশংকাত তেওঁৰ হাতখন খামুচি ধৰিলো।

মৃদু জোকাৰণিৰ লগত এটা বিকট শব্দ

ঠন ঠনকৈ ভাগি পৰা খিৰিকীৰ কাঁচৰ টুকুৰাবোৰ মোৰ সমুখত উৰি ফুৰিছিল

চিটৰ পৰা মানুহবোৰ ছিটিকি পৰিছিল

যেনি তেনি বাগৰি পৰিছিল ঠিয় হৈ অহা যাত্ৰীবোৰ

ৰেকৰ পৰা গধুৰ বেগ এটা...

তেওঁৰ হাতখনতে...

সমুখৰ চিটটো..

তেওঁৰ চিৎকাৰ..

ধুসৰ ......

মই যেতিয়া সাৰ পাওঁ কাৰোবাৰ কিলাকুটি এডোখৰ মোৰ মুখত সোমাই আছিল আৰু মই হাজাৰচেষ্টা কৰিও সেই ডোখৰ আঁতৰাব পৰা নাছিলো।

## খণ্ড-২

.... চকুৰ আগৰ অন্ধকাৰবোৰ লাহে লাহে আঁতৰাত দেখিলো ওপৰৰ চিলিঙত এখন ফেন। বাওঁ হাতখনত কাৰোবাৰ এটা পৰশ অনুভৱ কৰি আছিলো। অলপ ইফালে সিফালে চাবলৈ জোৰ প্ৰয়োগ কৰিছিলো যদিও নোৱাৰি এটা জীয়া মৃতদেহ যেন লাগিল মোৰ নিজকে। হঠাৎ ভাব হ'ল মই ক'ত আছো? এইখিনি কেনেকৈ পালো?

ঃ মা...

চাঁদৰৰ আঁচলেৰে চকুলো টুকি মা উচুপি উঠিল। বৰ মৰমেৰে মাৰ হাতখন মোৰ শিৰলৈ আহিও থমকি ৰ'ল। কিয়, মোৰ বিষটোৱে বুজাই দিলে।

উচুপনিয়ে ক্ৰমাৎ কান্দোনৰ ৰূপ লোৱাত বগা সাজৰ ভনীগৰাকীয়ে মাক বাহিৰলৈ লৈ গ'ল।

তেওঁৰ পৰাই গম পালো মই হেনো তিনিদিনৰ মূৰত সম্বিত ঘূৰাই পাইছো। ডাক্তৰৰ মতে মই জীয়াই থকাটো এটা মিৰাক'ল।

তাৰ পিছৰ কথাখিনি আৰু মোৰ কাণত নোসোমাল। লাহে লাহে মনৰ মাজত সকলো ৰিজাই ল'লো। ঠেকেচা.. নাও.. হাঁহি.. আপুনি... তুমি .... জোকাৰণি... আৰু??

আৰু সেই ল'ৰাটো!

অহ্ সেই ল'ৰাটোৰ কি হ'ল।

তেওঁ বাৰু ঠিকে আছেনে? কাক সুধিম বাৰু তেওঁৰ কথা?

সম্পূৰ্ণ এমাহৰ মূৰত মোক হাস্পতালৰপৰা ৰিলিজ দিয়া হ'ল। দেহতো তেতিয়াও প্ৰায় অলস। দিনতো বিচনাত পৰি থাকি খবৰ লবলৈ অহা প্ৰতিজন

আলহীৰ সমুখত মুখমণ্ডলৰ আঘাত ঢাকি বাছখনে কেনেকৈ খুন্দিয়ালে, মই ক'ত বাগৰি পৰিলো, কিমান দুখ পাইছিলো, সেইবোৰ শুনোৱাই মোৰ কাম আৰু তাৰ মাজতহে প্ৰতিটো মুহূৰ্ততে মনত দোলা দি আছে সেই হাঁহিমুখীয়া ল'ৰাটোৱে।

এমাহ উকলি গ'ল তাৰ খবৰ পোৱা নাই। কি আছিল নামটো...। নামটো... উফ্। নামটো কি আছিল?

সেইদিনা তেওঁৰ ফেচবুকত...।

নামটো বিচাৰি পোৱাৰ আনন্দত জপিয়াই দিবলৈ মন গ'ল। বুকুৰ মাজৰ পৰা বহুত ডাঙৰ দুখ এটা পাতলি সুখৰ এজাক বতাহেৰে ভৰি পৰিল।

কোনোৰকম হাতখন মেলি মবাইলত ৰাইট স্বাইপ...

Facebook... Loading...

Search.. D h i r a j....

ফেচবুকৰ Search box ত মই তেওঁৰ নামটো টাইপ কৰি দিলো...

মুহূৰ্ততে পাঁচটা একে নামৰ একাউণ্টে দেখা দিলেহি। তেওঁৰটো সামান্য বেলেগ আছিল।

প্ৰফাইল পিকচাৰো সেইখনেই।

কিয়বা জানো! অজান আশংকাত বুকুখন চিৰিং কৈ উঠিল। তথাপি কিবা এটা হেঁপাহত মই তেওঁৰ একাউণ্টৰ ফটোবোৰ চোৱাত লাগিলো। এপাকত এখন ফটো পাই মোৰ মনলৈ সকাহ আহিল। মোৰ স্কুলীয়া বান্ধৱী মেঘালীৰ লগততোলা ফটো। লগে লগে ফোন লগালো তাইলৈ।

ঃ হেল্ল'...?

ঃ অ, মেঘালী..। মই আৰলিন...

ঃ.........

ঃ........

ফোনৰ অন্তত বাছৰ জোকাৰণিৰ লগত কমি আহিব ধৰা দূৰত্বই এনেকুৱা দূৰলৈ লৈ গতি কৰিলে যাক বুজাবলৈ দূৰত্ব শব্দটোও বহুত কম হৈ পৰিল।

নিজৰ অজানিতে মোৰ দুগালৰ ওপৰত বাগৰি আহিল দুটোপাল তপত চকুলো।

এয়া দূৰত্ব.....। নে অন্ধকাৰ...? নে দুখন পৃথক জগত আমাৰ।

ঃ মা...

দেহৰ সমস্ত জোৰেৰে মাক চিঞৰিলো। মাৰ হাতত ধৰি ড্ৰেচিঙত মোৰ ঘূণীয়া দেহটো চালো। চিলাই আৰু শুকাবলৈ ধৰা দাগবোৰৰ মাজৰ পৰা যেন কিলাকুটিত বহা দাঁতৰ চিন কেইটাও ক্ৰমাৎ মচ্ খাবলৈ ধৰিছিল।

............

............তেওঁক কোনোদিনে কোৱা নহ'ল মোৰ নাম আৰলিন শিৰ লীনা নহয় আৰলিন চিবলীনাহে!❐❐

## ঃ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ ঃ

অসমীয়া উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ হাততে অসমীয়া উপন্যাসে পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰে। 'অসমীয়া উপন্যাসৰ পিতা', 'অসমীয়া স্কট', 'অসমৰ বঙ্কিম চন্দ্ৰ' আদি নানা আখ্যাৰে তেখেতক সন্মানিত কৰা হৈছে। 'জোনাকী' যুগৰ অসমীয়া সাহিত্য প্ৰতিষ্ঠাৰ বাবে আশাশুধীয়া প্ৰচেষ্টা চলোৱা ব্যক্তিসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ অন্যতম। তেখেতে ১৯২৫ চনত অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনত সভাপতিত্ব কৰিছিল। জনপ্ৰিয় উপন্যাস 'মিৰি-জীয়ৰী' তেখেতৰ প্ৰথম সামাজিক উপন্যাস।

গল্প

# হৃদয়ত শৰতৰ জোন

জীমণি ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

সময় কিমান হ'ল অৰুন্ধতীয়ে নাজানে। এয়া শৰতৰ শান্ত-শীতল জোনাক ৰাতি। সময়ৰ প্ৰতি তাইৰ অকণো ভ্ৰূক্ষেপ নাই। প্ৰতিটো মুহূৰ্তকে তাই মাথো উপভোগ কৰিব খোজে। শৈশৱৰ স্মৃতি বিজড়িত গাঁওখনলৈ কিমান বছৰৰ মূৰত আহিছে হয়তো তাইৰ মনত নাই। তথাপিও পোন্ধৰ-ষোল্ল বছৰ হ'ব! গাঁওখনত প্ৰৱেশ কৰিয়েই তাই দেখিলে গাঁৱৰ ৰাস্তাবোৰ পকী হ'ল। গাঁওখন আগৰ দৰে নাই। বটগছজোপা এতিয়াও তেনেদৰেই আছে।

মাক-দেউতাকৰ চাকৰিসূত্ৰে গাঁওখনৰ লগত তাইৰ বিচ্ছেদ হৈছিল শৈশৱতে। তাৰ পিছত বহুদিনৰ বিৰতিত গাঁওখনলৈ আহিছে। পকী আলিটোৰ কাষে কাষে সেউজীয়াবোৰ। এই সেউজীয়াবোৰৰ মাজেৰে যিমান বেগেৰে তাইৰ গাড়ীখন দৌৰিছে সিমানে ল'ৰালিৰ দিনবোৰলৈ তাই মনটো ঢাপলি মেলিছে। তাই যেন এতিয়াই গাড়ীৰ পৰা নামিব আৰু আলিটোৰে দৌৰ দিব। তাইৰ সোণালী শৈশৱ আৰু গাঁওখন, তাই বুকুত সাঁচি ৰখা কিছু স্মৃতি। চিনেমাৰ ফ্লেশ্বেকৰ দৰে তাইৰ চকুলৈ ভাহি আহিছিল দৰা-কইনাৰ খেল, ওমলা বালিঘৰ। এইবোৰ তাইৰ মনৰ সজীৱ স্মৃতি।

— পুতুকণ, আগৰ নঙলাটোত ৰখাবা।

এটি হুমুনিয়াহ এৰি তাই গাড়ীখন ৰখাব দিলে। পুতুকণ তাইৰ ড্ৰাইভাৰ।

নঙলাটো একেদৰেই আছে। মাথো লাং মাৰি কেইডাল গুচি জেওৰা হ'ল। ঘৰখন বাঁহৰ গুচি কাঠৰ হ'ল। খেৰৰ সলনি টিনপাত আহিল। ফুলনিবাৰীখন এতিয়া নাই। বাৰাণ্ডাৰ আৰামী চকীখন একেদৰেই আছে। ককাকৰ দিনৰে চকীখন।

বাহিৰত জোনাক। আৰামী চকীখনত বহি অৰুন্ধতী নিজৰ মাজতে মগ্ন হৈ আছে। জোনাক তাইৰ প্ৰিয়। বাৰীখনৰ পৰা অহা চেঁচা বতাহজাকে তাইৰ মেলা চুলিকোচা সামান্য লৰাই থৈ গ'ল। বহুদিনৰ মূৰত এনে বতাহে তাইৰ দেহ ছুইছে। এইকাৰণেই গাঁওখন তাইৰ প্ৰিয়।

— আইজনী, ভাত দিছোহি। খাই লোৱা।

ইয়াত সকলোৱে ভাত সোনকালে খায়। তাই অহা কাৰণে খুড়াকে আহি ঘৰৰে কুকুৰা মাৰিছে। তাই ভাতৰ পাতত বহিল। খিৰিকীৰ ফাঁকেৰে সোমাই অহা পুবালী কিৰণৰ উন্মাদনাত তাই সাৰ পালে। খুৰীয়েকে সজাই থোৱা চাহ কাপ আৰু তিল পিঠাৰে পুৱাৰ জলপান খালে। গাটো ধুই তাই গাঁওখনলৈ ওলাই গ'ল।

— সোণ মইনা, ব'লা মোৰ লগত ফুৰিবলৈ যাওঁ।

সোণ মইনা খুৰাকৰ ল'ৰা। তাই অহাৰ পৰাই সি লগতে আছে। তাই গাঁওখনৰ সিটো মূৰেৰে যোৱা নৈ খনৰ পাৰ পালে। নৈখন গাঁওখনৰ আবেগ। ক্ষন্তেকৰ বাবে তাই ঘাটটোত বহি পৰিল। এই নৈৰ সৈতে তাইৰ বহুতো স্মৃতি আছে। গৰমৰ দিনত সিহঁতৰ জলকেলি, গৰু বিহুত গৰুক গা ধুওৱা, ইটো সিটো বহুতো। দেউতাকে বনাই দিয়া ভুৰত টুলুং ঘুটুং কৈ কিমান যে খেলিছিল। এতিয়া সেইবোৰ মাথো স্মৃতি। অৰুন্ধতিয়ে নৈৰ পাৰত গাঠি থোৱা কোনোৱা অচিনাকী নাওঁত উঠি হাতখন পানীত ডুবাই দিলে। পানী খিনি ঠাণ্ডা। বহুদিনৰ মূৰত এনেদৰে তাই নৈৰ পানী চুইছে। তাই মনত এক অবুজ নষ্টালজিয়া। সৰুতে হাকুটি লগাই পাৰি খোৱা আম গছ, তালৰ তলতে তাই ক্ষন্তেক জিৰণি ল'লৈ। তাই সোণ মইনাক কৈ গ'ল

কেনেদৰে হাকুটিৰে আম পাৰোঁতে বহুদিন তাইৰ মূৰত পকা আম সৰি পৰিছিল।

দুপৰীয়া অৰুন্ধতী উভতি আহিল। বহুদিনৰ মূৰত ঘৰৰ পুখুৰী মাছ আৰু টেঙাৰে এসাঁজ খালে। তাৰ পিছত চৰাঘৰৰ বিছনাত এৰি দিয়া নিজৰ দেহ। চ'ৰাঘৰলৈ খুৰাক সোমাই আহিল। অৰুন্ধতিৰ লগত তেওঁৰ কথা পতা হোৱাই নাই। সৰুতে খুৰাকৰ লগত উমলা ছোৱালীজনী আজি বৰজনী হৈ উভতি আহিছে। খুৰাক তাইৰ ওচৰতে বহিল। তাই ভাবিলে, গাঁৱলৈ অহা উদ্দেশ্য তাই খুৰাকক খুলি ক'ব।

খুৰাক ওচৰতে আছিল যদিও তাইৰ মনত অনা এটা কথাই পীড়া কৰি আছিল। সিদিনা তাই কলেজৰ পৰা আহি ঘৰ সোমাইছিল, তাইলৈ ফোন আহিছিল। তাই চহৰৰ মাজলৈ বুলি ওলাই গৈছিল। এখন ট্ৰাকৰ লগত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত সিহঁতৰ এল্টো গাড়ীখন চুৰমাৰ হৈ গৈছিল। ৰাস্তাত পৰি ৰৈছিল মাক আৰু দেউতাকৰ মৃতদেহ। মাকৰ মৃতদেহটো তাই দ্বিতীয় বাৰৰ বাবে চাব নোৱাৰিলে। টুকুৰা-টুকুৰহৈ চিঙি যোৱা মাংসবোৰ টোপোলা এটা কৰি পোষ্টমৰ্টেমলৈ নিলে আৰু তাৰ পিচত ঘৰ। সেইদিনাৰ পৰাই শেষ হ'ল মৰম আৰু আব্দাৰৰ পৃথিৱীখন তাইৰ বাবে। তাই মানুহৰ পৰা ক্ৰমাৎ শিল হ'বলৈ গতি কৰিছিল। মহানগৰীৰ অকলশৰীয়া জীৱন অত্যন্ত নিসংগ। তাইৰ মূৰটো আঁচন্দ্ৰাই ধৰা যেন অনুভৱ হ'ল।

— খুৰা, মা আৰু দেউতাৰ নামত ইয়াতে এখন স্কুল খুলিম বুলি ভাবিছো।

তাই মাক-দেউতাকৰ নামত স্কুল খুলিম বুলি ভাবিছে। এই গাঁওখনতে সজীৱ হৈ থাকিব তাইৰ মাক-দেউতাকৰ স্মৃতি। বাহিৰৰ মন্দিৰত ডবা আৰু শংখৰ ধ্বনি তাই শুনিলে। গাঁৱৰ চেমনীয়াবোৰে গৰু চাৰি ঘৰলৈ উভতি আহিব এতিয়া। আই সকলে তুলসীৰ তলত আঠু ল'ব।

লাহে লাহে আন্ধাৰ নামি আহিছে। তাইৰ খুৰাকে কিছুসময় মনে মনে থাকি হাঁহিলে আৰু মূৰ দুপিয়ালে। দৰ্জাখন খুলি তাই বাহিৰলৈ চালে। অলপ পিছতে লাহে লাহে নামি আহিব জোনাক।❒❒

## ঃ চৈয়দ আব্দুল মালিক ঃ

চৈয়দ আব্দুল মালিক অসমীয়া সাহিত্যৰ এজন বিশিষ্ট গল্পকাৰ, উপন্যাসিক, নাট্যকাৰ, কবি। তেখেতে ১০০০ তকৈয়ো অধিক চুটি গল্প লিখিছিল। তেখেতৰ উপন্যাসৰ সংখ্যা ৫০ খনতকৈয়ো অধিক। ১৯৭২ চনত 'সাহিত্য অকাডেমী' বঁটাৰে তেখেতক সন্মানিত কৰা হৈছিল। ১৯৯২ চনত 'অসম উপত্যকা' বঁটা, ১৯৯৯ চনত 'শংকৰদেৱ' বঁটা আৰু 'পদ্মশ্ৰী' সন্মান লাভ কৰিছিল।

গল্প

# অন্তিম সিদ্ধান্ত

অনামিকা সৰকাৰ
স্নাতক, চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

খিৰিকীখন কেৰেক্‌কৈ খুলি যোৱাত মনালিছা সাৰ পাই উঠিল। শৰতৰ ৰাতিপুৱাৰ ফিৰ্‌ফিৰিয়া শীতল বতাহ এজাক ভিতৰলৈ সোমাই আহিল। তাইৰ গাটো জিকাৰ খাই উঠিল। সূৰ্যটো ক্ৰমান্বয়ে উদয় হৈ আহিছে যদিও বতাহজাকে যেন তাইক আগন্তুক শীতৰ অনুভৱ দিয়াই গ'ল। বাহিৰত চৰাইৰ কিচিৰ্-মিচিৰ্ শব্দ, যেন চৰাইবোৰেও শৰতৰ মিঠা বতাহৰ আনন্দ লৈছে পুৱাৰ সোণোৱালী ৰ'দকাঁচলিত। মনালিছাৰ মনটো ভাল লাগি গ'ল, খিৰিকীখন ভালকৈ মেলি দিয়াত সোণোৱালী ৰ'দকাঁচলিয়ে শেৱালিডালৰ মাজেৰে পাৰ হৈ, শেৱালীৰ সুবাসক সংগী কৰি তাইৰ কোঠাটোত বিয়পি পৰিল।

হঠাতে তাইৰ চকু গ'ল খিৰিকীৰ ওচৰৰ টেবুলখনলৈ, এখন কাগজ ভাজ কৰি থোৱা আছে টেবুলখনৰ ওপৰত। কিন্তু ৰাতি শুবলৈ যোৱাৰ আগলৈ কোনো কাগজ দেখা মনত নপৰে। তেনেহ'লে ৰাতি কি খিৰিকীখনৰে কোনোবাই? কাগজখন খৰ্‌ধৰকৈ তাই খুলি চালে, 'মনা! এই গাঁওখনৰ বাবে তুমি যিমানখিনি কৰিছা, মই জানি অতিশয় আনন্দিত হৈছো। কিন্তু, তোমাৰ সৈতে মোৰ আৰু কিছু কথা আছে। আবেলি তুমি মোক বৰ আঁহত ডালৰ তলত এবাৰ লগ ধৰিবা। প্লিজ, তুমি হয়তো ধৰিব পৰা নাই, মই কোন? কিন্তু চিঠিখন পঢ়ি যদি মনৰ কোনোবা কোণত তোমাৰ বুজাব নোৱাৰা অনুভূতিৰ সৃষ্টি হয়, তুমি বুজিবা মই কোন! তোমালৈ বাট চাম।'

'মনা'! এই নামটোৰে কেৱল এজন মানুহে তাইক মাতিছিল। সুব্ৰত দেৱশৰ্মা। হয়তো তেওঁ.....। এক বুজাব নোৱাৰা উচ্‌পিচনিয়ে মনটোক তাইৰ সুস্থিৰে থাকিব নিদিলে। কিয় বাৰু?

সেউজীয়া-হালধীয়া ধাননি পথাৰ। চাৰিওফালে আবেলিৰ আগমুহূৰ্তৰ নিজানতা বিৰাজ কৰি আছে। ৰ'দজাকে আধা পকা ধাননিৰ ওপৰত পৰি এক মনোমোহা দৃশ্যৰ সৃষ্টি কৰিছে। মাজেৰে শিলগুটি পেলোৱা ৰাস্তা আৰু ৰাস্তাৰ সিপাৰে কুলষী নৈখন, একান্তভাৱে বৈ গৈছে, কোনো বাধা নাই। বৰ আঁহত ডালৰ তলত থিয় হৈ মনালিছাই একান্ত ভাৱে নৈখনৰ ফালে চাই আছে। তাইৰো এই কুলষী নৈৰ দৰেই একান্তভাৱে বৈ থাকি মানুহক সহায় কৰিবৰ মন যায় আৰু তাৰ বাবেই হয়তো এদিন তাই এই গাঁওখনলৈ আহিছিল। এনেতে কাৰোবাৰ খোজৰ শব্দ শুনি তাই বাটৰ ফালে ঘূৰি চালে। দাড়ি-চুলিৰে ভৰা এখন মুখ। দূৰৰ পৰাই চিনাকি-অচিনাকি মুখখন দেখি তাইৰ বুকুখনে সজোৰে স্পন্দন কৰিবলৈ ধৰিলে। ক্ৰমান্বয়ে মানুহজন তাইৰ কাষ পালে। "সুব্ৰত!" অস্পষ্ট কণ্ঠেৰে তাই ক'লে। "মনা! তোমাক নিবলৈ আহিছো মই। তুমি যাবা নে মোৰ সৈতে?" সুব্ৰতই আবেগ ভৰা নয়নেৰে মনালিছাৰ ফালে চাই ৰ'ল। "তুমি এইবোৰ কি কৈছা সুব্ৰত? এই দহ বছৰে তুমি মোক এৰি কেনেকৈ থাকিব পাৰিলা? পৰিয়ালৰ সিদ্ধান্তই তোমাৰ বাবে শেষ সিদ্ধান্ত কেনেদৰে হ'ব পাৰিছিল? আৰু এতিয়া যে তুমি?" নানান প্ৰশ্নৰ উদয় হ'ল তাইৰ মনত। দহ বছৰ ধৰি মনত পুহি, ৰখা খং, দুখ আৰু অভিমান খিনি যেন সেই মুহূৰ্তেতে সুব্ৰতৰ আগত উজাৰি দিব তাইৰ তেনে লাগিল। সুদীৰ্ঘ আঠ বছৰ ধৰি দুয়োজনে দুয়োজনক ভাল পাইছিল মেডিকেলৰ ডিগ্ৰী লৈ থকাৰ সময়ত। দুয়োজনে যেতিয়া নিজৰ ভৱিৰ ওপৰত থিয় দিছিল, ঘৰত সুব্ৰ আৰু মনা'ৰ বিয়াৰ কথা আলোচনা হৈছিল। কিন্তু সুব্ৰত দেৱশৰ্মা এক

ব্ৰাহ্মণ আৰু সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ পুত্ৰ সন্তান আৰু মনালিছা হাজৰিকা এক নিম্ন জাতিৰ পৰিয়ালৰ কন্যা। জাতিগত ভিন্নতাই সিহঁত দুয়োজনৰ বিবাহত বাধাৰ সৃষ্টি কৰিছিল। সুব্ৰতৰ পৰিয়ালে নিম্ন জাতিৰ ছোৱালী এজনীক কোনো কাৰণত বোৱাৰী কৰিবলৈ মান্তি হোৱা নাছিল। অৱশেষত সুব্ৰতই মনালিছাৰ সৈতে সম্পৰ্ক ছেদ কৰি কেলিফৰ্ণিয়ালৈ কৈ গুছি গৈছিল গৱেষণাৰ বাবে। আৰু মনালিছা! ঘৰৰ মানুহৰ কথা ৰাখিবলৈ গৈ আনৰ স'তে বিবাহত বহাতকৈ এক বিশেষ সিদ্ধান্ত লৈছিল, যিটো তাই সৰুৰে পৰা মনত পুহি ৰাখিছিল। ডিব্ৰুগড় চহৰৰ পৰা বহু মাইল নিলগৰ অতি ভিতৰুৱা এই গাঁওখনলৈ অহাৰ সিদ্ধান্ত লৈছিল। ২০০৩ চনৰ জুন মাহতে তাই ঘৰৰ পৰা ওলাই আহিছিল কুলষীঘাট নামৰ এই গাঁওখনলৈ। অহাৰ দিনায়ে তাই কুলষী নৈখনৰ আগত থিয় হৈ তাই শপত লৈছিল যে পাৰেমানে তাই এই গাঁওখনৰ মানুহক সহায় আৰু শুশ্ৰূষা কৰি যাব, ঠিক কুলষীখন যেনেদৰে একান্তভাৱে বৈ গৈছে।

"কি হ'ল মনা?" সুব্ৰতৰ মাতত মনালিছা বৰ্তমানলৈ ঘূৰি আহিল। "তোমাক কাইলৈ ৰাতিপুৱা মই নিবলৈ আহিম। আমি বিয়া হ'ম মনা। তোমাক সুখত ৰাখিম মই। দহ বছৰে তোমাক এৰি মই যি বেদনাত আছো তাৰ উপশম কৰিব বিচাৰিছো, লগতে বিচাৰিছো তোমাৰ মুখত অলপ হাঁহি বিৰিঙাব। মই কৰা ভুলৰ বাবে মোক ক্ষমা কৰিবানে মনা?" মনালিছাৰ দুগালেৰে দুধাৰি চকুলো বৈ আহিল। হাজাৰ চেষ্টা কৰিও তাই চকুলোক বাধা দিব নোৱাৰিলে।"মই কাইলৈ ৰাতিপুৱা আহিম তোমাক নিবলৈ, তুমি সাজু হৈ থাকিবা। এতিয়া যোৱা। গধূলি হৈছে।" মনালিছা নিৰৱে থাকিল। সুব্ৰত গুছি গ'ল।

কথাবোৰ ভাবি মনালিছা নিজৰ সৰু কমটোৰ অভিমুখে আগবাঢ়ি আহি থাকিল। গাঁওখনত তাই অহাৰ এসপ্তাহ পিছতে গাঁৱৰ মানুহবোৰ বানাক্ৰান্ত হৈছিল। বানপানীৰ পিছত ডায়েৰিয়াই যেতিয়া গাঁওখনত মহামাৰীৰ ৰূপ লৈছিল তাই প্ৰথমবাৰৰ বাবে গাঁওৰ মানুহবোৰক শুশ্ৰূষা কৰাৰ সুযোগ পাইছিল। কিন্তু মানুহবোৰে ডায়েৰিয়াক কোনোবা ভূত-পিশাচৰ দোষ লগা বুলি ভাবিছিল। কিন্তু তাই পাৰেমানে গাঁৱৰ মানুহখিনিক বুজাব যত্ন কৰিছিল আৰু সজাগ হ'বলৈ কৈছিল। কিছুলোকে তাইৰ কথাত হাঁহিছিল আৰু কিছুলোকে মানি লৈছিল। এনেকৈয়ে গাঁৱৰ মানুহখিনিৰ মাজত মনালিছা লাহে লাহে ডাক্তৰ বাইদেউ বুলি প্ৰিয় হৈ আহিছিল। মনালিছাই লক্ষ্য কৰিছিল গাঁৱৰ ছোৱালীবোৰৰ অতি দুখ লগা অৱস্থাবোৰ। ঘৰৰ মানুহে ছোৱালীক বোজা বুলি ভাবি লৈছিল আৰু বিয়া দিব পাৰিলেই মুক্ত বুলি ভাবিছিল। ছোৱালীৰ শিক্ষাৰ প্ৰতি অনীহা আছিল গাঁৱৰ মানুহখিনিৰ। মনালিছাই ছোৱালীবোৰক শিক্ষাৰ পোহৰ দিবলৈ গাঁৱৰ মানুহক বুজাবলৈ চেষ্টা কৰিছিল। তাই অকলশৰীয়াকৈ ছোৱালীৰ বাবে সংঘৰ্ষত নামি পৰিছিল। গাঁৱৰ কত মানুহে তাইক কটু বাক্য শুনাইছিল। কিন্তু অহৰহ দীঘলীয়া চেষ্টাৰ অন্তত গাঁৱৰ মানুহখিনিয়ে কথাবোৰ বুজি পাইছিল আৰু শিক্ষাৰ প্ৰায় পোহৰ নোপোৱা এই কুলষীঘাটৰ গাঁৱৰ ছোৱালীয়েও হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত হ'বলৈ সক্ষম হৈছে। গাঁৱৰ মানুহখিনিৰ মুখত তাই কিছু পৰিমাণে হ'লেও হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। মনালিছাই গাঁৱৰ মহিলাখিনিক স্বাৱলম্বী কৰিবলৈও কৰা যৎপৰোনাস্তি চেষ্টাৰ অন্তত হস্তশিল্পৰ উদ্যোগ গঢ়ি তুলিবলৈ সক্ষম হৈছে। পুৰুষ-মহিলা উভয়ে দিন-ৰাতি ব্যস্ত থাকি নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিছে। কিন্তু এইখিনিতে তাইৰ সপোন শেষ হোৱা নাই। গাঁৱখনত এখন হাস্পাতাল খোলাৰ সপোন তাই দেখি আছে। য'ত বিনামূলীয়া ভাৱে গাঁৱৰ মানুহবোৰৰ বাবে সকলো সুবিধা থাকিব। যোৱা দহ বছৰত গাঁৱখনত চিকিৎসালয়ৰ অভাৱত পাঁচ গৰাকী প্ৰসূতিৰ মৃত্যু হৈছে আৰু মানুহবোৰৰ অইন বেমাৰ-আজাৰতো বাদেই। কিন্তু তাইৰ এই সপোনবোৰ জানো বাস্তৱ কৰিব পাৰিব কালি যদি তাই সুব্ৰতৰ সৈতে গুছি যায়? আৰু মানুহবোৰে তাইক এই দহ বছৰে দিয়া মৰম, ভালপোৱা, সন্মান, আত্মীয়তা এইবোৰ এৰি থৈ, উলাই কৰি তাই যোৱাটো

ভাল হ'ব জানো? নিজৰ স্বাৰ্থৰ বাবে? সপোনবোৰ বাদ দি? তাই কোনো সিদ্ধান্ত লব নোৱাৰিলে। কেৱল ভাবি থাকিল। এনেতে দুৱাৰত টোকৰৰ শব্দ। "কোন?" তাই সঁহাৰি দিলে। "মনা বা মাই তোমালৈ হাঁহৰ মাংস আৰু কালি দাদাৰ বিয়াত পিন্ধিবৰ বাবে পাটৰ সাঁজ এযোৰ দি পঠাইছে।" পংখীয়ে মাত দিলে। গাঁৱখনৰে ছোৱালী।

মনালিছাই কিছু ক্ষণ ভাবিলে। তাইৰ আবেগ আৰু অনুভূতিবোৰ কেৱল এই হাঁহৰ মাংস আৰু পাটৰ সাজযোৰতে নহয়, তাইৰ আবেগ আৰু অনুভূতিবোৰ গাঁৱখনৰ মানুহবোৰৰ মনৰ সৈতে আছে। বিয়াঘৰৰ ইমান ব্যস্ততাৰ মাজতো যে মানুহবোৰে তাইৰ কথা ইমানখিনি ভাবিছে, তাই এই মানুহবোৰকে এৰি স্বাৰ্থপৰৰ দৰে সেইজন মানুহৰ লগত কেনেকৈ যাব পাৰে যিজনে দহ বছৰ তাই এৰি থাকিব পাৰিছিল!! নাই, তাই নাযায়। গাঁৱখনলৈ অহাৰ দিনা কুলষী নৈৰ আগত থিয় হৈ তাই যি শপত লৈছিল, যি সপোন দেখিছিল, সেয়া তাই এৰি থৈ কেতিয়াও নাযায়। মৃত্যুৰ আগমুহূৰ্ত পৰ্যন্ত তাই গাঁৱখনত থাকি গাঁৱৰ মানুহৰ সেৱা কৰি যাব। কাইলৈ ৰাতিপুৱা সুব্ৰত দেৱশৰ্মাৰ সৈতে তাই গাঁওখন এৰি গুছি নাযায়। হয়, এয়ে তাইৰ অন্তিম সিদ্ধান্ত।❐❐

## ঃ প্ৰথম অসমীয়া উপন্যাস ভানুমতী ঃ

পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী' উপন্যাসখন 'বিজুলী' আলোচনীত খণ্ড খণ্ডকৈ ধাৰাবাহিক ভাৱে প্ৰকাশ হৈ থাকোতে.পূৰ্ণাংগ ৰূপত 'লাহৰী' গ্ৰন্থ আকাৰত প্ৰকাশ হৈ ওলায়। সেই সূত্ৰে যদিও 'ভানুমতী'য়ে ছপাশালৰ মুখ প্ৰথমে দেখিছিল, আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পূৰ্ণাংগ উপন্যাস 'লাহৰী'। ১৮৯১ চনত 'ভানুমতী' বিজুলী আলোচনীত প্ৰকাশ পায়। গ্ৰন্থ আকাৰত প্ৰকাশ পায় ১৯০৮ চনত। উপন্যাসখন নায়িকা প্ৰধান। ভানুমতী আৰু চাৰু গোহাই নামৰ এহাল ডেকা-গাভৰুৰ প্ৰণয় কাহিনীক পটভূমি হিচাপে লৈ উপন্যাসখন ৰচিত হৈছে। কাহিনীটো ঐতিহাসিক পটভূমি আধাৰত ৰচিত হ'লেও তাত ইতিহাসৰ কোনো আখ্যান পাবলৈ নাই। সেইফালৰপৰা উপন্যাসখন সামাজিক বুলিব পাৰি।

গল্প

# নীলাঞ্জনাৰ অস্ত বেলি

চিন্ময়ী গোস্বামী
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

এটি নিৰ্জন দুপৰীয়া। মই আছিলো হেৰোৱা ক্ষণবোৰৰ সুবাস বিচাৰি। ক্ৰমাৎ সুস্থ হ'বলৈ ধৰিছিলো মই। চিকিৎসকজনে কৈছিল আজি তোমাৰ প্ৰিয়তম আকৌ আহিব। মই হাঁহিছিলো আৰু ভাবিছিলো মানসিক ৰোগীক সান্ত্বনা দিবলৈ মিছাৰ আশ্ৰয় লোৱাৰ জানো অৰ্থ আছিল? মই জানিছিলো আজিও অস্ত বেলিৰ লগতে মোৰ সপোনৰো অন্ত পৰিব।

তেওঁ বিচাৰিছিল যে মই তেওঁৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰওঁ। হয় নীলাভ মহন্তৰ বৰ মৰমৰ আছিলো মই। বিবাহপাশত আৱদ্ধ হোৱাৰ দিন ধৰি যথেষ্ট যত্নত ৰাখিছিল নীল আৰু তেওঁৰ পৰিয়ালে। নীল এৰা, নীলাভৰ ঘৰত মতা নাম। নীলে গুৱাহাটীৰ এটা নামজ্বলা প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী আছিল। নীলৰ অভাৱ কোনোদিনে নাছিল। প্ৰভাত মহন্তৰ একমাত্ৰ সন্তান নীলাভ মহন্তৰ সহধৰ্মিনী আছিলো মই। নীলে বিচাৰিছিল তেওঁৰ পত্নীও অৰ্থাৎ নীলাঞ্জনাও প্ৰতিষ্ঠানটোত ব্যস্ত থাকক। অৰ্থাৎ নীলাঞ্জনাৰ শিক্ষাও অথলে নাযাওক।

নীলাঞ্জনা আৰু নীলাভ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিচিত আছিলো। দিনবোৰ তেনেকৈয়ে পাৰ হৈছিল। কলেজৰ ক্লাছ, হাঁহিৰ আড্ডা। লগৰবোৰক জোকোৱা, কলেজৰ ইলেকচন। নীলাভে যথেষ্ট গম্ভীৰ ভাৱে অধ্যয়ন কৰিছিল। তেনেকৈয়ে প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। পঢ়া সমাপ্ত কৰিয়েই নীলাভে দেউতাকৰ ব্যৱসায়ত সোমাই পৰিছিল। সি ব্যৱসায়ত সোমোৱাৰ কিছুদিন পিছত অৰ্থাৎ ২০১৪ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে সামাজিক ভাৱে আমাৰ বিয়া হৈছিল। মোৰ শিৰ দগমগাইছিল নীলাভৰ নামৰ ৰঙা ৰঙে।

আজি এইয়া ২০১৭ চন। মই মাক হ'বলৈ গৈ আছো। গোটেই ঘৰখনৰ মৰমে মোক আবৰি ধৰিছিল। ইটো সিটো খোৱা, শোৱা সকলো কামকে তদাৰক কৰিছিল। মোৰ মুখখন এক লাজেৰে আৱৰি ধৰিছিল। নীলাভৰ লগতে মইও বৰ সুখী আছিলো। আমি দুয়ো ভৱিষ্যতৰ সপোন ৰচিছিলো। প্ৰায়ে গুণগুণাইছিলো-

আমাৰে মইনা শুৱয়ে
বাৰীতে বগৰী ৰুবয়ে
বাৰীতে বগৰী পকি সৰি যাব
মাইনাই বুটলি খাব।

মোৰ এই গীতত নীলাভ সুন্দৰকৈ টোপনি গৈছিল। কিন্তু সুখ জানো ভগৱানে এনেকৈয়ে দিব? মোৰ সন্তানটি গৰ্ভতে মৃত অৱস্থাত বুলি ডাক্তৰে ঘোষণা কৰিলে। বাউলী জনী হৈ পৰিছিলো। কোনেও ৰখাব নোৱাৰিলে। মই লাহে লাহে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিলো। নীলাভে বহুত যত্ন কৰিলে যদিও ঠিক হৈ নুঠিলো। শেষত মানসিক চিকিৎসালয়ত নিজকে উদ্ধাৰ কৰিছিলো। নীলাভেও নতুন জীৱন আৰম্ভ কৰিলে। সি আন এজনীক অৰ্থাৎ পৰিনীতাক জীৱনসংগী ৰূপে গ্ৰহণ কৰিলে। তাৰো একো উপায় নাছিল।

নীলাভে মোক চাবলৈ আহিছিল এদিন। মই ক্ৰমাৎ সুস্থ হৈছিলো। নীলাভ আৰু পৰিণীতাৰ কোলাত সেইয়া দুয়োৰে যুগ্ম জীৱনৰ সাক্ষী নিভাংগন। ঘৰত সকলোৰে মৰমৰ নিভ। কোলাত তুলি লৈছিলো নিভক। আৰু তেতিয়া গুণগুণাইছিলো—

আমাৰে মইনা শুৱয়ে
বাৰীতে বগৰী ৰুবয়ে
বাৰীতে বগৰী পকি সৰি যাব
মাইনাই বুটলি খাব।□□

গল্প

# চাকনৈয়া

কৰিশ্মা ডেকা
স্নাতক, দ্বিতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

সেইদিনা হঠাৎ প্ৰমিলাক দেখা পালো মালিগাঁৱৰ ট্ৰেন লাইনৰ কাষৰ এটি জুপুৰি ঘৰৰপৰা ওলাই অহা। তাইক বহু বছৰ পিছত এনেকৈ দেখিম বুলি সপোনতো ভবা নাছিলো। বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনত গাঁৱলৈ গ'লে তাই সদায় মোৰ ওচৰলৈ আহিছিল বহুতো ওজৰ আপত্তি লৈ। কেতিয়াবা মদাহী দেউতাকৰ কথা লৈ বা কেতিয়াবা বোবা ভায়েকৰ কথা লৈ। স্কুলত পঢ়া সময়ত তাই মোৰ লগতে স্কুললৈ অহা-যোৱা কৰিছিল। গাঁৱৰ বকুল জোপাৰ তলত কড়ি খেলি থকা ল'ৰাবোৰে যেতিয়া তাইক 'তেপেৰি তেপেৰি' বুলি জোকাইছিল, তেতিয়া মোৰ ও খং উঠিছিল মই গালি পাৰিছিলো, "ঐ, ধোদৰ পচলাহঁত তহঁতৰ কাম নাই হা" বুলি সিহঁতৰ গালৈ শিল দলিয়াইছিলো। হয়তো সেয়াই আছিল আমাৰ মাজত থকা বন্ধুত্বৰ অকৃত্ৰিম ভালপোৱা আৰু মৰম। আধুনিক পৃথিৱীৰ বহুগজ দূৰত্বত অৱস্থান কৰা মোৰ গাঁৱৰ গৰু-ম'হৰ গাড়ী আৰু নাৱৰ বাহিৰে যাতায়তৰ বেলেগ একো সম্বল নাছিল। কেতিয়াবা আমি গাঁৱৰ নাৱৰীয়া মনাই ককাইক এসোপা মান বগৰী বুটলি নি দি কৈছিলো, "অ' মনাই ককাই মনাই ককাই আমাক নৈখন নাৱেৰে ফুৰাই লৈ আহা"। বগৰী দেখি হাঁহি হাঁহি মনাই ককাইয়ে কৈছিল "তহঁতে নাৱত উঠিব বগৰী আনিছ নেকি, ব'ল নৈখন ফুৰি আহিবি।" নৈৰ পাৰত থকা বিৰিণা গছৰ ঘৰবোৰ দেখি ৯-১০ বছৰীয়া বয়সৰ আমাৰ দৰে শিশুৰ মনত কিযে আনন্দ। লুকা ভাকু খেলি থকা সময়ত কেতিয়াবা কোনো কাৰণ নোহোৱাকৈ তাই কান্দি দিছিল। মই সুধিলে প্ৰায়ে কৈছিল, "মোৰ ভোক লাগিছে"। তেতিয়া মই মাক কৈ তাইক ভাত খুৱাইছিলো; ভাতৰ পাতত বহি মাক কৈছিল "বৰমা মই যোৱা কালিৰ পৰা ভাত খোৱা নাই, চাউল নাই, মাই কাম কৰি আনি চুঙাত চাউল কেইটা থৈ গা ধুৱৰ বাবে যাওঁতে দেউতাই ক'ৰবালৈ লৈ গৈ মদ খাই আহিছে"। তেনেকৈ তাই ফেঁকুৰি উঠিছিল। আমি দুয়ো লাহে লাহে ডাঙৰ হ'লো। অৰ্থৰ অভাৱত হাইস্কুলীয়া শিক্ষা তাই গ্ৰহণ কৰিব নোৱাৰিলে। আমাৰো প্ৰায় একেই অৱস্থা হ'ল- দেউতা লাহে লাহে কাম কৰিব নোৱাৰা হৈ আহিল; মোক পঢ়োৱাৰ ক্ষেত্ৰতো যথেষ্ট বাধাৰ সন্মুখীন হ'ল; মাটি বন্ধকীত গ'ল, তিনি সাজৰ ঠাইত দুসাজ খাব লগা অৱস্থাৰ সৃষ্টি হ'ল। মই কলেজীয়া শিক্ষা গ্ৰহণ কৰিব বিচৰা নাছিলো; কিয়নো বুজি উঠিছিলো ঘৰৰ সামৰ্থ। হ'লেও দৃঢ়মনা দেউতাই কোনো কাৰণতে সেইটো বিচৰা নাছিল। প্ৰায়ে কৈছিল "এইখন গাঁৱৰ পৰা তোক মানুহ কৰিম। আমাৰ গাঁৱৰ উন্নতি তই আনিব লাগিব। সেয়ে তোক যিকোনো বিনিময়ত মই পঢ়ামেই।" কলেজীয়া শিক্ষা প্ৰায় ২০-১৫ কিঃ মিঃ যাব লগা হৈছিল। ৫ কিঃ মিঃ মান খুড়াৰ মহৰ গাড়ীত চহৰলৈ যোৱা নৈ ঘাটটো লৈ সদায় অহা যোৱা কৰিছিলো। ২ কিঃ মিঃ নাৱৰে আৰু নৈৰ সিটো মূৰত চহৰলৈ যোৱা মটৰ গাড়ী ৰৈ থাকে। সেই গাড়ীৰে চহৰলৈ অহা-যোৱা কৰিছিলো। শেষলৈ গৈ চহৰত থকা মাৰ সম্পৰ্কীয় মামা এজনৰ ঘৰত থাকিব ল'লো, কিয়নো অহা-যোৱা কৰাটো ক্ৰমান্বয়ে অসম্ভৱ হৈ উঠিছিল। তেনেকৈ কলেজীয়া শিক্ষা শেষ হ'ল। গাঁৱলৈ ঘূৰি গৈ স্কুল এখন স্থাপন কৰি গাঁৱৰ ল'ৰা-ছোৱালীক জ্ঞানৰ জ্যোতি বিলাম বুলি ভাবিছিলো। কিন্তু সম্পৰ্কীয় মামাজনৰ বুজনিত মই বিশ্ববিদ্যালয় অভিমুখে ৰাওনা হ'ব লগা হ'ল। বিশ্ববিদ্যালয়লৈ আহি বিশ্ববিদ্যালয়ৰ পৰিৱেশ আদব কায়দাৰ সৈতে মই মিলিব

পৰা নাছিলো। চাদৰ মেখেলাৰ পৰিৱৰ্তে চুৰিদাৰ পিন্ধাটো লজ্জাজনক আৰু তেনে কৰিলে গাঁৱৰ পৰা এঘৰীয়া হ'ব লাগে। মোৰ মনত আছে গাঁৱৰ ৰমেন খুড়াক ব্ৰিটীছ চাহাব এজনে এটা লংপেণ্ট উপহাৰ দিছিল। সেইটো পিন্ধাৰ বাবে ৰমেন খুড়াক গাঁৱৰ পৰা এঘৰীয়া কৰিলে। 'আমাৰ ভুল হৈছে ৰাইজ আমাক ক্ষমা কৰি দিয়ক' বুলি মালতী খুড়ীয়ে কান্দি কান্দি ক্ষমা বিচৰা ঘটনাটো মোৰ চকুৰ আগত এতিয়াও ভাঁহি উঠে। হ'লেও লাহে লাহে বিশ্ববিদ্যালয়ত আহি মই আধুনিক পৃথিৱীখনৰ সৈতে চিনাকি হ'লো।

বিশ্ববিদ্যালয়ৰপৰা গাঁৱলৈ গ'লে প্ৰমিলাই বিভিন্ন ওজৰ আপত্তিৰ সৈতে মোলৈ বকুলৰ মালা গাঁঠি আনিছিল। তাইৰ এটাই কথা "দেউতাই যি কৰে কৰি থাকক, মদ খাই খাইয়ে দিনটো কটায়; ভাইটিক বোবা অৱস্থাৰ পৰা ভাল কৰিব পাৰিলেই যেন মই ধন্য।" মই গাঁৱলৈ গ'লে গাঁৱৰ সকলো মানুহ মোৰ চোতালত গোট খাই বিশ্ববিদ্যালয়, চহৰ তাৰ গাড়ী মটৰ মানুহবোৰৰ কথা সুধি সুধি মোক ভাগৰুৱা কৰি তোলে। মই বিশ্ববিদ্যালয়, চহৰ গাড়ী মটৰ এইবোৰৰ কথা ক'লে মানুহবোৰে ভেবা লাগি শুনি থাকে। গাঁৱৰ ল'ৰা-ছোৱালী বিলাকে মাকৰ কোলাৰপৰা কয় "মইও যাম ডাঙৰ হৈ চহৰলৈ"। কিমান যে সহজ সৰল মানুহবোৰ, নিৰ্ভেজাল ভালপোৱাবোৰ, অকৃত্ৰিম মৰমবোৰ; সেয়া গাঁও আৰু চহৰৰ পাৰ্থক্য বিচাৰ কৰিলেহে বুজিব পাৰি। মই ঘৰৰ পৰা বিশ্ববিদ্যালয় লৈ আহিব ওলালেই গাঁৱৰ সকলো গোট খায়। মহৰ গাড়ী ছয়খন সাতখনেৰে নৈৰ ঘাটলৈ আগবঢ়াই থবলৈ যায়। বিশ্ববিদ্যালয় শিক্ষা শেষ কৰাৰ পিছত লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হৈ এগৰাকী প্ৰশাসনিক বিষয়া হিচাপে নিযুক্ত হ'লো। গাঁওখন, আপোন মানুহবোৰ, নৈখন, ধাননী পথাৰখন, বকুল তল, প্ৰমিলাৰ দৰে অৰ্ধশিক্ষা লাভ কৰা ছোৱালীবোৰ আদি সকলোবোৰ যেন পাহৰণিৰ গৰ্ভত বিলীন হ'ল। দেউতাৰ মৃত্যুৰ পিছত তিনিজনী ভনীক চহৰলৈ লৈ আহিলো। গাঁৱৰ নিভঁজা প্ৰেম, ভালপোৱাবোৰ যেন আকৌ মোৰ মনত খুন্দিয়াব ধৰিলে; মালিগাঁৱৰ ট্ৰেন লাইনৰ সেই ঘৰটোৰপৰা প্ৰমিলাক ওলাই অহা দেখি। "গাঁৱৰ মানুহবোৰ চহৰমুখী হ'ল, ৰাস্তা ঘাট পকী হ'ল, নৈৰ বুকুত দলং হ'ল, গাড়ী মটৰ চলা আৰম্ভ হ'ল, বাংলাদেশী মূলৰ বণিকবোৰ গাঁৱত সোমাই বেপাৰ বাণিজ্য আৰম্ভ কৰিলে বুলি সম্পৰ্কীয় মামাজনে মাক আহি কৈ থকা শুনিছিলো। গাড়ীখন পিছুৱাই নিব ড্ৰাইভাৰ জনক কৈ গাড়ীৰ দৰ্জা খুলি মই ঢপলিয়াই গ'লো মোৰ শৈশৱৰ বান্ধৱী প্ৰমিলাৰ ওচৰলৈ। মোৰ পিছে পিছে মোক সুৰক্ষা দি অহা দেহৰক্ষী কেইজনো দৌৰি গ'ল। প্ৰমিলাই পুলিচ দেখি পলাব খুজিছিল। তাইৰ চকুত যেন নিষ্পেষণৰ ভয়াবহতা! কেৱল মাত্ৰ ভয় আৰু শংকা। তেতিয়াই চিঞৰি মই ক'লো, 'প্ৰমিলা ৰৈ যা', মই ববি মই ববি', মোৰ মাত শুনি তাই ৰৈ গ'ল আৰু দৌৰি আহি মোক সাৱটি ধৰিলে। প্ৰমিলাক দেখি মই আচৰিত হ'লো; মেখেলা চাদৰৰ পৰিৱৰ্তে একো পিন্ধিব নজনা ছোৱালীজনীৰ গাত কিয় এখন ৰঙা পাতল শাৰী, ডাঠ কৈ লিপষ্টিক কাণত তিনিযোৰ কাণফুলি তাতে এই মালিগাঁৱৰ ট্ৰেন লাইনৰ কাষৰ এটা জুপুৰি ঘৰত; সকলোবোৰ কথাই যেন বিস্ময় আৰু উত্তৰ বিহীন প্ৰশ্ন হৈ ৰ'ল। বহুবোৰ প্ৰশ্নই তাইক সুধিলো, কিন্তু তাই কেৱল কান্দিলে আৰু কান্দিলে।□□

গল্প

# পৰিচয়বিহীন

ভাবনা ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

"দেউতা, তামোল ৰুবা! গোটেই বাৰীখনতে ৰুবা নেকি? নালাগে দিয়া অ'! ইয়াত ভোল-জিকাৰ চাং এখন, এই ঠাইখিনিত, এই ঠাইখিনিত পদিনা-মেছেন্দৰী আৰু দেউতা ভেণ্ডীৰ বাবেও অকণ ঠাই এৰিবাদেই আৰু কাষে কাষে তামোলবোৰ; হ'বনে দেউতা! ইমান যে ভাল লাগিব ন'।"

"চাই লওঁ ৰচোন! কি কৰোঁ!"

এজনী ১৫-১৬ বছৰীয়া ছোৱালী আৰু দেউতাকৰ কথোপকথন গুঞ্জিত হ'ল তাইৰ কাণত। তাই এজনী চল্লিশ বছৰীয়া মধ্য বয়সৰ অবিবাহিত মহিলা; আজি বহু বছৰৰ মূৰত থিয় হৈছেহি নিজ ঘৰত, নিজ বাৰীত; নিজৰ শৈশৱ-যৌৱন কটোৱা ঘৰখনত। স্মৃতিবোৰে জুমুৰি ধৰিছেহি এফালৰপৰা। থিয় হৈ আছে তাই শাৰী-শাৰী তামোলবোৰে সুবিশাল বাৰীখনত। যিফালেই চাই সিফালেই এজনী সদ্য-যৌৱনা ছোৱালীৰ মাতে গুণগুণাই উঠে, দেউতাকৰ প্ৰতিচ্ছবিটো ভাহি উঠে চকুৰ আগত। মনত পৰিছে তাইৰ এই তামোল কেইজোপা ৰোৱাৰ দিনা তাই কৰা আব্দাৰবোৰ। সেউজীয়া ভালপোৱা ছোৱালী তাই, বিচাৰিছিল ঘৰৰ বাৰীখন জান-অজান বিভিন্ন গছেৰে-পাচলিৰে ভৰি থাকক। দেউতাকে অৱশ্যে শুনা নাছিল, তাৰেই চিন এই গোটেই বাৰীজুৰি থকা তামোলবোৰ।

তাইৰ দেউতাক; তাইৰ মনত এক ব্যক্তিত্বসম্পন্ন লোক। কম কথা কোৱা, কমকৈ ফুৰা, চৌখিন ভাৱে কাপোৰ পিন্ধা তাইৰ দেউতাক তাইৰ বাবে এক আদৰ্শ ব্যক্তি। মনত পৰে তাইৰ, বাৰীৰ কাষৰ আমজোপাৰ তলত পুৰা দেউতাকে বাতৰি কাকত পঢ়িছিল। তাই আমজোপাৰ কাষ পালেগৈ।

"সৰু মাইনা, পেপাৰখন আন, আৰু লগত চশ্‌মাযোৰো আনিবি।"

"অ', নিছো দেউতা।"

উফ্‌ফ, আকৌ সেই মাতটো। তাইৰ চৌদিশে যেন এজনী পোন্ধৰ-ষোল্ল বছৰীয়া ছোৱালী ঘূৰি ফুৰিছে। আহি আহি বাৰাণ্ডা পালেহি তাই। তাইৰ চকুৰ আগৰে নাচোনৰ সাজেৰে এজনী ২০ বছৰীয়া ছোৱালী পাৰ হৈ গ'ল যেন। এৰা নাচিছিল তাইৰ বায়েকে। বায়েকৰ কাষে-কাষে এয়া তাইৰ মাক-দেউতাক আৰু সৰু তাই নিজে এজনী সাধাৰণ সাঁজত।

"সৰু মাইনা, ভাতকেইটা খাই ল'বি, চাবি ঘৰখন, আমি অহাত দেৰীও হ'ব পাৰে।" দেউতাকৰ মাত এয়া। চালে তাই সৰু তাইজনী নিশব্দে ঘৰৰ ভিতৰত সোমাইছেগৈ। মধ্য বয়সীয়া তাইজনীয়ে পঢ়িব বিচাৰিলে সদ্য যৌৱনা তাইজনীৰ মনৰ অৱস্থা। এৰা কি চলিছিল তাইৰ মনত তেতিয়া, ভাবিব ধৰিলে তাই। এৰা কেনেকুৱা হ'ব পাৰে এজনী ছোৱালীৰ মনৰ অৱস্থা যেতিয়া তাইৰ প্ৰতিটো সপোন পূৰণত নিজ মাক-দেউতাকেই বাধা হৈ পৰে। এজনী ছোৱালীক সম্পূৰ্ণ স্বাধীনতা দি, এজনীক বাধা দিলে কি হ'ব পাৰে মনৰ অৱস্থা ছোৱালীজনীৰ।

ছোৱালীজনীয়ে বন্ধ কৰি দিয়া দৰ্জাখন, পুৰণা দেখা হৈছে, থেলি সোমাই গ'ল তাই ভিতৰলৈ। এয়া আকৌ সৰু ছোৱালীজনী, সিক্ত দুচকুৰে ঘৰুৱা সাজেৰে বন্ধ কোঠাত বিহুৰ তালত কঁকাল ভাঙি নাচি আছে। এপাকত ছোৱালীজনী ৰ'ল, কাষত কাঠৰ টেবুলখনলৈ গৈ বহী এটি মেলি ধৰিলে, নানাৰঙী ছবিৰে ভৰ্তি বহীটো। সিক্ত দুচকুৰে পৰিব ওলোৱা চকুপানীৰ টোপালকেইটি মচি আন

এটা বহী মেলিলে। সুন্দৰ আখৰেৰে নানানটা গল্প, কবিতাৰে ভৰ্তি বহীটো। অলপ সময় তেনেকৈয়ে ৰৈ ছোৱালীজনী পাকঘৰৰ দিশে খোজ দিলে, মাক-দেউতাকৰ বাধ্য তাই।

"মা, মা; মা তুমি ইয়াতহে আছা, তেতিয়াৰ পৰা বিচাৰি আছো!" বাস্তৱলৈ ঘূৰি আহিল তাই, মাতিছে তাইৰ ল'ৰা দুটাই; অবিবাহিত মাতৃ তাই। "কি হ'ল সোণ?" "মা, এই এলবামকেইটাত ক'তো তুমি নাই যে, জেঠীমাৰ নাচৰ ফটোৰেই ভৰ্তি সব, তুমি নাচা নাছিলা নেকি মা?"

"ওহো, নচা নাছিলো সোণ, মই নাচি ভাল নাপাইছিলো, এইবোৰৰ চখ নাছিল মোৰ।" মধ্যবয়সীয়া বাইজনীয়ে সুন্দৰ হাঁহিৰে মিছা মাতি উঠিল।

ল'ৰা-ছোৱালীকেইটাক তাতে এৰি নিজানলৈ উঠি আহিল তাই। আজি অত বছৰৰ মূৰত ঘৰখনলৈ ঘৰি আহিছে, তাই দেউতাকৰ শ্ৰাদ্ধ বুলি। দহোটা ল'ৰা-ছোৱালী লৈ।

'দহোটা ল'ৰা-ছোৱালীৰে অবিবাহিত মাতৃ।'— নিজক নিজে কৈ উঠিল তাই। পৰিস্থিতিয়ে, বিবাহৰ প্ৰতি অহা ঘৃণাই তাইক আজি এই বাব দিয়ালে। এজনী সপোনেৰে জীৱন ৰঙীণ কৰিব বিচৰা ছোৱালী আছিল তাই, মাক-দেউতাকৰ প্ৰতি শ্ৰদ্ধা ভক্তি, বায়েকৰ প্ৰতি অগাধ মৰমেৰে পূৰ্ণ আছিল তাইৰ হৃদয়। মাক-দেউতাকৰ বাধ্য আছিল তাই। ছবি আঁকিব বিচাৰিছিল তাই, নাচিব বিচাৰিছিল। মুগা সাজেৰে লয়লায় ভংগীৰে দৰ্শকৰ হাততালিৰ মাজেৰে নচাৰ মন আছিল তাইৰ। মাক-বাপেকৰ আগত আব্দাৰ জুৰিছিল, কিন্তু জেদ পতা নাছিল, কৈছিল— "বাইদেৱে নাচিছে ময়ো নাচিম"। কিন্তু তাইৰ বেয়া লাগিছিল, কিন্তু তাই কোনোদিন এটাতকৈ দুটা শব্দ কোৱা নাছিল।

"সৰু ভণ্টী, তই নাচিব বিচাৰ", দেউতা-মাই বা কিয় নিদিয়ে নাজানো, তই মন বেয়া নকৰিবিছোন! পঢ়াত বেয়া হ'বি বুলিয়েই নিদিয়ে দে! তই তাতকৈ পঢ়চোন ভালকে, প্ৰফেছৰ হ'বি তই!" বায়েকে উৎসাহ দিছিল তাইক। বায়েকৰ উৎসাহতে তাইৰ গল্প, কবিতাবোৰে স্কুল-কজেৰ আলোচনীত প্ৰশংসা বুটলিছিল সকলোৰে পৰা। সপোনবোৰ নাচ-গানৰ পৰা আঁতৰি পঢ়া টেবুলখনত জুম বান্ধিছিল।

ভাল পাইছিল তথাপিও তাই মাক-দেউতাকক। দেউতাক আদৰ্শ আছিল তাইৰ। যদিওবা তাইৰ সপোন পূৰণত আগ্ৰহী নাছিল তেওঁলোক তথাপিও বিচাৰিছিল তাইৰ জীৱনলৈ আহিব লগা প্ৰতিজন পুৰুষ তাইৰ পিতৃৰ দৰেই হওঁক। মাকৰ অনাদৰ অলপ তাই প্ৰতিটো খোজতেই তাই অনুভৱ কৰিছিল, তাই ভাবি লৈছিল হয়তো তাইৰ ঠাইত এজন ল'ৰা হোৱা হ'লে মাকে এইখিনি অনাদৰ নকৰিলে হয়।

ইফালে কিমান সময় পাৰ হৈ গ'ল নাজানে তাই। বায়েকৰ মাততহে সম্বিৎ ঘূৰি আহিল তাইৰ।

"সৰুভণ্টী, কি হৈছে তোৰ, অহাৰ পৰাই নিলগে নিলগে ঘূৰি আছ, মোৰ লগতো কথা পতা নাই। শ্ৰাদ্ধৰ জোগাৰবোৰ আঁতালো, বামুণলৈও ফোন লগালো, পুৱাই পাবহি হেনো। আহ্‌চোন তই, চাহি তোৰ ল'ৰা-ছোৱালীকেইটা মোৰ দুটাৰ লগত কেনেকৈ মিলি গৈছে, গোটেইখন কোৰ্হাল কৰি আছে, তই কিন্তু ভাল আপডাল কৰিছ' ইহঁতৰ। ইমান বছৰ কিয় আঁতৰাই ৰাখিছিলি ইহঁতক।" একে উশাহতে বহু কথাই কৈ গ'ল বায়েকে। বায়েকে হয়তো তাইৰ শেঁতা মুখখন পঢ়ি পেলাইছে। উঠি গ'ল তাই ল'ৰা-ছোৱালীকেইটাৰ ওচৰলৈ... সঁচাই বৰ সুন্দৰকৈ মিলি গৈছে আটাইকেইটা, ইহঁতৰ কোৰ্হাল অতপৰে তাইৰ কাণতে পৰা নাছিল।

"মাহী, মাহী!" ভাগিন দুটাই মৰমসনা মাতেৰে মাতিলে তাইক। "অ' মাহী, তুমিনো কিয় নাহা আমাৰ ওচৰত, মাই ইমান কয় তোমাৰ কথা, আজিহে দেখিলো তোমাক, অহাৰ পৰাই তুমি অকলে অকলে ঘৰখনকে চাই ফুৰিছা, কিনো চাই ফুৰিছা পুৰণা ঘৰটোত, আমাৰ কাযত বহাহি। মাহী চোৱাচোন মাৰ নাচৰ ফ'ট', তুমি নাচি বেয়া পাইছিলা হেনো, কেৱল বোলে পঢ়িয়ে থাকিছিলা।"

বায়েকলৈ চালে তাই, ভালদৰেই পৰিচয় কৰাই ৰাখিছে বায়েকে ল'ৰা-ছোৱালীকেইটাক তাইৰ লগত আৰু

মিছা মাতিছে বায়েকেও। সিহঁতৰ লগত কিছু সময় কটাই ওলাই আহিল তাই অইন এটা কোঠালৈ। ভাগিন দুটাই বহু কথাই জানে তাইৰ বিষয়ে, মাহীলৈ আগ্ৰহ আছে সিহঁতৰ। তাইৰ দোষী দোষী লাগিল নিজক। কিন্তু সেই সময়ত অইন বিষয়েইবা কৰিলে হয় তাই। পৰিয়ালটোৰ পৰা আঁতৰি যোৱাৰ বাদে অইন একো কথাই যেন শুদ্ধ নাছিল তাইৰ আগত।

এই কোঠাটো! তাইৰ দুখ ভৰা অতীতৰ কথা বহনকাৰী কোঠাটো। এইবোৰৰ মুখা-মুখি হ'ব নোৱাৰিব বুলিয়েই অহা নাছিল অতবছৰ তাই। চকু ফুৰালে তাই কেওদিশে, আচবাববোৰ পুৰণা হৈছে। কিন্তু স্মৃতিবোৰ সতেজ সকলো। ভাঁহি উঠিল তাইৰ আগত কলা শাখাৰ স্নাতক ছোৱালী এজনীৰ চিৎকাৰ কিছুমান। তায়েই সেইজনী! সৌৱা বিছনাখনত বহি আছে, সুন্দৰ চুলিকোছা জপৰা, কাপোৰ-কানি অনব্যস্ত, চকুৰ গুৰি ক'লা, বহুত দিন ভালদৰে খোৱা-লোৱা নকৰাৰ চিন স্পষ্ট দেহটোত। মধ্যবয়সীয়া তাই উচপ খাই উঠিল যেন, এৰা তায়েই আছিলনে এইজনী। কি হৈছিল তাইৰ মনৰ অৱস্থা তেতিয়া, মৃত্যুলৈও ভবা নাছিলনে তাই। স্নাতক হৈছিল তাই, পঢ়াৰ মন আছিল আৰু প্ৰফেছৰ হ'ব মন আছিল, কিন্তু!!! কৈ কৈছিল মাকে তাইক সেইবোৰ। তাই বাৰবছৰৰ অপূৰ্ণ সপোনবোৰৰ বাবে প্ৰথমবাৰলৈ জেদ তুলিছিল, তাই নিজৰ এই সপোনটি কোনোপধ্যেও অপূৰ্ণ হৈ ৰোৱাটো বিচৰা নাছিল, অতবছৰ কষ্ট কৰিছিল তাই। জেদ ধৰিছিল সেয়েহে, কোঠাত নিজক বন্দী কৰি ৰাখিছিল, খোৱা নাছিল, নিজৰ যত্ন ল'ব এৰি দিছিল, কোনোবাই কিবা ক'লৈই এখন হুলস্থূলৰ সৃষ্টি কৰিছিল; মানসিক ভাৰসাম্য যেন হেৰুৱাই পেলাইছিল।

"তই মোৰ ছোৱালী নহয়, তোক মই জন্ম দিয়া নাই, দেউতা দেউতা কৰি থাক, সোধ দেউতাৰক, কোন তোৰ মাৰ। পঢ়িব আহিছ, প্ৰফেছৰ হ'বি, কি কৰিবি প্ৰফেছৰ হৈ? তোৰ মাৰে কৰাৰ দৰে অইনৰ সংসাৰত জুই জ্বলাবি? ইমান বছৰে তোক চাই প্ৰতিটো মুহূৰ্ত জ্বলি আহিছো, কিন্তু তোক নিৰপৰাধী ভাবি ডাঙৰ কৰিলো, ইমানখিনিলৈ পঢ়ালো আৰু আজি তই মোক প্ৰশ্ন কৰিছ', ঘৰখনত কিয় তুলি ৰাখিছ', তই মোৰ কোনো নহয়, তথাপিও 'মা' মাতিব দিলো, খুৱালো-ধুৱালো আৰু আজি তইয়ে.........."

"হ'ব মা হ'ব, আৰু নকবা......." চিঞৰি কাণত সোপা দি বহি পৰিল তাই। চকুমেলি চালে তাই, সকলো নিস্তব্ধ, কোনো নাই কোঠাটোত, কেৱল তাই আৰু তাইৰ স্মৃতি। আজি অতবছৰে খেদি ফুৰিছে তাইক এই কথাকেইষাৰেই। বিচাৰিও ওলাই আহিব পৰা নাই। থান-বান হৈ গৈছিল সকলো, চকুৰ আগত দেউতাক আছিল তেতিয়া, বায়েক আছিল। অৰ্ধচেতন হৈ গৈছিল তাই, তথাপিও মনত আছে তাইৰ দেউতাকৰ নতশিৰ ৰূপটি আৰু বায়েক, বায়েক চকুৰ আগত থাকিও যেন মাইল মাইল দূৰ হৈ গৈছিল। এৰা শিপাহীন হৈ গৈছিল তাই। সকলো থাকিও যেন কোনো নাই, মুকলি আকাশত অকলশৰে উৰি থকা পখী যেন অনুভৱ হৈছিল। শিপাৰে সৈতে উঘালি পেলাই দিছিল যেন মাকে, অস্তিত্বহীন কৰি পেলাইছিল। নিজৰ বাদে পৃথিৱীখনৰ চৌদিশ তাই ধূসৰ দেখিছিল।

মজিয়াখনৰ পৰা উঠি বিছনাত বহিল গৈ তাই। এই বিছনাতে অনিদ্ৰাৰে, অনাহাৰে দুদিন কটাইছিল তাই। মৰিশালীৰ নিস্তব্ধতাই চুই গৈছিল ঘৰখনক। তাইৰ ওচৰত কোনো অহা নাছিল- মাক(?), দেউতাক আৰু তাইৰ আটাইতকৈ আপোন বায়েকো। ভাৱ হৈছিল তাইৰ মাকৰ দৰে বায়েকেও ঘৃণা কৰিছে তাইক।

দুদিন পিছত ওলাই গৈছিল তাই ঘৰ এৰি, হাতত কেৱল চাৰ্টিফিকেটৰ ফাইলটো লৈ। এহাল সহৃদয়ৰ মানুহ কাষ চাপিছিল তাইৰ। তাই কৈছিল- "শিপাহীন মই, পৰিচয়বিহীন, মোক নিজৰ এটি পৰিচয় তুলি ধৰিবলৈ সহায় কৰক।" তাইৰ মাৰ্কশ্বিট চাইয়ে ছাগে, মানুহজনে কৈছিল তাইক, "তুমি কি পঢ়িব বিচাৰা পঢ়া, ইয়াতে থাকা, বিনিময়ত আমাক টকা নালাগে, ল'ৰা-ছোৱালী দুটাৰ পঢ়াখিনি চাই দিয়া!" তাকেই কৰিছিল তাই, পিছলৈ জানিছিল তাই দুয়োটা ল'ৰা-ছোৱালীয়েই তেওঁলোকৰ তোলনীয়া। তেওঁলোক দুয়োৰে সক্ষম, কিন্তু

তেওঁলোক অতিকৈ উদাৰ মনৰ।

তেওঁলোকেৰ উৎসাহতে আজি এগৰাকী এ.চি.এছ. বিষয়া তাই।

"সৰু ভণ্টী ", ভৰানাত যতি পৰিল! তাই, অহাৰ পৰা তাই অতীততে উটি-ভাহি ফুৰিছে। বায়েক আহি নিচেই কাষতে বহি ল'লে তাইৰ।

"সৰুভণ্টী, তই কিয় আমাক এৰি গৈছিলি?" বায়েকৰ চকুলৈ চালে তাই, প্ৰশ্নটো অবাঞ্চিত আছিল তাইলৈ। "বেয়া পাই আছা মোক এতিয়াও", বায়েকলৈ চাই ভাবিলে তাই কিয় বেয়া পোৱাৰ কথা ভাবিছে বা, ঘৃণাৰ পাত্ৰীতো মইহে।

"তই যে আমাক এৰি গ'লি, ঘৰখন ভাঙি পৰিল জান'। মা বিশেষকৈ। তোক সেইবোৰ কৈ উঠি মই নিজেও বহু কষ্ট পাইছিলো অ'। মাই কৈছিল, মোক পিছত, তাইৰ কাণত কাৰো কটু কথা নোসোমাওক বুলিয়েই অত বছৰে আৱৰি-সামৰি ৰাখিলো আৰু শেষত মইয়েই............। মাই তোক বেয়া নাপাইছিল, ভাগ্যৰ প্ৰৰোচনা ভাবি সকলো মানি লৈছিল। তথাপিও, প্ৰতিগৰাকী তিৰোতাই বিছাৰে ন' নিজৰ পুৰুষজন কেৱল নিজৰ হওঁক আৰু সেই কষ্টতেই মাই সিদিনা তোক সেইবোৰ.................।" "বা, তই এইবোৰ কি..........?"

"ক'ব দেচোন ভণ্টী মোক, অত বছৰ ধৰি মনত পুহি ৰাখিছো এইবোৰ। তই যোৱাত আমি তোক বহুত বিছাৰিলো অ', আশা এৰি দিলো শেষত। মোক বিয়া দি মায়ো নিজৰ চিন্তা কৰা বাদ দিলে, আৰু শেষ দিনকেইটিত দেউতাই বহুত যত্ন লৈছিল মাৰ, কিন্তু মাই তোৰহে নাম লৈ আছিল। বহুত মনোকষ্ট পাইছিল মাই। আৰু দেউতা, শেষ দিনকেইটি বহু কষ্ট পাইছে দেউতাই, মাৰ প্ৰতি কৰা অবিচাৰ, তোৰ প্ৰতি হোৱা অবিচাৰৰ কষ্টই দেউতাক খুলি খুলি খাইছিল। দেউতাৰ দৰে মানুহে ইমান ডাঙৰ ভুল কেনেকৈ কৰিছিল নাজানো, কিন্তু দেউতাৰ অপৰাধবোধ আছিল।"

তাইৰ মুখখন পোহৰ পোহৰ হৈ আহিল, তাৰমানে মাকে তাইক ঘৃণা নকৰিছিল, তাইৰ বায়েক এতিয়াও তাইৰে হৈ আছে, তাইৰ সকলো আছে।

"বাৰু যি হয় ভাললৈয়ে হয় দে। কিন্তু তই কচোন নাচিব নাপাওঁতেই ওফোন্দ পতা ছোৱালীজনী এই দহোটা অনাথ ল'ৰা-ছোৱালীৰ মাক কেনেকৈ হ'ব পাৰিছ', বিয়াও নাপাতিলি, কচোন।"

তাই এফালৰপৰা বায়েকক ঘৰ এৰি যোৱা দিনটোৰ পৰা এ.চি. এছ. হোৱালৈকে আটাইবোৰ কৈ শুনালে। "শুনিছ', বা, সেই মানুহহাল দিক্ দৰ্শক মোৰ। ৰেলত বিক্ৰী কৰিব নিয়া ল'ৰা-ছোৱালী কেইটাক মাকৰ মৰমেৰে উজাৰি দিয়াৰ মনোবল মই তেওঁলোকৰ পৰাই পালো। ইহঁতক অনাথ নকৰি, ইহঁত মোৰ ল'ৰা-ছোৱালী, ইহঁতৰ প্ৰতিটো সপোন মোৰ সপোন এতিয়া। আৰু বিয়াৰ প্ৰতি শ্ৰদ্ধা মোৰ কেতিয়াবাই নোহোৱা হৈছে, প্ৰতিজন পুৰুষক মই দেউতাৰ দৰে হোৱাটো নিবিচাৰিছিলো, দেউতায়ে তেনে কৰিলে........। মই বিয়া নহ'লো কিন্তু তোৰ সুখী বৈবাহিক জীৱন দেখি ভাল লাগিছে। ঘৰৰ পৰা ওলাই বুজিলো ঘৰ কাক কয়, সেইকাৰণে ইহঁতক এখন ঘৰ দিবলৈ বিচাৰিছো। সেইকাৰণে পণ ভাঙি আকৌ আহিছো ঘুৰি, সিহঁতৰ যে শিপা আছে বুজক বুলি।"

"তই মোৰ জীৱনৰ পৰা আঁতৰি যাবি ভবা নাছিলো ভণ্টী, মোৰ ল'ৰা-ছোৱালীকেইটাকে তোৰ কথা কৈ কৈ তোক মোৰ কাষত ৰাখিছো। এমাহ আগত তই যেতিয়া ফোন কৰিছিলি, বুজাব নোৱাৰো ভণ্টী মোৰ অনুভৱ। ইমান বছৰে মা-দেউতাৰ শ্ৰাদ্ধ মোৰ শহুৰৰ ঘৰতে অনুষ্ঠুপীয়াকৈ পাতি আহিছিলো, কিন্তু এইবাৰ তই আহিবি জানি।" শুই দিলে তাই বায়েকৰ কান্ধত, সৰু ছোৱালীজনীৰ দৰে।

"ভণ্টী আৰু এৰি নাযাবি মোক, তই নহ'লে মোৰো কোনো নাই, ভাবিছো এই আচবাববোৰ সলাই ঘৰখন নতুন কৰি পেলাওঁ, অহাৰ পৰা কান্দিয়ে আছ' তই সকলোফালে চাই। প্ৰতিবছৰে আমি ইয়াত লগ হ'ম আৰু আমাৰ ল'ৰা-ছোৱালীকেইটাক যত্নেৰে আগুৱাই নিম।" হাঁহি উঠিল তাইৰ, অতবছৰৰ মূৰত।❐❐

গল্প

# অভিশপ্ত এনিভাৰ্ছাৰী

নীলোৎপল বড়া
স্নাতক, চতুৰ্থ ষাণ্মাসিক

আজি তাইৰ মাক-দেউতাকৰ মেৰিজ এনিভাৰ্ছাৰী। ৰাতিপুৱাই তাই আইতাকৰ লগত মন্দিৰলৈ গৈছিল। মাক-দেউতাকৰ নামত দুটা চাকি জ্বলাই সেৱা ল'লে তাই। ঘৰলৈ আহি তাই দেউতাকৰ প্ৰিয় লুচি আৰু পায়স বনাই ককাক আৰু আইতাকক খুৱালে। আৰু এখন প্লেটত সজাই মাক-দেউতাকৰ যুগ্ম ফটো খনৰ আগত থৈ আহিল। আইতকে তাই নেদেখাকৈ চকুপানী টুকিব ধৰিলে।

অলপ সময় পিছত তাই সেই চিৰ পৰিচিত প্ৰশ্নটো আইতাকক সুধিব ধৰিলে।

দৃষ্টি ঃ আইতা মা আৰু দেউতা ক'ত আছে অ? তুমি সদায় কোৱা আহিব আহিব বুলি কেতিয়া আহিব অ'?

আইতা ঃ আহিব অ মাজনী বিদেশৰ পৰা ইমান সোনকালে ক'ত আহি পাব। তাতে তোমাৰ দেউতাই ইমান বোৰ অফিছৰ কাম লৈ গৈছে সময়টো লাগিবই।

দৃষ্টি ঃ কিন্তু আইতা মাহঁত যোৱাটো বহুত দিন হ'ল এতিয়ালৈ অহাই নাই বেয়া পাইছো মই।

আইতা ঃ আহিব দিয়া মাজনী, তুমি এতিয়া স্কুললৈ যাবলৈ ওলোৱা দেৰি হ'ব নহ'লে।

দৃষ্টি ঃ হ'ব আইতা গৈছো মোৰ হৈছেই আৰু।

পানবজাৰ ডনবস্ক একাডেমীৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী দৃষ্টি ককাক আইতাকৰ বুকুৰ কুটুম আছিল। এনেদৰে দিনবোৰ গতানুগতিক ভাৱেই পাৰ হৈ গৈ আছিল। এদিন এটা দেওবাৰে দৃষ্টিয়ে সিহঁতৰ পুৰণি আলমাৰিটোৰ কাপোৰ জাপি আছিল। হঠাৎ কাপোৰৰ মাজৰ পৰা এটা পুৰণি ডায়েৰী ওলাই পৰিল। তাই ডায়েৰীৰ পাতবোৰ লুটিয়াই চাবলৈ আৰম্ভ কৰিলে। সেইখন তাইৰ মাকৰ ডায়েৰী আছিল। তাই আইতাকে গম নোপোৱাকৈ ডায়েৰীখন পঢ়িবলৈ ল'লে।

পাপৰি দত্ত

1 9 8 9

জীৱনৰ বেছিভাগ সময় পাতলীয়া ভাৱে পাৰ কৰা মই। জীৱনটো যে ভিন্নৰঙী মই সিদিনা অনুভৱ কৰিছিলো যিদিনা (J.B.) জে.বি. কলেজত প্ৰথম বাৰ্ষিকৰ ক্লাছ কৰিব গৈ উৎপলৰ লগত চিনাকী হৈছিলো। চাও নাচাওকৈ প্ৰায়েই মোৰ পিনে চায় পাৰ হৈ যায় সি। অফ ক্লাছত কলেজ কেণ্টিনত প্ৰায়েই দেখা হৈছিল আমাৰ। এদিন দৌৰি ক্লাছলৈ যাওতেই মোৰ লগত খুন্দা মাৰি বেছেৰা লাজত ৰঙা হৈ পৰিছিল। এনেদৰেই এমাহ মান পাৰ হৈ গৈছিল। এদিন আমাৰ চিনাকি হ'ল। উৎপলৰ সৈতে সময়বোৰ কেনেকৈ পাৰ হৈ যায় গমেই পোৱা নাযায়। সৌ সিদিনাৰ চিনাকি হোৱা উৎপল আজি মোৰ খুব আপোন। দিনটোত এবাৰ তাক নেদেখিলে ভাল নলগা হ'ল।

আজি ১৩ ফেব্ৰুৱাৰী আছিল হঠাৎ উৎপলে আহি মোক ক'লে, অহাকালিলৈ হেনো তাৰ মোক ক'বলগীয়া কিবা বিশেষ কথা আছে। মই আচৰিত হ'লো সদায় লগ পোৱা ল'ৰাজনৰ আৰুনো কি বিশেষ কথা আছে। অহাকালি সন্ধিয়া খৰিকাজাইত দুয়োটা লগ হোৱাৰ প্লেন কৰিলো। ১৪ ফেব্ৰুৱাৰী—

আজিএঘণ্টা আগৰ পৰাই বাট চাই আছিল সি মোলৈ। মই গৈ পোৱাৰ লগে লগে দুকাপ কফি অৰ্ডাৰ দিলে সি! আধাঘণ্টা মান ইটো সিটো কৈ পাৰ কৰাৰ পিছত সি মোলৈ চাই কৈছিল, মোক হেনো সি ভাল পায় পেলাইছে।

মই খঙৰে সুধিছিলো পাগলৰ দৰে কথা কিয় কৈ আছে সি। সি আবেগিক মন এটা লৈ আঁতৰি গ'ল।

১৯ ফেব্ৰুৱাৰী —

আজি কালি সি মোৰপৰা আঁতৰি আঁতৰি থাকিব লৈছে। দেখিও নেদেখাৰ দৰে থাকিব লৈছে। উৎপলে

মোক প্ৰপজ দিয়া আজি এমাহেই হ'ল। বহুত ভাবি চিন্তি অৱশেষত আজি মই তাৰ প্ৰস্তাৱৰ সন্মতি দিলো। লাহে লাহে দিনবোৰ পাৰ হ'ল আমাৰ সম্পৰ্কটো পুলিৰ পৰা এডাল গছলৈ ৰূপান্তৰ হ'ল।

১৯৯২, ১৮ ডিচেম্বৰ —

আজি আমাৰ দুয়োটাৰে ডিগ্ৰী সম্পূৰ্ণ হ'ল। উৎপল বহুত সুখী। পাছ কৰাৰ কেইদিন মান পিছতে সি এটা চাকৰিৰ ইণ্টাৰভিউ দিবলৈ গ'ল।

১৯৯৩, ৬ আগষ্ট—

আজি উৎপলে চাকৰি পালে। আমাৰ দুয়োটাৰে আজি খুব আনন্দ। এতিয়া আমি আমাৰ সম্পৰ্কটো কথা ঘৰত কবলৈ পাৰিম।

এদিন উৎপলে মাক দেউতাকক ক'লে যে সি মোক ভাল পায় আৰু বিয়াও কৰাব বিচাৰে। প্ৰথমতে মাক দেউতাকে মানি লোৱা নাছিল যদিও পিছলৈ মানি ল'লে।

১৯৯৩, ৮ ডিচেম্বৰ—

আজি মোৰ বাবে খুব আনন্দৰ দিন। আজি উৎপলৰ মাক-দেউতাক আমাৰ ঘৰলৈ আহিছিল বিয়াৰ কথা পাতিবলৈ। অহা ৩০ অক্টোবৰত আমাৰ বিয়া।

১৯৯৪, ৫ জানুৱাৰী—

দিনবোৰ চমুচাপি আহি আছে বিয়ালৈ বেছিদিন নাই আৰু সকলোবোৰ বজাৰ প্ৰায় শেষেই। সীমাহীন আনন্দ আজি উৎপলে ফোন কৰিছিল। তাৰো গা সাতখন আঠখন।

১৯৯৪, ৩০ অক্টোবৰ—

অৱশেষত আজি উৎপল আৰু মোৰ সপোনবোৰ সাৰ্থক হ'ল। উৎপলৰ নামৰ ৰঙা সেন্দুৰে মোৰ কপাল ৰাঙলী কৰিলে। বাস্তৱ হ'ল দুয়োৰে সপোনৰ সংসাৰ খন।

১৯৯৫, ২২ জুলাই—

আমাৰ জীৱনটো এটা নতুন আলহীৰ আৰ্বিভাৱ হ'ল। তাইৰ আগমনে মা-দেউতা, উৎপল সকলোকে খুব আনন্দ দিছিল।

লাহে লাহে তাই ডাঙৰ হৈ আহিছে তাইৰ সৰু সৰু ধেমালীবোৰে সকলোকে বেছ আনন্দ দিয়ে।

১৯৯৬, ২২ জুলাই—

আজি আমাৰ ৰাজকন্যা দৃষ্টিৰ এবছৰ সম্পূৰ্ণ হ'ল। এটা দুটা ঠোকা ঠুকি কথাৰে তাই সকলোকে ব্যস্ত কৰি ৰাখে আজিকালি। তাই মাজে মাজে "মা" বুলি চিঞৰে। কিবা এক বুজাব নোৱাৰা অনুভূতি।

২০০৮, ২৯ অক্টোবৰ—

অহা কালিলৈ উৎপল আৰু মোৰ বিবাহ বাৰ্ষিকী। ১৫ বছৰ সম্পূৰ্ণ হ'ল আমাৰ এই সম্পৰ্কৰ মাজে মাজে সৰু সৰু কথাত কাজিয়া লাগে দুয়োটাৰে। পিছে কথাতে কয় নহয় মৰম ভালপোৱা বেছিকৈ য'ত থাকে তাতে খঙ অভিমান এইবোৰো থাকে। অহাকালিলৈ ৰাতিপুৱা বজাৰলৈ যাব লাগিব। ঘৰতে সৰুকৈ আয়োজন কৰিম। দেউতা আৰু মাক এটিকৈ উপহাৰ আৰু মাজনীৰ বাবে এযোৰ কাপোৰ কিনিব লাগিব।

ভাষাবোৰ শেষ হ'ল সেইখিনিতে ডায়েৰীখন ইফালে সিফালে লুটিয়াই চাই দৃষ্টিয়ে উকা পাতবোৰৰ বাহিৰে একো নেদেখিলে।

এনেতে ট্ৰং ট্ৰং ট্ৰং ......ঘড়ীটোৱে মাত লগালে নিশা তেতিয়া ১১ টা বাজিছিল। ডায়েৰীখন পুনৰ আগৰ ঠাইত থৈ তাই শুৱলৈ গ'ল।

পিছদিনা ৰাতিপুৱা ৭ মান বজাত ককাকে বাৰান্দাত পেপাৰ পঢ়ি আছিল। তাই শান্ত খোজ কেইটাৰে ককাকৰ ওচৰলৈ আহিল।

দৃষ্টি ঃ ককা, মা আৰু দেউতা কেতিয়া আহিব আইতাই সদায় কয় আহিব আহিব বুলি কিন্তু আহিয়ে নাপায় দেখোন। কোৱানা ককা কেতিয়া আহিব।

ককা ঃ মাজনী, তই এতিয়া ডাঙৰ হৈছ। জানি থোৱাটো ভাল। শুন- তোৰ মা দেউতাৰাই ২০০৮ চনৰ ৩০ অক্টোবৰৰ দিনা বজাৰলৈ ওলাই গৈ ঘূৰি আহিব নোৱাৰিলে। সন্ত্ৰাসবাদীয়ে গণেশগুৰিত বোমা বিস্ফোৰণ কৰিলে। বহুতৰ লগত তোৰ মা-দেউতাও এই পৃথিৱীৰ পৰা আঁতৰি গ'ল।

এক মুহূৰ্তত সমগ্ৰ পৰিৱেশটো গহীন হৈ পৰিল। দুৱাৰৰ কোণত আইতাকে দুধাৰ চকুপানী লৈ থিয় হৈ আছিল। দৃষ্টিয়ে দৌৰ মাৰি নিজৰ কোঠাত গৈ মাকৰ ফটো খন সাৱটি বিছনাত শুই পৰিল। সদায় হাঁহি থকা ওঠ যুৰিয়ে মৌন আন্দোলন কৰিছে আজি আৰু দুধাৰ চকুপানী তাইৰ কোমল গাল দুখনেৰে বৈ আহি মজিয়াত পৰিল।□□

গল্প

# হঠাৎ

ছালমা চুলতানা
স্নাতক, দ্বিতীয় যাণ্মাসিক, দৰ্শন বিভাগ

দিনটোৰ ব্যস্ততাৰ অন্তত ফেচবুক খুলি তাইৰ প্ৰফাইলটো এবাৰ খুলি চাওঁতে আকাশখন খহি পৰা যেন লাগিল।

২১ জুন, ২০১৫। গাঁৱৰ বন্ধু এজনৰ বিয়া খাই উঠি মই থকা ভাড়াঘৰলৈ বুলি বাছত বহিলো। গোটেই বাছখনত মাত্ৰ তৃতীয় শাৰীত এটা ছিট খালি আছিল। ভাবিছিলো যিহেতু দূৰলৈ যাম, খিৰিকীৰ ওচৰত ছিটটো পালে ভাল আছিল। কিন্তু খিৰিকীৰ ওচৰৰ ছিটটোত এজনী ছোৱালী বহিছিল বাবে তাইক একো নোকোৱাকৈ তাইৰ ওচৰৰ ছিটটোতে বহিলো। বাছখন তীব্ৰ গতিত আগবাঢ়িব ধৰিলে। ছোৱালীজনী খুব চিন্তিত যেন মোৰ ধাৰণা হৈছিল। তাইৰ সৈতে কথা পতাৰ প্ৰবল হেঁপাহ আছিল যদিও মনত অলপো সাহস গোটাব নোৱাৰিলো। কিছু দূৰ যোৱাৰ পিছত মই পানীৰ বটলটো উলিয়াওঁতে মোক আচৰিত কৰি তাই মাত এষাৰ দিলে "দাদা বেয়া নাপায় যদি পানী অকণমান পাম নে?" মই হাঁহিমুখে উত্তৰ দিলো- "নিশ্চয়" আৰু বটলটো তাইলৈ আগবঢ়াই দিলো। তাই ধন্যবাদ দিলে। এয়াই আমাৰ মাজত কথোপকথনৰ আৰম্ভণি। নাম তাইৰ অনামিকা, তেজপুৰৰ ছোৱালী। স্নাতক অধ্যয়নৰত, দুদিন মানৰ বাবে গুৱাহাটীৰ মামাৰ ঘৰত ফুৰিবলৈ যাব। মই মোৰ পৰিচয় তাইক দিলো। ছোৱালীজনীয়ে বহুত কম কথা কয়। বিভিন্ন ছলেৰে তাইৰ চিন্তিত হোৱাৰ কাৰণ জানিব বিচাৰিলো যদিও ব্যৰ্থ হ'লো। তাই মাত্ৰ এষাৰ কথাই ক'লে, নাই মই ঠিকে আছো। এনেদৰে অলপ-চলপ কথা পাতি থাকোতে বাছ ষ্টপেজ কেতিয়া পালোহি গমকে নাপালো। গন্তব্য স্থান পোৱাৰ বাবে ইচ্ছা নথকা সত্বেও ধন্যবাদ জনাই তাইৰ পৰা বিদায় ল'লো।

সিদিনা গোটেই দিনটো মই মোৰ কামত ভালদৰে মনোযোগ দিব নোৱাৰিলো। ছোৱালীজনীৰ কথাই ভাবি থাকিলো। একো খাবলৈ মন নোযোৱাত সোনকালে ৰুমত আহি বিচনাত বাগৰি পৰিলো। অনামিকাৰ প্ৰতিচ্ছবি মোৰ চকুৰ আগত ভাঁহি আছিল। কিয় এনেকুৱা হৈছিল মই পিছে ধৰিব নোৱাৰিলো। মোবাইলটো অন কৰি ফেচবুক খুলি ল'লো। কাণত এটাই শব্দ তেতিয়াও ভাঁহি আছিল- অনামিকা, অনামিকা! ফেচবুকত তাইৰ নামটো ছাৰ্চ কৰিলো। এটা একাউন্টত ক্লিক কৰি ভাবিলোঁ হয় এইটোৱে তাইৰ একাউন্ট। একো চিন্তা নকৰাকৈ ফ্ৰেণ্ড ৰিকুৱেষ্ট পঠাই দিলো।

দুদিনমান পিছত তাই মোৰ ৰিকুৱেষ্ট গ্ৰহণ কৰিলে। মনটো খুব ভাল লাগিল। মনতে ভাবিলো মই তাইৰ প্ৰেমত পৰা নাইতো?!! নাই, নাই ই হ'বই নোৱাৰে। মাত্ৰ তিনি ঘণ্টাৰ চিনাকী ছোৱালী এজনীৰ লগত কেনেকৈ প্ৰেম হ'ব পাৰে!! তেন্তে মোৰ মনলৈ বাৰে বাৰে তাইৰ কথা কেলেই আহি আছে বাৰু? এইবোৰ ভাবি থাকোতে বাহিৰত কাৰোবাৰ মাত শুনিলো। দুৱাৰখন খুলি চাই দেখিলো, ৰাতুল আহিছে। ৰাতুল মোৰ কলেজীয়া বন্ধু। তাৰ লগত ওলাই গ'লো অলপ। চিগাৰেট হুপি থকাৰ মাজতে ৰাতুলক মই মোৰ কথাবোৰ জনালো। সি জোৰে জোৰে হাঁহিলে আৰু ক'লে, 'বেটা তই দেখোন প্ৰেমত পৰিছ। আব্বে পাৰ্টি।' মইও তাৰ কথাত হাঁহিলো আৰু ক'লো আগতে কাম হওঁক, তাৰ পাছত পাৰ্টি। ৰাতুলে, মোক অনামিকাৰ লগত কথাপতাৰ লগতে এদিন লগ ধৰাৰ পৰামৰ্শ দিলে। তাৰ পিছত সি ক'লে, - তই তাইক মনৰ কথাবোৰ খুলি ক এদিন। মই এই বিষয়ত আৰু একো মাত নিদিয়াকৈ

আড্ডাৰ পৰা বিদায় লৈ ৰুমলৈ আহিলো। ৰুমত আহি ৰাতুলে কোৱাৰ দৰে মই ফেচবুক খুলি তাইক মেছেজ এটা দিলো। 'Hi কি খবৰ?' অনলাইন আছিল বাবে তৎক্ষণাৎ উত্তৰ আহিল 'Hello', মই ভালে আছো। আপোনাৰ খবৰ ভাল নে'। এনেদৰেই ফেচবুকত কথা-বতৰা চলি থাকিল কেইদিনমান। কথা পাতি গম পালো যে তাই ল'ৰা এজনক বহুত ভাল পাইছিল, কিন্তু ল'ৰাজনে বেলেগৰ সৈতে বিয়াত বহিছে। তাই মনৰ দুখ সহ্য কৰিব নোৱাৰি মামাকৰ ঘৰলৈ দুদিনমানৰ বাবে ফুৰিবলৈ আহিছিল মনটো ভাল লাগিব বুলি। এদিন তাইৰ নম্বৰ বিচাৰিলো, প্ৰথমতে দিব বিচৰা নাছিল যদিও অৱশেষত তাইৰ নম্বৰটো মোক দিলে। লাহে লাহে আমি ফোনত কথা পাতিবলৈ আৰম্ভ কৰিছিলো। চাকৰিৰ ব্যস্ততাৰ বাবে তাইৰ লগত লগ হোৱাৰ সুবিধা পোৱা নাছিলো। সেয়ে ঠিক কৰিছিলো এইবাৰ জুলাইত তাইক লগ কৰিবলৈ মই তেজপুৰলৈ যাম আৰু মোৰ মনৰ সকলোবোৰ কথা তাইক খুলি কম। হয়তো তাইও অনুভৱ কৰিছিল, মই তাইক বহুত ভাল পাওঁ বুলি। সেয়ে লগ কৰাৰ কথাটো তাইক কওঁ বুলি তাইৰ নম্বৰটো ডাইল কৰিছিলো। ফোন চুইটছ্ অফ। তাইক WhatsApp ত মেছেজ এটা দিলো, কিন্তু ৰিপ্লাই পোৱা নাছিলো। ভাবিলো মোবাইলৰ চাৰ্জ নাই চাগে। অফিচৰ ব্যস্ততাৰ অন্তত ৰুমলৈ আহিলো। হাতত মোবাইল লৈ ফেচবুকত তাইৰ প্ৰফাইলত tag কৰা পোষ্ট এটা চাই মই হাউলি পৰিলো। Rip অনামিকা.....❐❐

## ঃ ছিৰাজ ঃ

বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাই দেশপ্ৰাণ লক্ষীধৰ শৰ্মাৰ 'ছিৰাজ' নামৰ গল্পৰ ওপৰত জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰ 'ছিৰাজ' প্ৰস্তুত কৰিছিল। এই চলচিত্ৰখনে ১৯৪৮ চনত মুক্তি লাভ কৰিছিল। চলচ্চিত্ৰখনত অভিনয় কৰিছিল- ফণী শৰ্মা, ভৱ হাজৰিকা, ভূপেন হাজৰিকা, কল্পনা ভট্টাচাৰ্য্য তেৱাঁৰী। ছবিখন তেজপুৰ আৰু কলিকতাৰ 'কালি ফিল্ম ষ্টুডিঅ'ত শ্বুটিং কৰা হৈছিল। ছবিখনৰ নিৰ্মাণ কালত টকাৰ যথেষ্ট নাটনি হৈছিল। সেয়েহে চন্দ্ৰধৰ গোস্বামীয়ে নিজৰ 'নিপন' নামৰ জাহাজখন বিক্ৰী কৰি দিছিল। অতি দুখৰ বিষয় যে বৰ্তমান এই ছবিখনৰ প্ৰিণ্ট পাবলৈ নাই। যাঠিৰ দশকত কলিকতা ষ্টুডিঅ'ৰ পৰা ছবিখনৰ নিগেটিভ খিনিও হেৰাই যায়।

১৯৮৮ চনৰ ড° ভূপেন হাজৰিকাই 'ছিৰাজ' পুনৰ নিৰ্মাণ কৰে। ভূপেন হাজৰিকাই ফণী শৰ্মাক লৈ ছিৰাজ আকৌ নিৰ্মাণ কৰাৰ আশা কৰিছিল যদিও তেখেতৰ মৃত্যু হোৱা বাবে 'ছিৰাজ ৰে-মেক'ত নাম ভূমিকাত অভিনয় কৰে নিপন গোস্বামীয়ে। কিন্তু এই ছবিখনে দৰ্শকৰ বিশেষ সঁহাৰি লাভ কৰিবলৈ সক্ষম নহ'ল।

গল্প

# মোৰ আধৰুৱা প্ৰেম কাহিনী

প্ৰাণজিৎ বৈশ্য
স্নাতক, চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ

তপন দাস ডাঙৰীয়াই দাগ চিনেমাখনত ঠিকেই কৈছিল। "প্ৰেম কৰা নাযায় প্ৰেম হৈ যায়"। আচলতে প্ৰেম কি তেতিয়াহে ভালকৈ বুজি পোৱা যায় যেতিয়া কাৰোবাক বহুত ভাল লাগে। মানুহে কয় এদিন নহয় এদিন সকলো মানুহেই প্ৰেমত পৰে, হয় মইয়ো প্ৰেমত পৰিছিলো সৌ সেইদিনাই যিদিনা মই তাইক প্ৰথম দেখিছিলো কলেজৰ বাটত মুখত মিঠা হাঁহিৰে খোজকাঢ়ি গৈ থাকোঁতে। সেইদিনা আছিল ২৬ অক্টোবৰ, ২০১৭, মোৰ স্মৃতিৰ পৃষ্ঠাত তিৰবিৰাই থকা অন্যতম এটা মুহূৰ্ত। কি হৈছিল মোৰ নাজানো, তাইক দেখাৰে পৰা তাইৰ বিষয়ে জানিবলৈ বহুতৰে ওচৰ চাপিলোঁ, বহুতকে সুধিলোঁ কোন সেই সুন্দৰী ছোৱালীজনী। বন্ধু এজনৰপৰা তাইৰ নামটো জানিলো আৰু তাইক ইলেক্ট্ৰনিক মেডিয়া 'Facebook' ত বিচাৰিলোঁ। তাই নজনাকৈয়ে তাইৰ account টোৰ ভিতৰত মই সোমাই পৰিলোঁ তাইৰ অতীত আৰু বৰ্তমানক বিচাৰি। তাৰ পৰাই মই তাইৰ বিষয়ে কিছু পৰিমাণে জানিব পাৰিলো আৰু তাইৰ লগত বাৰ্তালাপ আৰম্ভ কৰিলোঁ। প্ৰথমদিনাই তাইৰ প্ৰত্যুত্তৰ হিচাপে পাইছিলোঁ good morning, মোলৈ আহিছিল পুৱাই পুৱাই। মোৰ মনটো ভাল লাগি গৈছিল আৰু সেয়াই আছিল তাইৰ লগত কথা পতাৰ আৰম্ভণি। দুয়ো ইজনে সিজনৰ বিষয়ে জনাত ব্যস্ত, তাইৰ পৰা জানিব পাৰিলো তাই ব্ৰিলিয়েণ্ট একাডেমীৰ ছাত্ৰী আছিল আৰু এতিয়া আমাৰ মহাবিদ্যালয়ৰে প্ৰথম বৰ্ষৰ ছাত্ৰী, তাই কলা শাখাৰ হোৱা বাবে তাইক সদায় দেখা পাবলৈ মই ক্লাছ নোহোৱা সময় খিনিত কলেজৰ সন্মুখৰ গছ কেইজোপাৰ তলত বহিব আহো। কিয়নো আমাৰ বিভাগটোৰেই কলেজখনৰ সবাতোকৈ দূৰৈত, তাত বহিব নাহিলে তাইক নেদেখো। মই তাইৰ বিষয়ে জানিবলৈ ইমান আগ্ৰহী হোৱাৰ কাৰণ তাই জানিছিল নে নাই মই নাজানিছিলোঁ। যদিও মোৰ তাইক বহুতেই ভাল লাগিছিল মই কোনোদিনেই তাইৰ আগত প্ৰকাশ কৰা নাছিলো। কাৰণ আছিল তাই যদি আঁতৰি যায়। আমি দুয়ো বহু দিন ভাল বন্ধু হিচাপে আছিলো। প্ৰতিদিনেই খবৰ ৰাখিছিলো। কিন্তু দিন যোৱাৰ পিছত এদিন হঠাৎ মোৰ ৰুমৰ সন্মুখৰ 'নেট কাফে'খনত তাইক লগ পালো, তাই কলেজৰ পৰা আহিছে। হয় তায়েই আছিল সেইজনী যাক ইমান দিনে মই বিচাৰি ফুৰিছিলোঁ। কিন্তু মাত নিদিলো এজনে আনজনক, কিন্তু কিয়? সেইদিনা সন্ধিয়া এচ.এম.এচ. এটা আহিছিল তাইৰ পৰা, তায়ো হেনো মোক চিনি পাইছে কিন্তু মাত হে নলগালে। সেইদিনাই আমি প্ৰথম দুয়ো জনে দুয়োজনকে ওচৰৰপৰা দেখিছিলো। এনেকৈয়ে মোৰ তাইৰ প্ৰতি থকা দুৰ্বলতা (প্ৰেম) আৰু গভীৰ হ'ব ধৰিছে, আগতকৈ আৰু ভাল লগা হৈছে তাই মোৰ চকুত। মোৰ বোধেৰে সকলোৰে এনেকুৱাই হয় যেতিয়া কাৰোবাৰ প্ৰেমত নিজক পাহৰি যায়। দেখিলে মাত দিবলৈহে কোনোদিন সাহস গোটাব নোৱাৰিলোঁ। মোৰ মনত তাইৰ প্ৰতি থকা দুৰ্বলতা বহু দিন লুকুৱাই ৰাখিলো যদিও এতিয়া আৰু নোৱাৰিলোঁ। বস্তু লুকুৱাই ৰাখিব পাৰি কিন্তু কথা লুকুৱাব নোৱাৰি। মোৰ সকলো বন্ধুৱে ইকান সিকান কৈ হ'লেও প্ৰায়বোৰেই শুনিছে। তাইক দেখিলেই মোৰ নামেৰে তাইক জোকাই, মই বাধা দিলেও কোনোৱেই নামানে মোৰ কথা। এনেকৈয়ে তাই অলপ অলপকৈ গম পোৱা হ'ল তাইৰ ওপৰত থকা মোৰ দুৰ্বলতাৰ কথা আৰু মই কিয় ইমান খবৰ ৰাখো।

তাই হ'লে এইবিষয়ে মোৰ আগত কোনো কথাই প্ৰকাশ কৰা নাই আৰু মইয়ো। কিছুদিন গ'ল তেনেকৈয়ে। সৌ সিদিনা ২০ ফেব্ৰুৱাৰীত মই মোৰ সহপাঠীৰ লগত মঙ্গলদৈ মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত গ্ৰন্থ মেলাত মোৰ ভাল লগা গ্ৰন্থবোৰ বিচাৰি ফুৰিছিলোঁ, সেইদিনা বতৰটো সেমেকা আছিল। সেই সময়তেই তাইক দেখিলো মেলাৰ পূব দিশৰ ২য় গ্ৰন্থ বিপনী খনত। কলেজীয়া ছাত্ৰী যিহেতু, কলেজৰ Uniform লগতে পিন্ধিছে ঠাণ্ডাৰ বাবে সেউজীয়া চুৱেটাৰটো।পোছাক জোৰেৰে তাইক ধুনীয়া লগা হৈছে। সহপাঠী কেইজনক দেখাই দিলো ঐ দেখিছা যে "এইজনীয়েই সেইজনী"। সিহঁতে আগবাঢ়ি যাব ওলাল তাইৰ লগত মই চিনাকি কৰাই দিব লাগে সিহঁতক। মই সিহঁতক বাধা দিলোঁ আৰু অলপ দূৰলৈ আঁতৰি আহিলো। গ্ৰন্থ মেলাৰ উপন্যাসবোৰ চাবলৈ ধৰিলো। তাৰে ভিতৰত মোৰ চকুত পৰিল জুৰী বৰা বৰগোহাঞিৰ "আপোন জনৰ ঠিকনা" উপন্যাসখন, মই উপন্যাসখন পঢ়ি চালো, ভাল লাগিছে পঢ়ি। তাত উল্লেখিত কাহানিটোও আছিল এজনী ছোৱালীৰ কলেজীয়া জীৱনটোৰ ওপৰত। "Pune University" ছোৱালীজনীৰ নাম আছিল কবিতা আৰু তাইৰ বান্ধৱী উৎপলা উচ্চ শিক্ষাৰ বাবে পুনেত অৱস্থিত Pune University ত গৈ কেনে ধৰণৰ কি কি সমস্যাৰ সন্মুখীন হৈছিল আৰু সেই সমস্যাৰ মাজতেই নিজকে কেনেকৈ সফলতাৰে মালাডাল পিন্ধিবলৈ যোগ্য কৰি তুলিছিল সেই বিষয়ে উল্লেখ আছিল। ঘৰৰ পৰা দূৰৈত থাকি কিমান কষ্টৰে পঢ়া শুনা কৰিছিল কবিতাহঁতে তাকেই এক আমাৰ বাবে উপদেশ হিচাপে প্ৰকাশ কৰা হৈছিল। মোৰ যিহেতু উপন্যাসখন পঢ়ি বহুত ভাল লাগিছিল, মই ভাবিলোঁ তাইতো ঘৰৰ পৰা বাহিৰত থাকিয়েই পঢ়ি আছে আমাৰ মহাবিদ্যালয়খনত। এইখন যদি তাইক মই উপহাৰ হিচাপে দিওঁ তাইও পঢ়ি ভাল পাব। মই উপন্যাসখন কিনিলো। এতিয়াহে মোৰ চিন্তা হ'ল তাইক দিওঁ কি বুলি! কিনাৰ দিনা দিম কেনেকৈ তাকেই ভাবি নাপালোঁ। তাৰ পিছদিনা সহপাঠী মৃন্ময় আৰু ফাৰজানক সুধিলোঁ কি কৰিলে ভাল হয়। সিহঁতে মোক ধুনীয়াকৈ ক'লে। সিহঁতে যিহেতু প্ৰেম কৰি পোৱা ল'ৰা নিশ্চয় ইয়াৰ ওপৰত সিহঁতৰ অভিজ্ঞতা মোতকৈ বহু গুণেই বেছি। সিহঁতৰ উপদেশ মতেই মই কলেজ খেলপথাৰৰ সন্মুখত থকা কিতাপৰ দোকানখনত উপন্যাস খন ধুনীয়াকৈ পেকিং কৰাই ল'লো। সেইদিনা গ্ৰন্থ মেলাৰ অন্তিমদিন। মৃন্ময়ে কোৱামতেই তাৰ লগতেই গৈ উপন্যাসখন তাইক দিবলৈ কলেজৰ ৰুম নং ৬ ৰ সন্মুখলৈ ফোন কৰি মাতিলো, লগত এজনী বান্ধৱী লৈ। তাই মোৰ ফোন কলৰ সঁহাৰি জনাই ৰুম নং ৬ ৰ সন্মুখৰ গছ জোপাৰ তললৈ আহিল। যদিও তাইক মাতিছোঁ মোৰ বুকখনে ভয়ত ধিপ ধাপ ধিপ ধাপ কৰি আছে। যদি নলয় বা যদি কিবা বেয়াকৈ কৈ দিয়ে। মৃন্ময়ে মাজে মাজে অলপ সাহস দি আছে, সেই সময়ত সেইখিনিয়েই মোৰ বাবে বহুত। তাই অহাৰ লগে লগে কিয় মাতিছিলোঁ শুধিব নাপাওঁতেই মই উপন্যাসখন উলিয়াই তাইক হাতত দিলোঁ। তাই প্ৰশ্ন কৰিলে কি এইখন আৰু কিয় দিছা। এনেয়ে মই ভয়ত আছো তাতে আকৌ প্ৰশ্ন। মোৰ উত্তৰ হেৰাই গ'ল। কি কম কি নকম ভাবি নাপালোঁ। ভয় লাগিছে নে লাজ লাগিছে মই ধৰিব পৰা নাই, থোৰতে কৈ থ'লো ইয়াৰ ভিতৰত ধুনীয়াকৈ লিখা আছে তুমিয়েই চাই লবা। তাই উপন্যাসখন লৈ নিজৰ ক্লাছলৈ গুছি গ'ল। আৰু মই আকৌ গৈ গছৰ তলতে বহি থাকিলোঁ। সেইদিনা ৰাতি গ্ৰন্থ মেলাৰ অন্তিম দিনৰ অন্তিম কাৰ্য্যসূচী গীতৰ শৰাই। মই তাত যোৱা আৰু ৰুমত থকাৰ মাজত অকনো প্ৰাৰ্থক্য নাই। ৰুমত থাকিলে এনেকুৱা লাগে যেন sound speaker কেইটা মোৰ ৰুমৰ খিৰিকীৰ কাষতেই বজাই থৈছে। সন্ধিয়া মোৰ ৰুমলৈ কেইজন মান সহপাঠী আহিছিল তালৈ যাবলৈ। সিহঁতৰ লগতেই ময়ো গ'লো যদিও মোৰ তাত মন বহা নাছিল, তাৰ পৰাই তাইলৈ ফোন কৰিলোঁ। ভাবিছিলোঁ উপন্যাস খনৰ ওপৰত তাই কিবা মন্তব্য কৰিব, কিন্তু তাই উপন্যাস খনৰ ওপৰত একো মন্তব্য নকৰিলে তথাপি সেইদিনা মোৰ লগত

১৬ মিনিট সময় ফোনতেই কথা পাতি থাকিল। মই ভাবিছিলোঁ তাইও মোৰ প্ৰেমৰ কথা জানিব পাৰিছে আৰু মোক সঁহাৰি জনাইছে। আচলতে মোৰ সেইটো এটা ডাঙৰ ভুল আছিল, যিটো মই এতিয়াহে ধৰিব পাৰিছো। তাইৰ প্ৰেমত মই পাহৰি পেলাইছিলোঁ আচলতে মই কোন। মই জানো, তাইৰ লগত প্ৰেম কৰাৰ যোগ্য মই নহয়। তাই এজনী সম্ভ্ৰান্ত ঘৰৰ ছোৱালী। আমাৰ দৰে দৰিদ্ৰ পৰিয়ালৰ ল'ৰাৰ লগত জানো প্ৰেম কৰিব। তথাপি আজিলৈ মই তাইৰ বাহিৰে আন কাকোৱেই চাব পৰা নাই প্ৰেমৰ দৃষ্টিৰে। কিন্তু তাই মোক কেনেকৈ ভাবে মই নাজানিছিলোঁ। মোৰ লক্ষ্যত পৰিছে আজি কিছুদিনৰ পৰা তাই মোৰ পৰা অলপ অলপকৈ আঁতৰি যাব ধৰিছে। কি হৈছে সুধিলে মই প্ৰত্যুত্তৰ নোপোৱা হৈছোঁ। এনেকৈয়ে মোৰ পৰা আঁতৰি গৈছে কোনো কাৰণ অবিহনে, আজি মই তাইৰ পৰা আঁতৰি থাকিব নিবিচাৰিলেও থাকিবলৈ বাধ্য। মইও নিবিচাৰোঁ তাই দুখত থকাটো। কিন্তু কিয় তাই আঁতৰি যাব ওলাইছে মই জানিব পাৰিলে মোৰ মনটো ভাল লাগিল হয়। আজি মই বুজিব পাৰিছো হয় সেই মহান পুৰুষজনে ঠিকেই কৈছিল "সকলোৰে প্ৰথম প্ৰেম সঁচা হয় কিন্তু সেয়া এটা ভুল পৰিস্থিতিত অথবা কোনো ভুল মানুহৰ লগত হৈ যায়।"❑❑

## ঃ জোনবিল মেলা ঃ

মৰিগাঁও জিলাৰ জোনবিলৰ পাৰত অনুষ্ঠিত হোৱা 'জোনবিল মেলা' অসমৰ এটা আকৰ্ষণীয় উৎসৱ। মাঘবিহুৰ পিছৰ সপ্তাহত এই মেলা অনুষ্ঠিত হয়। এই মেলাৰ বিশেষ তাৎপৰ্য্য হৈছে পাহাৰত বসবাস কৰা জনজাতীয় তিৱা লোকসকলে তাত উৎপাদিত বিভিন্ন দ্ৰব্য ভৈয়ামত বাস কৰা তিৱা তথা অন্য জনগোষ্ঠীয় লোকসকলে তৈয়াৰ কৰা পিঠা, সান্দহ, শুকান মাছ আদিৰ সৈতে বিনিময় কৰে। ইয়াত জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোৱে দ্ৰব্য বিনিময় কৰে। জোনবিল মেলাৰ কেতিয়া আৰম্ভণী হৈছিল তাৰ সঠিক তথ্য পোৱা নাযায় যদিও গোভাৰাজ্য প্ৰতিষ্ঠা দিনৰে পৰা এই মেলাৰ আৰম্ভণী হোৱা বুলি বিজ্ঞসকলে মত পোষণ কৰিছে। জোনবিল মেলাৰ ওপৰত ৰীতা চৌধুৰীৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত গ্ৰন্থ 'দেও লাংখুই'ত সুন্দৰ বৰ্ণনা দেখিবলৈ পোৱা যায়।

গল্প

# আচহুৱা

পৰাগ জ্যোতি কাশ্যপ
স্নাতক, চতুৰ্থ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

কাণত হেড্ ফোনডাল লগাই চাহ খাবৰ বাবে মই প্ৰায়ে হোষ্টেলৰ পৰা নিশা ওলাই যাওঁ। আমাৰ হোষ্টেলৰ পৰা ১৫০ মিটাৰ মান দূৰতে শান্ত প্ৰকৃতিৰ ধৰ্ম কাইৰ চাহৰ সৰু দোকানখন। হোষ্টেলৰ প্ৰতিজন ল'ৰাৰ অতি মৰমৰ ধৰ্ম কাই। আমাৰ সন্ধিয়াৰ আড্ডা তাৰ চাহৰ দোকানতেই বহে। দিনত বেলেগ কাম কৰি সন্ধিয়া চাহৰ দোকানখন খোলে। নিশা ১১-১২ বজালৈ তাৰ দোকান খোলা থাকে। কেতিয়াবা চাহ পগাই থাকিলে আমাৰ সৈতে বহু ৰসাল কথাৰে জীৱন সমৃদ্ধ জ্ঞান দিয়ে ধৰ্মকাইয়ে। কিন্তু তেখেতৰ জীৱন সম্পৰ্কে সুধিলে নিৰুত্তৰ হৈ ৰয় ধৰ্মকাই। এদিন কথাৰ প্ৰসংগতে তওঁ মোৰ ঘৰ সম্পৰ্কে সুধিলে। মোৰ উত্তৰ পাই তেওঁ এনে অবাক ভাৱে চালে যেন মোক কেতিয়াও আগত লগ পোৱা নাই বা বহু বছৰ মূৰত দেখিছে কিন্তু নতুন ৰূপত আগত দেখা নাই। তেওঁ চাই থকা দেখি মই সুধিলো কি হ'ল ধৰ্মকাই, কিয় এনেদৰে চাইছে। তেতিয়া হঠাৎ থতমত খাই হাঁহি এটিৰে উত্তৰ দিলে- নাই এনেই বোপাই। সেইদিনাৰপৰা তাৰ দোকানত গ'লে আন হোষ্টেলৰ ল'ৰাতকৈ মোক গুৰুত্ব দিয়ে। কেতিয়াবা চাহৰ পইচাও নলয়। মইয়ো অৱশ্যে কথাটো ভাবি চোৱা নাছিলো কিয় তেওঁৰ মোৰ প্ৰতি ইমান স্নেহ সুলভ আচৰণ। সেইদিনা মেজৰ ক্লাছ শেষ কৰি বন্ধু ভৰেশৰ সৈতে হোষ্টেল লৈ বুলি খোজ দিলো। কলেজ গেট পাৰ হৈ ভৰেশে ক'লে কিবা এটা খাই লওঁ ব'ল। হোষ্টেলতো এতিয়া গ'লে একো খাব পোৱা নাযাব। কলেজ কেন্টিনও বন্ধ কৰিব ধৰিছে। মেজৰ ক্লাছ শেষ কৰি আহি মোৰো কিবা এটা খাবলৈ বৰকৈ মন গৈছিল; ভোক যথেষ্ট লাগিছিল। ক্লাছ শেষ হোৱালৈ প্ৰায় ৫ বাজি গৈছিল। ডিচেম্বৰ, জানুৱাৰী মাহত ৪-৩০— ৫ বজা মানেই সন্ধিয়া নামি অহা। সেমেকা হৈ পৰিছে গোটেই চহৰখন। মই বেগৰ পৰা বৰমাই গুঠি দিয়া উন সূতাৰ চুৱেটাৰটো উলিয়াই পিন্ধি ল'লো। চহৰৰ ষ্টিট লাইটবোৰ এটাৰ পিছত এটাকৈ জ্বলি উঠিল। বুঢ়া লুইতৰ সেমেকা বতাহে গোটেই চহৰখন শীতলাই তুলিছে। ভৰেশ আৰু মই খোৱা বস্তু বিচৰাত লাগি গ'লো। অৱশ্যে কলেজৰ সন্মুখত ৪-৫ খন হোটেল আছে কিন্তু সকলোবোৰ কদৰ্যময়। পৰিষ্কাৰ হোটেল বিচাৰি এখনো নাপালো। তেতিয়া ৫-৩০ বাজিবৰ হৈছে মইয়ে ক'লো ব'ল ভৰেশ ধৰ্মকাইয়ে হয়তো চাহৰ দোকান খুলিছে। তাৰ দোকানত অলপ জিৰণি লৈ চাহ খাওঁ গৈ। ভৰেশেও হয়ভৰ দিলে। দুয়ো হোষ্টেল যোৱা পথটোৰে খোজ দিলো। ভৰেশৰ ঘৰ ভৈৰৱকুণ্ডৰ ওচৰৰ কোনোবা এখন নেপালী গাঁৱত। সহজ সৰল বুদ্ধি সম্পন্ন নেপালী ল'ৰা ভৰেশ। বাপেকে গাখীৰৰ ব্যৱসায় কৰে। হোষ্টেলৰ তিনি মহলাৰ ৪৬ নং কোঠাত থাকে। কেতিয়াবা ৰাতি ভাল খোৱাৰ পিছত চিগাৰেট এডাল জ্বলাই মই থকা দ্বিতীয় মহলালৈ নামি আহে আৰু মোৰ কোঠাৰ সন্মুখনৰ বেঞ্চখনত বহি জোনাক ৰাতিৰ বুঢ়া লুইত খনলৈ চাই চিগাৰেট ডাল হুপি হুপি মোৰ উপস্থিতি যেন পালেই চিগাৰেট ডাল পেলাই কৈ যায় সমাজ সংস্কাৰৰ প্ৰতিছবিবোৰ, গান্ধীৰ আদৰ্শ আৰু সাম্প্ৰতিক সময়ত অসমৰ ৰাজনীতি আদি আদি। তাৰ ভাৱ ভাষাবোৰত স্পষ্টভাৱে দেখা যায় সি তাৰ জাতিটোৰ প্ৰতি অতি সচেতন; তাৰ সমাজখনৰ মুক্তি বিচাৰে। কেতিয়াবা কৈ উঠে সি আমাৰ মানুহে আৰু কিমান পাহাৰৰ নিজৰাৰ পানী খাব! আমাৰ ল'ৰা-ছোৱালীয়ে আৰু কিমান শিক্ষা দীক্ষা এৰি গৰু-ম'হ পালন

কৰিব! আমাৰ ভাষা-সংস্কৃতিৰ বিকাশ কেতিয়া হ'ব? আৰে, আছে কি আমাৰ! মই তাৰ কথাবোৰত নিৰুত্তৰ হৈ ৰওঁ। হয়; কথাবোৰত যুক্তি আছে। সি যুগ যুগ এই অসমৰ বুকুতে বসবাস কৰি অসমীয়া সমাজৰ অবিচ্ছেদ্য অংগ হৈ পৰা নেপালী সকলৰ সামাজিক পৰিবৰ্তনৰ প্ৰাসংগিকতা আছে। সি হেনো বিশ্ববিদ্যালয় শিক্ষা শেষ কৰি সিহঁতৰ ভাষাত এখন বাতৰি কাকত উলিয়াব। এনেদৰে তাৰ কথাবোৰ ভাবি ভাবি কেতিয়া ধৰ্মকাইৰ দোকান পালো গমকে নাপালো। ধৰ্মকাইয়ে চাহৰ কাপ টেবুলত থৈ 'বাপু', খোৱা বুলি কোৱাতহে সম্বিত হ'লো। চাহ কাপ খাই উঠি পইচাটো উলিয়াব খোজোতেই ভৰেশে ক'লে যা মই দিম তই আগত এদিন মোৰ চাহৰ পইচা দিছিলি। মইয়ো হ'ব দে পিছে বুলি দোকানৰ ভিতৰৰ পৰা ওলাই আহি বাহিৰত অলপ ৰ'লো। ভৰেশ ওলাই আহি ক'লে তোৰ পইচা ধৰ্মকাইয়ে নল'লে। মইয়ো 'হয় নেকি' বুলি ইমান গুৰুত্ব দিয়া নাছিলো। হোষ্টেলৰ কোঠালৈ বুলি দুয়ো খোজ দিলো। তেতিয়া ভৰেশে ক'লে পল্লৱ আজি কেইদিন মানৰ পৰা ধৰ্মকাই তোৰ প্ৰতি অতি স্নেহশীল হৈ উঠিছে তই কথাটো মন কৰিছ নে নাই? মই ইমান দিনে কথাটো মন কৰা নাছিলো আজি ভাবিবলৈ বাধ্য হ'লো। নিশ্চয় ইয়াৰ অন্তৰালত কিবা ৰহস্য আছে। হোষ্টেলৰ কোঠাৰ সোমাই মুখ হাত ধুই আহি বিচনাত বহি বহু সময় ধৰ্মকাইৰ আচৰণৰ বিষয়ে ভাবিবলৈ বাধ্য হ'লো। তেনেতে ফোনটো বাজি উঠিল। মই জানোৱে নিশ্চয় মাৰ ফোন কিয়নো হোষ্টেলত থকা দিন ধৰি মা'ই ৬- ৬-৩০ বজাত ফোন কৰিবই। ফোনটো ৰিচিভ কৰাত সিফালৰ পৰা মাৰ মাতটো ভাঁহি আহিল। বাবা কলেজৰ পৰা কেতিয়া আহিলি? কিবা খালি নে? পঢ়িব বহিছনে? দেহাৰ প্ৰতি যত্ন ল'বি; বেয়া সংগৰ কাষ নলবি! ক'ত কিমান যে কথা। মুঠৰ ওপৰত ১০ মিনিট মান প্ৰশ্নৰে শেষ কৰিব তাৰ পিছতহে মোৰ উত্তৰ। হয়, অতি সৰল প্ৰকৃতিৰ জীৱনত বহু পোৱা নোপোৱাৰ দোমোজাত থকা মোৰ মা। ফোনটো কাট খোৱাত আমাৰ তলৰ মহলাত থকা যোৰহাটৰ ল'ৰা দিব্যৰ কোঠালৈ আহিলো; দিব্য এইবাৰ স্নাতক চূড়ান্ত বৰ্ষৰ ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ। প্ৰায়ে তাৰ কোঠালৈ মোৰ আবিৰ্ভাৱ হয়। হোষ্টেলৰ সকলো কোঠাতকৈ লেতেৰা কোঠা তাৰ কোঠাতকৈ আৰু পোৱা নাযায়; আনকি তাৰ ৰুমমেটও তাৰ লগত নথকা হ'ল। আমি হোষ্টেলৰ সকলোৰে তাক স্বচ্ছতাৰ পিঠিত নবেল বঁটা বিজয়ী বুলি জোকাও। অৱশ্যে সি মানুহটো পৰিষ্কাৰ কিন্তু বাতৰি কাকতৰ দমবোৰে কোঠাটো কিবা বেলেগ পৰিৱেশ কৰি তুলিছে। কিয়নো সি প্ৰতিদিনে দুখনকৈ বাতৰি কাকত কিনে। তাৰ মন প্ৰশাসনিক বিষয়া হোৱাৰ, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ। মই দিব্যৰ কোঠালৈ অহা দেখি মুছলপুৰৰ ৰাকেশ ব্ৰহ্মও আহিল। তিনিও বন্ধুৰ বিভিন্ন কথা প্ৰসংগতে ভাতৰ বেল বাজি উঠিল। আমি আটায়ে ডাইনিং টেবুল পালোগৈ। ডাইনিং টেবুলত কাৰ যে কিমান কথা। কাৰোবাৰ মুখত ক্লাছৰ কথা, কাৰোবাৰ মুখত ঘৰৰ কথা, কাৰোবাৰ মুখত ছোৱালীৰ কথা মুঠতে গোটেই দিনটোৰ খবৰ ডাইনিং টেবুলতে আলোচনা হ'ব। সেইদিনা সন্ধিয়া আকৌ ধৰ্মকাইৰ দোকানলৈ চাহ খাবৰ বাবে দিব্য, ভৰেশ, মই আৰু বসন্ত আমি আটায়ে খোজ ল'লো। চাহ খাই খাই বিভিন্ন কথাৰ আলোচনা আমাৰ হৈ গ'ল। তেনেতে এজনী মৰম লগা ছোৱালী সোমাই আহি গাখীৰৰ বটল এটি ধৰ্মকাইক দিলে। আমি সকলোৰে আচৰিত; ধৰ্মকাইৰ দোকানত আগে পাছে কোনোদিনেই ছোৱালী অহা দেখা নাই। ছোৱালীটো বাদেই হোষ্টেলৰ ল'ৰা কেইটা আৰু ৰিক্সাবালা কেইটাৰ বাহিৰে তাৰ দোকানলৈ বেলেগ মানুহ অহা আমি দেখা নাই। অৱশ্যে ধৰ্মকায়ে আমাক ছোৱালীজনীৰ সৈতে চিনাকি কৰি দিলে; 'এইজনী মোৰ ছোৱালী মল্লিকা'। তাইক প্ৰথম দেখিয়ে এক অজান শিহঁৰণ হিয়াত জাগি উঠিছিল; প্ৰেমৰ বৰষুণ জাকত যেন তিতি বুৰি পৰিছো। নমস্কাৰ এটি জনাই তাই দোকানৰ পৰা ওলাই গ'ল। অতি ভদ্ৰ, অমায়িক প্ৰকৃতিৰ ছোৱালী। চুলি কোছা ককাঁললৈ পেলাই যেন স্বৰ্গৰ পৰী হে গৈ আছে। তাইৰ যৌৱন লাৱণ্যত প্ৰতিজন ডেকা প্ৰেমত পৰিবই পৰিব। তাইৰ ভাৱনাত মই বিভোৰ

হ'লো। তাইৰ প্ৰেমে মোৰ হৃদয়ত যেন আগতীয়া বসন্ত নমাই দিছে। তেনেতে ফোনটো বাজি উঠিল, মামাৰপৰা ফোন আহিছে। মামাই মোৰ অভিভাৱক, পথ প্ৰদৰ্শক আৰু শিক্ষাৰ বাট মোকলাই দিয়া ব্যক্তি। মামাই মোৰ কোনো দিনেই পিতৃ স্নেহৰ পৰা বঞ্চিত হ'ব দিয়া নাই। মা মামাৰ লগতে থাকে। ফোনটো ৰিছিভ কৰাত ক'লে যে মামা হেনো মংগলদৈৰপৰা বঙাইগাঁৱলৈ অতিৰিক্ত উপায়ুক্ত হিচাপে বদলি হৈছে। মাকও তালৈ লৈ যাব কথাটো জনাবৰ বাবে মোক ফোন কৰিলে। মালৈ হঠাৎ মোৰ মনত পৰি গ'ল; আজি ছমাহ মাক দেখা নাই। মাক মই সৰুতে প্ৰশ্ন কৰিছিলো মোৰ দেউতা কোন? মোৰ দেউতা ক'ত থাকে? কিন্তু মাই মোক কোনো দিনেই একো নকৈছিল। মোৰ দেউতা কিয় মাৰ লগত নাথাকে দেউতা জীয়াই আছে নে নাই মই সেয়াও নাজানো; কিন্তু মাৰ কপালৰ সেন্দুৰৰ ফোঁটটি আঁকি লোৱা দেখি অনুভৱ হয় যে মোৰ দেউতা জীয়াই আছে। মোৰ বিশ্বাস মই দেউতাক এদিন বিচাৰি পাম। কিন্তু সেয়া জানো কেতিয়া সম্ভৱ হয় মই নাজানো। সেইদিনা হোষ্টেলৰ খেল পথাৰত ক্ৰিকেট খেলি থাকোতে; ভৰেশ ল'ৰালৰিকৈ খেল পথাৰ লৈ আহিছে সি কেতিয়াও আমাৰ সৈতে ক্ৰিকেট খেলি পোৱা নাই। এবাৰ সৰুতে ক্ৰিকেট খেলোতে সি হেনো বৰ বেয়াকৈ দুখ পাইছিল তেতিয়াৰ পৰা ভয়তে নেখেলে। কিন্তু আজি সি লৰা-লৰিকৈ অহাৰ কাৰণ কি? আমি আটায়ে তাৰ ওচৰলৈ আহিলো। সি ক'লে যে ধৰ্মকাই দোকানলৈ আহি থকা অৱস্থাত পিছফালৰ পৰা গাড়ীয়ে খুন্দিয়াইছে তেওঁক এতিয়া গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত ৰাখিছে; ৰিক্সাৱালা জনে লগ পাই কোৱা বুলি ক'লে। আমি আটায়ে যিয়ে যেনেকৈ পাৰো হাস্পাতাল লৈ বুলি ৰাওনা হ'লো। হাস্পাতাল চৌহদৰ ফাৰ্মাচীখনত মল্লিকাক দেখি তাইৰ সৈতেই ধৰ্মকাইৰ ওচৰলৈ গ'লো। ইমাৰজেঞ্চি কোঠাত ধৰ্মকাইক ৰাখিছে আৰু তাতেই তেখেতৰ চিকিৎসা চলি আছে। ঔষধ কেইটামান নাৰ্চৰ হাতত তুলি দি মল্লিকাই ধৰ্মকাই থকা কোঠালৈ আঙুলিয়াই দেখুৱালে। আমি আইনাৰ মাজেৰে তেওঁ লৈ চালো। মুখখনৰ যেন একো অৱস্থাই নাই। তেওঁৰ ওচৰলৈ যাবৰ বাবে ডাক্তৰে বাধা দিছে। ডাক্তৰ ওলাই আহি মল্লিকাক কাষলৈ মাতি নি কিবা কোৱা দেখিলো আৰু তাই ততালিকে বাহিৰলৈ ওলাই গ'ল। ১০ মিনিট মান পিছত আহি ডাক্তৰক কিবা কোৱা দেখিলো। তাই যেন অতি চিন্তাত পৰিছে তেনে অনুভৱ হ'ল। মই আগুৱাই গৈ মল্লিকা কি হৈছে বুলি সোধাত তাই নিঃসহায়ভাৱে মোক ক'লে যে ধৰ্মকাইক 'o' গ্ৰুপ তেজৰ প্ৰয়োজন হৈছে কিন্তু ব্লাড বেংকত খবৰ লোৱাত তাত নাই বুলি ক'লে। আৰু তাইৰ ব্লাড গ্ৰুপেৰে ও ধৰ্মকাইৰ গ্ৰুপ নিমিলে। মই ক'লো মই দিব পাৰিম মোৰ ও 'o' ব্লাড গ্ৰুপ। তাই যে হাততে সৰগ ঢুকি পোৱা যেন পালে। তেজ দিয়াৰ পিছত হোষ্টেলৰ আটায়ে সিদ্ধান্ত ল'লো যে ধৰ্মকাই যিমান দিনলৈ হাস্পাতালত থাকিব সিমান দিন হোষ্টেলৰ তিনিজনকৈ ল'ৰাই ৰাতি হাস্পাতালত ধৰ্মকাইক ৰখিব। কথামতেই কাম প্ৰথম দিনা মই, ভৰেশ আৰু দিব্যই ৰাতি থকাৰ দায়িত্ব ল'লো। তেনেতে মামাৰ পৰা ফোন আহিল আৰু ক'লে যে, বিশেষ কাৰণত মামা আৰু মা গুৱাহাটীলৈ আহি আছে। মোক অহাকালি ৰাতিপুৱা লগ কৰিব। মই কিয় আহিব সোধাত একো নকলে মাথো ক'লে অহা কালি সকলো কব। বাকীবোৰ হোষ্টেলৰ ল'ৰা গুছি গ'ল। আমি তিনিও বাহিৰৰ হোটেলত গৈ পৰঠা খাই আহিলো। মল্লিকাৰ বাবেও অলপ খোৱা বস্তু আনি তাইৰ হাতত তুলি দিলো। তেতিয়া মল্লিকাৰ মুখত যেন ভয়াবহতাৰ প্ৰতিচ্ছবি। মইয়ে সুধিলো মল্লিকা তোমাৰ 'মা' আছে নে নাই! তেওঁ কিয় হাস্পাতাললৈ অহা নাই। তেতিয়া মল্লিকাই ক'লে যে তাইৰ দেউতাকৰ বাহিৰে আৰু কোনো নাই। বহুতো মানুহে কোৱা শুনিছে হেনো তাইক ক'ৰবাৰ পৰা ধৰ্মকাইয়ে তুলি আনি নিজ সন্তানৰ মৰ্যদা দিছে। অৱশ্যে আজিলৈ ধৰ্মকাইয়ে সেই সম্পৰ্কে তাইক একো কোৱা নাই। আৰু তাইও তাক একো সোধা নাই। কিয়নো তাইৰ দেউতাকক হেৰুৱাৰ ভয়। তাইৰ দেউতাকৰ প্ৰতি থকা মৰম আৰু শ্ৰদ্ধা দেখি

মই আচৰিত হৈছো। মোৰো অনুভৱ হয় মোৰো যদি দেউতা থাকিলহেঁতেন। ডাক্তৰ ধৰ্মকাইৰ কোঠাটোৰ পৰা ওলাই আহি ক'লে যে ধৰ্মকাইক আৰু ২ঘণ্টাৰ পিছত এটা অস্ত্ৰোপচাৰ কৰিব লাগে ইয়াৰ বাবে যাৱতীয় সামগ্ৰী খিনি ৰোগীৰ আত্মীয়ই বহন কৰিব লাগিব। আৰু সামগ্ৰীখিনিৰ বাবদ খৰছ হ'ব প্ৰায় ৩০-৪০ হেজাৰ টকা। মল্লিকা যেন নিৰুপায় ২ ঘণ্টাৰ ভিতৰত ইমান খিনি টকা তাই যোগাৰ কৰে ক'ৰ পৰা। তেতিয়া মোৰ মনত পৰিল যে মই উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান দখল কৰোতে চৰকাৰে আগবঢ়োৱা ৫০,০০০ টকাৰ বৃত্তিটোৰ আটাইখিনি টকা মোৰ একাউণ্টত আছে মই বাহিৰৰ এটি এম টোৰপৰা আটাইখিনি টকা উলিয়াই আনি মল্লিকাৰ হাতত দিলো। তাই যেন হতভম্ব। তাই প্ৰথমে ল'বলৈ অস্বীকাৰ কৰিছিল কিন্তু মোৰ অনুৰোধত টকা কেইটা ল'বলৈ বাধ্য হ'ল। তেনেতে আচম্বিতে মা, মামা, মামাৰ বন্ধু ডাঃ নয়ন কলিতা ধৰ্মকাই থকা কোঠাটোৰ সন্মুখত উপস্থিত হ'ল আৰু মোক দেখি মা, মামা আচৰিত হ'ল। মা'ৰ চকুত যেন চকু পানীৰ বাৰিষা, কিবা হেৰুৱাৰ ভয়। মাই মোক একো নক'লে। মা, মামা, আৰু ডাঃ নয়ন কলিতা ধৰ্মকাই থকা কোঠালৈ ডাক্তৰৰ অনুমতি লৈ সোমাই গ'ল। মই একো বুজিবই নোৱাৰিলো। কোন এই ধৰ্মকাই! মা', মামা কিয় ৰাতিৰ ভিতৰতে বঙাইগাঁৱৰ পৰা গুৱাহাটী আহি পালে! আৰু মল্লিকা! ধৰ্মকাই মানে মোৰ সকলো প্ৰমাণ পত্ৰৰ পিতৃৰ নামৰ বিপৰীতে থকা ধৰ্মকান্ত বৰুৱা নহয়টো! তেন্তে মই প্ৰেমত পৰি হাবু ডুবু সপোন দেখা সেই মল্লিকা! মোৰ ভনী নহয়টো!❐❐

## ঃ ভূপেন হাজৰিকা সেতু ঃ

ভূপেন হাজৰিকা সেতু (ঢলা-শদিয়া দলং) হৈছে অসমৰ তিনিচুকীয়া জিলাৰ শদিয়া আৰু ঢলাক সংযোগ কৰা লোহিত নদীৰ ওপৰত অৱস্থিত এখন এখলপীয়া পথ দলং। এই দলংখনৰ নিৰ্মাণ কাৰ্য ২০১১ চনত আৰম্ভ হৈছিল আৰু দলংখন সম্পূৰ্ণ কৰা হৈছে ২০১৭ চনত। দলংখনৰ মুঠ দৈৰ্ঘ্য ৯.১৫ কিলোমিটাৰ। দলংখনৰ নিৰ্মাণ কাৰ্যত প্ৰায় ৯৫০ কোটি টকা ব্যয় হৈছে।

কবিতা

# কলম

ড০ আঙ্গিৰস
সহকাৰী অধ্যাপক

কলম কবিৰ সুহৃদ সহচৰ
কবিৰ বুকুত তাৰ ঘৰ

কলম যেন
এক আজৱ ড্ৰিলিং মেচিন
নিৰৱে নিৰলে
অনুভূতিৰ পুং খান্দি
কলমে প্ৰৱেশ কৰে
হৃদয়ৰ গভীৰলৈ
লয়লাসে
আৱৰণ ভেদি

কলম যেন
এক আজৱ থাৰ্মমিটাৰ!
গণি থাকে
গমি থাকে
হৃদয়ৰ ছন্দ
উশাহ-নিশাহ, ৰঙৰ ঘনত্ব আৰু
আবেগৰ উত্তাপ, আত্মাৰ সুবাস
আহোৰাত্ৰ
ৰাখি যায়
দিয়া আৰু পোৱাৰ হিচাপ
অগোচৰে

ঘনঘোৰ আন্ধাৰত
ত্ৰাসিত হয় যেতিয়া বতাহ
প্ৰহৰে প্ৰহৰে প্ৰহৰী হৈ
কোনোবা বাহাদুৰ ছেত্ৰীৰ দৰে
সচকিত কৰি দিয়ে
'সাৱে থাকিবা সাৱে থাকিবা'
কলম সাৰ পাই থাকে
পোহৰ লৈ
নিৰাপত্তা হৈ
নিৰন্তৰ
কলম কবিৰ সুহৃদ সহচৰ!
কবিৰ বুকুত তাৰ ঘৰ। ❑❑



# কবিতা

প্ৰতীম বৰুৱা
অতিথি কবি

চাই থাকোঁতেই বেলি বুৰিছিল
চিক্‌মিকনিৰ আঁৰত
লুকাই থকা আন্ধাৰ
আমি দেখা নাছিলোঁ
আমি দুয়োজন আছিলোঁ
মুগ্ধ
বিৱস
আৰু স্বপ্নাতুৰ
চিক্‌মিকনিৰ সোণালী-ৰূপালী ৰঙে
আমাক অন্ধ কৰি তুলিছিল
ভাবি থাকোঁতেই সময় বাগৰিছিল
হাতৰ মুঠিত কি আছিল আমাৰ।
তিলতিলকৈ সঞ্চয় কৰা
সপোন শস্যকণা
ভাবনাৰ চকা ঘূৰিছিল
পানীৰ পৰা বৰফ হয়,
বৰফৰ মাজত পানী ৰয়
পানী কিন্তু বৰফ নহয়
বৰফ কিন্তু পানী নহয়
চাই থাকোঁতেই বেলি বুৰিছিল
আন্ধাৰৰ মাজত লুকাই থকা পোহৰ
আমি দেখা নাছিলোঁ
আমি দুয়োজন আছিলোঁ
মুগ্ধ
বিৱশ
আৰু স্বপ্নাতুৰ
সত্যক বিচাৰি ঘূৰ্মুটিয়াই ফুৰিছিলোঁ আমি



অথচ সত্যৰ সৈতে
সাক্ষাৎ হৈছিলনে আমাৰ।
অজস্ৰ ভেলেকি আৰু বিভ্ৰমৰ মাজত
আমি পাহৰিছিলোঁ—
আন্ধাৰৰ শেষত পোহৰ হয়
পোহৰৰ শেষত আকৌ আন্ধাৰ
আন্ধাৰ কিন্তু পোহৰ নহয়
পোহৰ কিন্তু আন্ধাৰ নহয়
চাই থাকোঁতেই
ৰাতি পুৱাইছিল
চাই থাকোঁতেই
ৰাতি হৈছিল।□□

কবিতা

# আকৌ লগ পাম

হিমাংশু প্ৰসাদ দাস
অতিথি কবি (নাট্যকাৰ)

বিদায় বুলি নকওঁ
ঘূৰ্ণীয়মান এই অস্থিৰ অশান্ত বিশ্ব
এই পৃথিৱীত ময়ো যেন এক যাযাবৰ স্বপ্ন।
যেতিয়ালৈ দেখি থাকিম তোমাৰ দুচকুত
অপেক্ষাৰ উচাহ
যেতিয়ালৈ তোমাৰ হাঁহিবোৰ হৈ থাকিব
বিশুদ্ধ উশাহ

বিদায় বুলি নকওঁ।
কাইলৈ কি হ'ব যদিওবা নাজানো
তথাপিতো প্লেটফৰ্মত ৰৈ থকা তোমাক
খিৰিকীৰে চুই চাই
দীঘলীয়া উকিকো আওকান কৰি ক'ম
আকৌ লগ পাম
আকৌ।□□



# পৃষ্ঠা ঃ ১

সাগৰিকা ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

প্ৰতি জীৱন,
সম্বন্ধবোৰ কেঁকুৰিয়ে কেকুঁৰিয়ে গৈ
পাৰ হৈ যায় অচিন মোহনা
জপাত জাপি থোৱা ভাল লগাবোৰে
সোঁৱৰণিৰ বলুকাত বহি
কিয় জানো বিচাৰি ফুৰে
সময়ৰ অচিনাকী সংজ্ঞাবোৰক
ক্ৰমশ ঃ
ভাল লগাবোৰো অভিমান হয়
দেওদি যোৱা অচিনাকী সুঁহুৰিবোৰ
লুকাই পৰে সময়ৰ নষ্ট ঘাটত.....
আচলতে,
সময়ৰ সংজ্ঞাবোৰ হেৰুৱালেও
অভিমানৰ মিতিৰালিত অচিনাকী যেন লাগিলেও
মইতো আপোনাক ভালপাওঁ?
ইতি,
সুখৰ নদীত জানো কি বয়
দুখৰ নদীত জানো কি বয়
ভগা জীৱনৰ আশা নে
জীৱন মৰুত ৰৈ যোৱা
শুকান শামুকৰ খোলা !!! □□

## কবিতা

# আহিবানে তুমি ....

বাব্‌লি কলিতা
স্নাতক, ২য় ষাণ্মাসিক
দৰ্শন বিভাগ

মুকলি আকাশৰ তলত
মই এতিয়াও ৰৈ আছো জানা ....
বিচাৰি ফুৰিছো মনৰ গভীৰত
সাঁচি ৰখা স্মৃতিবোৰ।।
তোমাৰ বাৰু মনত পৰেনে...
তোমাক যে লগ পাইছিলো
কৃষ্ণচূড়াৰ তলত।।
মোৰ কাষেৰে কেৰাহী কৈ চাই
তুমি যে পাৰ হৈ গৈছিলা....
মনত যেন এক শিহৰণ জাগি উঠিছিল।।
তাৰ পিছৰ দিনবোৰ ....
কিমান যে মধুৰ আছিল
এতিয়াও পাহৰিব পৰা নাই জানা।।
কিন্তু নিষ্ঠুৰ নিয়তিৰ
আহ্বান এৰাব নোৱাৰি
তুমি গুচি গ'লা মোৰ পৰা।
সেইদিনা যেন মই
স্থিৰ হৈ থাকিব পৰা নাছিলো...
চকুপানীবোৰ যেন শেষ হৈ গৈছিল।।
কেতিয়াও মানি ল'ব পৰা নাছিলো,
তোমাৰ অনুপস্থিতি।
মনটোৱে বাৰে বাৰে কৈছিল
তুমি আহিবা, তুমি আহিবা...
আহিবানে তুমি???❑❑



# প্ৰেম

নীলোৎপল বড়া
স্নাতক, চতুৰ্থ ষাণ্মাসিক



নুসুধিবা তুমি মোক প্ৰেম মানে কি?
যিদৰে গছে নেজানে বাটৰুৱাৰ ঠিকনা,
যিদৰে বতাহে নেজানে আনৰ বুকুৰ বতৰা
সেইদৰে মইয়ো দিব নোৱাৰো প্ৰেমৰ সংজ্ঞা।
নুসুধিবা তুমি মোক প্ৰেমৰ পৰিধি কিমান?
প্ৰেমৰ পৰিধি হেনো বিশাল, সীমাহীন
সমগ্ৰ হৃদয় প্ৰসাৰিত কৰিও হেনো স্পৰ্শ কৰিব নোৱাৰি
জীৱন বৃত্তৰ কেন্দ্ৰই হেনো প্ৰেমৰ চুক্তি স্বাক্ষৰ কৰি
হৃদয়ে নিপিন্ধে প্ৰেমৰ পোছাক।
প্ৰেম হৈছে কলিজাৰ পোছাক, আত্মাৰ আৱৰণ,
প্ৰেম হেনো জীৱনৰ সঞ্জীৱনী সুধা, প্ৰেম জীৱনৰ
মধুৰতম সেউজ অনুভূতি, প্ৰেম হেনো শক্তি
সেয়েহে প্লিজ মনালিছা এবাৰ প্ৰেমত পৰি চোৱানা।।❑❑

কবিতা

## বিভ্ৰান্ত বাস্তৱ

বনশ্ৰী ৰাজবংশী
স্নাতক, দ্বিতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

কিয় বাৰে বাৰে বিশ্লেষণ কৰো
সুখৰ সংজ্ঞা?
কিয় বাৰু বুকুত গঢ়িব বিচাৰো
সুখৰ অট্টালিকা?
সুখ-দুখৰ তুলাচনীত সুখৰ ফানটোত
কিয় নিজকে সদায় পাতল অনুভৱ কৰো?
হৰা-জিকাৰ পথাৰখনত দৌৰি দৌৰি
কিয় কাঢ়ো হুমুনিয়াহ?
সুখ কি? প্ৰাপ্তি কি? সত্য কি?
সত্য বুজে সেইজনে
যিয়ে কম্পিত হাঁতেৰে
নিজ পুত্ৰক কৰে মুখাগ্নি
সত্য বুজে সেইজনে
যিয়ে বগা কাপোৰেৰে
ঢাকি দিয়ে নৱ বিবাহিতা পত্নীক
সত্য তেতিয়া বুজো, যেতিয়া ....
চিতাৰ জুইকুৰাৰ ধোঁৱাবোৰে
ওচৰৰ ধাননি ডৰাক কোমল স্পৰ্শ কৰেগৈ...
তেতিয়া।।
জলছবিৰ দৰেই কেতিয়াবা সুধিবলৈ মন যায়
হে জীৱন.....।।
মৃত্যুৰ বাবেই নেকি ইমান বিশাল আয়োজন?❏❏



## Treasure

**Shabnam Mokbina Elahi**
**B.A. 4th Semester**
**English Department**



When all the brights become dull
When trees become barren
My soul wanted to leave me
And all my hopes dimmed
you entangled my hands
between yours
You caught me between your arms
Then I went on a path of epiphany
At the end I found
My treasure in you!❏❏

কবিতা

# পিতাই



অপূৰ্ব কুমাৰ ডেকা
স্নাতক, ৪ৰ্থ ষাণ্মাসিক
পৰিসংখ্যা বিভাগ

একবিংশ শতিকাৰ মডাৰ্ণ ছচাইটিৰ
ম্যাদ উকলা
এটি সংগ্ৰামৰ নাম পিতাই.....
হোকা হুপি হুপি পুত্ৰ-বোৱাৰীক
সংস্কাৰ দিয়া,
জুইশালৰ আড্ডাত হাঁহিৰ খোৰাক যোগোৱা
নাতি-নাতিনীক বুঢ়ী আইৰ সাধু শুনাই
টোপনী নিয়া
কিম্বা আৰাম চকীত ভৰি উঠাই
উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দৰে
পৰিয়ালৰ সদস্যক
আদেশ কিম্বা শাস্তি দিয়াৰ চিষ্টেম নচলে
পিতাই ....
ৱেল ইডুকেটেড ন-বোৱাৰীয়ে
আপোনাৰ মতে
ওৰণি কিম্বা সেৱা নলয়...
জোৰও নকৰিব পিতাই
অন্যথা আপোনাৰ বিৰুদ্ধে ফেচবুক
হোৱাটচ্‌আপ ষ্টেটাচ ভাইৰেল হৈ যাব পাৰে
আপুনি
ৰঙা ঘৰৰ আলহী হ'ব পাৰে পিতাই।
যাক নাখাই খুৱাইছিল ভালৰো ভালটো
কপালৰ ঘাম মাটিত পেলাই
যাৰ বাবে ঘুণিয়া হৈছিলি
সি আপোনাক দলিয়াই দিব পাৰে পিতাই।
কোনোবা অজান বৃদ্ধ আশ্ৰমৰ অৱহেলিত কোঠাত
এয়া নিউ জেনেৰেচনৰ সভ্যতাৰ ষ্টাইল....।
বৃদ্ধ আশ্ৰমলৈ নাযাওঁ বুলি ফিতাহি নামাৰিব
পিতাই...
শ্লীপিং টেবলেট খুৱাই
পেলাই দিব পাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত....
কোনোবা পাঞ্জাৱবডীৰ চকাত
ওলমি ৰ'ব
আপোনাৰ কেঁচা দেহৰ নিঃচিহ্ন অংশ।
পিতাই...
আপোনাৰ জীৱন গাঁথা হৃদয় বিদাৰক
কাহিনীৰূপে
সম্প্ৰচাৰিত হ'ব গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভত...
টি. আৰ. পি.ৰ লোভত আপোনাক
বনৰীয়া জন্তু নাইবা ভগৱান বনাই দিব পাৰে
খন্তেকৰ বাবে কেমেৰাৰ সন্মুখত চকুলো
মচিব বহুজনে...
পিতাই....
বিন্দাচ হ'বলৈ শিকিব
তেতিয়াহে জিন্দা থাকিব,
হিলাই দিয়ক পাপিষ্ঠক,
বজাই ৰাখিব 'পিতাই'ৰ ইজ্জত। ❑❑

কবিতা

# উৰুলিৰ উচুপনি

নয়নজ্যোতি ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক
বিজ্ঞান

এদেউ দুদেউকৈ বাঢ়িছিলহে মাথোন, বনৰ হৰিণী জনী
কাঁথিৰ চেংগুটি নিজম নপৰোতেই,
চোতালত আয়তীৰ উৰুলি।
আইৰ আগত ওন্দোলা মুখ, মৰমৰ অভিমান
কেনেকৈ ৰাখিব চেনেহৰ জীয়েকে আনৰ ঘৰৰ মান ।
অলেখ সপোন অযুত আশা ধোৱা চাঙত উঠিল
আইৰ ঘৰলৈ বৰযাত্ৰীৰ আগমন ঘটিল।
আইৰ কোলাত হেঁপাহৰ টোপনি, নিচুকনি,
শহুৰ-শাহু আইৰ আজি তাই ন-বোৱাৰী।
আই মোৰ বুকু কুটে-কুটাই....
অজগৰে মোট সলোৱা ভয়াবহ সেই নিশাবোৰ...
বৰঘৰ-আখলঘৰৰ চ'তি-মাৰলিত ওলমি ৰ'ল,
ভগা হিয়াৰ অবুজ বিননিবোৰ।
বহাগৰ ন-পানীয়ে ধোৱা পলসুৱা পথাৰখন
আঁউটজৰী চিগা একনীয়া গেঁৰা ম'হে চহালে মৈয়ালে
নাঙলৰ ফালেৰে উজাই সিৰলুত পৰি ৰ'ল
কুমলীয়া সপোনবোৰ।
ন-বোৱাৰী পুৰণি হ'ল, কাণলৈকে তৰা কলহ,
ভৰা ঘৰ খনৰ দায়িত্ব বাঢ়িল।
হৰিণীৰ  সংসাৰলৈ নতুন আলহী আহিল।
নিজৰ সপোন সামৰি আনৰ সাবটিলে
পোনাকণৰ সপোন ৰথত নিজকে
সাৰথি পাতিলে।
একলা-দুকলাকৈ পোনাটোও এতিয়া বৰটো হ'ল,
সুৰুয বহন সেওতাত উজাৰি ন-লখিমীও আনিবৰ হ'ল।
বিষাদৰ আনন্দত আজি ককবকাইছে হৰিণী
আকৌ যে এবাৰ শুনিব লাগিব উৰুলিৰ উচুপনি।□□

# পিৰালি আৰু নিজানতাৰ দুটা স্তৱক

অভিজিৎ ডেকা
স্নাতক, দ্বিতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

(১)

সময়
পৃথিৱী এতিয়া সাৰে নাই
টোপনি নোযোৱালৈ বিচাৰিছো
অন্য বাসস্থান
বুকুত উম দিয়া বিষটোৰে
ফেটি সাপৰ দৰে ফনা মেলি থিয় দিছে
পৃথিৱী এতিয়া সাৰে নাই
মই অকলসৰে বাস কৰিছো
কোনো এক অনন্য দ্বীপত

(২)

অনুভূতি
নিশা গভীৰ হ'লে
হৃদয়ত পোখা মেলে
হাঁহিলে চকুপানীয়ে কি ভাবে
কান্দিলে হাঁহিবোৰে
নিজৰ লগত বহুদিন হ'ল
কথা নোহোৱা
সাগৰৰ বাবে নদী
নে নদীৰ বাবে সাগৰ।□□

কবিতা

# অগস্ত্য যাত্ৰা, জীৱন বৃত্ত আৰু সাগৰৰ চকুপানী

মাহমুদুল হাচান
স্নাতক, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ



(১)

অৱশেষত
চহৰখন এৰি তেওঁ যাবগৈ
হৃদয়ত জ্বলি উঠা একুৰা জুইৰ
লেলিহান শিখাত দহি মৰিছে সঘনে
পাঁচটা দশকে তেওঁ চহৰখন গঢ়িছে
নিজ হাতেৰে
আজি চহৰখন শূন্য কৰি
তেওঁ একেবাৰে যাবগৈ
পুৱাত উঠি চহৰখন চাইছে
প্ৰতিটো গলি লিৰিকি বিদাৰি চুইছে
তেওঁ আজি শূন্য পাত্ৰ খনিকৰ
কেতিয়াও আগলৈ
চহৰখনৰ মাজমজিয়াত বহি
বেলিটো ৰঙচুৱা হোৱা নেদেখিব
নেদেখিব এপাহৰপৰা আনপাহ ফুললৈ
পখিলাবোৰৰ নিয়ম মাফিক পৰিভ্ৰমণ
তেওঁ আজি চহৰখনক দিব লগা একো নাই
চহৰখনে আজি তেওঁৰপৰা পাব লগা একো নাই
দুয়ো নিজৰ নিজৰ ঠাইত মুক্ত
বাহিৰত গাড়ীৰ হৰ্ণ
এতিয়া তেওঁ যাবগৈ


(২)

অল্ড এজ হ'ম
নতুন ঠিকনাত অহা চিঠিখন নপঢ়াকৈয়ে
পাঞ্জাবীটোৰ বুকুৰ জেপত ভৰাই থলে
পৃথিৱীৰ লগত
তেওঁৰ সম্পৰ্ক ছিন্ন
চোলাটোৰ সোঁফালৰ জেপত
তেওঁ সময়বোৰ সাঁচি থয়
কাৰ বাবে, মই হ'লে নাজানো
আৰু বাওফালৰ জেপত সুখ
ঘৰ নিজৰ নহ'লেও সুখ থাকে
সেয়ে পাহাৰবোৰ সুখী
বৈ থাকিও নৈবোৰ সুখী
নিয়ৰৰ টোপালবোৰ গচকি
ফুলনিবাৰীখন তেওঁৰ সুখ
শাকনি বাৰীখন তেওঁৰ জীৱন
এৰি অহা চহৰখন
তেওঁৰ বাবে এতিয়া বিস্মৃতিৰ মোহনা
জীৱনৰপৰা ল'ব লগা একো নাই
জীৱনে তেওঁৰ পৰা পাবলৈ একো নাই।□□

কবিতা

# মেঘ

জয়ন্ত ৰাজবংশী
(অসম সাহিত্য সভাৰ যুৱ সাহিত্যিক বঁটা প্ৰাপক)



তোমাৰ মেঘালী চুলিতাৰিত বৈ পৰিবৰ মন
পৃথিৱীৰ ঘূৰণত টোপ টোপ শব্দৰ ঠিকনাৰে,
এজাকে মোক গোট লাগিব নিদিয়ে
কৃত্ৰিমতাৰ ঢৌ সজাই মোকেই দংশন কৰে,
সীমা  নথকা শূন্যতাত মই হ'ব বিচাৰো
তোমাৰ ঠিকনা, বীজ পোখাবলৈ মিঠা চুম্বন,
ধোঁৱাৰে সৰ্পিল দেহৰ পৰিচয় গুজিব বিচাৰো
তোমাৰেই শপত, মোক গোট লাগিব দিয়া
মই তোমাৰ প্ৰেমক জীয়াই ৰাখিম

মেঘালী চুলিতাৰিত বৰষুণৰ টোপাল বোৱাই দিম।
কাগজৰ নাওঁৰ স'তে পানীপোতাত সাতুঁৰি
তোমাৰ গৰমৰ ঘাম চেলেকি লম-
নতুন ঠিকনাৰ সংজ্ঞাৰে মেঘে মেঘে কথা ক'ম
কুঁজা হ'ব নিদিও পথাৰত ককাইটিৰ কঁকাল
বীজৰ ভড়াঁল চহকী কৰিবলৈ পোখাম বীজ
মোৰ আলিঙ্গনৰ বিজুলিৰে বঢ়াম সপোন,
তোমাৰ মেঘালী চুলিতাৰিৰে বৈ পৰিব দিয়া
প্ৰজন্মৰ দুহাত ওপৰলৈ উঠাই তুলিম

সুখী হ'বলৈ দিয়া মোক মোৰ পথত
য'ত তোমাৰ অংকাৰৰ দেহত শীতলতা নামিব।

পৃথিৱীৰ সতে থকা দেশৰ যুগ যুগান্তৰ
প্ৰেমৰ স্পৰ্শানুভূতিক কাঢ়ি ন'লবা।
নৈৰ ঘাটত উদং কঁকালবোৰৰ কথা
মোকো বুজিব দিয়া মোৰ হৃদয়ৰ জোখৰে
মোৰ ওন্দোলা দেহ দেখি লাজ নাপাই দিয়া
নৈৰ ঘাটৰ ঢৌৰে কলহৰ গলধনত
সাৰটা-সাৰটি তোমাৰ হাতৰ আঙুলিয়ে
তুমি বিচৰা শুকুলা দেহৰ শুভ্ৰতাতকৈ
চপৰা চপৰ ক'লা দেহটিৰেই প্ৰিয়া হৈ উঠিম
আঁহতৰ গুৰিত এযুঁৰি ভেকুলিৰ বিয়ালৈ
ঢেঁকী চোৰ কৰি হ'লেও মোক নিমন্ত্ৰণ দিয়াচোন
তোমাকো যে জীয়াই ৰাখিব লাগিব।

তোমাৰ মেঘালী চুলিতাৰিত বৈ পৰিবৰ মন
ঘামচিৰ কামোৰ পাহৰাই সূৰ্যক লাজ দিম
পথাৰৰ তপত চাৰনিক গুজি দিম ভালপোৱা
অহংকাৰৰ খোজবোৰ পাহৰাই তুলিবলৈ
অনুভৱী জীৱনৰ সুখী দস্তাবেজত চিয়াঁহী
তৰাৰ সভাখনিত লাজৰ ওৰণি গুজি দিম
মোক গোট লাগিব দিয়া তোমাৰ দুহাতেৰে
মোৰ প্ৰেমত তুমি গুঁঠি লোৱা তোমাৰ ওঁঠ
মেঘে মেঘে কথা ক'ব দিয়া তোমাৰ ওঁঠযুৰিক
তোমাৰ দুহাত ওপৰলৈ তুলি ধৰা
বৈ পৰাৰ মনেৰে তোমাৰ আঁচল খনিক চুই চাম।◻◻

কবিতা

## সৰি পৰা সময়

কাবেৰী দাস
স্নাতক, দ্বিতীয় ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

এই যে মই এনেদৰে
নিঃশেষ হৈ গৈ আছো
মই এই ষ্টেচনটো এৰিবলৈ
তুমি বাধ্য কৰি চুক্তি কৰিছা

পুনৰ চুক্তি ভাঙিবলৈ
দৃঢ় প্ৰতিজ্ঞ হৈছো প্ৰতিক্ষণে

নিয়ম ভঙাৰ বাবেই
নিয়মৰ সৃষ্টি

বিশ্বাস ভাঙিবলৈ প্ৰবঞ্চনাৰ
আৰু
উশাহ শেষ হ'বলৈ নিশাহৰ

তুমি ভবাৰ দৰে নহয়
মোৰ অবিহনে ষ্টেচনটোত
নিয়ৰ নসৰে।❑❑




## সময়

জ্যোতিষ ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক

সময় গতিশীল
গতিশীল জগত
ৰৈ যায় কেৱল স্মৃতি
ৰৈ থাকে মৃদু মলয়া আৰু ধুমুহা
কেতিয়াবা ৰিব ৰিব
এছাটি মৃদু মলয়া
কেতিয়াবা কোবাল বামাৰলী হৈ
বয় বতাহ
সময়ৰ স'তে
ধুমুহাৰ স'তে
জীৱন
উত্থান অথবা পতন
পৰ্বতৰ শিখৰ অথবা
পংকিল খাৱৈ
বতাহৰ দৰেই
অদৃশ্য অস্পৃশ্য
বৰ্ষিত আশীসত
ধন্য হয় জীৱন
উজ্বল প্ৰোজ্বল। ❑❑

কবিতা

# তোমালৈ শেষ চিঠি

উদয় ডেকা
স্নাতক, চতুৰ্থ ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

এইখন মোৰ তোমালৈ
শেষ চিঠি
সৌ দূৰ দূৰণিৰ
সপোন এটাত,
বৰকৈ দোলা দিছে
মনৰ মাজত
চম্পাৱতী, তোৰ বাৰু
মনত পৰেনে
সেই বন্ধ্যা সন্ধ্যাটোৰ কথা
সপোনবোৰ
ফুল হৈ ফুলিছিল
কিমান যে কল্পনা কৰিছিলো
মিছায়ে তোৰ আয়োজন
বাটলৈ চাই চাই
অপেক্ষাৰ অৱসাদে
দুচকুত ঘুমটি নামিল
সাৰ পাই শুনিলো মাথোঁ
বিবৰ্ণ বতাহত ওপঙি অহা
ষ্টেচন এৰি যোৱা
ৰেলৰ উকি
চম্পাৱতী মোৰ,
তইতো নুবুজিলি
নেদেখিলিও
যুগান্তকাৰৰ দেৱালত
অংকিত বাসনাৰ
নিৰ্মম ভাস্কৰ্য।❑❑



# The Silent Flame

**Aditya Saha**
**B.A. 2nd Semester**
**English Dept.**

On the deep shallow, I ran and ran
But my conscience finally arrested me
I now recognize, it wants to express itself,
From which I tried to escape
It tells me to wait,
To cease the time,
To turn behind, and
To recall the memories.
She waiting there, frozen in the cold,
In the eternal dusk.
Her eyes assisted me to remember
The endless attachments.
Now, in the blank domain,
In the depth of quietude.
Just she and me staring each other
Along with the dominance of silence.❑❑

কবিতা

# নিস্তব্ধতা

প্ৰাণজিৎ বৈশ্য
স্নাতক, চতুৰ্থ ষাণ্মাসিক
গণিত বিভাগ



কিয় নাজানো
আজি বুকুখন বৰকৈ বিষাইছে
মনলৈ আহিছে
এটাৰ পিছত আনটো চিন্তা।

বহু চেষ্টা কৰিছোঁ
প্ৰকৃতিৰ লগত মিলি যাবলৈ
বাধা দিবলৈ ওলাই আহিছে
সেই ক'লা ডাৱৰৰ টুকুৰা কেইটা।

মই আজি দুৰ্বল
ডাৱৰৰ লগত যুঁজিবলৈ মোৰ সাহস নাই,
কিন্তু মইতো হাৰিবলৈও শিকা নাছিলোঁ
মনটোৰেও মানি ল'ব পৰা নাই পিছুৱাবলৈ।

যুঁজিব লাগিব,
নাই মই কেতিয়াও হাৰি নাযাওঁ,
প্ৰতিজ্ঞা আছে
মোৰ চাৰিও ফালৰ পৰিৱেশটোৰ লগত।

অ' মই আগুৱাই যাম
কেতিয়াও উভতি নাচাওঁ
প্ৰতি খোজতেই ভাঙি যাম সেই শত্ৰু ডাৱৰক

উপনীত হ'ম গৈ
সপোনৰ সৌ লক্ষ্য স্থানত
নেওচি যাম বাধাৰ
সকলো ক'লা আৱৰণ।□□

# ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়াসকলৰ প্ৰতিবেদন

## সভাপতিৰ প্ৰতিবেদন



এই প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সুঁৱৰিছোঁ সেই সকল মহান মানৱক, যিসকল ব্যক্তিৰ বিদ্যানুৰাগ, পৰিশ্ৰম আৰু ত্যাগৰ ফলত দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ আমাৰ সকলোৰে মৰমৰ মঙ্গলদৈ মহাবিদ্যালয়খন গঢ়ি উঠিছিল। তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

দেশ স্বাধীন হোৱাৰ পিছৰ চতুৰ্থ বৰ্ষতেই মঙলদৈৰ কেইগৰাকীমান কৰ্মোদ্যমী, বিদ্যানুৰাগী, উচ্চাকাংক্ষী মনৰ ব্যক্তিৰ অশেষ প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয়ে ২০ চেপ্তেম্বৰ ১৯৫১ তাৰিখে প্ৰাণ পাই উঠিছিল। এই সুযোগতেই মই সেই মহান মানৱসকলক মোৰ সশ্ৰদ্ধ প্ৰণাম যাছিলোঁ। লগতে ভাষা আন্দোলনত ভাষা, জাতি, মাটি ৰক্ষাৰ বাবে নিজৰ জীৱন আহুতি দিয়া সেই সকল শ্বহীদ তথা পৰম পুৰুষক মই শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এক প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ, বিশাল চৌহদৰ মাজত অৱস্থিত মঙলদৈ মহাবিদ্যালয়খনত শিক্ষা গ্ৰহণ কৰি আহিছে বিভিন্ন জাতি-ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বহু ছাত্ৰ-ছাত্ৰীয়ে। মহাবিদ্যালয়খনৰ চৌহদৰ ভিতৰত আছে পৰ্যাপ্ত পৰিমাণৰ শ্ৰেণীকোঠা, তিনিটাকৈ জিৰণি চ'ৰা, বিজ্ঞানাগাৰ আৰু মহাবিদ্যালয়ৰ খেল পথাৰখন। লগতে আছে এটি আধুনিক পদ্ধতিৰে নিৰ্মিত ছাত্ৰী জিৰণি কোঠা আৰু আমাৰেই সৌভাগ্যৰ কথা যে মহাবিদ্যালয়খনত বিশেষ অভাৱ হৈ থকা ছাত্ৰ জিৰণি কোঠাটি আমাৰ কাৰ্যকালতেই অধ্যক্ষ মহোদয়ে নিৰ্মাণ কৰি সেই অভাৱটো পূৰ কৰে। আৰু এইবৰ্ষতেই নিৰ্মাণ কৰা হয় এটি অত্যাধুনিক প্ৰযুক্তিৰে সু-সজ্জিত Conference Hall.

মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মোক মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰায় ৭০০ ভোট দান কৰে আৰু প্ৰায় ১৭০ টা ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুবিধাকণ দিয়াৰ বাবে মই সকলো ছাত্ৰ-ছাত্ৰীকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ১ নবেম্বৰ, ২০১৭ তাৰিখে শপত গ্ৰহণ কৰি মোৰ কাৰ্যকাল আৰম্ভ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই সৰস্বতী পূজাখন মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সহযোগত উলহ মালহেৰে উদ্‌যাপন কৰা হয়। ইয়াৰ পাছতেই অনুষ্ঠিত কৰা হয় মহাবিদ্যালয় সপ্তাহ ২৯/০১/২০১৮ তাৰিখৰ পৰা ০৪/০২/২০১৮ তাৰিখলৈ। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি কৰা হয় এক বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰে, যত অংশগ্ৰহণ কৰিছিল প্ৰায় ১৮০০ ছাত্ৰ-ছাত্ৰীয়ে। মহাবিদ্যালয়ৰ ইতিহাসত এইবাৰেই সৰ্বাধিক ছাত্ৰ-ছাত্ৰীয়ে শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছে বুলি বিবেচনা কৰা হৈছে। বিভিন্ন খেল-ধেমালি, গীত-মাত, নৃত্য, নাটক, কবিতা আদিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আমোদ দিয়ে। মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিনা অনুষ্ঠিত কৰা হয় বঁটা-বিতৰণী সভা। এই সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰে। স্থানীয় বিধায়ক মাননীয় শ্ৰীগুৰুজ্যোতি দাসদেৱ উপস্থিত থাকে বিশিষ্ট অতিথি হিচাপে। বিচাৰকৰ দ্বাৰা মহাবিদ্যালয় সপ্তাহত প্ৰতিটো বিভাগত তিনিটাকৈ শ্ৰেষ্ঠ প্ৰতিযোগী-প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ হিচাপে বিবেচনা কৰা হয়। শ্ৰেষ্ঠ হ'বলৈ সক্ষম হোৱা প্ৰতিযোগী সকলক অধ্যক্ষ

মহোদয়ৰ জৰিয়তে বঁটা প্ৰদান কৰা হয়। লগতে অনুষ্ঠিত কৰা হয় এখনি সাংস্কৃতিক অনুষ্ঠানৰ, অনুষ্ঠানখনত উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠ শিল্পী ৰাকেশ ৰিয়ান।

আমাৰ বাবে আন এক গৌৰৱৰ কথা আমাৰ কাৰ্যকালত নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যায়ত অনুষ্ঠিত হোৱা Gauhati University Zonal Inter College Youth Festival, 2017-18 ত চাৰিটাকৈ পুৰস্কাৰ পাবলৈ সক্ষম হওঁ। আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা Inter College Youth Festival, 18 ত দুটা পুৰস্কাৰ বুটলি অনা সকলো প্ৰতিযোগীকে মই অভিনন্দন জ্ঞাপন কৰিলোঁ।

অধ্যক্ষ মহোদয়ে মহাবিদ্যালয় খনৰ স্বচ্ছতাৰ দিশটো অধিক গুৰুত্ব দি আহিছে, আমিও ইয়াৰ যথেষ্ট সঁহাৰি জনাইছোঁ। আমাৰ কাৰ্যকালত NSS আৰু NCC ৰ সহযোগত কেইবাটাও কেম্প কৰি চৌহদ চাফাই কৰা হৈছে।

আমাৰ অভাৱ বুলিবলৈ প্ৰায় নাইকিয়া হৈছে যদিও এতিয়াও কিছু অভাৱ দেখা যায়। আমাৰ বহু কেইটা বিভাগত শিক্ষকৰ অভাৱ দেখা যায় আৰু আমাৰ খেলপথাৰখনৰ অৱস্থা অতি শোচনীয়। পুথিভঁৰালত প্ৰয়োজনীয় কিছুমান গ্ৰন্থ পোৱা নাযায়। বিগত সময়ছোৱাত মহাবিদ্যালয়ৰ হকে কৰা কিছু কামৰ বিশ্লেষণ মঙলদৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হাতত তুলি দিলোঁ। মোৰ কাৰ্যকালত মোক সহায় কৰা মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সমূহ সদস্য আৰু মোৰ লগত ওতঃপ্ৰোতভাৱে সহায় কৰি থকা বন্ধু-বান্ধৱী সকলোকে মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

সদৌ শেষত বিগত এটা বৰ্ষত মই অজ্ঞাতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**শ্ৰীবিশ্বজিৎ বৰুৱা,**
**সভাপতি, ছাত্ৰ একতা সভা**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল মহান ব্যক্তিক শ্ৰদ্ধা নিবেদিছো যিসকল ব্যক্তিৰ একাগ্ৰতা আৰু প্ৰবল পৰিশ্ৰমৰ দান আজিৰ এই বৌদ্ধিক বিকাশৰ কমাৰশাল স্বৰূপ মঙলদৈ মহাবিদ্যালয়। তেওঁলোকৰ ত্যাগ আৰু দূৰদৰ্শিতাৰ প্ৰমাণ এই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ হৈ তেওঁলোকৰ শ্ৰীচৰণত প্ৰণিপাত জনাই সম্পাদকীয় কলম তুলি লৈছো।

মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
......
শতযুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ......

বিগত অৰ্ধ শতিকাৰো অধিক কাল ধৰি জ্ঞান সাধনাৰ ঢল মঙলদৈ মহাবিদ্যালয়ে এটা প্ৰজন্মৰ পৰা আন্য প্ৰজন্মলৈ নিৰবিচ্ছিন্ন ভাৱে কঢ়িয়াই আহিছে। যি ঢলে অবিভক্ত দৰং জিলাৰ লগতে পাৰ্শ্বৱৰ্তী জিলা কেইখনত জ্ঞানপিপাসা দূৰ কৰাৰ অন্যতম ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে।

যি আশাৰ বীজেৰে মঙলদৈ মহাবিদ্যালয় নামৰ বট বৃক্ষজুপি ৰোপণ কৰা হৈছিল সি আজি ফুলে ফলে জাতিষ্কাৰ হৈ পৰিছে। যি বৃক্ষই সমগ্ৰ অঞ্চলটোৰ শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰখনৰ বিকাশত এক নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰি আহিছে। এই মহাবিদ্যালয়ৰে বহু ব্যক্তিত্বই ইতিমধ্যে ৰাজ্য খনৰ লগতে ৰাষ্ট্ৰীয় স্তৰত চিনাকি লাভ কৰাৰ লগতে স্বকীয় আলোকেৰে সমাজখন আলোকিত

কৰাৰ অলেখ উদাহৰণ আছে। জন্ম লগ্নৰে পৰা মহাবিদ্যালয়খনৰ বহু প্ৰাক্তন শিক্ষাৰ্থীয়ে সুন্দৰ-সমাজ গঢ়াৰ সপোন লৈ সমাজসেৱামূলক বহু কামতো আত্মনিয়োগ কৰিছে। যি সুন্দৰ সমাজগঢ়াৰ সপোন এই মহাবিদ্যালয়েই তেওঁলোকৰ বুকুত অংকুৰিত হৈছিল। এনে এখন সফল সমাজক গঢ়াৰ আগভাগ লোৱা আমাৰ এই মহাবিদ্যালয়খনক কৰযোৰে প্ৰণাম।

বিগত বৰ্ষত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আপোনালোকৰ মাজৰপৰা মোক সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰি সকলোৰে সেৱাত নিয়োজিত কৰে। গতিকে এই ছেগতে মই সকলো ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে উক্ত কাৰ্য কালত মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত সহায়ৰ হাত আগবঢ়োৱা সকলো বন্ধু-বান্ধৱী তথা ভাই-ভনীকে তেওঁলোকৰ দিহা পৰামৰ্শ তথা দৈহিক শ্ৰমৰ বাবে অলেখ ধন্যবাদ। আপোনালোকৰ সহযোগিতাৰ বাবে আজীৱন কৃতজ্ঞ হৈ ৰ'ম। সকলোৱে হাতে হাত ধৰি মহাবিদ্যালয়খনৰ হিতৰ বাবে নিষ্ঠাৰে নিজৰ কাম কৰি যোৱাটো আমি সকলোৰে কাম্য। সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব লাভ কৰি উক্ত সেৱাটিকেই আৰু অধিক দায়িত্বৰে পালন কৰাৰ যি ভাৰ আমাৰ কান্ধত দিছিল, তাৰ সফলতা বিফলতাৰ হিচাপ কেৱল আপোনালোকহে দিব পাৰিব। যাৰ সাক্ষী হ'ব সময় আৰু মহাবিদ্যালয়ৰ প্ৰতিটো চুক-কোণ।

মহাবিদ্যালয়খনত জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলোৰে ঐক্য সংস্কৃতিৰ প্ৰতি সচেতন হৈ জিলাখনৰ লগতে ৰাজ্যখনৰ বিকাশৰ (সৰ্বাংগীন) হকে কাম কৰাই আমাৰ সকলোৰে দায়িত্ব। ছাত্ৰ-ছাত্ৰীৰ নিষ্ঠা আৰু একাগ্ৰতা অবিহনে সেয়া কোনো পধ্যেই সম্ভৱ নহয়। গতিকে সকলোৰে বিকাশলৈ লক্ষ্য ৰাখি ইপ্সিত আশাক সৰোগত কৰাই আমাৰ কাম্য।

বিগত কিছু বছৰ মহাবিদ্যালয়ৰ আন্তঃগাঁঠনি তথা সা-সুবিধাৰ যি ক্ষিপ্ৰ বিকাশ চকুত পৰিছে। সকলো ছাত্ৰ-ছাত্ৰী তথা সকলো বিভাগত সমপৰ্যায়ৰ সা-সুবিধা উপলব্ধ। যিয়ে মহাবিদ্যালয়খনৰ সৰ্বাংগীন বিকাশত নতুন গতি প্ৰদান কৰিছে। যাৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্য নিশ্চিতভাৱে ধন্যবাদৰ পাত্ৰ।

নতুন ছাত্ৰ একতা সভা গঠনৰ পিছে পিছে অৰ্থাৎ ০১/১১/২০১৭ তাৰিখে পূৰ্বৰ ছাত্ৰ একতা সভা তথা বিভাগীয় তত্বাৱধায়ক সকলৰ উপস্থিতি আমাক শপত বাক্য পাঠ কৰোৱাৰ লগতে অনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ অৰ্পণ কৰে। উক্ত দিন ধৰি মহাবিদ্যালয়ৰ সমূহ কাম কাজ পূৰ্বতকৈ আৰু অধিক দায়িত্বশীলতাৰে পালন কৰা আৰম্ভ কৰো। ছাত্ৰ-ছাত্ৰীক বৌদ্ধিক বিকাশত (আগবঢ়োৱাত) হাত উজান দিয়া তথা সকলো ক্ষেত্ৰৰে সমবিকাশৰ চেষ্টাত অকণো ত্ৰুটি এৰা নাই। মহাবিদ্যালয়ৰ সকলো অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ তথা উপস্থিতিয়ে আমাক অধিক উৎসাহিত কৰে। ইয়াৰ ভিতৰত কিছু সংখ্যক কাৰ্য্যসূচী আছিল এনে ধৰণৰ—

১। **মহাবিদ্যালয় সপ্তাহ** ঃ কাৰ্যকালৰ প্ৰথম অনুষ্ঠান হিচাপে ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহখনি ২৯/০১/২০১৮ তাৰিখৰপৰা ০৪/০২/২০১৮ তাৰিখলৈ অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ সাংস্কৃতিক শোভাযাত্ৰাৰ মনোমোহা ৰূপে সমগ্ৰ অঞ্চলবাসীকে আপ্লুত কৰে। মহাবিদ্যালয় সপ্তাহৰ অন্তিম অনুষ্ঠান বঁটাবিতৰণী সভাত জনপ্ৰিয় সংগীত শিল্পী ৰাকেশ ৰিয়ানৰ সংগীতানুষ্ঠান সন্নিৱিষ্ট কৰা হয়।

২। **সৰস্বতী পূজা** ঃ বিগত বৰ্ষকেইটিৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ সৰস্বতী পূজা ভাগি জাক জমকতাৰে ২২/০১/২০১৮ তাৰিখে উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা উল্লেখনীয় আছিল।

৩। **নৱাগত আদৰণী সভা** ঃ ২০১৮-১৯ বৰ্ষৰ নৱাগত-নৱাগতাসকলক আদৰণী জনোৱাৰ মানসেৰে যোৱা ২৪ আগষ্ট তাৰিখে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। উক্ত সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাদেৱ। লগতে আমন্ত্ৰিত শিল্পী ৰূপে জনপ্ৰিয় কণ্ঠশিল্পী নেকিবৰ গীত পৰিবেশনৰ আয়োজন কৰা হয়।

৪। উপৰোক্ত সকলো অনুষ্ঠানৰ উপৰিও সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, মহাবিদ্যালয় প্ৰতিষ্ঠা

দিৱস, আন্তঃ মহাবিদ্যালয় বাস্কেটবল প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে সকলো কাৰ্যসূচী সুচাৰুৰূপে চলাই নিয়াত যথেষ্ট অৰিহণা যোগায়।

সদৌ শেষত মহাবিদ্যালয় সমূহ কৰ্মকৰ্তা তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত পুনৰবাৰ প্ৰণিপাত জনাই প্ৰতিবেদনৰ অজ্ঞাতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**কৌস্তুভমণি চহৰীয়া**
**সাধাৰণ সম্পাদক**

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল শ্বহীদক যিসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি স্বৰ্গত বিলীন হ'ল আৰু শুদ্ধ ৰক্তৰ বিনিময়ত আজি আমাক পৰাধীনতাৰ ৰঙা শিকলিৰ পৰা মুক্ত কৰি স্বাধীনতাৰ সোৱাদ দি গ'ল। লগতে যিসকল মহান ব্যক্তিৰ সৎ চিন্তা, উচ্চ ধাৰণা, প্ৰচেষ্টা আৰু কপালৰ ঘামৰ বিনিময়ৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়খনত শ শ ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ জ্ঞানৰ পোহৰ আৰু ভৱিষ্যৎ হোৱাৰ স্বাৰ্থত এক উজ্জ্বল তৰাৰ আকাৰ গঢ়ি দি গ'ল। সেয়ে সেই সকল মহান ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম যঁচাৰ লগতে স্মৰণ কৰিলোঁ।

**নতুন প্ৰজন্মৰ বাবে কিছু অন্তৰংগ বাৰ্তা ঃ**

সকলো মানৱ জাতিয়ে পৃথিৱীত দীৰ্ঘায়ু লৈ জীয়াই থাকিবলৈ বৰ হেঁপাহ। কিয়নো বিশ্ব-ব্ৰহ্মাণ্ডৰ এডোখৰহে ঠাই আছে য'ত হেনো মানুহে নিজৰ নিজ ইচ্ছা অনুযায়ী সকলো কাম কৰিব পাৰে, যাক মাতৃভূমি, ভূ-স্বৰ্গ স্বৰূপ বুলি আখ্যা দিছে। কিন্তু বৰ্তমানৰ এই ভূ-স্বৰ্গত নানান অত্যাচাৰ আৰু কলি যুগৰ পাতনিয়ে মানৱ জাতিক হাৰাশাস্তি কৰি মাৰিছে, ইতিবাচক পৃথিৱীখনক সময় আৰু পৰিবৰ্তনৰ ঢৌৱে গতি সলনি কৰি কিছুমান নেতিবাচক দিশত বিলীন কৰি দিছে, যাৰ দ্বাৰা নতুন প্ৰজন্মৰ মন-মগজুত সৃষ্টি হৈছে ভিন ভিন বাধাৰ দুৱাৰ। কিন্তু কিয়? কিয় সজাগ নহয় সমাজ? প্ৰকৃত সমাজত হেনো আদৰ্শৰ শেষ নাই। কিয় নুবুজে যে ভৱিষ্যতৰ সমাজ এখনৰ প্ৰতিনিধিত্ব হয় একমাত্ৰ নতুন প্ৰজন্মৰ দ্বাৰা; নতুন নাৰিকৰ চিন্তাৰে। কিন্তু মনত প্ৰশ্নৰ জোঁৱাৰ উঠে যে এই নতুন প্ৰজন্মক আমি আদৰ্শৰে সৎ চিন্তাৰ দ্বাৰা বাৰু এজন সুস্থ কৰ্মশীল নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিম নে সঁচাকৈয়ে?

সেয়ে সজাগ হোৱা নতুন প্ৰজন্ম। টোপনীৰপৰা সাৰ পোৱাৰ সময় হ'ল। বাস্তৱ জগতত ইতিবাচক সমাধান বিচাৰি যোৱা আৰু নতুন বীজ ৰোপন কৰি সকলোৱে হাতে হাত ধৰি নিজৰ সমাজ-সংস্কৃতিক ৰক্ষা কৰা।

**কাৰ্যকলাপ ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন দৰং তথা অসমৰ আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছিলো ২০১৭ চনৰ ছেপ্টেম্বৰ মাহৰ নিৰ্বাচনত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে মোক বিপুল ভোটত জয়ী কৰি

মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ০১/১১/২০১৭ তাৰিখে শপত গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্যকাল আৰম্ভ হয়। কাৰ্যকাল আৰম্ভ কৰাৰ পিছতেই ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া সদস্য আৰু লগতে ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত "স্বচ্ছ অভিযান" কৰি মহাবিদ্যালয়খনৰ চৌহদ চাফাই কাৰ্য কৰা হয়। তদুপৰি মঙলদৈ মহাবিদ্যালয়ত এই বৰ্ষৰ সৰস্বতী পূজাখন, ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰী আৰু তত্ত্বাৱধায়ক শ্ৰীদেৱজিৎ নাথ ছাৰৰ লগতে আন বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীবৃন্দৰ পৰামৰ্শ অনুযায়ী প্ৰস্তাৱ লৈ এক ব্যতিক্ৰমী ৰূপত পূজাখন অনুষ্ঠিত কৰা হৈছিল। কিয়নো মহাবিদ্যালয়ৰ বাধ্যতামূলক ঐক্য সাজ-পোছাক পৰিধান কৰি বিদ্যাৰ দেৱীক পূজা কৰা হৈছিল। কাৰণ সৌন্দৰ্য প্ৰতিযোগিতাখনক বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত এই কৰ্তব্য হাতত লোৱা হৈছিল। যাৰ দ্বাৰা পূজাখনত কোনো ধৰণৰ উচ্চ-নীচৰ ভাৱনাই যাতে কোনো ছাত্ৰ-ছাত্ৰীৰ মনত আঘাত নকৰে। ইয়াৰ পিছতেই ২৯/০১/২০১৮ তাৰিখৰ পৰা ০৩/০২/২০১৮ তাৰিখলৈ মহাবিদ্যালয়ত আন এক আনন্দময় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচী ৰূপায়িত কৰা হয় আৰু সকলো কাৰ্যসূচী সফলতাৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ বিকাশ ঘটোৱাৰ লগতে মানসিক আৰু আধ্যাত্মিক দিশটো বিশেষ অৰিহণা যোগায়। মহাবিদ্যালয় সপ্তাহৰ শুভ আৰম্ভণিৰ দিনাখন অৰ্থাৎ ২৯/০১/২০১৮ তাৰিখে সাংস্কৃতিক শোভাযাত্ৰা আয়োজন কৰা হয় আৰু শোভাযাত্ৰাত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অসমৰ সংস্কৃতিৰ সকলো দিশ দাঙি ধৰে।

অৱশেষত কাৰ্যকালৰ সকলো সময়তে বিভিন্ন দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা আমাৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে বৰ্তমান মহাবিদ্যালয় খনৰ অধ্যক্ষ মাননীয় ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰলৈ মোৰ অফুৰন্ত কৃতজ্ঞতা, আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা, ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো আৰু মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"


"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

**শ্ৰীঅপুল ডেকা**

**সহঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা**

# সাহিত্য আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন



সাহিত্য সমাজৰ দাপোন বুলি কোৱা হয়। সেয়ে সাহিত্যৰ গুৰুত্ব কিমান উনুকিয়াৰ প্ৰয়োজন নাই। মহাবিদ্যালয়ৰ সাহিত্যৰ দিশত প্ৰতিভা বিকাশৰ অন্যতম গুৰুত্বপূৰ্ণ মাধ্যম হ'ল মহাবিদ্যালয় আলোচনী। পোন

প্ৰথমে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক যিসকলে এই গধুৰ দায়িত্বপূৰ্ণ পদত যোগ্য বুলি মোক নিৰ্বাচিত কৰিছে। ২২ ছেপ্টেম্বৰ, ২০১৭ দিনটোত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ৰ সোৱাদ লাভ কৰিছিলো। ছাত্ৰ-ছাত্ৰীৰ মৰম আৰু শিক্ষাগুৰু সকলৰ আশীৰ্বাদত ১ নৱেম্বৰ, ২০১৭ তাৰিখে সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ পদত অধ্যক্ষ মহোদয়ৰ উপস্থিতিত শপত গ্ৰহণ কৰিছিলোঁ নিষ্ঠাৰে নিজ দায়িত্ব পালন কৰিম বুলি। মহাবিদ্যালয়ৰ ৫০ তম আলোচনীৰ সম্পাদক হোৱাৰ সৌভাগ্য হোৱা বাবেই কিছু অতিৰিক্ত দায়িত্ব লবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ। মহাবিদ্যালয় আলোচনী এখন সম্পাদনা কৰাটো বৰ কঠিন। পূৰ্বৰ অভিজ্ঞতা বিশেষ নাই বুলিয়ে ক'ব পাৰি। তথাপি যত্ন কৰিছো পূৰ্ণাংগ ৰূপত এখন উন্নত মানৰ আলোচনী প্ৰকাশৰ বাবে।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগত ব্যক্তিগতভাৱে যোগাযোগ কৰি মহাবিদ্যালয়ৰ কেনেদৰে সাহিত্যৰ উত্তৰণ হ'ব সেই বিষয়ে আলোচনা কৰিছোঁ। ২০১৮ ৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যোৱা মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা কবিতা, থিতাতে লিখা গল্প, থিতাতে লিখা কবিতা আবৃত্তি, নিৰ্বাচিত ইংৰাজী আৰু অসমীয়া কবিতা আবৃত্তি আৰু নীলা খামৰ চিঠিপ্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। কুইজ প্ৰতিযোগিতা মুকলি ভাৱে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰিছিলোঁ। অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে কুইজ প্ৰতিযোগিতাৰ সৌন্দৰ্য বৃদ্ধি কৰিছিল। চাৰুকলা বিভাগৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ দায়িত্ব লাভ কৰি কলাজ, ৱাটাৰ কালাৰ, বেটুপাত, ষ্টীল লাইভ আৰু কাৰ্টুনিঙ প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত কৰিছিলো।

কৃতজ্ঞতা মানুহে প্ৰকাশ কৰে কিন্তু চিৰকৃতজ্ঞতা গোপনে থাকে। তথাপি কৃতজ্ঞতা জ্ঞাপন নকৰাকৈ থাকিব নোৱাৰি। মোৰ কাৰ্যকালত দিহা পৰামৰ্শ আগবঢ়োৱা আৰু সহায় কৰাৰ বাবে মোৰ তত্বাৱধায়ক ড° আঙ্গিৰস ছাৰ, কৰ্মত উৎসাহ যোগোৱা সম্পাদনা সমিতিৰ সকলো সদস্য, আলোচনীৰ বাবে লিখনি সংগ্ৰহত সহায় কৰা মোৰ বন্ধু-বান্ধৱী সকল আৰু মহাবিদ্যালয় আলোচনীত লিখনি দি আলোচনীখন চহকী কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই কৃতজ্ঞ।

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী সম্পাদক হিচাপে মোৰ কৰণীয় খিনি কৰিলোঁ। মানুহ মাত্ৰেই ভুল হ'ব পাৰে সেয়ে মোৰ কৰ্মত কিবা ক্ৰটি বিচ্যুতি যদি ৰৈ গৈছে তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। মহাবিদ্যালয় আলোচনীখন মহাবিদ্যালয়ৰ লগতে সমাজৰ বাবে চিৰদিন সাহিত্য ভঁৰালৰ অংশ হৈ থাকে তাৰে শুভ কামনাৰে-

**ছালমান হুছেইন**
**সাহিত্য আৰু আলোচনী সম্পাদক**
**ছাত্ৰ একতা সভা**

# সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



সৰ্বপ্ৰথমে মহান সৃষ্টিকৰ্তাৰ ওচৰত মিনতি জনাই ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন লিখিব ওলাইছো।

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত মঙলদৈ মহাবিদ্যালয়ৰ নিঃস্বাৰ্থভাৱে জড়িত হৈ থকা পৰম শ্ৰদ্ধাভাজন গুৰুবৃন্দলৈ মোৰ শতসহস্ৰ শ্ৰদ্ধা নিবেদিলো। যি সকল বিদ্যোৎসাহী ব্যক্তিৰ অকুণ্ঠ শ্ৰম আৰু ত্যাগৰ বিনিময়ত আমাৰ নয়নৰ

মণি, চিৰযুগমীয়া বন্তি স্বৰূপ মঙলদৈ মহাবিদ্যালয়ে প্ৰাণ পাই উঠিল, সেই সৃষ্টিৰ শলিতা জ্বলোৱা মহান ব্যক্তিসকললৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ যোৱা ২০১৭-১৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মঙলদৈ মহাবিদ্যালয়ৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে জয়ী কৰি আৰু নেতৃত্ব দিয়াৰ গুৰু দায়িত্ব গ্ৰহণ কৰিবলৈ অকৃত্ৰিম সাহস তথা অনুপ্ৰেৰণা যোগোৱা মোৰ সন্মানীয় গুৰুমণ্ডলী আৰু অগ্ৰজ সকললৈ অশেষ হিয়াভৰা ধন্যবাদ নিবেদিলোঁ। স্মৃতিৰ দাপোনত মই সদায় জীয়াই ৰাখিম তেওঁলোকৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা অনুপ্ৰেৰণা সমূহ।

প্ৰতিবেদন মানে এক ধৰণৰ বিভাগীয় স্মৃতিচাৰণ। মোৰ কাৰ্যকালত বিগত বছৰটিলৈ ঘূৰি চাওঁতে এই স্মৃতিচাৰণ যুগুত কৰোতে মনত বহুতো সোঁৱৰণীয়ে দোলা দিছেহি। ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মই মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো সন্ধিক্ষণ সফলতাৰে চলাই নিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা অব্যাহত ৰাখিছিলোঁ। তাৰেই খতিয়ান এই প্ৰতিবেদনত দাঙি ধৰিব বিচাৰিছোঁ।

জীৱন মানে এটি শৰীৰ নহয়। সুস্থিৰ মন, বুদ্ধি, বিবেক প্ৰকৃত মানৱৰ প্ৰকৃত পৰিচয়। এই পৰিচয় যুগে যুগে চলি আহিছে আৰু ইয়াৰ অৱসান কেতিয়াও নহয়। ইয়াৰ বাবে প্ৰয়োজন "জ্ঞান" নামৰ বিভূষণ বিধৰ। "জ্ঞান" নামৰ বিভূষণৰ দ্বাৰা অলংকৃত হ'ব পাৰিলেই ছাত্ৰসমাজে সফলতাৰ আকাশ চুব পাৰিব। সেয়েহে সংস্কৃতত এযাৰ বাণী আছে— "ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে"। ছাত্ৰ সমাজে অৰ্থাৎ মহাবিদ্যালয়খনৰ ভৱিষ্যৎ নতুবা গৌৰৱ নিৰ্ভৰ কৰে, ছাত্ৰ-ছাত্ৰীৰ সফলতাক কেন্দ্ৰ কৰি। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বাৰুকৈয়ে প্ৰভাৱান্বিত কৰে ছাত্ৰ সমাজক। প্ৰতিভা এক স্বকীয় সত্বা। এই সত্বাৰ উদ্ভাসিত কৰিব পৰাটো সৌভাগ্যৰ কথা। শিক্ষা মন্দিৰখনৰ পৰাও অলেখ স্বকীয় প্ৰতিভা বিকশিত হৈছে।

মানুহৰ সফলতা আৰু বিফলতা নিৰূপণ কৰা হয় কালৰ ভিত্তি কৰি, এগৰাকী সম্পাদিকা হিচাপে মই কেনেদৰে সেৱা আগবঢ়াইছো সেয়া বিচাৰৰ ভাৰ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্যভাৰ গ্ৰহণৰ দিনাৰ পৰাই মই মোৰ দায়িত্ব পালনত কেতিয়াও হেমাহি কৰা নাছিলো। এই লিখনিৰ মই মোৰ কাৰ্যকালত সমাধা কৰা কামবোৰ চমু আলোকপাত কৰিব বিচাৰিছোঁ।

কাৰ্যভাৰ লোৱাৰ পিছৰ দিনাই তেজপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা (Textera) অনুষ্ঠানত ৫০ খন মহাবিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি "বড়ো" নৃত্যত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিলো। এই সুনাম অৰ্জন কৰিবলৈ মোক আৰু মোৰ প্ৰিয় সতীৰ্থ সকলক সাহসী কৰিছিল মাননীয় অধ্যক্ষ মহোদয়ে। এই সুযোগতে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিগত বৰ্ষৰ দৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী "সৰস্বতী" পূজাখন আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। প্ৰতিবৰ্ষৰ দৰেই মোৰ কাৰ্যকালত অতি আনন্দ মুখৰ কৰি মহাবিদ্যালয় সপ্তাহটি অনুষ্ঠিত কৰা হৈছিল। নতুন বিষয়বস্তুৰ সংযোজনে এইবাৰৰ মহাবিদ্যালয় সপ্তাহটি পূৰ্বতকৈ বৰ্ণিল কৰি তোলে। প্ৰথম দিনাৰ ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰেপৰা আদি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত, লোকগীত, বৰগীত, ছিয়া গীত, জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, আধুনিক গীত, বিহুগীত, 'সত্ৰীয়া' নৃত্য, আধুনিক নৃত্য, অসমীয়া জনগোষ্ঠীয় নৃত্য, নাটক, আল্পনাকে ধৰি বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। লগতে অসমীয়া সাজ-পোচাকৰ ওপৰত সাতোৰঙি ৰামধেনুৰ দৰে উজ্বলি থকা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ানৰ সুমধুৰ আবেলিৰ সংগীতানুষ্ঠানেৰে ২০১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহটি সফলতাৰে মেলানি মাগে।

মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকা হৈ সৌভাগ্য বুলি নিজকে নিজে অনুভৱ কৰিছোঁ। কিয়নো মহাবিদ্যালয়ত হৈ যোৱা "NAAC" ৰ

পৰিদৰ্শনৰ সময়ত অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানত দৰঙী লোকসংস্কৃতিৰ বিষয়ক ৪৫ মিনিটৰ অনুষ্ঠান অনুষ্ঠিত কৰিব অধ্যক্ষ মহোদয়ে আদেশ দিছিল, আৰু সেই আদেশ শ্ৰদ্ধাৰে লৈ মোৰ শ্ৰদ্ধাৰ ৰূপজ্যোতি বাইদেউৰ সহায় লৈ মহাবিদ্যালয়ত যি সকল "নৃত্য শিল্পী আৰু সংগীত শিল্পী" আছিল তেওঁলোকৰ সহায়েৰে বিহু নৃত্য, দেওধনী নৃত্য, সত্ৰীয়া নৃত্য, বড়ো নৃত্য, আৰু সমবেত সংগীতৰ দ্বাৰা ৪৫ মিনিটৰ সাংস্কৃতিক অনুষ্ঠান সুচাৰুৰূপে চলাই লৈ যোৱাত যথেষ্টখিনি সহায় কৰিছিল মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰ একতা সভাৰ "ছাত্ৰ জিৰণি কোঠা"ৰ সম্পাদক শ্ৰীগগন জ্যোতি নাথে। এই সুযোগতে মৰম আৰু আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

নানাধৰণৰ অসুবিধাৰ মাজেদি মই মোৰ কাৰ্যভাৰ সম্পন্ন কৰি আহিছোঁ। মই ইমানদিনে কেনেদৰে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিছোঁ মই নিজে নাজানো। আমাৰ সমস্যা বহুতো আছে কিন্তু সমস্যাৰ ওৰ কেতিয়াও নপৰে। তথাপিতো সুন্দৰ অনুশীলনৰ দ্বাৰা আমি আমাৰ সফলতা কঢ়িয়াই অনাটো আমাৰ দায়িত্ব।

গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰপৰা শ্ৰেষ্ঠ দল তৰ্ক, ব্যংগ, নাট, সত্ৰীয়া নৃত্য আৰু কলা বিষয়ত সুনাম অৰ্জন কৰিব সক্ষম হৈছিল। মহাবিদ্যালয়ৰ এই সফলতা কঢ়িয়াই অনা সকলোকে এই ছেগতে মৰম আৰু আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মোৰ কাৰ্যকালছোৱাত পোন প্ৰথমবাৰৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা "সত্ৰীয়া নৃত্য" তথা দৰঙৰ লোক সংস্কৃতি ছিয়া গীত, আৰু অসমৰ জনগোষ্ঠী সমূহ যিহেতু লগ লাগি আমি অসমীয়া নামেৰে চিনাকি সেয়েহে অসমীয়া জনগোষ্ঠীয় নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। আমাৰ অতি মৰমৰ মহাবিদ্যালয়খনিৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্বভাৰ দি মোৰ ক্ষুদ্ৰতম জ্ঞানৰ সদ্ ব্যৱহাৰ কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আজীৱন চিৰকৃতজ্ঞ হৈ ৰ'ম। আৰু অনুৰোধ এটাই পৰৱৰ্তী সম্পাদকে এই অনুষ্ঠান চলাই নিয়াৰ লগতে সমবেত সংগীত, জিকিৰ, বাদ্যযন্ত্ৰৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পাৰে।

বিজয়ৰ লক্ষ্যৰে আমি যুৱ শক্তি
জ্ঞান, চৰিত্ৰ, একতা
স্বামীজীৰ মন্ত্ৰত আমি দীক্ষিত
নৱ ভাৰতৰ নিৰ্মাতা।

শেষত অজানিতে কৰা দোষ ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা মাগিছোঁ।

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পূণ্য ভূমি

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰদ্ধাৰে—
**শ্ৰীচয়নিকা নাথ**
**সম্পাদিকা, সাংস্কৃতিক আৰু চাৰুকলা বিভাগ**
**ছাত্ৰ একতা সভা**

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে পৰম পিতাৰ শ্ৰীচৰণত শতকোটি প্ৰণিপাত জনাইছোঁ। লগতে অসম মাতৃৰ হকে প্ৰাণাহুতি দিয়া অমৰ শ্বহীদ সকললৈও মোৰ অশ্ৰু-অঞ্জলি যাচিলোঁ।

বিগত ২০১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া

সম্পাদিকা হিচাপে মোক মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগ্য বুলি নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকেই কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে অসমৰ এখনি লব্ধপ্ৰতিষ্ঠ আগশাৰীৰ মহাবিদ্যালয়ৰ খেল সম্পাদিকা হিচাপে গুৰু দায়িত্ব বহন কৰাটো মোৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান আছিল। কিন্তু ঈশ্বৰৰ কৃপা, শ্ৰদ্ধেয় শিক্ষাগুৰুসকলৰ অনুপ্ৰেৰণা, সাহস, আশীৰ্বাদ তথা অগ্ৰজ, অনুজ আৰু সমনীয়া শিক্ষাৰ্থীসকলৰ সহযোগিতাৰ অবিহনে মোৰ বাবে হয়তো সফলকাম হোৱাটো সম্ভৱ নহ'লহেঁতেন। মোৰ সফলতা বিফলতাৰ সকলো বিচাৰ মহাবিদ্যালয় পৰিয়ালৰ ওপৰত এৰি দিছো।

যিয়েই নহওঁক বিগত ০১/১১/২০১৭ তাৰিখত আমাৰ নৱনিৰ্বাচিত সদস্য সদস্যাসকলৰ শপত গ্ৰহণ অনুষ্ঠান হয়।

ইং ০৮/১১/২০১৭ তাৰিখে মহাবিদ্যালয়ৰপৰা এটি ছোৱালী বিভাগত ফুটবল আৰু এটি কাবাডী দল গঠনৰ উদ্দেশ্যে মহাবিদ্যালয় খেল পথাৰত (Fitness Practice) বাবে ছোৱালী গোটাওঁ। কিন্তু পৰিতাপৰ বিষয় মাথো কেইজনীমান ছোৱালীয়ে অংশ গ্ৰহণ কৰে, সিওঁ মাথো কেইটামান দিনৰ বাবেহে। ২৮/০১/২০১৮ তাৰিখৰ পৰা ০৩/০২/২০১৮ তাৰিখলৈ আমাৰ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। আমাৰ কাৰ্যকালত এথলেটিকছ ইভেণ্টত নতুনকৈ ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে Javelin Throw (যাঠি নিক্ষেপ) আৰু Relay race খেলৰ প্ৰৱৰ্ত্তন কৰা হয়।

তদুপৰি ছোৱালীৰ ক্ৰিকেট খেলৰো প্ৰৱৰ্ত্তন কৰা হয়। এইবেলি প্ৰতিটো ইভেণ্টতে প্ৰতিযোগীৰ সংখ্যাই মহাবিদ্যালয়ৰ পূৰ্বৰ পৰিসংখ্যা ভংগ কৰে বুলি ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট চৰ্চা শুনা গৈছিল। তদুপৰি প্ৰতিযোগিতা সমূহ শেষ হোৱাৰ লগে লগেই পুৰস্কাৰ সমূহ বিতৰণ কৰাত প্ৰতিযোগীসকলক বেছ উৎসাহিত যেন অনুভৱ হৈছিল।

পূৰ্ব্বৰ দৰে অধ্যাপকবৃন্দ আৰু ছাত্ৰ একতা সভাৰ মাজত প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছিল। আমি জানিব পৰা মতে আমাৰ মহাবিদ্যালয়তে দৰং জিলাৰ ভিতৰতে একমাত্ৰ বাস্কেট বলৰ কৰ্ট আছে। যাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় বাস্কেটবল প্ৰতিযোগিতাখনি (ল'ৰা/ছোৱালী) উভয়ৰে এইবাৰ আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ল'ৰা/ছোৱালী উভয় শাখাই যথেষ্ট উন্নত প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। ইয়াৰ বাবে আমি আমাৰ প্ৰশিক্ষক শ্ৰীযুত ছাদ্দাম হুছেইনক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ চাৰিজন ছাত্ৰ ক্ৰমে নিতু নাথ, সত্যজিৎ বৰুৱা, শংকৰ গোস্বামী আৰু প্ৰকাশ জ্যোতি বৰুৱাক নলবাৰীত অনুষ্ঠিত ৰাজ্যিক পৰ্য্যায়ৰ এথলেটিকছ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে লৈ যোৱা হয়, য'ত মই নিজেও অংশগ্ৰহণ কৰি পদক লাভ কৰিবলৈ সক্ষম হওঁ।

ইয়াৰোপৰি বিগত ০১/০৮/২০১৮ তাৰিখৰ পৰা বৰ্ত্তমানলৈ আমাৰ মহাবিদ্যালয়ত বাস্কেট বলৰ নিয়মীয়াকৈ অনুশীলন চলাই থকা হৈছে।

আমাৰ কাৰ্য্যকালছোৱাত মোক বিভিন্ন উপদেশ, অনুপ্ৰেৰণা প্ৰদান কৰা মাননীয় তত্বাৱধায়ক মহোদয় শ্ৰীযুত প্ৰণৱ দাস ছাৰকো এই সুযোগতে মই শ্ৰদ্ধা নিবেদিছো। মোৰ লগত ছাঁৰ দৰে লাগি থকা হাচান, অনুপদা, মোস্তাক দাদা, জয়, কবি জেবা হঁতক মই চিৰদিন মনত ৰাখিম। ইয়াৰোপৰি মোক সৰ্ব্বদিশত সাহস যোগোৱা, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুবৃন্দ, কৰ্মচাৰী বৃন্দ, ছাত্ৰ-ছাত্ৰী, ছাত্ৰ একতা সভাৰ অন্য বিষয়ববীয়া সকল আৰু বন্ধু-বান্ধৱী আটাইলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয় আই অসম।

**শ্ৰীচিন্ময়ী গোস্বামী**
**সম্পাদিকা, ক্ৰীড়া বিভাগ**
**ছাত্ৰ একতা সভা**

# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জ্ঞান! চৰিত্ৰ! একতা!!!
উঠা, জাগা, লক্ষ্যস্থান নোপোৱালৈকে নৰ'বা।
—স্বামী বিবেকানন্দ

জয় জয়তে পৰমপিতা পৰমেশ্বৰৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ। প্ৰতিবেদনৰ আৰম্ভণিতে বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত গঠিত চিৰ সেউজ মনোৰম অসম দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল বীৰ-বীৰাঙ্গনাই নিজ কলিজাৰ কেঁচা তেজেৰে ইতিহাস গঢ়ি গ'ল, যিসকলে দেশ মাতৃৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দি অমৰত্ব লাভ কৰিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে যি সকল মহান জ্ঞান পিপাসু, পূণ্যাত্মা, জ্ঞান সন্ধানী সকলৰ ত্যাগ, কষ্ট আৰু অশেষ পৰিশ্ৰমৰ মাজেৰে তাহানিৰ ১৯৫১ চনতে দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ "মঙ্গলদৈ মহাবিদ্যালয়" গঢ়ি দৰং জিলাত শিক্ষাৰ ৰামধেনু যুগৰ সূচনা কৰিলে, তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ।

এই চেগতে মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ বাবে সুযোগ প্ৰদান কৰা বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত বন্ধু বৰ্গক ধন্যবাদ জ্ঞাপন কৰিলো।

সাধাৰণতে সমাজ সেৱা বুলিলে ইয়াৰ প্ৰকৃত সংজ্ঞা দিয়াটো কঠিন। প্ৰকৃত সমাজ সেৱা হৈছে শোষিত জনগণৰ মুক্তিৰ হকে চলোৱা এক পবিত্ৰ সংগ্ৰাম। আনহাতে, সমাজ সেৱা বুলি কওঁতে নিঃস্বাৰ্থভাৱে সমাজ সেৱা আগবঢ়োৱাহে বুজায় কিন্তু আজিৰ তাৰিখত নিঃস্বাৰ্থভাৱে সমাজসেৱা আগবঢ়োৱা ব্যক্তিৰ সংখ্যা এপাচি শাকত এটা জলকীয়াৰ দৰে। বৰ্তমান সময়ত পাঠ্যপুথিৰ শিক্ষাই যথেষ্ট নহয়। ইয়াৰ লগতে লাগিব আমাক কৰ্ম সংস্কৃতি। জাতি এটাৰ মাপকাঠি হ'ল কৰ্ম-সংস্কৃতি। সমাজ সেৱা বিষয়টি জড়িত হৈ আছে কৰ্ম সংস্কৃতিৰ লগত। স্কুল কলেজৰ পৰ্যায়ৰ পৰাই আমি ছাত্ৰ-ছাত্ৰী সকলে নিজকে সমাজ সেৱাৰ লগত জড়িত বুলিব পাৰো। মাদাৰ টেৰেছা, স্বামী বিবেকানন্দ, নবীন চন্দ্ৰ বৰদলৈ আদিৰ দৰে মনীষী সকলৰ আদৰ্শ শিৰোগত কৰি আমি সমাজসেৱা সৰ্বাংগ সুন্দৰ কৰি তুলিবলৈ ছাত্ৰ কালৰ পৰাই প্ৰয়াস কৰা উচিত।

যোৱা ইং ০১/১১/২০১৭ তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সভাত অন্য সম্পাদক-সম্পাদিকা সকলৰ লগতে ময়ো সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই কিছুদিনৰ পিছতে মহাবিদ্যায়ৰ চৌহদটো সামান্যভাৱে পৰিষ্কাৰ কৰো। কাৰ্যকালৰ আৰম্ভণীতে পাওঁ মহাবিদ্যালয় সপ্তাহ। প্ৰথমদিনা সামূহিক চাফাই অনুষ্ঠানটি মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত সুকলমে হৈ যায়। ইয়াৰ পিছতেই ২৭/৩/২০১৮ তাৰিখ মঙ্গলবাৰে সমাজ সেৱা বিভাগৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত "আমাৰ মহাবিদ্যালয় আমাৰ পৰিচয়" শীৰ্ষক এটি স্বচ্ছতা শিবিৰ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটিত পৰিৱেশৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰি মহাবিদ্যালয়ৰ বিভিন্ন স্থানত অগৰু, আম, বগা চন্দন, ৰঙা চন্দন, নাহৰ, মধুৰীআম, কঠাল, তামোল আদি গছৰ পুলি ৰোপন কৰা হয়। এই অনুষ্ঠানটিৰ মাধ্যমেৰে সমাজ সেৱাৰ প্ৰতি দায়বদ্ধতা গঢ় দিয়াৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পৰা চাৰিজনকৈ ছাত্ৰ-ছাত্ৰীক শ্ৰেষ্ঠ স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকা হিচাপে নিৰ্বাচিত কৰি বিগত ২৪/৮/২০১৮ তাৰিখ শুক্ৰবাৰে অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত সাদৰ সম্ভাষণৰে পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্যকালত প্ৰতিটো দিশতে দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সমাজসেৱা বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰী অনুপম ঠাকুৰীয়া ছাৰ আৰু মোৰ পূজনীয় শিক্ষাগুৰু বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া,মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু ৰাষ্ট্ৰীয় সুৰক্ষা বাহিনীৰ লগতে মোৰ কাম-কাজত সহায় সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ জ্যোতিৰে সমগ্ৰ পৃথিৱী জ্যোতিস্মান হওঁক তাকেই কামনা কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয় আই অসম।

শ্ৰদ্ধাৰে—

**নিশাৰাণী মেধি**

**সম্পাদিকা, সমাজ সেৱা বিভাগ**

**ছাত্ৰ একতা সভা**

# তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ যিসকল মহান জ্ঞানপিপাসু, জ্ঞানসন্ধানী, পূণ্যাত্মাসকলে অশেষ কষ্ট, ত্যাগ আৰু পৰিশ্ৰমৰ মাজেৰে তাহানিৰ ১৯৫১ চনতে দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ, মঙ্গলদৈ মহাবিদ্যালয় গঢ়ি দৰং জিলাত শিক্ষাৰ ৰামধেনু যুগৰ সূচনা কৰিলে, তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ।

এই ছেগতে ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকা পদত মোক সৰ্বোচ্চ ভোটেৰে জয়যুক্ত কৰি মহাবিদ্যালয়খনৰ সেৱাৰ সুযোগ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লগতে মোৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত বন্ধুবৰ্গক ধন্যবাদ জ্ঞাপন কৰিলো।

চকুত নানা সপোন লৈ মনত হাজাৰ আশা লৈ আহিছিলো মঙলদৈ মহাবিদ্যালয়লৈ।

আহিয়েই দেখিছিলো এখন মনোমোহা কলেজ য'ত গছ-গছনিৰ কোমল পাতবোৰ লৰিছিল, চৰাই-চিৰিকতিৰ মধুৰ মাতৰ দৰে বাজি উঠিছিল কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাত। লাজ ভয়ৰে অতিক্ৰম কৰিছিলো কলেজৰ প্ৰথম দিনবোৰ।মনত আশা পুহি ৰাখিছিলো কিবা এটা কৰাৰ আৰু মঙলদৈ মহাবিদ্যালয়ৰ নিৰ্বাচনৰ পৰাই আৰম্ভ কৰিলো মোৰ সপোনবোৰ দিঠকত পূৰাবলৈ। নিৰ্বাচনত জয়ী হৈয়ে মই মোৰ কাৰ্যভাৰ আৰম্ভ কৰিলো আৰু প্ৰত্যেক কাৰ্যভাৰতে মোক সহায় কৰি গৈছিল মোৰ সন্মানীয়া তত্বাৱধায়ক ড° বৰ্ণালী ডেকা বাইদেউ লগতে মোক সদায় মোৰ কাৰ্যভাৰত সন্মতি প্ৰদান কৰিছিল সন্মানীয় অধ্যক্ষ মহোদয় ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰে। লগতে মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সঁহাৰি জনোৱা আৰু বিচাৰকৰ দৰে এটি গুৰু দায়িত্ব সমাপন কৰা অধ্যাপক পৰেশ কুমাৰ শৰ্মা ছাৰ, ড° আঙ্গিৰস ছাৰ, অধ্যাপক ড° মৃদুল ডেকা ছাৰ, অধ্যাপক অনুপম ঠাকুৰীয়া ছাৰ, অধ্যাপক ইছাৰাম নাথ ছাৰ লগতে অধ্যাপিকা ৰুণজুন দেৱী বাইদেউ, ড° অৰ্পনা দেৱী বাইদেউৰ লগতে অধ্যাপিকা ৰূপজ্যোতি বাইদেউক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। কাৰ্যভাৰ গ্ৰহণৰ কিছু দিন পিছতে তেজপুৰ বিশ্ববিদ্যালয়ত Texchetra কাৰ্যক্ৰমত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাৰ লগতে ধেমাজি জিলাত অনুষ্ঠিত হোৱা

তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰূপে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰাঞ্জল প্ৰতীম ডেকা আৰু প্ৰশান্ত বৰাই দলক নিৰ্বাচিত কৰে। তাৰে কিছুদিন পিছত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় আৰু মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতা আৰু বক্তৃতা অনুষ্ঠান আয়োজিত কৰা হয়। তাৰে পিছত কিছুদিন পিছত নগাঁও মহাবিদ্যালয়ত আৰু নগাঁও বাণিজ্য মহাবিদ্যালয়ত আন্তঃগাথনি যুৱ মহোৎসৱত আয়োজিত তৰ্ক প্ৰতিযোগিতাত প্ৰাঞ্জল প্ৰতীম ডেকা আৰু অপূৰ্ব ডেকাই শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ আনিবলৈ সক্ষম হৈছে। মোৰ এই সু-মধুৰ কাৰ্যকালত মঙলদৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে বিজয়ী ছাত্ৰসকলক মঙলদৈ মহাবিদ্যালয়ৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলো আৰু লগতে প্ৰতিবছৰে ২০ ছেপ্টেম্বৰ তাৰিখে তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত সদৌ অসম শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

শেষত তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সম্পাদিকাৰ দায়িত্ব পালনত অজ্ঞাতভাৱে হোৱা ভুল ত্ৰুটিৰ বাবে সমূহ ছাৰ, বাইদেউ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

এই মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী গুৰু দায়িত্ব হওঁক যাতে এনেদৰে আমাৰ মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনি এখন জাকত জিলিকা মহাবিদ্যালয় ৰূপে গঢ়ি তোলে। তাৰে কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছো। ধন্যবাদ

জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

শ্ৰদ্ধাৰে—
**শ্ৰীপ্ৰিয়ংকা বৈশ্য**
**সম্পাদিকা, তৰ্ক আৰু বক্তৃতা বিভাগ**
**ছাত্ৰ একতা সভা**

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



ছাত্ৰ জিৰণি কোঠাৰ চমু প্ৰতিবেদনৰ প্ৰাক্ ক্ষণত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হৈ মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।


আন আন বছৰৰ দৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বাৰ্ষিক এই অনুষ্ঠানত ডবা খেল, কেৰম খেল, বেডমিণ্টন, টেবুল টেনিছ আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। আটাইবোৰ প্ৰতিযোগিতাতে ছাত্ৰসকলৰ যোগদান অতি উৎসাহজনক আছিল। মোৰ কাৰ্যকালত সুন্দৰ ছাত্ৰ জিৰণি কোঠা এটি মহাবিদ্যালয়ত স্থাপন কৰা হয়। ছাত্ৰ জিৰণি কোঠাৰ লগতে ছাত্ৰসকলৰ প্ৰস্ৰাৱগাৰটি পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগ, আন সকলো বিভাগৰ সম্পাদক, সম্পাদিকাৰ পৰা পোৱা সহযোগিতা শলাগিবলগীয়া। উল্লেখনীয় যে এই বছৰতে ছাত্ৰ জিৰণি কোঠাটি নতুনকৈ নিৰ্মাণ কৰি ছাত্ৰসকলৰ বাবে অতি আকৰ্ষণীয় কৰি তোলা হয়। এই ক্ষেত্ৰত মোৰ কাৰ্যকালত মোক হাতত ধৰি দিহা-পৰামৰ্শ তথা সহযোগিতা আগবঢ়োৱা মোৰ তত্বাৱধায়ক ড° মৃদুল ডেকা ছাৰলৈ তথা ছাত্ৰ একতা সভাৰ সকলো বিভাগৰ তত্বাৱধায়কৰ

দায়িত্বত থকা শিক্ষাগুৰুসকললৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে—

**গগনজ্যোতি নাথ**
**সম্পাদক, ছাত্র জিৰণি কোঠা**
**ছাত্র একতা সভা**

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



ছাত্ৰী জিৰণি কোঠাৰ চমু প্ৰতিবেদনৰ প্ৰাক্ক্ষণত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সদস্য হৈ মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে সকলো ছাত্র-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আন আন বছৰৰ দৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বাৰ্ষিক এই অনুষ্ঠানটিত ডবাখেল, কেৰমবোৰ্ড, বেডমিণ্টন, আল্পনা আদি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। আটাইবোৰ প্ৰতিযোগিতাতে ছাত্ৰসকলৰ যোগদান আছিল উৎসাহজনক। মোৰ কাৰ্য্যকালত ছাত্ৰী জিৰণি কোঠাটি যিমান সম্ভৱ স্বচ্ছ কৰি ৰাখি সুন্দৰ পৰিৱেশ এটি সৃষ্টি কৰাৰ মানসেৰে ছাত্ৰীসকলৰ পৰা স্বচ্ছতাৰ সহযোগিতা বিচৰা হয়। ছাত্ৰী জিৰণি কোঠাৰ প্ৰস্ৰাৱগাৰ সমূহ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি তথা মহাবিদ্যালয়ৰ আন আন সম্পাদিকা সকলৰ পৰা পোৱা সহযোগিতা শলাগিবলগীয়া। এইখিনিতে নকৈ নোৱাৰি যে প্ৰস্ৰাৱগাৰসমূহ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীয়ে গুৰুত্ব প্ৰদান কৰিব লাগিব।

উল্লেখনীয় যে এই বছৰতে ছাত্ৰী জিৰণি কোঠাৰ সমুখভাগটি নতুনকৈ নিৰ্মাণ কৰি আকৰ্ষণীয় কৰি তোলা হয়। শেষত মোৰ কাৰ্যকালত সকলো দিশতে দিহা-পৰামৰ্শ তথা সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু মণ্ডলী আৰু মোৰ বন্ধু-বান্ধৱী সকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে-

**হিমাশ্ৰী নাথ**
**সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা**
**ছাত্র একতা সভা**

# ব্যায়ামশালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মই যিসকল মহান ব্যক্তিৰ চেষ্টাত মঙ্গলদৈ মহাবিদ্যালয় খনে প্ৰতিষ্ঠা লাভ কৰিছিল সেই সকল মহান ব্যক্তিক প্ৰথমে শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে

অক্লান্ত প্ৰচেষ্টাৰে মঙ্গলদৈ মহাবিদ্যালয়খনক দৰং জিলা তথা উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত এখন উচ্চ মানদণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা সেই শিক্ষাগুৰুলৈ মোৰ আন্তৰিক প্ৰণিপাত জনাইছোঁ। ইয়াৰ উপৰিও যিসকল পূৰ্ব্ব পুৰুষে এই মহাবিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে তেখেত সকলৈকো মোৰ আন্তৰিক সেৱা যাঁচিছো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণী ঃ**

মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ছাত্ৰ একতা সভাৰ "ব্যায়ামশালা" বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰে। এই সুযোগতে মহাবিদ্যালয় খনৰ সমূহ ছাত্ৰ-ছাত্ৰীকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

মহাবিদ্যালয় ছাত্ৰ একতা সভাই দায়িত্ব গ্ৰহণ কৰাৰ পিছত 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰাৰ দায়িত্ব আহি পৰে। পৰম্পৰা অনুযায়ী ইং ২৯/০১/২০১৮ তাৰিখৰপৰা ইং ০৪/০২/২০১৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ বাবে ৰহনীয়া সাংস্কৃতিক অনুষ্ঠান, খেল-ধেমালি, লগতে শৰীৰ চৰ্চাৰ অংশ হিচাপে কেৰাটে, ভাৰোত্তোলন স্কিপিং, পাঞ্জা, দেহ-শ্ৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ আকৰ্যণীয় সহযোগে মোক অভাৱনীয়ভাৱে উৎসাহিত কৰিছে।

অতীত কালৰ পৰাই শৰীৰ চৰ্চা এক কলা হিচাপে চলি আহিছে। সেই সময়ত ঋষি-মুনি সকলেহে শৰীৰ চৰ্চা কলাটো জীয়াই ৰাখিছিল। শৰীৰ চৰ্চাই মানুহক নিৰোগী আৰু স্বাস্থ্যৱান কৰি ৰাখে। বৰ্তমান বিজ্ঞানৰ যুগত ইয়াক এক শিক্ষাৰ বিষয় হিচাপে স্বীকৃতি দিছে। শৰীৰ চৰ্চাই আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। এই সুযোগতে মহাবিদ্যালয় কৰ্তৃপক্ষক এই বিষয়ত বিশেষ গুৰুত্ব দিবলৈ নিবেদন জনালোঁ।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত শৰীৰ চৰ্চাৰ অনুশীলনৰ বাবে এটা সুকীয়া কোঠা পাবলৈ সক্ষম হওঁ। "ব্যায়ামশালা" বিভাগৰ বিভিন্ন দিশত সু-পৰামৰ্শ দি আগুৱাই যোৱাত সহায় কৰা মাননীয় তত্ত্বাৱধায়ক ড° কংকন শৰ্মা চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে গঠনমূলক পৰামৰ্শৰে মোৰ কৃতকাৰ্যতাৰ মূল ভেটি ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আন্তৰিক কৃতজ্ঞতা জনাইছো।

সৰ্ব্বশেষত মোৰ কাৰ্য্যকালত হৈ যোৱা অজানিত ভুল-ক্ৰুটিৰ বাবে মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো। মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্ব্ব দিশৰ উন্নয়ন কামনাৰে "ব্যায়ামশালা" সম্পাদকৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

শ্ৰদ্ধাৰে—

**জ্ঞান জ্যোতি ডেকা**

**সম্পাদক, ব্যায়াম শালা বিভাগ**

# Principals of Mangaldai College

**Estd. 1951**

| Sl. No. | Name | From | To |
|---|---|---|---|
| 1. | Sri Purandar Sarma, MA, Bl, | 20.09.1951 | 11.09.1966 |
| 2. | Sri Prabodh Ch. Goswami, MA, BT. | 12.09.1966 | 30.06.1977 |
| 3. | MD. Abdul Mazid, MA, LLB | 01.07.1977 | 17.08.1983 |
| 4. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 18.08.1983 | 18.03.1988 |
| 5. | MD. Abdul Mazid, MA, LLB | 19.03.1988 | 28.02. 1990 |
| 6. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 01.03.1990 | 31.03.1992 |
| 7. | Sri Gopi Nath Sarma, MA (in Charge) | 01.04.1992 | 30.06.1992 |
| 8. | Sri Siba Kanta Sarma, MA, LLB | 01.07.1992 | 31.05.1996 |
| 9. | Dr. L Nath, MSc, BT, M. Phil, Ph.D. | 01.06.1996 | 31.03.1999 |
| 10. | Dr. (Mrs.) Amiya Devi, MA, Ph.D. (in Charge) | 01.04.1999 | 31.07.2000 |
| 11. | Dr. G.C. Goswami, MSc., BT, M. Phil, Ph.D. | 01.08.2000 | 31.04.2001 |
| 12. | Dr. H.K. Goswami, MA, Ph.D. (in Charge) | 01.05.2001 | 31.05.2004 |
| 13. | Dr. R.K. Roy, MA, Ph.D. (in Charge) | 01.06.2004 | 30.11.2004 |
| 14. | Dr. J.C. Nath, MA, Ph.D. | 01.12.2004 | 31.08.2007 |
| 15. | Mr. S. Rahman, MSc., LLB (in Charge) | 01.09.2007 | 16.01.2009 |
| 16. | Mr. B.K. Medhi, MSc. (in Charge) | 17.01.2009 | 31.10.2010 |
| 17. | Mr. N. Mudai, MSc. LLB (in Charge) | 01.11.2010 | 06.06.2011 |
| 18. | Mrs. B. Goswami, MSc. (in Charge) | 07.06.2011 | 20.01.2012 |
| 19. | Dr. K.K. Nath, MSc., Ph.D. | 20.01.2012- | |

# ২০১৭-১৮ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | বিশ্বজিৎ বৰুৱা |
| সাধাৰণ সম্পাদক | ঃ | কৌস্তুভমণি চহৰীয়া |
| সহঃ সাধাৰণ সম্পাদক | ঃ | অপুল ডেকা |
| সাহিত্য আৰু আলোচনী বিভাগ | ঃ | ছালমান হুছেইন |
| সাংস্কৃতিক আৰু চাৰু কলা সম্পাদিকা | ঃ | চয়নিকা নাথ |
| খেল সম্পাদক | ঃ | চিন্ময়ী গোস্বামী |
| ছাত্ৰ জিৰণি কোঠা সম্পাদক | ঃ | গগন জ্যোতি নাথ |
| ছাত্ৰী জিৰণি কোঠা সম্পাদিকা | ঃ | হিমাশ্ৰী নাথ |
| তৰ্ক সম্পাদক | ঃ | প্ৰিয়ংকা বৈশ্য |
| সমাজ সেৱা সম্পাদিকা | ঃ | নিশা ৰাণী মেধি |
| ব্যায়ামশালা সম্পাদক | ঃ | জ্ঞান জ্যোতি ডেকা |

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল


(১৯৫৮-১৯৫৯ বৰ্ষৰপৰা ২০১৭-২০১৮ বৰ্ষলৈকে)

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-১৯৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-১৯৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-১৯৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-১৯৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-১৯৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-১৯৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-১৯৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-১৯৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |

| | | | |
|---|---|---|---|
| ৯ম | ১৯৬৭-১৯৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-১৯৬৯ | শ্ৰীনৰেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-১৯৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-১৯৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-১৯৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন নাথ কাকতি |
| ১৪শ | ১৯৭২-১৯৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভূপেন নাথ কাকতি |
| ১৫শ | ১৯৭৩-১৯৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভূপেন নাথ কাকতি |
| ১৬শ | ১৯৭৪-১৯৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন নাথ কাকতি |
| ১৭শ | ১৯৭৫-১৯৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন নাথ কাকতি |
| ১৮শ | ১৯৭৬-১৯৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | শ্ৰীভূপেন নাথ কাকতি |
| ১৯শ | ১৯৭৭-১৯৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-১৯৭৯ | শ্ৰীশৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-১৯৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-১৯৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-১৯৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-১৯৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-১৯৮৬ | শ্ৰীশিৱ প্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-১৯৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-১৯৮৮ | শ্ৰীভবেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-১৯৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ আলি |
| ২৯ম | ১৯৮৯-১৯৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-১৯৯২ | শ্ৰীববিতা কুমাৰ মাজুডেকা | ইদ্ৰিছ আলি |
| ৩১ম | ১৯৯১-১৯৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ আলি |
| ৩২ম | ১৯৯৩-১৯৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-১৯৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৪ম | ১৯৯৫-১৯৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |


| | | | |
|---|---|---|---|
| ৩৫ম | ১৯৯৬-১৯৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-১৯৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-১৯৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড০ বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০১-২০০১ | শ্ৰীপ্ৰবীন বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-২০০২ | শ্ৰীসম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-২০০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-২০০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-২০০৮ | শ্ৰীজয়ন্ত ডেকা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-২০০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-২০১০ | শ্ৰীমানৱজ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-২০১১ | মঃ হামিদুৰ ৰহমান | ড০ সৰযুপ্ৰিয়া দেৱী |
| ৪৭ম | ২০১১-২০১২ | শ্ৰীঅবিনাশ বৰুৱা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | ২০১২-২০১৩ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ সৰযুপ্ৰিয়া দেৱী |
| | ২০১৩-২০১৪ | শ্ৰীভাস্কৰজ্যোতি ডেকা | |
| ৪৮ম | ২০১৪-২০১৫ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ আঙ্গিৰস |
| | ২০১৫-২০১৬ | শ্ৰীলক্ষ্যজ্যোতি দাস | ড০ আঙ্গিৰস |
| ৪৯ম | ২০১৬-২০১৭ | শ্ৰীজ্ঞানদ্বীপ বৰুৱা | ড০ আঙ্গিৰস |
| ৫০ম | ২০১৭-২০১৮ | ছালমান হুছেইন | ড০ আঙ্গিৰস |

## Master Plan Layout of Mangaldai College Campus 2017-18





Prepared By Dr. Pranjit Kumar Sarma,
Department of Geography, Mangaldai College

# মহাবিদ্যালয় সপ্তাহৰ কেইটামান দৃশ্য



অধ্যাপক-ছাত্ৰৰ প্ৰীতি ক্ৰিকেট খেলৰ 'অপেনিং চট'



ফুটবল প্ৰতিযোগিতাৰ এটি দৃশ্য



অধ্যাপক-ছাত্ৰ একতা সভাৰ প্ৰীতি ক্ৰিকেট খেলৰ আৰম্ভণি



সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নৃত্য প্ৰদৰ্শন





সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নৃত্য প্ৰদৰ্শন



দেহশ্ৰী প্ৰতিযোগিতাৰ এটি দৃশ্য



আমন্ত্ৰিত শিল্পী ৰাকেশ ৰিয়াল

## মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত শোভাযাত্ৰাৰ কেইটামান দৃশ্য













# সাফল্যৰ কেইটামান স্নেপ



যুৱ মহোৎসৱৰ ব্যঙ্গ নাটৰ তৃতীয় শ্ৰেষ্ঠ দল



কিশোৰ নাথ
সত্ৰীয়া নৃত্যত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত (জ'নৈল)



তেজপুৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত 'TechXetra-2017' ত
জনগোষ্ঠীয় নৃত্যত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত দল




গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ
(জ'নৈল) তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল

# মঙলদৈ মহাবিদ্যালয়ৰ কেইগৰাকীমান খ্যাতিমান ছাত্ৰ-ছাত্ৰী



শ্ৰী মৃদুস্মিতা শৰ্মা
ৰসায়ন বিজ্ঞান বিভাগ



শ্ৰীমিনাক্ষী ডেকা
প্ৰাণী বিজ্ঞান বিভাগ



শ্ৰীধৰ্মেন্দ্ৰ চৌহান
উদ্ভিদ বিজ্ঞান বিভাগ



মঃ আজিজুৰ ব...
পদাৰ্থ বিজ্ঞান বি...

(২০১৭-১৮ বৰ্ষৰ ষ্টাৰ কলেজ পুৰস্কাৰ বিজেতা)

---

# ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ কেইগৰাকীমান বিজয়ী প্ৰতিযোগী



শ্ৰীৰাকেশ ডেকা
শ্ৰেষ্ঠ অভিনেতা



শ্ৰীসাগৰিকা ডেকা
শ্ৰেষ্ঠ অভিনেত্ৰী



আৰলিন চিবলীনা
শ্ৰেষ্ঠ সাহিত্যিক



শ্ৰীমূৰ্চ্ছনা মেধি
শ্ৰেষ্ঠ গায়িকা



শ্ৰীবিশাল ব...
শ্ৰেষ্ঠ এথলেটিকচ খেলুৱৈ




শ্ৰীঅৰ্চনা বড়া
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী শাখা)



শ্ৰীজয়প্ৰকাশ কলিতা
শ্ৰেষ্ঠ ফুটবল খেলুৱৈ



শ্ৰীগৌতম হাজৰিকা
শ্ৰেষ্ঠ কাবাডী খেলুৱৈ



শ্ৰীনিকুমনি কলিতা
শ্ৰেষ্ঠ মহিলা ক্ৰিকেট খেলুৱৈ



শ্ৰীপ্ৰাঞ্জল ডেকা
শ্ৰেষ্ঠ তাৰ্কিক



২০১৮ বৰ্ষত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ফটোগ্ৰাফী প্ৰদৰ্শনীৰ এটি দৃশ্য




ৰাষ্ট্ৰীয় সেৱা আঁচনি, মঙলদৈ মহাবিদ্যালয় গোটৰ দ্বাৰা
২৭-৩-২০১৮ তাৰিখে আয়োজিত চামাহি অভিযানৰ এটি দৃশ্য



মঙলদৈ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত স্বাধীনতা দিৱসত
মহাবিদ্যালয় এন.চি.চি. দল



"NAAC PEER TEAM" ৰ মহাবিদ্যালয় পৰিদৰ্শনৰ এটি মুহূৰ্ত



আন্তঃ মহাবিদ্যালয় বাস্কেট বল ছোৱালী শাখাৰ চূড়ান্ত খেলখনৰ
এটি মুহূৰ্ত (মঙলদৈ মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়)

